ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

RN-11989/65 । ৬১ বছৰ । ৩০৫ সংখ্যা, ৩০ জেঠ, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 305। GUWAHATI, SUNDAY, JUNE 14, 2026 । পৃষ্ঠা ১২+৪ (Pages 12+4) ৯.০০ টকা (Rs. 9.00)

আজিৰ পৰিপূৰিকা





মুহূৰ্ততে কঁপি উঠিল সমগ্ৰ ৰৌৰিয়া অঞ্চল, ছানি ধৰিলে ক'লা ধোঁৱাই ■ প্ৰাণ গ'ল বায়ুসেনাৰ স্কোৱাড্ৰন লীডাৰ প্ৰশান্ত সিং, ফ্লাইট লেফটেনেণ্ট শুভম কুমাৰ, ছাৰ্জেণ্ট জিতেন্দ্ৰ শৰ্মা, অগ্নিবীৰ খেমাৰাম কুমাৱট আৰু ডেনিছ আলমৰ ■ গুৰুতৰভাৱে আহত তিনি জোৱান, চিকিৎসালয়ত ভৰ্তি



## অৱতৰণৰ সময়তে বিস্ফোৰণ ঘটি জ্বলি উঠিল বায়ুসেনাৰ ৪৩ স্কোৱাড্ৰনৰ এ এন ৩২

# যোৰহাটত ভয়ংকৰ বিমান দুৰ্ঘটনা, নিহত ৫


### কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, মুখ্যমন্ত্ৰী ডঃ শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট/পুলিবৰ, ১৩ জুন ঃ** আজি পুৱাই এক বৃহৎ বিস্ফোৰণৰ শব্দত কঁপি উঠে যোৰহাটৰ ৰৌৰিয়াস্থিত বায়ুসেনা বাহিনীৰ ঘাটিৰ লগতে সমগ্ৰ ৰৌৰিয়া অঞ্চল। নিমিষতে আকাশ আবৰি ধৰে ক'লা ধোঁৱাই। এই বৃহৎ শব্দৰ সৃষ্টি হৈছিল যোৰহাটৰ বায়ুসেনা ঘাটিত এখন *৬ পৃষ্ঠাত চাওক*

অৰুণাচলত তিনি হাজাৰ ফুট তলত পৰিল বাহন

## নাওবৈচাৰ পাঁচজন যুৱকৰ কৰুণ মৃত্যু



দৈনিক অসমৰ প্ৰতিনিধি

**বান্দৰদেৱা, ১৩ জুন ঃ** অৰুণাচল প্ৰদেশত সংঘটিত এটা ভয়ংকৰ দুৰ্ঘটনাই *৬ পৃষ্ঠাত চাওক*



অবৈধ বাংলাদেশীয়ে ল'ব নোৱাৰাৰ বাবে চৰকাৰৰ সিদ্ধান্ত


## এতিয়াৰ পৰা ৰাজ্যত ১৮ বছৰৰ ওপৰৰ কোনো লোকে নাপাব আধাৰ কাৰ্ড

### কাঁহুদী



— কাণে কাণে কওঁ ৰ'বা, শুনিলে আকৌ মিঞাই চল পাব। অৰুণোদয়ৰ টকা আমি পামেই—মামাই কৈছে।

## কানাডাত বিশ্বকাপৰ মঞ্চ কঁপালে নোৰা ফাতেহীয়ে



### প্ৰথম মেচৰ পূৰ্বে চুৰি হ'ল ইংলেণ্ড দলৰ বুট-বল

**টৰ'ণ্টো, ১৩ জুন ঃ** পপ সংগীতৰ ৰাণী শ্বাকিৰাই মেক্সিকোত অনুষ্ঠিত ফিফা বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত নৃত্য-গীতেৰে অনুৰাগীক উদ্বেলিত কৰাৰ পাছত কানাডাত আয়োজিত বিশ্বকাপৰ আন এক শুভাৰম্ভ অনুষ্ঠানত দৰ্শকক মন্ত্ৰমুগ্ধ কৰিলে বলীউডৰ তাৰকা *৬ পৃষ্ঠাত চাওক*

কেবিনেট বৈঠকৰ সিদ্ধান্ত সদৰি কৰিলে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই

## আগষ্টৰ পৰা আৰম্ভ হ'ব অৰুণোদয়কে ধৰি ৰাজ্য চৰকাৰৰ সকলো আঁচনিৰ কাম

**এম জি এনৰেগাৰ পৰিৱৰ্তে আৰম্ভ হ'ব ভি বি-জি-ৰাম জি আঁচনি, প্ৰতিখন পঞ্চায়তে পাব ১ কোটিকৈ টকা ■ গুৱাহাটী বিমানবন্দৰৰ আশে-পাশে হ'ব ছেটেলাইট চিটী ■ জনগোষ্ঠীয় পানীয় উৎপাদনৰ অধিকাৰ পাব নিৰ্দিষ্ট জনগোষ্ঠীয়েহে ■ 'সূৰ্য-চন্দ্ৰ থকালৈকে অসমীয়া ভাষা থাকিব, অখিলে নিজেহে নিৰাপত্তা বিচাৰিছিল'**

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৩ জুন ঃ** চলিত বৰ্ষৰ ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ সকলো আঁচনিৰ কাম নিয়মীয়া ৰূপত আৰম্ভ হ'ব। অৰুণোদয়কে ধৰি সকলো হিতাধিকাৰী আঁচনিৰ সুবিধাও বাইজে ১ আগষ্টৰ পৰা পুনৰ লাভ কৰিব *৬ পৃষ্ঠাত চাওক*



### ২০২৭ৰ ৩১ মাৰ্চৰ ভিতৰত জনজাতি-চাহ বাগিচাৰ লোকে ল'ব লাগিব কাৰ্ড

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৩ জুন ঃ** অবৈধ বাংলাদেশীয়ে যাতে আৰু কোনোপধ্যে আধাৰ কাৰ্ড ল'ব নোৱাৰে তাৰ বাবে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা অসমত ১৮ বছৰ বয়সৰ ওপৰৰ কোনো লোকে নতুনকৈ আধাৰ কাৰ্ড ল'ব নোৱাৰিব। ইতিমধ্যে ১০০ শতাংশ আধাৰ কাৰ্ড জিলাসমূহত প্ৰদান কৰা হৈছে বুলি *৬ পৃষ্ঠাত চাওক*



সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam
দিছপুৰ
চি এম এছ. ৭/২০২৩/৬৯৯০
৩০ জেঠ, ১৪৩৩ ভাস্কৰাব্দ
১৪ জুন, ২০২৬ ইং

**বিশ্ব ৰক্তদাতা দিৱস, ২০২৬** উপলক্ষে
মুখ্যমন্ত্ৰী **ড° হিমন্ত বিশ্ব শৰ্মা**ৰ শুভেচ্ছাবাৰ্তা

আপোনালোক নিশ্চয় অৱগত যে প্ৰতিবছৰে ১৪ জুন তাৰিখটো বিশ্ব ৰক্তদাতা দিৱসৰূপে পালন কৰা হয়। এই দিৱস পালনৰ জৰিয়তে সুৰক্ষিত ৰক্তদানৰ প্ৰয়োজন সন্দৰ্ভত ব্যাপক সজাগতামূলক কাৰ্যসূচীৰ লগতে স্বেচ্ছামূলক ৰক্তদানেৰে জীৱন ৰক্ষাত অৰিহণা যোগোৱা ৰক্তদাতাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰা হয়। বিগত বছৰসমূহৰ দৰে এইবাৰো সমগ্ৰ বিশ্বৰ লগতে অসমতো এই দিৱস পালন কৰা হ'ব। এই বছৰৰ বিশ্ব ৰক্তদাতা দিৱসৰ মূল বিষয়বস্তু হৈছে-

'One Drop of Humanity, Give Blood Save Lives'
অৰ্থাৎ,
'ৰক্তদানেৰে জীৱন ৰক্ষা কৰি মানৱতাৰ নিদৰ্শন'

জনসাধাৰণৰ সামূহিক স্বাস্থ্য উন্নীত কৰাত ৰক্তদাতাসকলৰ ভূমিকা অপৰিসীম। কিয়নো স্বাস্থ্য খণ্ডত প্ৰয়োজন হোৱা পৰিশোধিত ৰক্ত কেৱল স্বেচ্ছামূলক ৰক্তদাতাসকলৰ যোগেদিহে পূৰাব পাৰি। এই নিঃস্বাৰ্থ সেৱাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

ৰক্তদানৰ কোনো বিকল্প নাই। সেয়ে বৰ্তমান সময়ত স্বেচ্ছামূলক ৰক্তদানৰ বাবে এক গণ আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত গণ মাধ্যম, স্বেচ্ছাসেৱী সংস্থা আদিয়ে এক সবল ভূমিকা ল'ব পাৰে।

আমি সকলোৱে মনত ৰখা প্ৰয়োজন যে ৰক্ত কেৱল অনুজ্ঞাপ্ৰাপ্ত ৰক্তকেন্দ্ৰ, চৰকাৰী ৰক্তকেন্দ্ৰৰ পৰাহে গ্ৰহণ কৰা উচিত। স্বেচ্ছামূলক ৰক্তদাতাসকলকো অনুজ্ঞাপ্ৰাপ্ত ৰক্তকেন্দ্ৰ, স্বেচ্ছামূলক ৰক্তদান শিবিৰ নতুবা ভ্ৰাম্যমাণ ৰক্তসংগ্ৰহকাৰী বাহনতহে ৰক্তদান কৰিবলৈ মই অনুৰোধ জনালোঁ।

আৰ্তজনক সময়মতে ৰক্তদান কৰি আমি তেওঁলোকৰ জীৱন ৰক্ষা কৰাৰ লগতে আত্মীয়-স্বজনৰ মুখতো হাঁহি বিৰিঙাব পাৰোঁ। আহক, আমি সকলোৱে ৰক্তদানৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়াত সহায় কৰোঁ। ধন্যবাদেৰে —



ড° হিমন্ত বিশ্ব শৰ্মা

DIPR/D/DA/139/14-Jun-26

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক



## শ্ৰীমন্ত শংকৰদেৱৰ মূল সমাধিথলী আজিও অৱহেলিত

# গুৰুজনাৰ স্মৃতিত তিনি শতাধিকৰ নাম-প্ৰসংগ



**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৩ জুন ঃ** জগৎ গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মূল সমাধিথলী মধুপুৰ সত্ৰৰ পাৰ্শ্বৱৰ্তী কাকতকুটা নামঘৰ প্ৰাংগনত আজি গুৰুজনাক সুঁৱৰি দিনজোৰা কাৰ্যসূচীৰে প্ৰায় তিনি শতাধিক লোকৰ উপস্থিতিত নাম-প্ৰসংগ অনুষ্ঠিত কৰা হয়। মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে, আজিৰ এই বিশেষ অনুষ্ঠানটোত উত্তৰ বংগৰ মধুপুৰ সত্ৰৰ লগতে বংগৰ ১৮খন সত্ৰ আৰু নামঘৰৰ ভকত আৰু আইসকলৰ লগতে সত্ৰশাল ৰামৰায় কুটি সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ নাথ প্ৰধানী, জিনকাটা সত্ৰৰ বলীন ভকত, সমন্নয়ৰক্ষী সমিতিৰ উপদেষ্টা, বৰপেটা সত্ৰৰ সেৱক উদ্ধৱ চন্দ্ৰ দাস উপস্থিত থাকে। মধুপুৰ সত্ৰৰ বিশিষ্ট সেৱক ডাঃ কেশৱ চন্দ্ৰ দাসৰ পৰিচালনাত হোৱা এই অনুষ্ঠানত উপস্থিত থকা ভকত, বৈষ্ণৱসকলে গুৰুজনাৰ ঐতিহাসিক স্মৃতি জড়িত কাকতকুটা অঞ্চলটো অসম চৰকাৰ আৰু পশ্চিমবংগ চৰকাৰে সংৰক্ষিত কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২০২৪ চনত অসম সত্ৰ আয়োগৰ তদানীন্তন অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত অসম চৰকাৰৰ এটা উচ্চপদস্থ বিষয়াৰ দলে এই অঞ্চলটো পৰিদৰ্শন কৰি অঞ্চলটো সংৰক্ষিত কৰাৰ লগতে বহল পৰিসৰত এটা নামঘৰ স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈ সেয়া বাস্তৱায়িত নহ'ল। সেয়েহে মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰীক গুৰুজনাৰ মূল সমাধিথলী এই কাকতকুটা অঞ্চলটো সংৰক্ষণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

**PUBLIC NOTICE**

I, Biswajit Borman, R/O Dohotia Gaon, Jorhat, vide Affidavit sworn before Notary Public at Jorhat on 27.05.2026, declare that in the Birth Certificate of my son Bibek Ayon Borman bearing Registration No. 243/08 (Nakachari PHC), the names appearing as Bibek Ayon Roy @ Bibek Ayon Borman, Sikha Moni Roy @ Sikha Moni Borman and Biswajit Roy @ Biswajit Borman are incorrect. The correct names are Bibek Ayon Borman, Sikha Moni Gogoi Borman and Biswajit Borman respectively. This correction shall apply to the said Birth Certificate and all documents related thereto.

DA/PN/423/1

I, Biswajit Borman, R/O Dohotia Gaon, Jorhat, vide Affidavit sworn before Notary Public at Jorhat on 27.05.2026, declare that in the Birth Certificate of my daughter Namrata Borman bearing Registration No. 175/14 (Teok FRU), the names recorded as Namrata Gogoi, Sikha Moni Gogoi and Biswajit Gogoi shall be read as Namrata Borman, Sikha Moni Gogoi Borman and Biswajit Borman respectively in the said Birth Certificate and all documents related thereto.

DA/PN/424/1

**PUBLIC NOTICE**

I, Bijuli Prava Pathak W/o Binay Gopal Pathak, resident of Pathakhati, NH31, W.No2, Howly, do hereby declare that I have changed my name from Bijuli Prava Pathak to Bijuli Prava Baishya and henceforth I shall be known as Bijuli Prava Baishya in all purpose, vide affidavit no. IN-AS35734998914873Y sworn before the Notary Public at Barpeta on 18/05/2026 Bijuli Prava Baishya and Bijuli Prava Pathak both are same and one identical person.

DA/PN/420/1

I have corrected my mother's name by an affidavit before notary Goalpara 11-06-2026 from Hinimaya D. Shira to Henimaya D. Shira which was Wrongly been recorded in my Admit card & Marksheet of Central board of Secondary education, Delhi vide Roll No - 3137429, School Roll No - 30095 centre No 3179. So Hinimaya D. Shira and Henimaya D. Shira is one and Same person by both the name i.e. my mother.

Name - Poranlite D. Shira, Bakrapur, Damra, Dudhnoi , Goalpara (Assam) pin-783122

DA/PN/418/1

I, Rezzak Ali, S/o Abdus Sattar, R/o Vill: No. 2 Bhelkar, P.O. Bhelkar Bazar, P.S. Hajo, Kamrup, Assam, PIN-781102, do hereby declare via affidavit dated 12.06.2026 before Notary Public Kamrup (Amingaon) that my father's correct name is ABDUS SATTAR. However, in my Passport (No. M4871000), it was inadvertently recorded as MOHAMMAD ABDUS SATTAR. Be it known that ABDUS SATTAR and MOHAMMAD ABDUS SATTAR represent one and the same person with a single identity. This affidavit shall be used for all future official corrections.

DA/PN/417/1

**MATRIMONIAL**

1992 born Bengali Hindu girl, MBBS MS, Working in Govt Hospital, direct contact 9706053929, Preference Govt job: Doctor, Prof, Engg. Below 40Yr, No Divorcee.

DA/MM/421/1

**LAND & PROPERTY**

One 3 bedroom flat for sale. Two toilet. Fully renovated. Electrical fittings, internal wiring, and sanitary items have been modernised. 7th floor. ventilation sound. No noise pollution. Serene . 3 spacious balconies. Exquisite view of city.Lift and parking provision available. Location Lakhimi nagar Guwahati. 2-3 minutes walking distance from Rajdhani masjid. Serious buyers only Price 75 lakhs. Please call - 98540-22455/84028-85364

DA/L&P/422/1

**LOST**

Cheque book of UCO Bank, Silpukhuri Branch, in the name of Pranab kr. Kakati, bearing cheque Nos. 371340 to 371360, has been lost. The aforesaid cheque leaves are hereby declared cancelled and shall not be honoured.

DA/Lost/419/1

## নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অজয় বৰ্মনক অব্যাহতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম নলবাৰী, ১৩ জুন ঃ** নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অজয় বৰ্মনক দায়িত্বত গাফিলতি, নেতৃত্বক অৱমাননা আৰু সংবিধান বিৰোধী কাৰ্যকলাপৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাথমিক সদস্যৰ পৰা অব্যাহতি দিয়া হৈছে। এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা সদৰি কৰিছে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকন কলিতাই। অজয় বৰ্মনক সদৌ অসম ছাত্ৰ সন্থাৰ কোনো ধৰণৰ কাম-কাজৰ বাবে যোগাযোগ নকৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে বুলিও বিজ্ঞপ্তিখনত উল্লেখ কৰা হৈছে।

## আজিৰ ৰাশিফল

৩০ জেঠ, দেওবাৰ, ১৪ জুন

**মেষ ঃ** ন্যায্য প্ৰাপ্তত বাধা। আধ্যাত্মিক উন্নতি। বিষ-বেদনা হঠাৎ নিম্নাংশত দৈহিক আঘাত। গোপন শত্ৰুতাৰ কাৰক। স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষভাৱে সচেতন হোৱাতো দৰকাৰ। আৰ্থিক সমস্যা দূৰ। নিবনুৱাসকলে কৰ্মপ্ৰাপ্তিত সফলতা লাভ কৰিব পাৰিব। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত বিশেষ শুভ নহয়।

**বৃষ ঃ** ৰোগাৰোগ্য। ৰক্ত দূষিত কষ্ট, পিত্ত ৰোগ, কফ, অস্ত্ৰাগ্নি যানাদিৰ ভয়, শৌচ কিম্বা দন্ত পীড়া, ৰক্তহীনতা আদিৰ প্ৰভাৱ পৰিব। বৈবাহিক জীৱনৰ ক্ষেত্ৰত সহায়ক হ'ব। গৃহস্থ জীৱনৰ ক্ষেত্ৰত শুভফল প্ৰাপ্তি হ'ব। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘূৰি আহিব। সম্পদ বৃদ্ধিৰ যোগ, মানসিক শান্তি।

**মিথুন ঃ** শত্ৰু ভয়। সম্পত্তিৰ ভাগ বিতৰণ আৰু অৰিয়া-অৰিৰ সৃষ্টি হ'ব পাৰে। সন্মান হানি, মিছা অপবাদ, হিতে বিপৰীত, গুৰু স্থানীয় দ্বাৰা ব্যক্তিৰ সন্মান হানি। স্মৃতি শক্তি লোপ পোৱা আদিৰ প্ৰভাৱ পৰিব। সন্তানাদিৰ পীড়া। প্ৰাথমিক বিদ্যাৰ্থীৰ ক্ষেত্ৰত নানান অসুবিধাৰ সৃষ্টি কৰিব পাৰে।

**কৰ্কট ঃ** ঋণ আদায়। আধ্যাত্মিক উন্নতি। বিষ-বেদনা হঠাৎ নিম্নাংশত দৈহিক আঘাত, গোপন শত্ৰুতাৰ কাৰক। স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষভাৱে সচেতন হোৱাতো দৰকাৰ। আৰ্থিক সমস্যা দূৰ। নিবনুৱাসকলে কৰ্মপ্ৰাপ্তিত সফলতা লাভ কৰিব পাৰিব। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত বিশেষ শুভ নহয়।

**সিংহ ঃ** কাৰ্য ক্ষতি। আধ্যাত্মিক উন্নতি। বিষ-বেদনা হঠাৎ নিম্নাংশত দৈহিক আঘাত, গোপন শত্ৰুতাৰ কাৰক। স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষভাৱে সচেতন হোৱাতো দৰকাৰ। আৰ্থিক সমস্যা দূৰ। নিবনুৱাসকলে কৰ্মপ্ৰাপ্তিত সফলতা লাভ কৰিব পাৰিব। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত বিশেষ শুভ নহয়।

**কন্যা ঃ** সুখ লাভ। কৰ্ম লাভ। পেট, কঁকাল আৰু বাহুৰ লগত সম্বন্ধিত সমস্যাই দেখা দিব পাৰে। পেট আৰু মুখৰ লগত জড়িত সমস্যাই দেখা দিব পাৰে। খোৱা-বোৱা সঠিক, ব্যায়াম কৰা আৰু স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাতো অতি প্ৰয়োজন। শিক্ষাৰ ক্ষেত্ৰত পৰিশ্ৰম কৰা বিদ্যাৰ্থীসকল অনুকূল।

**তুলা ঃ** আকস্মিক দুৰ্ঘটনা। অৰ্থ প্ৰাপ্তি। উচ্চশিক্ষাৰ্থীৰ মানসিক অশান্তি শাৰীৰিক অসুস্থতা আৰু প্ৰতিকূল পৰিৱেশৰ ফলত সুফল লাভত বিঘ্নিত হ'ব। বিবাহ প্ৰাৰ্থীৰ বিবাহৰ নতুন যোগাযোগ বাঢ়িব। অৰ্থ ব্যয়, ঠগ-প্ৰবঞ্চনাৰ বলি হ'ব পাৰে। কাৰ্য সিদ্ধি। নতুন বন্ধু লাভ, প্ৰেমত উৎসাহ-উদ্দীপনা বৃদ্ধি আনন্দ লাভ হ'ব।

**বৃশ্চিক ঃ** প্ৰতিপত্তি লাভ। কৰ্ম লাভ। পেট, কঁকাল আৰু বাহুৰ লগত সম্বন্ধিত সমস্যাই দেখা দিব পাৰে। পেট আৰু মুখৰ লগত জড়িত সমস্যাই দেখা দিব পাৰে। খোৱা-বোৱা সঠিক, ব্যায়াম কৰা আৰু স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাতো অতি প্ৰয়োজন। শিক্ষাৰ ক্ষেত্ৰত পৰিশ্ৰম কৰা বিদ্যাৰ্থীসকল অনুকূল।

**ধনু ঃ** ভ্ৰমণ সুবিধা। কৰ্মত সাৱধান থকা প্ৰয়োজন হ'ব। সকলোকে সম্পূৰ্ণ বিশ্বাস কৰি লোৱাতো ঠিক নহ'ব। সৰু-সুৰা সমস্যাৰ মাজেৰে আপুনি সফলতা পাব আৰু প্ৰমোচন হ'ব পাৰে। সমস্যা আৰু কঠিনতা বৃদ্ধি হ'ব। শিক্ষকৰ শুভ। সম্পূৰ্ণ নিষ্ঠাৰে কৰ্ম কৰাতো দৰকাৰ। চাকৰিৰ ক্ষেত্ৰত শুভফল পাব।

**মকৰ ঃ** হঠাৎ অৰ্থ প্ৰাপ্তি। কৰ্মত শত্ৰুতা ধন অপহৰণ হেতু ৰক্তচাপ বৃদ্ধি হৃৎপিণ্ডৰ দুৰ্বলতাৰ বাবে প্ৰাণৰ সংশয় যোগ। ভ্ৰমণ অধিক হ'ব আৰু ভ্ৰমণৰ দ্বাৰা সফলতা লাভ কৰিব। চাকৰি পৰিৱৰ্তনৰ ক্ষেত্ৰত এই বছৰ অনুকূল সময়। আত্মীয় বিবাদ। কোনো আত্মীয়ৰ বাবে ধন খৰচ শোক প্ৰাপ্তি।

**কুম্ভ ঃ** অকস্মাৎ বিপদ। ধন বৃদ্ধি আৰু জমা কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। প্ৰেম আৰু বিবাহৰ ক্ষেত্ৰত সফল হ'ব। কিন্তু মিছা প্ৰেমৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হ'ব পাৰে। প্ৰেম আৰু বিবাহৰ ক্ষেত্ৰত শুভফল পাব। পাৰিবাৰিক জীৱন শুভ হৈ থাকিব। গৃহস্থ জীৱন অনুকূল হৈ থাকিব। ভূমি, ভৱন আৰু বাহনৰ সুখ প্ৰদান কৰিব।

**মীন ঃ** মন প্ৰফুল্লতা, সন্মান হানি, মিছা অপবাদ, হিতে বিপৰীত, গুৰু স্থানীয় দ্বাৰা ব্যক্তিৰ সন্মান হানি। স্মৃতি শক্তি লোপ পোৱা আদিৰ প্ৰভাৱ পৰিব। সন্তানাদিৰ পীড়া। প্ৰাথমিক বিদ্যাৰ্থীৰ ক্ষেত্ৰত নানান অসুবিধাৰ সৃষ্টি কৰিব পাৰে।

## বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন

(**Classified Advertisement**)

প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—

**97068 56447, 70860 44611**

**97060 21101, 98642 63627**

**91015 17218**

## ভেৰগাঁৱত দুৰ্ঘটনাত নিহত এজন, আহত দুজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**টংলা, ১৩ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁৱত আজি পুৱতি নিশা এক শোকাৱহ পথ দুৰ্ঘটনাত মৃত্যুক সাবটি লয় প্ৰাণজ্যোতি ৰাভা (২৬) নামৰ এজন যুৱকে। ঘটনাৰ বিৱৰণী অনুসৰি প্ৰাণজ্যোতি ৰাভাই গাঁৱৰেই আন দুজন বন্ধু বিটু ৰাভা (১৯) আৰু অৰ্জুন ৰাভা (২৫)ৰ সৈতে এ এছ-২৩ কে-৭২২১ নম্বৰৰ ৰয়েল এনফিল্ড বাহনেৰে ঘৰলৈ উভতি আহোঁতে ভেৰগাঁও চাহ বাগিচাৰ ওচৰত অসম মালা পথৰ বাবে নিৰ্মাণ হৈ থকা এটা বক্স কালভাৰ্টত ডাইভাৰ্ছন ৰোডটি পাহৰি পোনে পোনে কালভাৰ্ট বক্সৰ ৰ'ড পাৰ হৈ বাহনসহ ছিটিকি পৰে। ফলত থিতাতে যুৱকজনৰ মৃত্যু ঘটে। বাকী দুজন যুৱক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ পৰি ৰয়। পুৱা প্ৰায় চাৰিমান বজাত প্ৰাতঃভ্ৰমণলৈ অহা লোকসকলে ঘটনাটো দেখা পাই হুৱা-দুৱা লগায়। ছটফটাই থকা যুৱক দুগৰাকীক ১০৮ এম্বুলেন্সেৰে খৈৰাবাৰী হাস্পতালত প্ৰাথমিক চিকিৎসা প্ৰদান কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। ইপিনে, কালভাৰ্টৰ ভিতৰতে নিথৰভাৱে পৰি থকা প্ৰাণজ্যোতিৰ মৃতদেহটো পুৱা ছয়মান বজাতহে আৰক্ষীয়ে উদ্ধাৰ কৰি থানালৈ লৈ আনে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰিলৈ প্ৰেৰণ কৰে। প্ৰাপ্ত তথ্যমতে, ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বনগুৰুম ১নং ছাগলীঝাৰৰ কুলেন ৰাভা আৰু চম্পাৱতী (চিপ্তী) ৰাভাৰ সন্তান প্ৰাণজ্যোতিয়ে সৰুকালৰে পৰা পুৰণি ভেৰগাঁও নিবাসী খৰ্গেশ্বৰ বড়ো আৰু বায়েক ঊষা বড়োৰ গৃহত থাকি ডাঙৰ-দীঘল হৈছিল। এই ঘটনাই বৃহত্তৰ ভেৰগাঁও অঞ্চলত শোকৰ ছাঁ পেলাইছে।



## হাতীধুৰা মহাবিদ্যালয়ত ৰাজবংশী ভাষা পাঠ্যক্ৰমৰ প্ৰমাণপত্ৰ বিতৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামাৰহাট, ১৩ জুন ঃ** ধুবুৰী জিলাৰ হাতীধুৰা মহাবিদ্যালয়ৰ ৰাজবংশী ভাষা প্ৰমাণপত্ৰৰ পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ মাজত আজি আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। তদুপলক্ষে হাতীধুৰা মহাবিদ্যালয়ৰ সভাকক্ষত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ ৰুবুল বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৩০গৰাকী শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি তামাৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ বিষয় শিক্ষক গৌতম চন্দ্ৰ ৰায়ে কোচ ৰাজবংশী সাহিত্য সভা আৰু কোচ ৰাজবংশী জনগোষ্ঠীটোৰ মাতৃভাষা বা গৃহভাষা 'ৰাজবংশী' ভাষাৰ বিষয়ে গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। সভাত তামাৰহাট প্ৰেছ ক্লাবৰ সভাপতি ললিত চন্দ্ৰ ৰায়ে কয় যে বি টি চিৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহত ইতিমধ্যে ৰাজবংশী ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে আৰু পৰৱৰ্তী সময়ত বি টি চিৰ বাহিৰত বিশেষকৈ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়সমূহত জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত পাঠদান কাৰ্য আৰম্ভ কৰা হ'ব। সভাত হাতীধুৰা মহাবিদ্যালয়ৰ ৰাজবংশী ভাষা পাঠ্যক্ৰমৰ সমন্বয়ক জয়ন্ত কুমাৰ ৰায়, হাতীধুৰা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কোকন চন্দ্ৰ ৰায়কে ধৰি আন আন সহকাৰী অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।



## জামুগুৰিহাটত গ্ৰেপ্তাৰ দুই চিলনী চোৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ১৩ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষীৰ জালত পৰিল দুটাকৈ গভাইত চিলনী চোৰ। আজি গ্ৰেপ্তাৰ কৰা চোৰ দুটাৰ নাম হ'ল আব্দুল ৰহিম আৰু মণিৰুল ইছলাম। জামুগুৰিহাটৰ বিভিন্ন স্থানত জীয়ৰী-বোৱাৰীৰ ডিঙিৰ পৰা সোণৰ চেইন থপিয়াই অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰা চিলনী চোৰ দুটাক আৰক্ষীয়ে মানশ্ৰীৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যেই ধৃত দুই চোৰক আৰক্ষীয়ে জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

## পৰ্বতঝোৰাৰ ভিচিডিচিৰ অধ্যক্ষৰ বিৰুদ্ধে অনাস্থা

**দৈনিক অসমৰ প্ৰতিনিধি**

**পৰ্বতঝোৰা, ১৩ জুন ঃ** পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত জালিবিলা ভিচিডিচিৰ নতুনকৈ নিযুক্তি দিয়া অধ্যক্ষ আব্দুল জলিল সৰকাৰৰ প্ৰতি ২১জন সদস্যই অনাস্থা প্ৰকাশ কৰাত এক ৰাজনৈতিক অনিশ্চয়তাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, জালাবিলা ভিচিডিচিৰ সভাপতি হিচাপে বি পি এফ দলৰ পৰা আবুল শেখে নিযুক্তি লাভ কৰিছিল। কিন্তু কিছুদিন পূৰ্বে আবুল শেখে এটা গোচৰত গ্ৰেপ্তাৰ হ'বলগীয়া হোৱাত দলীয়ভাৱে বাকী সদস্যসকলক নজনোৱাকৈ আব্দুল জলিল সৰকাৰক নতুনকৈ নিযুক্তি দিছিল। ইয়াতে ক্ষুণ্ণ হৈ বাকী সদস্যসকলৰ ২১জনে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰি বিভাগীয় কৰ্তৃপক্ষক লিখিতভাৱে অনাস্থাৰ কথা নিয়মমতে জনায়। সদ্যনিযুক্ত অধ্যক্ষ আব্দুল জলিল সৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰি সদস্যসকলে অভিযোগ কৰে যে তেওঁ বাকী সদস্যসকলৰ লগত কোনোধৰণৰ আলোচনা নকৰাকৈ তথা আন্ধাৰত ৰাখি জালাবিলা ভিচিডিচিৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছে। পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ পাৰিষদ মুনমুন ব্ৰহ্মাই নতুনকৈ নিযুক্ত হোৱা অধ্যক্ষজনে বিগত বিধানসভা নিৰ্বাচনত দলবিৰোধী কামত লিপ্ত থকাৰ কথা উল্লেখ কৰে। পৰ্বতঝোৰা বি পি এফ দলত কংগ্ৰেছ আৰু বেলেগ দলৰ হৈ কাম কৰা ব্যক্তিৰ স্থান নাই বুলি উল্লেখ কৰে। লগতে পৰ্বতঝোৰাৰ এল চি এল এ তথা ই এম মুনমুন ব্ৰহ্মাই জালাবিলা ভিচিডিচিৰ অধ্যক্ষৰ আসনখনক লৈ সৃষ্টি হোৱা সমস্যাৰ সমাধান নোহোৱালৈকে তেওঁ নিজে অধ্যক্ষৰ দায়িত্ব লৈ পৰিচালনা কৰিব বুলি মত প্ৰকাশ কৰে।

## লালুকত চুৰি সামগ্ৰীসহ এজনক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**লালুক, ১৩ জুন ঃ** চুৰি কাঁহৰ কাঁহী-বাটিৰে ভৰি পৰিছে লালুক থানা। চোৰে এখন চাৰিচকীয়া বলেৰ' বাহনত কাঁহৰ বাচন-বৰ্তনখিনি কঢ়িয়াই নি থকা অৱস্থাত লালুক আৰক্ষীৰ জালত পৰে। ঘটনা সন্দৰ্ভত লালুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সীমান্ত পাঠকে জানিবলৈ দিয়া মতে, কালি সন্ধিয়া উত্তৰ লখিমপুৰ চহৰৰ খেলমাটি আৰক্ষী চকীৰ অন্তৰ্গত বাণ্টৌ গাঁৱৰ মইনা আলী নামৰ লোকজনে বৃহৎ পৰিমাণৰ কাঁহৰ চুৰি বাচন-বৰ্তন এ এছ ০৭ বি চি ৮৩৯৮ নম্বৰৰ এখন বলেৰ' বাহনত উঠাই লালুক কৰুণাবাৰীৰপৰা উত্তৰ লখিমপুৰ চহৰ অভিমুখে নি থকাৰ তথ্য লালুক আৰক্ষীয়ে লাভ কৰিছিল। সেইমৰ্মে লালুক আৰক্ষীয়ে লালুকৰ ৰাজপথত অভিযান আৰম্ভ কৰে। আৰক্ষীয়ে চুৰি সামগ্ৰী কঢ়িয়াই নি থকা বলেৰ' বাহনখনত তালাচী চলাই বৃহৎ পৰিমাণৰ কাঁহৰ কাঁহী-বাটিকে ধৰি বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে বাহনখনৰপৰা চুৰি সামগ্ৰী কঢ়িয়াই নি থকা মইনা আলীকো গ্ৰেপ্তাৰ কৰে।

### শুৱালকুছিৰ শিপিনী

## ননী গোপাল বৈশ্যৰ বিয়োগ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৩ জুন ঃ** পূব শুৱালকুছি পঞ্চায়তৰ অন্তৰ্গত ফুলবাৰী পাহাৰ নিৱাসী জ্যেষ্ঠ শিপিনী ননীগোপাল বৈশ্যৰ ৭২ বছৰ বয়সত কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বিগত প্ৰায় ৫০টা বছৰে তাঁতশালৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পাট-মুগা তচৰ বস্ত্ৰ উৎপাদন কৰি বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল বৈশ্যই। তেওঁ কেৱল অসমীয়া সাজপাৰেই নহয়, মেঘালয়ৰ খাছিয়া জনগোষ্ঠীৰ মহিলাসকলৰ বাবেও পাট-মুগাৰ বস্ত্ৰ উৎপাদন কৰি বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। এজন সুনিপুণ শিপিনী হিচাপে অঞ্চলটোৰ ৰাইজৰ মাজত পৰিচয় দাঙি ধৰিব পাৰিছিল বৈশ্যই। একশৰণ হৰি নামৰ মাজেৰে গুৰু সেৱা লোৱা বৈশ্যই মৃত্যুৰ আগলৈ শ্ৰী শ্ৰী শংকৰ মাধৱ সত্ৰৰ একান্ত ভকত হিচাপে সেৱা আগবঢ়াই গৈছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পাছতে শোকত ম্ৰিয়মাণ হৈ পৰে তেওঁৰ আত্মীয়ৰ লগতে অঞ্চলটোৰ ৰাইজ।

## শ্ৰীশ্ৰীঅশ্বক্লান্ত দেৱালয়ত উত্তৰ-পূব সমন্বয় সন্মিলনীৰ প্ৰস্তুতি সভা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১৩ জুন ঃ** ভাৰতৰ গ্লোবেল হিন্দু ৰিছ'ৰ্চেছ অপাৰেচন ফ'ৰাম, থানে আৰু গ্লোবেল হিন্দু ফেডাৰেচন (মালেছিয়া)ৰ উদ্যোগত আজি শ্ৰীশ্ৰী অশ্বক্লান্ত দেৱালয় প্ৰাংগণত উত্তৰ-পূব ভাৰতত হিন্দু সম্পদ সমন্বয় আৰম্ভ কৰাৰ বাবে এখন আঞ্চলিক সন্মিলন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে অশ্বক্লান্ত দেৱালয় প্ৰাংগণত প্ৰস্তুতি সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ভাৰতৰ গ্লোবেল হিন্দু ৰিছ'ৰ্চেছ অপাৰেচন ফ'ৰাম, থানেৰ মুখ্য সমন্বয়ক ৰাজেশ মধুলকাৰে। বেদ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বেদ স্তুতিৰে আৰম্ভ হোৱা সভাৰ আদৰণী ভাষণ প্ৰদান কৰে শ্ৰীশ্ৰী অশ্বক্লান্ত দেৱালয়ৰ দলৈ তথা উত্তৰ-পূবৰ সমন্বয়ক লক্ষেশ্বৰ শৰ্মাই। দেৱালয়ৰ উপ-দলৈ দিলীপ শৰ্মাই আঁত ধৰা সভাত ভাষণ দি ভাৰতৰ গ্লোবেল হিন্দু ৰিছ'ৰ্চেছ অপাৰেচন ফ'ৰাম, থানেৰ মুখ্য সমন্বয়ক ৰাজেশ মধুলকাৰে সনাতন হিন্দু ধৰ্মৰ ওপৰত এক তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। তেওঁ কয়— আমাৰ সমাজত বিভিন্ন মন্দিৰ, দৌল, দেৱালয়, নামঘৰ আদিত প্ৰত্যেকেই সমাজৰ বাবে ভাল কাম কৰি আছে। তৎ সত্ত্বেও আমাৰ মাজত সমস্যা আছে। সেই সমস্যাটো হ'ল আমি ঐক্যবদ্ধ নহয়। যাৰ ফলত বিভিন্ন সময়ত আমি বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আমি সমূহ হিন্দু সমাজ একত্ৰিত হৈ থাকিলে যিকোনো সমস্যা হেলাৰঙে সমাধান কৰাত আমাৰ সুবিধা হ'ব। সভাত সদৌ অসম ব্ৰাহ্মণ সমাজৰ সভাপতি ডঃ নীতিশ শাস্ত্ৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ খগেন্দ্ৰ নাথ শৰ্মা, অসম দেৱালয় সন্থাৰ সভাপতি সুৰেশ শাস্ত্ৰী, অখিল ভাৰতীয় মজদুৰ সংঘৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দীপা ভৰালী, বিশিষ্ট সমাজকৰ্মী নিমাই দাসৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে সনাতন হিন্দু ধৰ্ম সন্দৰ্ভত ভাষণ দিয়ে। সভাত সৰ্বসন্মতিক্ৰমে আগন্তুক সময়ত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে এখন সমিতি গঠন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ বাবে শ্ৰীশ্ৰী অশ্বক্লান্ত দেৱালয় পৰিচালনা সমিতিৰ দলৈ লক্ষেশ্বৰ শৰ্মাক সভাই দায়িত্ব অৰ্পণ কৰে।

## বৰাক নদীত উটি গ'ল ছাত্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ১৩ জুন ঃ** শিলচৰত বৰাক নদীৰ প্ৰবল সোঁতত উটি গ'ল উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ এগৰাকী ছাত্ৰ। ছাত্ৰজনৰ নাম অংকিত চক্ৰৱৰ্তী। অংকিত শিলচৰৰ ঐতিহ্য মণ্ডিত নৰসিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ আৰু শিলচৰ চহৰৰ কেপিটেল পইণ্টৰ গাতে লাগি থকা বাণীপাৰা অঞ্চলৰ বাসিন্দা। জানিব পৰা মতে, কালি স্কুলৰ ক্লাছ শেষ হোৱাৰ পাছত অংকিতে তেওঁৰ দুই বন্ধুৰ সৈতে সদৰঘাট সংলগ্ন ষ্টীমাৰঘাট পথৰ ৰহমানপট্টি অঞ্চলৰ বৰাক নদীৰ পাৰলৈ গৈ ফটো উঠিছিল। নদীৰ পাৰত খোজকাঢ়ি গৈ থাকোঁতে তেওঁ অজানিতে পিছলি নদীত পৰি যায়। কিছু মুহূৰ্তৰ ভিতৰতে অংকিতক প্ৰচণ্ড সোঁতে উটুৱাই লৈ যায়। তেওঁৰ লগত থকা বন্ধু দুজনে আতংকিত হৈ স্থানীয় নাৱৰীয়া এজনৰ পৰা সহায় বিচাৰে। নাৱৰীয়াজনে তেওঁলোকক অনতিপলমে আৰক্ষীক খবৰ দিবলৈ পৰামৰ্শ দিয়ে। পাছত খবৰ পাই সেই স্থানত উপস্থিত হয় আৰক্ষী। ইয়াৰ লগতে সমাজকৰ্মী কিষাণ দাস, স্থানীয় বাসিন্দা আৰু অংকিতৰ পৰিয়ালৰ লোকো তাত উপস্থিত হয়। ইয়াৰ পাছতে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দলে সেই স্থানত উপস্থিত হৈ বৰাক নদীত ব্যাপক অনুসন্ধান আৰম্ভ কৰে। কিন্তু অংকিত চক্ৰৱৰ্তীৰ কোনো সন্ধান নাপালে।

### অন্ধ্ৰপ্ৰদেশত ৰে'লৰ পৰা নমাই দিয়াৰ অভিযোগ

## এসপ্তাহে নিৰুদ্দিষ্ট ৰঙিয়াৰ বালিসত্ৰৰ মুন কুমাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ১৩ জুন ঃ** ভাৰতীয় ৰে'লৰ খাদ্য কেণ্টিনত (পেণ্ট্ৰি কাৰ) কাম কৰিম বুলি ঘৰৰ পৰা ওলাই গৈ ৰঙিয়াৰ বালিসত্ৰৰ মুন কুমাৰ (৩০) নামৰ এজন যুৱক বিগত ৭ দিন ধৰি নিৰুদ্দিষ্ট হৈ থকা ঘটনাই গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা ৭ জুনৰ পুৱা মুন কুমাৰে নিকটৱৰ্তী ধুহিবালা গাঁৱৰ মীৰ হুছেইন নামৰ এজন লোকৰ সৈতে ঘৰৰ পৰা ৰঙিয়া ৰে'ল জংচনলৈ বুলি ওলাই গৈছিল। উদ্দেশ্য আছিল বেংগালুৰু অভিমুখী এখন ৰে'লগাড়ীৰ কেণ্টিনত কৰ্মচাৰীৰূপে যোগ দিয়া। ৭ জুনৰ দিনা সন্ধিয়া পৰ্যন্ত পৰিয়ালৰ লোকৰ সৈতে মুন কুমাৰৰ ফোনত যোগাযোগ আছিল যদিও তাৰ পাছৰ পৰাই পৰিয়ালৰ সৈতে মুন কুমাৰৰ সকলো যোগাযোগ বন্ধ হৈ পৰে। ঘটনা সন্দৰ্ভত মুন কুমাৰৰ পৰিয়ালে নিকটৱৰ্তী কঁএগ আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ উপৰি ৰঙিয়া ৰে'ল জংচনৰ জি আৰ পি থানাৰ সৈতে সঘন যোগাযোগ অব্যাহত ৰাখিছে যদিও এইপৰ্যন্ত লোকজনৰ কোনো সন্ধান ওলোৱা নাই। শেহতীয়াকৈ জানিব পৰা মতে ৰঙিয়া জি আৰ পি থানাৰ আৰক্ষীয়ে মীৰ হুছেইন, তেওঁৰ দুজন সংগী আৰু নিৰ্দিষ্ট ৰে'লগাড়ীখনৰ কেণ্টিন মেনেজাৰক নিজৰ জিম্মাত লৈ সোধাপোছা আৰম্ভ কৰিছে। আৰক্ষীৰ জেৰাত মীৰ হুছেইন আৰু মেনেজাৰজনে মুন কুমাৰৰ সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য আগবঢ়াইছে বুলি জানিব পৰা গৈছে। মীৰ হুছেইনে প্ৰকাশ কৰা অনুসৰি, তেওঁ ৰে'লৰে কেণ্টিনত কৰ্মচাৰী হিচাপে নিয়োগ লাভৰ সুবিধা কৰাই দিয়াৰ প্ৰতিশ্ৰুতিৰে মুন কুমাৰক যোৱা ৭ জুনত ঘৰৰ পৰা লৈ যোৱাটো সঁচা। পিছে মুন কুমাৰে নিৰ্দিষ্ট ৰে'লগাড়ীখনৰ কেণ্টিনৰ কৰ্মচাৰীৰ সৈতে কাজিয়াত লিপ্ত হোৱাত কেণ্টিনৰ মেনেজাৰে তেওঁক চৰ সোধাই অন্ধ্ৰপ্ৰদেশৰ কোনোবা এটা ৰে'ল ষ্টেচনত ৰে'লখনৰ পৰা নমাই দিয়ে। আৰক্ষীৰ আগত মীৰ হুছেইনে দাবী কৰা অনুসৰি তেওঁৰ মোবাইল ফোনটো মুন কুমাৰৰ হাতত ৰৈ গৈছে। সমগ্ৰ ঘটনা সন্দৰ্ভত মুন কুমাৰৰ পত্নী চন্দনা দাসে জানিবলৈ দিয়া মতে যোৱা ৭ জুনৰ পুৱা তেওঁৰ স্বামীয়ে ধুহিবালাৰ সমীপৰ বালাযুগতলীৰ মীৰ হুছেইন নামৰ লোকজনৰ লগত ৰে'লৰে কেণ্টিনত কাম কৰাৰ উদ্দেশ্যে ঘৰৰ পৰা ৰঙিয়া ৰে'ল জংচন অভিমুখে ওলাই গৈছিল। আনহাতে ১০ জুনৰ পুৱা মীৰ হুছেইনৰ পত্নী মুন কুমাৰৰ ঘৰত উপস্থিত হৈ জনায় যে মুন কুমাৰৰ চাৰ্টিফিকেটজনিত সমস্যা সৃষ্টি হোৱা বাবে তেওঁ ৰে'লৰে কেণ্টিনত কাম লাভৰ পৰা বঞ্চিত হয় আৰু তেওঁ বেংগালুৰু অভিমুখী নিৰ্দিষ্ট ৰে'লগাড়ীখনত যাব নোৱাৰিলে। মীৰ হুছেইনৰ পত্নীৰ এনে সন্দেহজনক আৰু অসংলগ্ন তথ্যৰ পিছতে মুন কুমাৰৰ পত্নী আৰু মাতৃয়ে কঁএগ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে আৰু মুন কুমাৰৰ সন্ধান উলিওৱাৰ বাবে আৰক্ষীক কাতৰ প্ৰাৰ্থনা জনায়।

অসম কোষ

'ফুল ফুলক ৰ'দৰে ফুল' গীতটো লিখিছিল দ্বিজেন্দ্ৰ মোহন শৰ্মাই। 'মুক্তি' কেছেটত জুবিন গাৰ্গে গোৱাৰ পূৰ্বে গীতটো গাইছিল বৈকুণ্ঠ নাথ গগৈয়ে।

# দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪.৭ | ২৫.০ |
| ডিব্ৰুগড় | ৩১.৮ | ২৩.২ |
| যোৰহাট | ৩৩.৭ | ২৪.৪ |
| শ্বিলং | ২৪.২ | ১৬.৪ |

৬১ বছৰ। ৩০৫ সংখ্যা, গুৱাহাটী, ৩০ জেঠ, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 305। GUWAHATI, SUNDAY, JUNE 14, 2026





মহাবিদ্যালয়লৈ যোৱাৰ পথত নিৰুদ্দেশ হৈছিল

## হায়দৰাবাদৰ পৰা দদৰা আৰক্ষীয়ে উদ্ধাৰ কৰিলে কলেজীয়া ছাত্ৰী

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৩ জুন ঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত পছৰীয়া বৰিজানীৰ এগৰাকী মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰী হায়দৰাবাদৰ পৰা দদৰা আৰক্ষীয়ে উদ্ধাৰ কৰি পৰিয়ালক চমজাই দিছে। আৰক্ষী সূত্ৰৰপৰা জানিব পৰা অনুসৰি, কামৰূপৰ বৰিজানীৰ এগৰাকী কলেজীয়া ১১ পৃষ্ঠাত চাওক

পৌৰসভাৰ বিৰুদ্ধে ক্ষোভ

## শিৱসাগৰ চহৰত কৃত্ৰিম বান



**দৈনিক অসমৰ প্ৰতিনিধি**

**শিৱসাগৰ/জয়সাগৰ, ১৩ জুন ঃ** পুনৰ এজাক বৰষুণতে বুৰিল ঐতিহাসিক শিৱসাগৰ চহৰ। পুৱাৰে পৰা অহা এজাক মুষলধাৰ বৰষুণত সম্পূৰ্ণৰূপে বুৰ গ'ল চহৰখনৰ একাধিক অঞ্চল। বিশেষকৈ আমোলাপট্টি, বাবুপট্টি, দ'লমুখ চাৰিআলি, হাস্পতাল ৰোড, বি জি ৰোড, অ' এন জি চি ক'লনী আদি অঞ্চলসমূহ জলমগ্ন হয় বৰষুণৰ ফলত। ইফালে, কৃত্ৰিম বানে বুৰাই পেলায় বহু লোকৰ ঘৰ-বাৰীও। বিভিন্ন নলা-নৰ্দমাৰ পৰা ওলাই ১১ পৃষ্ঠাত চাওক

ডিব্ৰুগড়ত 'প্ৰবুদ্ধ নাগৰিক সন্মিলন'ত সৰ্বানন্দ সোণোৱাল

## মোডীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলে লাভ কৰিছে নতুন পৰিচয়



**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৩ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত সফলতাৰে ১২ বছৰীয়া সেৱা, সুশাসন আৰু জনকল্যাণমূলক যাত্ৰা সম্পূৰ্ণ হোৱা উপলক্ষে বিজেপিৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আজি ডিব্ৰুগড় পৌৰ নিগমৰ সভাকক্ষত অনুষ্ঠিত হয় 'প্ৰবুদ্ধ নাগৰিক সন্মিলন'। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সন্মিলনত কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম, ডিব্ৰুগড়ৰ বিধায়ক ১১ পৃষ্ঠাত চাওক

'ইণ্ডো-নগা' ৰাজনৈতিক বন্দৱস্তি অবিহনে চুক্তি অবৈধ

## অসম-নগালেণ্ড সীমাঞ্চলত তেল-গেছ অন্বেষণৰ বিৰোধিতা নগা উগ্ৰপন্থীৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৩ জুন ঃ** অসম-নাগালেণ্ড সীমাত তেল আৰু গেছ অন্বেষণৰ বাবে কেন্দ্ৰৰ সৈতে সম্পন্ন হোৱা ত্ৰিপাক্ষিক চুক্তিৰ বিৰোধিতা কৰিছে নগা উগ্ৰপন্থী সংগঠনে। সাতটা উগ্ৰবাদী সংগঠনৰ উমৈহতীয়া সংগঠন ৱৰ্কিং কমিটী অব দ্য নগা নেচনেল পলিটিকেল গ্ৰুপ (ডব্লিউ চি-এন এন পি জি এছ)-এ কেন্দ্ৰীয় চৰকাৰ, অসম আৰু ১১ পৃষ্ঠাত চাওক

■ মাজুলীৰ এখন এম ই, এখন এম ভি স্কুলত নাই এজনো শিক্ষাৰ্থী ■

# বিদ্যালয় একত্ৰীকৰণৰ নিৰ্দেশনাত উদ্বেগ



নদীদ্বীপ জিলাখনত ইতিমধ্যে বন্ধ হৈছে সাতখন উচ্চ মাধ্যমিক বিদ্যালয়

**দৈনিক অসমৰ প্ৰতিনিধি**

**জেংৰাইমুখ, ১৩ জুন ঃ** ৰাজ্যৰ শিক্ষা বিভাগে পুনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম থকা বিদ্যালয় একত্ৰীকৰণ বা চামিলকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাত মাজুলীত নতুনকৈ উদ্বেগৰ সৃষ্টি হৈছে। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে শেহতীয়াকৈ জাৰি কৰা এক নিৰ্দেশনাত ৩০জনতকৈ কম নামভৰ্তি থকা ১১ পৃষ্ঠাত চাওক

ডিব্ৰুগড়ত ভাষণত কেৱল অসমীয়া খাদ্যক প্ৰশংসা

## জনজাতিকৰণৰ প্ৰসংগত নীৰৱ কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম

পলায়নবাদী আখ্যা দল-সংগঠনৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৩ জুন ঃ** ডিব্ৰুগড়ত অনুষ্ঠিত বিজেপিৰ প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰিবলৈ আহি অসমৰ দীৰ্ঘদিনীয়া ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী সন্দৰ্ভত ১১ পৃষ্ঠাত চাওক

জ্যেষ্ঠ সাংবাদিক, সম্পাদকৰে মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ শৰ্মা

## অসমৰ উন্নয়নত প্ৰধানমন্ত্ৰী মোডীয়ে আটাইতকৈ প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰিছে

বাজপেয়ী ভৱনত মোডী চৰকাৰৰ ১২ বছৰৰ বিশ্বাস, বিকাশ, জনকল্যাণ সম্পৰ্কীয় মিডিয়া কনক্লেভ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৩ জুন ঃ** 'অসমৰ উন্নয়নৰ ক্ষেত্ৰত আটাইতকৈ প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে হৈছে নৰেন্দ্ৰ মোডী। তেওঁ দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত ১১ পৃষ্ঠাত চাওক

ৰাজ্যৰ শিক্ষাখণ্ডৰ আন এখন ছবি

## শ্ৰেণীকোঠাতে মধ্যাহ্ন ভোজন প্ৰস্তুত

**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰুপেটা, ১৩ জুন ঃ** ভৱানীপুৰৰ সমীপৰ বজালী শিক্ষাখণ্ডৰ অন্তৰ্গত ১৫৩৫ নং দক্ষিণ ধুমাৰপথাৰ প্ৰাথমিক বিদ্যালয়ত ৰান্ধনী ঘৰৰ ১১ পৃষ্ঠাত চাওক



চিন্তিত গাহৰি পালক, গাহৰি মাংস বিক্ৰী নিষিদ্ধ

## মাহমৰাত আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ/ মাহমৰা, ১৩ জুন ঃ** চৰাইদেউ জিলাৰ মাহমৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কচুমাৰী-লুখুৰাখন গাঁৱত আফ্ৰিকান ছোৱাইন ফ্লু চিনাক্ত হোৱাৰ পিছতে অঞ্চলটোত উদ্বেগৰ সৃষ্টি হৈছে। ৰোগবিধৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ১১ পৃষ্ঠাত চাওক

ঘটনাৰ নিৰপেক্ষ তদন্ত কৰিবলৈ চৰকাৰক আছুৰ দাবী

## ওপজা গাঁৱত শোকাকুল পৰিৱেশত পৰিস্মিতাৰ শেষকৃত্য

**দৈনিক অসমৰ প্ৰতিনিধি**

**সোণাৰি, ১৩ জুন ঃ** এক দুৰ্ভাগ্যজনক পৰিস্থিতিত সোণাৰিৰ মেধাৱী ছাত্ৰী পৰিস্মিতা হাজৰিকাৰ অকাল মৃত্যুৱে শোকাকুল কৰিলে সমগ্ৰ চৰাইদেউ জিলাবাসীক। গুৱাহাটীৰ মালিগাঁৱত গছ পৰি মৃত্যু হোৱা ছাত্ৰী ১১ পৃষ্ঠাত চাওক

একমাত্ৰ কন্যাৰ দুৰ্ভাগ্যজনক মৃত্যুক সহজভাৱে ল'ব পৰা নাই মাখন হাজৰিকাই

পশ্চিম গোৱালপাৰাত যাতায়াতত হাৰাশাস্তি

## জিনাৰি নৈত দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি বিধায়কৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**দুধনৈ, ১৩ জুন ঃ** 'মামা আমাক দলং লাগিবই, আপুনি আমাৰ অসমৰ মুখ্যমন্ত্ৰী, দলং দিলে আমাৰ অহা-যোৱা কৰাত, স্কুললৈ যোৱাত বহুত সুবিধা হ'ব'— এই আবেদন গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ। আজি পশ্চিম গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত অসম-মেঘালয় সীমাৱৰ্তী কুকুৰকাটাৰ টেকেলিপাৰা প্ৰাথমিক ১১ পৃষ্ঠাত চাওক

## ফুলৰ খেতিৰে বিশ্ব বজাৰত অসমৰ উদ্যোগৰ নতুন যাত্ৰা

যোৰহাটৰ যুৱকৰ বিশেষ প্ৰয়াস

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৩ জুন ঃ** ফুলৰ গছৰ পৰাও বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি বিদেশৰ বজাৰ যে দখল কৰিব পাৰি আৰু ইয়াৰ সমান্তৰালভাৱে গ্ৰাম্য অৰ্থনীতিৰ অধিক উন্নতি সাধন কৰিব পাৰি সেয়া কৰি দেখুৱাইছে যোৰহাটৰ এজন যুৱকে। কেৱল ফুলৰ পৰা সামগ্ৰী প্ৰস্তুত কৰাই নহয়, ইয়াৰ সমান্তৰালভাৱে ১১ পৃষ্ঠাত চাওক



অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781022.

**Apply Online:** https://apscrecruitment.in
**Technical Support email:** cceapsc@gmail.com Phone: 1800-572-23-43
*****

No.99PSC/DR-51/3/2026-27 **ADVT. NO. 06/2026**

**Assam Public Service Commission** invites application from Indian Citizens as defined in Articles 5 to 8 of the Constitution of India for the under-mentioned posts under Assam Government in the scale of pay as indicated below and carrying usual allowances as admissible under Rules of the Govt. of Assam.

(1) Name of the Post :- **Drilling Engineer in the Directorate of Geology and Mining, Assam under Mines and Minerals Department**
(2) No of post :- **01 (One) no.**
(3) Reservation of post:-

| Name of the Service/Post | Open category | | Reserved for OBC/MOBC | | Reserved for TT & ADIVASI | | Reserved for SC | | Reserved for STP | | Reserved for STH | | Grand Total | | Post reserved for PwBD &Type of Disability | Post reserved for Ex-Servicemen |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | Total | RFW | Total | RFW | Total | RFW | Total | RFW | Total | RFW | Total | RFW | Total | RFW | | |
| Drilling Engineer in the Directorate of Geology and Mining, Assam under Mines and Minerals Department | 01 | 00 | 00 | 00 | 00 | 00 | 00 | 00 | 00 | 00 | 00 | 00 | 01 | 00 | 00 | 00 |

*** PwBD - Persons with Benchmark Disabilities; RFW - Reserved for Women.**
***Reservation as per draft advertisement received from Government against total numbers of posts in the cadre.**

4. Scale of Pay:- Pay scale + Grade Pay + Other allowances as admissible to the Assam State Government employees from time to time (per month).

| Pay scale | Grade Pay | Pay Band |
|---|---|---|
| Rs. 30,000/- to Rs. 1,10,000/- | Rs. 12,700/- | Pay Band - 4 |

BEFORE FILLING UP THE APPLICATION FORM, CANDIDATES MUST NOTE THAT THE REQUIRED CERTIFICATES RELATING TO AGE, CASTE AND MINIMUM EDUCATIONAL QUALIFICATION WILL BE FETCHED FROM THE OTR PROFILE. CANDIDATES ARE TO UPDATE THE OTR PROFILE IF ANY ADDITIONAL DOCUMENTS ARE TO BE UPLOADED IN SUPPORT OF THE ADVERTISED POST.

5. Eligibility Criteria:-
The candidate must be an Indian Citizen as defined in Article 5 to 8 of the Constitution of India and must be a permanent resident of Assam.
As a domicile proof of the candidate, he/she must upload a copy of the valid Permanent Resident Certificate issued in Assam for educational purpose/Employment Exchange Registration Certificate will be treated as proof of residency.
**(Upload necessary documents)**

6. Education Qualification :-
Graduation in Mechanical Engineering from any University or Institution recognized by the Government.
OR
Candidate must have passed (Part A & B) of AMIE (India) in Mechanical Engineering if he/she had enrolled in AMIE course on or before 31.05.2013.
**(Upload relevant all semesters/years mark sheets reflecting the subjects and the final pass certificate)**

7. Age:
The candidates should not be less than 21 years of age and not more than 38 years of age as on 01-01-2026.
The upper age limit is relaxable:
(1) By 5 years for SC/ST candidates, i.e. upto 43 years.
(ii) By 3 years for OBC/MOBC candidates i.e. upto 41 years as per Govt. Notification No. ABP.6/2016/9 dated Dispur the 25th April, 2018.
(iii) Persons with benchmark disability (PwBD) 10 years irrespective of SC/ST/OBC and UR Category of candidates as per Govt. Memorandum No. ABP 144/95/121 dated Dispur the 28th October, 2015.
The age limit of the candidates will be calculated on the basis of the **Class-X/Class-XII Examination Admit Card/Pass Certificate/ Marksheet** issued by a recognized Central/State Board/Council **where Age/Date of Birth (DOB) is clearly reflected.**
No other document shall be accepted in lieu of the above mentioned documents for age proof.
**(Upload relevant documents)**

8. For PwBD Category Candidate:
To be eligible for consideration under PwBD category, a candidate must possess Benchmark Disability of 40% or more and must produce necessary certificate issued by the competent authority.
**NB:** Since there is no post reserved for PwBD candidates, they have to compete with other candidates without any PwBD reservation.
**(Upload relevant documents)**

9. For Government Employees of the state of Assam:
Candidates, already in regular Government service, whether in permanent or temporary capacity other than casual/ad-hoc/daily wages/ hourly paid/contract basis, in order to prove their employment, must upload a certificate against the applied post, issued by the competent authority under which he/she is working.
However, candidates, seeking pay protection, continuation in service etc., must upload 'NO OBJECTION CERTIFICATE (NOC)' against the applied post, issued by the competent authority under which he/she is working.
(Upload relevant documents)

10. The Small Family Norms:-
As per Govt. notification No. ABP.69/2019/17, dated Dispur, the 6th November/2019, candidates have to submit a declaration regarding "The Small Family Norms" in Form - A at the time of applying for the post.
**(Upload necessary documents)**

The advertisement has been issued as **per draft advertisement furnished by the Government.**
**(i) STARTING DATE FOR ONLINE APPLICATION: 24/06/2026**
**(ii) CLOSING DATE FOR ONLINE APPLICATION: 23/07/2026**
**(iii) LAST DATE FOR PAYMENT OF APPLICATION FEE: 25/07/2026**
NB: For detail advertisement please visit APSC's official website www.apsc.nic.in (Recruitment Advertisement link).

**Sd/-**
**Deputy Secretary, Assam Public Service Commission, Jawaharnagar, Khanapara, Guwahati-22**

**DIPR/D/DA/138/14-Jun-26**

Apollo HOSPITALS GUWAHATI
**অসম হস্পিটেলছ্ লিমিটেড**
চিআইএনঃ U85110AS1997PLC004987
পঞ্জীয়নভুক্ত কাৰ্যালয়ঃ **লটাছ টাৱাৰ, জি.এছ. ৰোড, গণেশগুৰি, গুৱাহাটী, অসম - ৭৮১০০৫**
ফোনঃ ০৩৬১-২৩৪৭৭০০-০৭, ৭১৩৫০০৫
ই-মেইলঃ **cs@apollohospitalsguwahati.com**

**জাননী**
**বিনিয়োগকাৰী শিক্ষা আৰু সুৰক্ষা পুঁজিলৈ (আইইপিএফ) কোম্পানীৰ ইকুইটি শ্বেয়াৰ হস্তান্তৰ**

এই জাননী কোম্পানী আইন, ২০১৩-ৰ ধাৰা ১২৪(৬) আৰু বিনিয়োগকাৰী শিক্ষা আৰু সুৰক্ষা পুঁজি কৰ্তৃপক্ষ (হিচাপ-নিকাচ, অডিট, হস্তান্তৰ আৰু ঘূৰাই দিয়া) বিধি, ২০১৬ তথা সময়ে সময়ে ইয়াত কৰা সংশোধনীসমূহ (সংক্ষেপে "বিধিসমূহ") অনুসৰি প্ৰকাশ কৰা হৈছে।

উক্ত বিধিসমূহত অন্যান্য বিষয়ৰ লগতে এই ব্যৱস্থা আছে যে যিসমূহ শ্বেয়াৰৰ ক্ষেত্ৰত শ্বেয়াৰহোল্ডাৰসকলে একেৰাহে সাত বছৰ বা তাতোধিক সময় ধৰি লভ্যাংশ লাভ কৰা নাই বা দাবী কৰা নাই, সেই শ্বেয়াৰসমূহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত বিনিয়োগকাৰী শিক্ষা আৰু সুৰক্ষা পুঁজি (আইইপিএফ) কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰা হ'ব। বিধিসমূহ অনুসৰি, যিসকল শ্বেয়াৰহোল্ডাৰৰ দাবীবিহীন লভ্যাংশ আৰু শ্বেয়াৰ উক্ত বিধিৰ অধীনত আইইপিএফ কৰ্তৃপক্ষলৈ হস্তান্তৰযোগ্য, তেওঁলোকৰ সৰ্বশেষ উপলব্ধ ঠিকনালৈ কোম্পানীয়ে ব্যক্তিগত যোগাযোগ প্ৰেৰণ কৰিব।

ইয়াৰ দ্বাৰা এনে সকলো শ্বেয়াৰহোল্ডাৰক অনুৰোধ জনোৱা হৈছে যে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ দাবীবিহীন বা অপৰিশোধিত লভ্যাংশ অতি শীঘ্ৰে দাবী কৰক, যাতে শ্বেয়াৰসমূহ আইইপিএফ কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰিবলগীয়া নহয়। অনুগ্ৰহ কৰি লক্ষ্য কৰক যে যদি সংশ্লিষ্ট শ্বেয়াৰহোল্ডাৰসকলৰ পৰা **১৫ ছেপ্টেম্বৰ, ২০২৬** তাৰিখৰ ভিতৰত কোনো যোগাযোগ লাভ কৰা নাযায়, তেন্তে কোম্পানী উক্ত বিধিসমূহত উল্লেখিত প্ৰক্ৰিয়া অনুসৰণ কৰি **১৬ ছেপ্টেম্বৰ, ২০২৬** তাৰিখে কোনো অতিৰিক্ত জাননী নিদিয়াকৈ শ্বেয়াৰসমূহ আইইপিএফ কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰিবলৈ বাধ্য হ'ব।

কোম্পানীত শ্বেয়াৰ ধাৰণ কৰি থকা আৰু যিসকলৰ শ্বেয়াৰ আইইপিএফ কৰ্তৃপক্ষলৈ হস্তান্তৰযোগ্য, তেওঁলোকে এই কথা অৱগত হওক যে বিধিসমূহ অনুসৰি আইইপিএফ কৰ্তৃপক্ষলৈ শ্বেয়াৰ হস্তান্তৰৰ উদ্দেশ্যে কোম্পানীয়ে তেওঁলোকৰ মূল শ্বেয়াৰ প্ৰমাণপত্ৰৰ পৰিৱৰ্তে নতুন শ্বেয়াৰ প্ৰমাণপত্ৰ জাৰি কৰিব। এনে নতুন প্ৰমাণপত্ৰ জাৰি কৰাৰ লগে লগে তেওঁলোকৰ নামত পঞ্জীয়নভুক্ত মূল শ্বেয়াৰ প্ৰমাণপত্ৰসমূহ স্বয়ংক্ৰিয়ভাৱে বাতিল বুলি গণ্য হ'ব আৰু সেইসমূহ লেনদেনৰ অযোগ্য হৈ পৰিব।

শ্বেয়াৰহোল্ডাৰসকলে এইটোও লক্ষ্য কৰিব যে ব্যক্তিগত যোগাযোগ আৰু এই বাতৰিকাকতত প্ৰকাশিত বিজ্ঞাপনক বিধিসমূহ অনুসৰি আইইপিএফ কৰ্তৃপক্ষলৈ শ্বেয়াৰ হস্তান্তৰৰ উদ্দেশ্যে কোম্পানীয়ে নতুন শ্বেয়াৰ প্ৰমাণপত্ৰ জাৰি কৰাৰ ক্ষেত্ৰত পৰ্যাপ্ত জাননী হিচাপে গণ্য কৰা হ'ব।

অনুগ্ৰহ কৰি লক্ষ্য কৰক যে উক্ত বিধিসমূহ অনুসৰি আইইপিএফ-লৈ হস্তান্তৰ কৰা দাবীবিহীন লভ্যাংশৰ ধন আৰু শ্বেয়াৰৰ ক্ষেত্ৰত কোম্পানীৰ বিৰুদ্ধে কোনো দাবী গ্ৰহণযোগ্য নহ'ব। অৱশ্যে, আইইপিএফ-লৈ হস্তান্তৰিত শ্বেয়াৰসমূহ আৰু সেই শ্বেয়াৰৰ ওপৰত সঞ্চিত যিকোনো সুবিধা, যদি থাকে, বিধিসমূহত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ কৰি আইইপিএফ কৰ্তৃপক্ষৰ পৰা পুনৰ দাবী কৰিব পাৰি। অধিক তথ্যৰ বাবে www.iepf.gov.in চাওক।

এই বিষয়ত কোনো প্ৰশ্ন বা ব্যাখ্যাৰ প্ৰয়োজন হ'লে, কোম্পানী সচিব, **অসম হস্পিটেলছ্ লিমিটেড, লটাছ টাৱাৰ, জি.এছ. ৰোড, গণেশগুৰি, গুৱাহাটী, অসম, পিনঃ ৭৮১০০৫, ই-মেইলঃ cs@apollohospitalsguwahati.com-ত যোগাযোগ কৰিব পাৰে।**

পৰিচালনা পৰিষদৰ আদেশমৰ্মে
**অসম হস্পিটেলছ্ লিমিটেডৰ হৈ**
**স্বা/- হৃষীকেশ দত্ত বৰুৱা**
**কোম্পানী সচিব**

তাৰিখঃ ১২.০৬.২০২৬, স্থানঃ গুৱাহাটী



দ্বিজেন কুমাৰ দাস

# জুবিন জেউতি /৫

**গী**তিকাৰ জুবিন গাৰ্গজন আৰু তেওঁ লিখা গীতসমূহ ‘শব্দৰ মৌ বিচনি ভাঙি’ আভ্যন্তৰীণ সংগীতৰ ( internal music) সৈতে নিবিড়ভাৱে নিয়ন্ত্ৰিত হৈ আমাক টুকুৰিয়াই থকা যাদুকৰী কথন। আন্ধাৰ-পোহৰৰ মাজত নিৰন্তৰ আৱিষ্কাৰ যাত্ৰা, তাৰ প্ৰতি মুগ্ধ ব্যাকুলতা-জুবিন গাৰ্গে আমাক দি থকা অমূল্য উপহাৰ।

গীতিকাৰ জুবিন গাৰ্গ সমকাল চেতনাৰে পৰিপক্ক, আধুনিক, সংবেদনশীল, অতীতপ্ৰিয়, আঘাতৰ পৰা আহৰিত বৈপ্লৱিক জোৱাৰ।

**অন্ধ মনৰ বন্ধ কোঠাত**

এটা চিঞৰেৰে আৰম্ভ হৈ, মন্দিৰৰ ঘণ্টাধ্বনি, মন্ত্ৰ উচ্চাৰণ মিশ্ৰিত— এক অন্ধকাৰ সময়ৰ উজ্জীৱনেৰে অসমীয়া গীতৰ জগতৰ এটা অন্যতম শ্ৰেষ্ঠ গীত হৈছে ‘মুক্তি’ এলবামৰ শীৰ্ষক গীত ‘মুক্তি’। অসমীয়া জনজীৱন জোকাৰি যোৱা নব্বৈ দশকৰ শেষৰ সময়খিনি, সশস্ত্ৰ আন্দোলনক অৱলম্বন কৰি— প্ৰকাশ্যে জন্ম পোৱা অস্থিৰতা, ক্ৰুৰ সময়ৰ দলিল অথবা tragic senseৰ ঊৰ্দ্ধত গৈ সন্মুখলৈ অহা দ্বন্দ্ব, আশাবাদৰ মাজেৰে কৰা অনুসন্ধান— এনে অসমীয়া গীত তেনেই বিৰল। Deep purpleৰ Highway star, Alice in Chainsৰ Them bones, Zeppelinৰ Immigrant ইত্যাদি অনেক গীত আৰম্ভ হৈছিল একোটা চিঞৰেৰে। অসমীয়াত এনে উদাহৰণ পাবলৈ নাই। ‘মুক্তি’ৰ চিঞৰ মৃত্যুমুখী, মৰম কাতৰ। ওলোটাই ইয়াক নতুনৰ আৰম্ভণি বুলিও চাব পাৰি। গীতটোত শ্লেষ আছে। নতুন প্ৰভাতৰ প্ৰতি, শিশুৰ হাঁহিবোৰ ঘূৰি আহিব এই লৈ কল্যাণ-ভাবনা আছে। অসমীয়া কবিতাৰ দুটা শ্ৰেষ্ঠ শাৰী, হীৰুদাৰ— মৃত্যুওটো এটা শিল্প/জীৱনৰ কঠিন শিলত কটা/নিৰ্লোভ ভাস্কৰ্য নাইবা Sylviya plathৰ dying is an artৰ প্ৰতি গীতটোত খেদ আছে। দৰাচলতে এই খেদ সমকালৰ ৰক্তাক্ত মৰণ যজ্ঞৰ প্ৰতি। প্ৰকৃত মুক্তিৰ সপক্ষে যেন এক সমস্ত সময়ৰ দলিল। মুক্তিৰ অপব্যাখ্যাৰ বিপৰীতে দীপ্ত সমাজ চেতনা। হুমুনিয়াহ, ক্ৰোধৰ মাজটো গীতটোৰ শেষত উচ্চাৰিত হৈছে— সৰ্বে সন্তো নিৰাময়াঃ।

গীতিকাৰ জুবিন গাৰ্গৰ সংগীত জীৱনৰ প্ৰথম পাঁচটা বছৰৰ পিছৰ একাধিক গান ৰোমাণ্টিক ভাব-উচ্ছ্বাসৰ পৰা, প্ৰেম, বিচ্ছেদ, সন্মোহনৰ পৰা আঁতৰি নহাকৈও— ‘গভীৰ আস্থাৰ গান’ বুলি বহুতেই স্বীকাৰ কৰে। গীতিকাৰ জুবিন গাৰ্গ চৰ্চাত এই বিষয়টো কিছু দলৈ লৈ যোৱাৰ দৰকাৰ এইবাবেই যে সাৰ্বজনীন আবেদন-নিবেদন থকা, দেশ আৰু জাতিৰ দুৰাৱস্থাত অকলেই আশাবাদৰ পতাকাখন উৰুৱাই থকা গীত তেনেই কম। অসমীয়া সংগীতৰ সেই সোণালী সময়খিনিতো জাতীয়তাবাদী চিন্তাৰ গীত ভালেমান আছিল



যদিও মুক্তি গীতটি আছিল সময়ৰ চিত্ৰায়ণ, মৃত্যুমুখী সভ্যতাৰ প্ৰতি উদ্বেগ। বিশেষকৈ নব্বৈৰ দশকৰ শেষৰফালে জাতিটোৱে লাভ কৰা অবৰ্ণনীয় আঘাত আৰু ক্ৰমে সহজ হৈ পৰা মৃত্যু, মৃত্যু-বিভীষিকা, ক্ষয়িষ্ণু বৌদ্ধিক যাত্ৰাই কি প্ৰভাৱ পেলাই থৈছে— সেয়া গীতলৈ অনাটো— তাক প্ৰত্যাহ্বান জনাই এই জাগৰণ ( !)ক ভুল বুলি সপ্ৰতিভ প্ৰত্যয়েৰে কোৱাটো— গীতিকাৰ জুবিন গাৰ্গৰ পক্ষেহে সম্ভৱ আছিল। ‘মুক্তি’ এলবামৰ নামকৰণ, ইয়াৰ শীৰ্ষক গীত— এই প্ৰসংগ লৈয়ে প্ৰতীকাত্মক উপস্থিতি। যাৰ অৰ্থবিচাৰ- শৈশৱৰ ordinary freedomৰ পৰা প্ৰাপ্তবয়স্কৰ hunger for freedom লৈ গতি কৰে— শাসকৰ শাসনৰ ভণ্ডামি, শোষণ, ব্যক্তিমনৰ ক্লান্ত, পঙ্গু চিন্তাক ঘেৰি থকা অন্ধ আকাশখনৰ পৰা স্নিগ্ধ উজ্জ্বল আকাশখনলৈ গতি কৰে।

‘জীৱন য’ত বিপন্ন, স্থায়িত্বৰ য’ত ছিন্নমূল, মানৱতা য’ত বিধ্বস্ত’— এনে এক দৃশ্যপটৰ মাজতো ‘শান্তিৰ শুভ্ৰ ৰথ’ৰ সপোন দেখি বা দেখুৱাই inner callingক বিস্ময়কৰ বিস্তাৰ দিব পাৰিলে গীতিকাৰ জুবিন গাৰ্গে। যুদ্ধ পৰৱৰ্তী নৈৰাজ্য আৰু শুষ্কতাক Eliotৰ The Hollow Manত পাইছিলোঁ—this is the way the world ends/not with a bang but a whimper ...।

গীতিকাৰ জুবিন গাৰ্গৰ চৰ্চা এইবাবেই প্ৰয়োজনীয়— নিৰ্জনতাতীত জগত এখনৰ বা চেতনাৰ নিস্তব্ধ উজ্জীৱিত অন্বেষণৰ বাটত থাকিও ক্ৰুৰতা, অত্যাচাৰ, শোষণক কেৱল মাত্ৰ ‘নিয়তি’ বুলি স্বীকাৰ নকৰি জীৱনৰ আত্ৰানি, সংগ্ৰামৰ সম্ভাৱনা, পোহৰ হ’বই এই প্ৰাৰ্থনা প্ৰত্যয়ৰ সৌন্দৰ্য প্ৰতিভাত কৰোৱাইছে।

‘অন্ধ শাসন ভণ্ড শাসক/ অৰ্থ লোভৰ নগ্ন যুঁজত/জীৱন মৰণৰ স্বপ্ন বাহক /মগ্ন বিভোৰ অন্ধ সুখত...’ এনে তিৰ্যক প্ৰকাশভংগী আৰু স্বতঃস্ফূৰ্ত শক্তিশালী প্ৰয়োগক অতি বেছি বহল নকৰি এটা মন্তব্যত আমি মাত্ৰ ক’ব লাগিব ...just and lively image of human nature. এই গান লিখাৰ প্ৰায় ত্ৰিশ বছৰ পাছতো এই কথা অগোচৰ নহয় যে অৰ্থ, ক্ষমতা প্ৰাপ্তিৰ দৌৰত নিজ নৈতিক মূল্য পাহৰি শাসক ভণ্ডলৈ ৰূপান্তৰিত হোৱা,সৰল প্ৰাণ কাঢ়ি নিজক প্ৰতিষ্ঠা কৰা native and naked স্বৰূপ আজিও আছে। অসমৰ ইতিহাসত যোৱা শতিকাৰ শেষৰ ফালে গুপ্ত হত্যা, ভুৱা নাইবা অপ্ৰয়োজনীয় সংঘৰ্ষ আদিয়ে সামাজিক জীৱন বিষময় কৰি তুলিছিল— তদুপৰি সমাজ জীৱন বিপৰ্যস্ত হৈছিল অবাধ গতিৰ প্ৰতিহিংসাত। আলফা- আৰ্মীৰ সংঘাতৰ পাছতো থাকি গৈছিল এক বিশেষ সুবিধাবাদী শ্ৰেণী। গীতিকাৰ জুবিন গাৰ্গে লিখিছে ‘জীৱন দিয়াৰ ক্ষমতানো কাৰ/ জীৱন লোৱাৰ ক্ষমতা অপাৰ ...’

বব ডিলানে যুদ্ধবাজসকলক কৈছিল— come you masters of war /you that built the big guns /you that build the death planes /you that build all the bombs /you that hide behind walls /you that hide behind desks /I just see through your masks.. গীতিকাৰ জুবিন গাৰ্গেও তেওঁলোকে দিয়া সময়খিনি ঠিকেই চিনি কৈছে ‘অন্ধ মনৰ বন্ধ কোঠাত/ ত্ৰস্ত ৰাতিৰ স্তব্ধ বতাহ/ মুকুতি আজি দেখোঁ দিশহৰা হৈ ৰয়/ দিশে দিশে চলে মাথোঁ মৃত্যুৰ নৈ /...সহজ মৃত্যু আৰু ঘাতক সময়ক প্ৰত্যাহ্বান জনোৱা গান অসমীয়া ভাষাতেই বিৰল। কবি নীলমণি ফুকনে তাহানিতে কৈছিল— ...মানুহৰ মুখা পিন্ধি বাটে -ঘাটে /ক’লা ছায়া অপশ্ছায়া /...কাৰ তেজ ঢলি পৰে বাৰে বাৰে / তিয়ালে মাটি/ কাৰ মূৰৰ লাওখোলাত ফুলায় / অফুলন বসন্তৰ ফুল/...

অ’ মোৰ সপোনৰ সূৰ্যৰ মানুহ/ চকু মেলি চা / মৃত্যুৰ দাপোণত চা তোক.../... নেলীৰ ঘটনাই দিয়া যাতনা, যন্ত্ৰণাবোধ ইয়াৰ অন্তৰালত আছিল। একেদৰেই ডঃ ভূপেন হাজৰিকাৰ ‘জুয়ে পোৰা তিৰাশীৰ’ গীতত পাঠ্যপুথি থোৱা ঘৰ মৰিশালি হোৱাৰ কথাই যি এক অদ্ভুত ওলোটা সময়ৰ কথা কয়, ক্ৰমাৎ বিকল হৈ পৰা স্থিতিৰ কথা উনুকিয়ায়— একেদৰেই গীতিকাৰ জুবিন গাৰ্গে লিখিছে — অন্ধ মনৰ বন্ধ কোঠাত/ হিংস্ৰ প্ৰেমৰ মুক্ত প্ৰকাশ...

মৃত্যুৰ নৈ, মৃত্যু এতিয়া উছৱ, মৃত্যু সহজ আদিয়ে as he rose and fell ৰ দৰেই তাৎক্ষণিক, আকস্মিক আৰু সুলভ মৃত্যুৰ কথা উনুকিয়ায়। Basic irrationalityৰ প্ৰসংগও ইয়াতে আছে নিশ্চয়। যি হ’লেও সমস্ত গীতটোত মানুহক মানৱতাবোধৰ কথা সোঁৱৰাই তীব্ৰ ভৰ্ৎসনা থকাতকৈও বেছিকৈ লক্ষ্য কৰা যায় স্বাৰ্থপৰ, আত্মমগ্ন মানুহ চেৰাই শান্তিৰ শুভ্ৰ ৰথ-শিশুৰ মুখৰ হাঁহি। এইবোৰ কেতিয়াকে ঘূৰি আহি আদৰিব নৱ প্ৰভাতক...এই প্ৰত্যাশাই গীতটোত অন্য মৰ্যাদা দিছে। দিছে বাংময় প্ৰভাৱ।

---

ত্ৰিভুজ

...১৯৬৬ চনৰ ২০ মাৰ্চ, দেওবাৰ। সিদিনা আবেলি হেৰাইছিল জুলে ৰীমে ট্ৰফীটো। বিশ্বকাপ ফুটবল আৰম্ভ হোৱাৰ চাৰি মাহ পূৰ্বে ট্ৰফীটো চুৰি হোৱাত আয়োজক ফিফা বিপদত পৰিছিল...

দীপাংকৰ কৌশিক

# পিকলছ



**পি**কলছ—এটা কুকুৰ। ১৯৬৬ চনত এই কুকুৰটো ইংলেণ্ডত জাতীয় নায়কত পৰিণত হৈছিল। আপুনি হয়তো আচৰিত হৈছে। কিন্তু, সেয়াই সঁচা। সমগ্ৰ বিশ্বতে চৰ্চা লাভ কৰিছিল এই কুকুৰটোৱে। সিমানেই নহয়, ‘দ্য স্পাই উইথ এ ক’ল্ড ন’জ’ নামৰ বৃটিছ কমেডী ছবি এখনত এই ‘পিকলছ’-এ অভিনয়ো কৰিছিল। ‘ব্লু পিটাৰ’কে ধৰি কেইবাটাও টিভি অনুষ্ঠানতো অংশ লৈছিল এই কুকুৰটোৱে। ঘোষিত হৈছিল ‘বৰ্ষটোৰ কুকুৰ’ হিচাপেও। কিয় বাৰু ইমান চৰ্চালৈ আহিছিল ‘পিকলছ’? কি বিশেষ কাম কৰিছিল? ১৯৬৬ চনৰ ২০ মাৰ্চ, দেওবাৰ। সিদিনা আবেলি হেৰাইছিল জুলে ৰীমে ট্ৰফীটো।




বিশ্বকাপ ফুটবল আৰম্ভ হোৱাৰ চাৰি মাহ পূৰ্বে ট্ৰফীটো চুৰি হোৱাত আয়োজক ফিফা বিপদত পৰিছিল। কিন্তু, ২৭ মাৰ্চত পুৱা ডেভিদ কৰবেট নামৰ ব্যক্তিজনে ‘পিকলছ’ক লৈ প্ৰাতঃভ্ৰমণলৈ যোৱাৰ সময়তে নাটকীয়ভাৱে উদ্ধাৰ হৈছিল ট্ৰফীটো। পুৰণি বাতৰি কাকতেৰে মেৰিয়াই ৰখা অৱস্থাত জুলে ৰীমে ট্ৰফীটো উদ্ধাৰ কৰি বিশ্বজুৰি চৰ্চিত হৈ পৰিছিল ‘পিকলছ’। এইখিনিতে উল্লেখ কৰি থোৱা ভাল যে বিশ্বকাপ ফুটবলৰ মূল ট্ৰফীটোৱে হৈছে জুলে ৰীমে ট্ৰফী। প্ৰথমতে ‘ভিক্টৰী কাপ’ নামেৰে পৰিচিত ট্ৰফীটোৰ নাম ১৯৪৬ চনত সলনি কৰা হৈছিল। ফিফাৰ সভাপতি জুলে ৰীমেৰ সন্মানত ট্ৰফীটোৰ নতুন নামটো দিয়া হৈছিল। ফ্ৰান্সৰ স্থপতিবিদ আবেল লাফলিউৰে ডিজাইন কৰিছিল ট্ৰফীটো। ১৯৭০ চনত তিনিবাৰ বিশ্বকাপ জয় কৰাৰ পাছত নিয়ম অনুসৰিয়ে ব্ৰাজিলক জুলে ৰীমে ট্ৰফী স্থায়ীভাৱে প্ৰদান কৰা হয়। দুৰ্ভাগ্যবশতঃ এই ট্ৰফীটো ১৯৮৩ চনত ব্ৰাজিল ফুটবল এছ’চিয়েচনৰ এখন প্ৰদৰ্শনীৰ পৰা পুনৰ চুৰি হয়। বহু অনুসন্ধানৰ পাছতো কিন্তু ট্ৰফীটোৰ সন্ধান পোৱা নগ’ল। আনহাতে, ১৯৭৪ চনৰপৰা নতুন ফিফা ট্ৰফী বিশ্বকাপত প্ৰদান কৰা হয়, যিটো এতিয়াও চলি আহিছে। ইপিনে, পিকলছ নামৰ সেই কুকুৰটোৰ ১৯৬৭ চনৰ ১ জানুৱাৰীত ৫ বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ পূৰ্বে পিকলছে নেচনেল কেইন ডিফেন্স লীগৰ ৰূপৰ পদককে ধৰি অন্য পুৰস্কাৰো লাভ কৰিছিল। ১৯৬৬ চনতে ইংলেণ্ড প্ৰথম আৰু একমাত্ৰবাৰৰ বাবে বিশ্বকাপত জয়ী হৈছিল। বিশ্বজয়ৰ উৎসৱত পিকলছকো আমন্ত্ৰণ জনোৱা হৈছিল। কুকুৰটোৰ গৰাকী কৰবেটে প্ৰায় ৫,০০০ পাউণ্ড পুৰস্কাৰ হিচাপেও লাভ কৰিছিল। ২০১৮ চনৰ বিশ্বকাপৰ সময়ত আপাৰ নৰউডৰ যি স্থানত ট্ৰফীটো উদ্ধাৰ হৈছিল, তাত এখন ফলক লগাই সন্মান জনোৱা হৈছিল পিকলছক। এনেদৰে জুলে ৰীমে ট্ৰফী উদ্ধাৰেৰে বিশ্বৰ বিখ্যাত কুকুৰবোৰৰ ভিতৰত অন্যতম হৈ পৰিছিল পিকলছ।

---



বিকাশ দিহিঙ্গীয়া

# সন্দিকৈক সোঁৱৰণ

**মা**ঘ বিহুৰ উৰুকা আমাৰ গাঁৱত গধূলিতে এটা গাঁত খান্দি, ফালিব নোৱৰা বৰ মেজিৰ বাবে অপ্ৰয়োজনীয় খৰিবোৰ দি একুৰা জুই জ্বলোৱা হয়। সকলোৱে তাক পানী মেজি বুলি কয়। পানী মেজিৰ তাপে শীতৰ গধূলি শৰীৰ উমাই তোলে। পানী মেজিৰ কাষত শুচি গা, বাহী গা বুলি একো নাথাকে। সকলোৱে পানী মেজিত দেহা সেকিবলৈ চাপি-কুঁচি বহে। আনফালে পুৱতি নিশা দপ্‌দপকৈ জ্বলি উঠে কাঠৰ বৰমেজি। বৰমেজিৰ প্ৰখৰ তাপৰ বাবে সকলোৱে কাষ চাপিবলৈ সাহস নকৰে। তাতে শুচি গাৰেহে গৈ সেৱা জনোৱাৰ পৰম্পৰা। সেয়ে বহুতে দূৰৰ পৰাই মাহ-কৰাই, পিঠা-পনাৰে বৰমেজিক সেৱা কৰে। দেহা উমাই কেৱল মেজি জ্বলোৱা ল’ৰাকেইটাই।

যোৱা ৭ জুলাইত ৪৪সংখ্যক মৃত্যু-বাৰ্ষিকী পাৰ হোৱা কৃষ্ণকান্ত সন্দিকৈও আছিল সেই বৰমেজিৰ জুইকুৰাৰ তাপৰ দৰে প্ৰখৰ জ্ঞানৰ অধিকাৰী। বিশ্বৰ বহুকেইটা গুৰুত্বপূৰ্ণ ভাষা-সাহিত্যৰ গভীৰ অধ্যয়ন কৰি বিদগ্ধ হৈ পৰা এজন জ্ঞানী মানুহৰ কাষ চপা আৰু মেজিৰ দপ্‌দপ্‌কৈ জ্বলা জুইৰ কাষ চপা প্ৰায় একে কথা। এই কথা বুজি সেয়ে যেই-সেই লোকে তেওঁৰ সান্নিধ্য পাবলৈ ইচ্ছা থাকিলেও সাহস কৰিব পৰা নাছিল। ইচ্ছুকসকলে সন্দিকৈক লগ পাবলৈ যোগ্য হয় নে, সেই প্ৰশ্নও নিজকে কৰি চাব লগা হৈছিল। সন্দিকৈয়ে নিজেও জানিছিল নিজৰ প্ৰখৰতাক। সেয়ে তেওঁ অবাবত মানুহৰ স’তে কথা পাতি সময় নষ্ট কৰাতকৈ অধ্যয়নত মনোনিৱেশ কৰিছিল। মানুহে তাকে অহংকাৰ বুলি ভাবিছিল। তেওঁক লৈ ক’ত যে কথা আলচ কৰিছিল! কিন্তু সন্মুখত দেখিলেই কাঁহ-পৰি জিন যোৱা অৱস্থা হৈছিল।

সময়ৰ প্ৰতি তেওঁ আছিল অতি সচেতন। সাত বছৰকাল ইউৰোপত থাকি তেওঁ সময় যে কিমান মূল্যৱান সেয়া বুজিছিল আৰু আমৃত্যু সময়ক ভয় কৰিছিল। ভয় মানে সন্মান কৰি চলিছিল। তেওঁৰ ভয় আছিল সময় নষ্ট হোৱাক লৈ, তেওঁৰ ভয় আছিল দৈনিক ৰুটিন পালন কৰাত হেৰ-ফেৰ হোৱাক লৈ। সেয়ে তেওঁ নিজৰ হাতঘড়ীৰ কাঁটা প্ৰায়ে একৰ পৰা দুই ঘণ্টা পৰ্যন্ত আগবঢ়াই ৰাখিছিল। আব্দুল ছাত্তাৰে যেতিয়া তেওঁৰ জীৱনী লিখিবলৈ গৈ এনে কৰাৰ কাৰণ জানিব বিচাৰিছিল কৃষ্ণকান্ত সন্দিকৈয়ে তেতিয়া কৈছিল যে তেওঁ ৰাতি কিতাপ পঢ়ি থাকোঁতে প্ৰায়ে তিনি-চাৰি বাজিছিল। যাৰ ফলত পিছদিনাৰ দৈনন্দিন ৰুটিনত খেলি-মেলি হৈছিল। সেয়ে তেওঁ নিজক ভয় খুৱাবলৈ ঘড়ীৰ সময় আগবঢ়াই ৰাখিছিল। এই ঘটনাৰ পৰাই আমি বুজিব পাৰোঁ যে সন্দিকৈ আছিল আচলতে সময়তকৈ আগত চলিব বিচৰা মানুহ। কিন্তু তেওঁৰে স্মৃতিচাৰণ সভা সময়তকৈ দেৰিকৈ আৰম্ভ হ’লে নিশ্চয়কৈ এয়া পৰিতাপৰ কথা। অৰ্থাৎ আমি তেওঁৰ আদৰ্শ সকলো ক্ষেত্ৰতে মানি চলিব পৰা নাই নায়েই, আনকি তেওঁক সোঁৱৰণ কৰোঁতেও পৰা নাই! আমাৰ ই কেনে দুৰ্ভাগ্যজনক তথা পুতৌলগা অৱস্থা!

সন্দিকৈয়ে উচ্চ শিক্ষাৰ বাবে দেশৰ বাহিৰলৈ ঢাপলি মেলিছিল ১৯২০ চনত। তেওঁ গৈছিল অক্সফৰ্ডলৈ সংস্কৃত বিষয়ত এম এ পঢ়িবলৈ। কিন্তু তাত যে আটাইতকৈ কঠিন বিষয় বুলি মানুহে ‘মডাৰ্ন হিষ্ট্ৰী’ক ভাবে আৰু অক্সফৰ্ডৰ আটাইতকৈ সন্মানীয় ডিগ্ৰী বুলি এই বিষয়টোকে জনা যায়, তেতিয়াই নিজৰ স’তেই প্ৰতিযোগিতাত নামি ভালপোৱা, অধ্যয়নৰ ক্ষেত্ৰত প্ৰত্যাহ্বান ভালপোৱা কৃষ্ণকান্ত সন্দিকৈয়ে সেয়ে সংস্কৃত এৰি আধুনিক ইতিহাস বিষয়তে এম এ কৰাৰ সিদ্ধান্ত লৈছিল। সন্দিকৈৰ ব্যক্তিত্বই এনেকুৱা আছিল যে তেওঁ সৰুৰে পৰাই নিজৰ স’তে প্ৰতিযোগিতাত নামিছিল, আনৰ স’তে নহয়। আজিৰ দিনত তেওঁৰ আদৰ্শৰে চলা মানুহৰ সংখ্যা কিমানেই বা আছে! আজিকালি সৰুৰে পৰা প্ৰতিটো ক্ষেত্ৰতে অভিভাৱকে নিজৰ সন্তানক আনৰ স’তে প্ৰতিযোগিতা কৰিবলৈ সোঁৱৰাই থকাৰ প্ৰৱণতা বৃদ্ধি পাইছে। যাৰ ফলত প্ৰকৃত জ্ঞান আহৰণ কৰি নিজকে এজন সুমানৱ হিচাপে গঢ়ি তোলাতকৈ নম্বৰৰ পিছত দৌৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। সমান্তৰালভাৱে বাঢ়িছে শিক্ষাৰ্থীৰ আত্মহত্যাৰ ঘটনাও। এই সকলোবোৰৰ এটাই সমাধান— উঠি অহা প্ৰজন্মক সৰুৰে পৰা নিজৰ স’তে প্ৰতিযোগিতা কৰিবলৈ শিকোৱা, নিজক যিকোনো ক্ষেত্ৰত হৰুৱাব পৰা প্ৰৱণতা গঢ় দিয়া। এনে কৰিলে উঠি অহা প্ৰজন্মই হৈ উঠিব অনুসন্ধিৎসু, ধৈৰ্যশীল, আত্মবিশ্বাসী আৰু স্বাভিমানী।



সময়ৰ প্ৰতি তেওঁ আছিল অতি সচেতন। সাত বছৰকাল ইউৰোপত থাকি তেওঁ সময় যে কিমান মূল্যৱান সেয়া বুজিছিল আৰু আমৃত্যু সময়ক ভয় কৰিছিল।

১৮৮৪ চনত হাকিম ৰাধাকান্ত সন্দিকৈ চাহাবৰ পুত্ৰ হৈ জন্ম গ্ৰহণ কৰা সন্দিকৈ সৰুৰে পৰা ঘৰৰ বাকীসকলতকৈ আছিল পৃথক স্বভাৱৰ। স্বভাৱতে নিৰ্জু আৰু নিজকে অতি সাধাৰণভাৱে ৰাখিব খোজা সন্দিকৈয়ে আনকি জোতাও নিপিন্ধিছিল। সেই দিনত হাকিম মানে অতি ডাঙৰ মানুহ, সম্ভ্ৰান্ত ঘৰ। তাতে দেউতাক ৰাধাকান্ত সন্দিকৈ আছিল চাহাবী ঢঙেৰে থাকি ভালপোৱা ব্যক্তি। পিন্ধন-উৰণ বা এই ধৰণৰ চৌখিনতা কৃষ্ণকান্তৰ নাছিল। টকা-পইচা উভৈনদী হ’লেও তেওঁ সহজ-সৰল জীৱন-যাপন কৰিছিল আৰু ধন-বিত যিমান পাৰে কিতাপ কিনাত খৰচ কৰিছিল। তেওঁৰ এটা বিশেষত্ব আছিল যে সৰুৰে পৰা লগত এডাল লাঠী লৈ ফুৰিছিল, ঠিক আজিকালি ট্ৰেকিঙত মানে পাহাৰ বগাবলৈ গ’লে মানুহে লগত লৈ ফুৰাৰ দৰে। অৰ্থাৎ তেওঁ জীৱনটো সৰুৰে পৰাই যেন এখন পাহাৰৰ দৰে চাইছিল। আৰু সঁচাকৈয়ে তেওঁ পৰ্বতসদৃশ বিশাল জ্ঞানৰ অধিকাৰী হৈছিল।

এই ব্যতিক্ৰমী ব্যক্তিজনে দশম শ্ৰেণীত পঢ়ি থাকোঁতে বয়স আছিল মাত্ৰ ১৫ বছৰ। তেতিয়া প্ৰৱেশিকা পৰীক্ষাত বহিবলৈ ১৬ বছৰীয়া হোৱাটো বাধ্যতামূলক আছিল। গতিকে কিশোৰ কৃষ্ণকান্তই দশম শ্ৰেণীত দুবাৰ পঢ়িব লগা হৈছিল। এই এটা বছৰ তেওঁ এনেয়ে পঢ়াকে পঢ়ি পাৰ কৰা নাছিল। সময়ৰ সদ্ব্যৱহাৰ কৰি তেওঁ সংস্কৃত ভাষা অধ্যয়নত গুৰুত্ব আৰোপ কৰিছিল। আমি তেওঁৰ পৰা শিকিব লাগে সময়ৰ সদ্ব্যৱহাৰ কি আৰু কেনেদৰে কৰিব লাগে। আজিৰ দিনত আমি ইমানেই সময় অপচয় কৰোঁ যে নিজক দিবলৈকো সময় নাটে! আচৰিত নহয়নে? আমি সৰহসংখ্যকেই দিনটোৰ বেছিভাগ সময় ছ’চিয়েল মিডিয়াত অনৰ্থক তৰ্ক-বিতৰ্কত ভাগ লৈ নতুবা ৰীলচ্, মিম্ আদি নহ’লে ৱেব-ছিৰিজত বুৰ গৈ সময় পাৰ কৰিছোঁ। ‘কণ্টেণ্ট ক্ৰিয়েচন’ৰ নামত একাংশই নিজৰ কণমানি সন্তানকো জোৰ কৰি হ’লেও নেতিবাচক ইংগিত ধৰ্মী ভিডিঅ’ প্ৰস্তুত কৰা সততে দেখিবলৈ পোৱা গৈছে। কিন্তু ভাল কিতাপ এখনৰ বিষয়ে আলোচনা কিমানে কৰিছে? যিসকলে এতিয়াও সময় অপচয় নকৰি জ্ঞান অন্বেষণত নিজকে নিয়োজিত কৰি আছে সেইসকলৰ বেছিভাগেই আকৌ সমনীয়াৰ লগতে বহুজনৰ ঠাট্টা-মস্কৰা-ইতিকিং আদিৰ বলি হ’ব লগা হয়। কিয়— বাকীসকলতকৈ ব্যতিক্ৰম হোৱা বাবে; তেওঁলোকতকৈ সুস্থ চিন্তাৰ সুনাগৰিক হোৱাৰ পথত অগ্ৰসৰ হোৱা বাবে? কৃষ্ণকান্ত সন্দিকৈয়ে ২০ টাতকৈ অধিক ভাষা জানিছিল। তেওঁ এই ভাষাসমূহ শিকিছিল একমাত্ৰ সেই ভাষাৰ সাহিত্য-সংস্কৃতি অধ্যয়ন কৰিবলৈ। তেওঁ বুজিছিল যে পৃথিৱীত অতবোৰ কথা আছে জানিবলৈ, শিকিবলৈ; সেইবোৰ জানিবলৈ ভাষা শিকাৰ গত্যন্তৰ নাই। এইখিনিতে সততে প্ৰশ্ন উত্থাপিত হয় যে ইমানবোৰ জানি-শুনি লাভ কি? এই প্ৰসংগতে শ্বিলঙত লগ পোৱা মুকুন্দৰাম বেজবৰুৱাই কৃষ্ণকান্ত সন্দিকৈক এষাৰ কথা কৈছিল, যি কথা আমৃত্যু তেওঁৰ প্ৰেৰণা হৈ ৰৈছিল। বেজবৰুৱাই কৈছিল— ‘Man does not live by bread alone.‘

ফোন ঃ ৮৪৭২০৪৮৪৫১

---



ডঃ নিৰ্মালি দাস



# বাৰিষাৰ ৰাতি মনত পৰেনে

**ব**ৰ্ষা ঋতুৰ আছে এক সন্মোহনী শক্তি ! ধৰাৰ বুকু শান্ত কৰাৰ লগতে জলজ প্ৰাণীৰ অন্তৰত আনন্দৰ স্পন্দন তোলে বৰ্ষাই। নৈ-নিজৰা, খাল-ডোং, ম’হঘুলি, পথাৰ য’তেই পানী উপচি পৰে ত’তেই জলজ প্ৰাণীয়ে প্ৰাণ পাই উঠে। ঘন বৰষুণ পিছল মাটিৰ ছবিৰ নান্দনিক আকৰ্ষণ অনবদ্য; যাৰ সুৰ, মৃদু শব্দত ভোমোৰা গুঞ্জৰিত হয় হৃদয়কমলত। একেথৰে চাই থাকিলেহে অনুভৱ কৰিব পাৰি বৰষুণে কি তীব্ৰগতিত নাচোন তোলে ! বৰষুণৰ টোপাল ছিটিকা এচাৰকনিও মনোমোহা। বাৰিষাৰ মায়াৱী ৰূপে, পৰিৱেশে মানুহৰ মনক প্ৰেমময় কৰি তোলে। ৰ’দৰ তাপৰ পাছত বৰষুণে দেহ জুৰ পেলোৱাৰ দৰে মনো জুৰ পেলায়। কিন্তু অতিপাত বৰষুণৰ পানীয়ে নৈৰ বুকু উপচাই যেতিয়া ভয়ংকৰ ৰূপ লৈ ঘৰ-পথাৰ ঢাঁহি-মুহি মানুহক সৰ্বহাৰা কৰে; তেতিয়াই চিন্তনীয় বিষয় হৈ পৰে।

বৰ্ষা ঋতু অতিকৈ প্ৰিয় খেতিয়কৰ, প্ৰিয় কবি-সাহিত্যিকৰ আৰু সৰ্বাধিক প্ৰিয় বিৰহী যক্ষসকলৰ ! বৰষুণৰ ব্যাখ্যা বিজ্ঞানে যিধৰণেৰে নিদিয়ক কিয়, ইয়াৰ আৱশ্যক যেনেধৰণেৰে নহওক কিয়; ই যেন চিৰন্তন প্ৰেমৰ ধাৰা, ই যেন জীৱনপ্ৰেমৰ অত্যাৱশ্যকীয় অমৃতধাৰা— এই কথা সত্য। এজাক বৰষুণৰ ছন্দোবদ্ধ ভাবে কেনেদৰে ভৱাই তোলে সেই কথা অকলে নিৰ্জন ঠাইত নাইবা অকলশৰীয়া এটি কোঠাত এখন খিৰিকীৰ কাষত বহি অনুভৱ কৰিলে গভীৰভাৱে হৃদয়ংগম কৰিব পাৰি। এজাক বৰষুণত তিতি-বুৰি অনুভৱ কৰিব পাৰি— কি তাড়নাত মেঘ নিগৰি পৃথিৱীলৈ তীব্ৰগতিত নামি আহে ! অনুভৱ কৰিব পাৰি যেতিয়া উৰুখা পঁজাৰে নিগৰি তিয়াই দিয়ে দুচকু ! অনুভৱ কৰিব পাৰি ৰোৱনী সাজত, পথাৰৰ বুকুত আৰু পিঠিত পৰা তীব্ৰ কোবৰ অনুভৱ কেনেকুৱা ! বৰষুণ কবিৰ আৱেগ, গীতৰ ছন্দ আৰু বিৰহীৰ প্ৰেমৰ দূত ! অনাহাৰে নথকা ভাগ্যৱানে যিদৰে ভোকৰ মূল্য বুজি নাপায়; সেইদৰে বৰষুণত তিতি নোপোৱাই বুজি নাপায় জীৱনত অনুভৱৰ কিমান মূল্য ! বৰষুণৰ স্নিগ্ধতা মানেই এক ৰোমাঞ্চকৰ আৱেগ। আহাৰৰ আকাশ, শাওণৰ বোকাময় গোন্ধতে পুৰাতনী প্ৰেমৰ বাহক ম’ৰা চৰায়ে পেখম ধৰে। সেউজীয়া বিৰিখে-পাতে হালিজালি নৃত্য কৰে আৰু মন প্ৰাণোচ্ছল আৱেগময় হয়।

বৰষুণৰ বতৰত পুৰণি দিনৰ স্মৃতিয়ে বৰকৈ আমনি কৰে। বৰষুণৰ শব্দ যিমানেই ঘন হয় সিমানেই বুকুৰ ভিতৰত একাকীত্ব ঘনীভূত হয়। বহুতেই বৰষুণক চকুপানীৰ সৈতে তুলনা কৰি মনৰ দুখ পাতলাবলৈ চেষ্টা কৰে। বৰষুণ অশ্ৰুসিক্ত নয়নৰ ভাবমূৰ্তি। বৰষুণ মনৰ দাপোণ ! মন যেতিয়া আনন্দময়, বৰষুণো তেতিয়া প্ৰেমময় হৈ যায়; আনফালে, মন যেতিয়া দুখী-বিৰহজৰ্জৰ তেতিয়া বৰষুণো বিৰহী হৃদয়ৰ বাৰ্তাবাহী দূত হৈ পৰে। বৰষুণৰ টোপাল প্ৰিয়জনৰ অনুভৱেৰে কবিতা হৈ নিগৰি আহে আৰু সকলো ব্যস্ততাৰ বিপৰীতে মন ভাবঘন কৰি তোলে। কবি নৱকান্ত বৰুৱাৰ ‘এটা প্ৰেমৰ পদ্য’ কবিতাটো সৰ্বকালৰ এটি শ্ৰেষ্ঠ কবিতা। ইয়াৰে কালজয়ী শাৰীকেইটা হ’ল—

‘বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে, অৰুন্ধতী?
আকাশৰ মেঘে আনি দিয়া
তোমাৰ মনৰ গোপন বেদনা
আজি জানো তুমি পাহৰি গ’লা?’

বাৰিষাৰ সেমেকা নিশাত কবি প্ৰাণক অতীতৰ প্ৰেমিকাৰ স্মৃতিয়ে ব্যাকুল কৰি তুলিছিল । প্ৰকৃতিৰ ৰূপে আৰু বৰষুণৰ ছন্দত কবিৰ অতীতৰ প্ৰেমময় দিনবোৰ আৰু প্ৰেয়সীৰ চুলিৰ সুবাস যেন ওভতাই আনিছিল। কবিৰ ভাবনাত কেৱল প্ৰেমেই মূৰ্ত হোৱা নাই; হৈছে সাৰ্বজনীন গভীৰ বিৰহ আৰু নোপোৱাৰ বেদনা। বৰষুণ, বৰ্ষা ঋতুক লৈ বহুতো গীত-কবিতা সৃষ্টি হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও বৰ্ষাৰ বৰ্ণনা কৰি গৈছে।

গাঁৱলীয়া জীৱন বৰষুণ সম্পৰ্কে সদায় সচেতন। আগৰ দিনৰ মানুহে সূৰ্য আৰু চন্দ্ৰক লক্ষ্য কৰিয়েই বতৰৰ আগজাননী দিব পাৰিছিল। কিছুমান পোক-পৰুৱা যেনে— গুৰি পৰুৱা, ৰঙা পৰুৱা, উঁইপৰুৱা, উঁইচিৰিঙা, কাকতি ফৰিং ওলালেই বৰষুণ বহুত বেছি হয় বুলি গাঁৱলীয়া জনবিশ্বাস আছে। আমে বেছিকৈ মলিয়ালেও বৰষুণ বা বান হয় বুলি বিশ্বাস কৰে; আৰু বাৰিষাৰ খৰি-খেৰ, মাহ-চাউল, চিৰা-মুড়ি, আখৈ আগতীয়াকৈ সাঁচি ৰাখিবলৈ ব্যৱস্থা কৰে। বাৰিষাৰ সময়ত ঘাঁহ-বনৰ অভাৱৰ লগতে মহে-ডাঁহে গাইগৰুৰ বৰ আলাই-আথানি অৱস্থা কৰে। এই সময়ত হালোৱা গৰুৰ কান্ধত এবিধ বেমাৰ হয়, ঘা লাগে, ভৰিত বৰ যন্ত্ৰণাদায়ক চবকা বেমাৰ লাগে। গাঁৱলীয়া সমাজত এই সময়তে মাছ উভৈনদী হৈ পৰে। জাকৈ-খালৈ, জাল, বৰশী, পল’ জুলুকি, খোকা আদিৰে পথাৰৰ কাম কৰি উঠি মাছ মাৰে। আজিকালি গাঁওবোৰত এইবোৰৰ ব্যৱহাৰ নাইকিয়াই প্ৰায়। পথাৰৰ কাম সামৰি সন্ধিয়া টিপচাকিৰ পোহৰত ৰছী পকোৱা, শিকিয়া গুথা, জাকৈ-খালৈ বাটা ছবিখনো নোহোৱা হ’ল।

বাৰিষাৰ প্ৰথম কাম কঠীয়া তোলা। ঘন ঘনকৈ দিবা আলি তেহে খাবা নানান শালি। শাওণৰ বোকাময় পথাৰ বিপুল সম্ভাৱনাৰ পথাৰ। এগছি কঠীয়া যেন জীৱন্ত আশাৰ প্ৰতীক। পথাৰত ৰোৱনীৰ সপোন! কি যে মনপৰশা দৃশ্য! পোৱা পিটিকা-পঁইতা ভাতৰ কি অমৃতময় সোৱাদ। বৰষুণত জুৰুলি-জুপুৰি হৈও হাঁহি-আনন্দৰ খলকনি! সেমেকা কাপোৰেৰে গা ঠন ধৰাবলৈ জুইৰ সেক লোৱা, মাছ সেকা, কঁঠাল গুটি, জিকা, মাছ পোৱা গোন্ধবোৰ বহুতৰে নাকত চাগৈ লাগিয়ে আছে। জেঠ-আহাৰ মাহতেই বসুমতী শস্যসম্ভৱা হ’বলৈ ৰজস্বলা হয়। বিভিন্ন নিয়মেৰে বসুমতীক সন্মান জনাবলৈ অম্বুবাচী পালন কৰা হয়। ধৰিত্ৰীয়ে যাতে আঘাত নাপায় তাৰ বাবে এই সময়ত হাল ক্ষতি কৰা নিয়ম। গছ-গছনিও ৰোপণ কৰা নহয়। আনহাতে, আহাৰ মাহতে কৃষ্ণ, বলোৰাম আৰু তেওঁলোকৰ ভগ্নী সুভদ্ৰাৰ সৈতে ৰথত উঠি ফুৰিবলৈ যাত্ৰা কৰাৰ পৰম্পৰা মন্দিৰবোৰত পালন কৰে। গাঁৱৰ ৰূপ আজিকালি সলনি হ’ল, গাঁৱলীয়া মানুহৰ মানসিকতাও চহৰীয়া ঢঙে ঢৌৱাই পেলালে! তথাপি আমাৰ অনুভৱ হয়— বৰষুণ যেন মেঘৰ বুকুৰ গধুৰ বোজাৰ চকুলো, পথাৰৰ শুকান ওঁঠ জীপাল কৰা এমোকৰা হাঁহি! বৰষুণ আহিলে বুকুখন সেমেকি উঠে, এৰি থৈ অহা দূৰণিৰ গাঁওখন, শৈশৱৰ কাগজৰ নাওখন দুচকুত থাকে দুলি !

ফোন ঃ ৯৮৬৪৭৪৯২০৬



## নগাঁও বিশ্ববিঃত প্ৰফেছৰ অব প্ৰেকটিচ পদত নিযুক্তি

# মঙলদৈত মুকুল চন্দ্ৰ ডেকাক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মঙলদৈ, ১৩ জুন ঃ** নগাঁও বিশ্ববিদ্যালয়ে ২০২৬ বৰ্ষত প্ৰফেছৰ অব প্ৰেকটিচ পদত নিযুক্তি প্ৰদান কৰা অসমৰ বিশিষ্ট উদ্যোগপতি, এছ আৰ ডি গ্ৰুপ অব কোম্পানীজৰ জ্যেষ্ঠতম সঞ্চালক মুকুল চন্দ্ৰ ডেকাক কালি সন্ধিয়া মঙলদৈত ৰাজহুৱা সম্বৰ্দ্ধনা জনোৱা হয়। মঙলদৈৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'জীপছী গিল্ড'ৰ উদ্যোগত গিল্ডৰ ৰংগশালাত তদুপলক্ষে আয়োজিত এক অনুষ্ঠানত এই পদমৰ্যাদাত অধিষ্ঠিত উদ্যমিতা ক্ষেত্ৰখনৰ মুকুল চন্দ্ৰ ডেকাক তামোল-পাণ, গামোচা, মানপত্ৰ আৰু জাপিৰে ৰাজহুৱা সন্মান জনোৱা হয়। 'জীপছী গিল্ড'ৰ 'জহকালিৰ অনুষ্ঠান' শীৰ্ষক কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা ৰাজহুৱা অনুষ্ঠানত সন্মান গ্ৰহণ কৰি বিশিষ্ট উদ্যমী, উদ্যোগপতিগৰাকীয়ে তেওঁৰ ৫১ বছৰীয়া উদ্যমিতা অভিজ্ঞতাৰ বিষয়ে চমু ৰোমন্থন কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ সাংবাদিক ময়ূখ গোস্বামীয়ে প্ৰফেছৰ অব প্ৰেকটিছ পদবীত নিযুক্তি আৰু ইয়াত নিযুক্তিপ্ৰাপ্ত ব্যক্তিসকলৰ কৰ্তব্য সম্পৰ্কে আলোকপাত কৰে। আনহাতে, অনুষ্ঠানত অংশ লৈ অসম চৰকাৰৰ জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত সচিব তথা মুকুল চন্দ্ৰ ডেকাৰ বাল্যবন্ধু হৰেন কাকতিয়ে মুকুল ডেকাৰে তেওঁৰ সান্নিধ্যৰ চমু ৰেখাপাত কৰে। অনুষ্ঠানত মুকুল চন্দ্ৰ ডেকাৰ সুযোগ্য সহধৰ্মিণী, শিশু অধিকাৰ কৰ্মী উপাসনা ডেকাকো উদ্যোক্তাসকলে সম্ভাষণ জনায়। 'জীপছী গিল্ড'ৰ সম্পাদক, জ্যেষ্ঠ অধিবক্তা জয়ন্ত ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানৰ পাছতে 'জীপচী গিল্ড'ৰ শুকুৰবৰীয়া বোলছবি প্ৰদৰ্শন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

## আন্তঃগাঁথনি উন্নত কৰাৰ আহ্বান ■ উচ্চতৰ শাখা চৰকাৰীকৰণ নোহোৱাত প্ৰতিক্ৰিয়া প্ৰাক্তন ছাত্ৰৰ

# মধ্য মাজুলী পাৰিজাত উঃ মাঃ বিদ্যালয়ৰ দুৰৱস্থা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ১৩ জুন ঃ** মধ্য মাজুলী অঞ্চলৰ এটা বিশেষ স্থানত কেইগৰাকীমান মহান ব্যক্তিৰ প্ৰচেষ্টাত আৰম্ভ হৈছিল এখন বিদ্যালয়। এইখন বিদ্যালয়ত অধ্যয়ন কৰি দেশৰ বিভিন্ন স্থানত প্ৰতিষ্ঠিত হৈছে বহু ছাত্ৰ-ছাত্ৰী। জ্ঞানৰ পোহৰে আলোকিত কৰা এই বিদ্যালয়খনৰ নাম ৰখা হৈছিল মধ্য মাজুলী পাৰিজাত উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে। এই বিদ্যালয়খন স্থাপন হৈছিল ১৯৬০ চনত। এটা সময় আছিল, বিদ্যালয়খনলৈ অহা ভাল পথৰ ব্যৱস্থা নাছিল। সময় সলনি হ'ল। পথসমূহো উন্নত হ'ল। ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ এখন চাইকেল লৈ আহিব পৰা হৈছিল। কিন্তু, পূৰ্বে নামভৰ্তিৰ সময়ত যথেষ্ট ছাত্ৰ-ছাত্ৰী হোৱা বিদ্যালয়খনলৈ এতিয়া অৱহেলা অসম চৰকাৰ শিক্ষা বিভাগৰ। বিদ্যালয়খনত সকলো আছিল। মধ্য মাজুলী অঞ্চলৰ নামজ্বলা, সকলোৱে পঢ়িবলৈ আগ্ৰহী হোৱা বিদ্যালয়খনেই হৈছে পাৰিজাত। সেই পাৰিজাত উচ্চতৰ মাধ্যমিকলৈ উন্নীত হৈছিল। দুয়োটা শাখাতে পৰীক্ষাৰ ফলাফল ভাল হোৱা বিদ্যালয়ত কিন্তু বছৰৰ পাছত বছৰ ধৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পোহৰ বিলোৱা বিদ্যালয়খনৰ উচ্চতৰ শাখাটোৰ নহ'লগৈ চৰকাৰীকৰণ। যাৰ ফলত বছৰ বছৰ শিক্ষকতা কৰা শিক্ষকসকলৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ব্যৱহাৰ সদায় মনত ৰাখিবলগীয়া, সহজ-সৰল আছিল। কিছুদিন পূৰ্বে ঘৰলৈ যাওঁতে বিদ্যালয়খনৰ অৱস্থাটো দেখি যথেষ্ট দুখ লাগিছিল। কাৰণ, বিদ্যালয়খনৰ বৰ্তমান সময়ত আন্তঃগাঁথনি বুলিবলৈ একো নাই, পূৰ্বে আমি অধ্যয়ন কৰোঁতে যি ৰং আছিল, সেয়াই। পূৰ্বতকৈ কমিছে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। কিন্তু, মাজুলীৰ বহু বিদ্যালয় নতুন আন্তঃগাঁথনিৰে নিৰ্মাণ কৰা দেখিবলৈ পোৱা গৈছে। কিন্তু, মধ্য মাজুলী অঞ্চলৰ সকলোৰে চিনাকি পাৰিজাত



বিদ্যালয়খন আজিলৈকে কিয় উন্নীত কৰা হোৱা নাই, সেয়া এতিয়া ডাঙৰ প্ৰশ্ন। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰো পদধূলা পৰা বিদ্যালয়খন উন্নীতকৰণৰ বাবে কিছু সহায় কৰা হ'ব বুলি কোৱা হৈছিল যদিও আজিলৈকে কাৰ্যক্ষেত্ৰত পৰিণত নহ'ল। যাৰ বাবে পুৰণি কোঠাতে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰিবলগীয়া হৈছে শিক্ষক-শিক্ষয়িত্ৰীসকলে। এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে বৰ্তমানৰ অসমৰ দক্ষ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুক এজন প্ৰাক্তন ছাত্ৰ হিচাপে অনুৰোধ কৰোঁ যাতে বিদ্যালয়খন মেৰামতিৰ লগতে সকলো দিশত আগবাঢ়ি যাবলৈ কিছু সহায় কৰে। অন্যথা মধ্য মাজুলী অঞ্চলৰ সকলোৰে সপোনৰ বিদ্যালয়খন যাতে হেৰাই যাবলৈ নিদিয়ে, তাৰেই আহ্বান মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামৰ লগতে শিক্ষা বিভাগৰ বিষয়াসকললৈ।

# ধনশ্ৰীঘাটত আচাৰ্য-আচাৰ্যা সন্মিলন



**দৈনিক অসমৰ প্ৰতিনিধি**

**ওৰাং, ১৩ জুন ঃ** শিশু শিক্ষা সমিতিৰ অধীনৰ ধনশ্ৰীঘাট শংকৰদেৱ শিশু নিকেতনত আজি ওদালগুৰি সংকুলভিত্তিত আচাৰ্য-আচাৰ্যা সন্মিলন অনুষ্ঠিত হয়। ওদালগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্যা জুপিতৰা তালুকদাৰৰ বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ হয়। সংকুলৰ ৯ খনকৈ নিকেতনৰ শতাধিক আচাৰ্য-আচাৰ্যাৰ উপস্থিতিত ৰাষ্ট্ৰীয় সংগীত, সাধুকথা আৰু ভাতৃ দ্বিতীয় সম্পৰ্কে বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ব্যক্তিত্ব বিকাশমূলক প্ৰতিযোগিতা, বন্দে মাতৰমত প্ৰথম স্থান হৰিশিঙা নিকেতন, দ্বিতীয় মাজবাট নিকেতন, তৃতীয় ধনশ্ৰীঘাট নিকেতন। সাধুকথা কথন প্ৰতিযোগিতাত প্ৰথম স্থান খৈৰাবাৰী নিকেতন, দ্বিতীয় ওদালগুৰি নিকেতন, তৃতীয় ভেৰগাঁও নিকেতন। বক্তৃতা প্ৰতিযোগিতা, ভাতৃ দ্বিতীয়াত প্ৰথম স্থান ওৰাং নিকেতন, দ্বিতীয় মেৰাবিল নিকেতন, তৃতীয় ডিমাকুছি নিকেতন। সন্মিলনত তেজপুৰ বিভাগ নিৰিখক ধীৰেন শৰ্মা, ওদালগুৰি সংকুলপ্ৰমুখ তথা ধনশ্ৰীঘাট শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য টংকেশ্বৰ গৌতম, উপ-প্ৰধান আচাৰ্য হেমচন্দ্ৰ উপাধ্যায়, নিকেতনখনৰ সভাপতি হেমচন্দ্ৰ শৰ্মা, সম্পাদক বিষ্ণু ঠাকুৰীয়া সহিতে কেইবাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকে।



## ছাত্ৰীক যৌন নিৰ্যাতন

# অভিযুক্তক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ড

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধুবুৰী, ১৩ জুন ঃ** গুৰু-শিষ্যৰ পৱিত্ৰ সম্পৰ্কত কালিমা সনা ধুবুৰীৰ ফকিৰগঞ্জৰ এজন শিক্ষকৰ বিৰুদ্ধে ধুবুৰী আদালতে গুৰুত্বপূৰ্ণ ৰায় দিয়ে। অভিযোগ অনুসৰি, ২০২১ চনৰ ১০ জুনত এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰীক বিদ্যালয়ৰ ভিতৰতেই প্ৰধান শিক্ষক জামাল উদ্দিন মণ্ডলে যৌন নিৰ্যাতন চলোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। উক্ত অভিযোগৰ ভিত্তিত পৰিয়ালৰ লোকে স্থানীয় ফকিৰগঞ্জ থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটা গোচৰ পঞ্জীয়ন কৰি গ্ৰেপ্তাৰ কৰিছিল। অৱশেষত ধুবুৰী পকছ' আদালতে চলি থকা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত শুকুৰবাৰে ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অপৰাধত ধুবুৰীৰ বিশেষ পকছ' আদালতৰ বিশেষ ন্যায়াধীশ (পকছ') আলহাজ ছাবিনা মজুমদাৰে অভিযুক্তক সাত বছৰৰ সশ্ৰম কাৰাদণ্ড বিহাৰ লগতে ১০ হাজাৰ টকা অতিৰিক্ত জৰিমনা বিহে। তদুপৰি ভুক্তভোগীক ক্ষতিপূৰণ আঁচনিৰ অধীনত ছাত্ৰীগৰাকীলৈ এক লাখ টকাৰ ক্ষতিপূৰণ প্ৰদানৰো নিৰ্দেশ দিয়া হয়। চৰকাৰী পক্ষৰ হৈ উক্ত গোচৰটো পৰিচালনা কৰে বিশেষ চৰকাৰী অধিবক্তা ঋতুপৰ্ণা গুহই।

# তামুলপুৰত নগদ ধনসহ ৩ জুৱাৰী গ্ৰেপ্তাৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ১৩ জুন ঃ** তামুলপুৰ জিলাত ড্ৰাগ্‌ছ, জুৱা আৰু অবৈধ সুৰাৰ দৰে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে জিলা আৰক্ষী-প্ৰশাসনে অভিযান অব্যাহত ৰাখিছে। জানিব পৰা মতে, কালি নিশা কুমাৰীকাটা আৰক্ষী চকীৰ এটা দলে দুটাকৈ স্থানত অভিযান চলায়। প্ৰথমে আৰক্ষীৰ দলটোৱে গোপন সূত্ৰৰ পম খেদি বিনোৱাপুৰ গাঁৱৰ এখন গেলামালৰ দোকানত তালাচী চলাই প্ৰায় ৪৫ লিটাৰ অবৈধ অৰুণাচলী সুৰা জব্দ কৰাৰ লগতে এজনক কৰায়ত্ত কৰে। ইয়াৰ সমান্তৰালভাৱে আৰক্ষীৰ দলটোৱে জিলাখনৰ আমবাৰী নলজৰাৰ পাৰ্শ্বৱৰ্তী অঞ্চলত অভিযান চলাই জুৱাৰ আড্ডা চলি থাকোঁতেই মইদুল আলী, ছফিকুল আলী আৰু ইকৰাম আলী নামৰ তিনিটা কুখ্যাত জুৱাৰীক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জুৱাৰীকেইটাৰ জিম্মাৰপৰা নগদ ৩৬,০০০ টকা আৰু জুৱা খেলৰ সামগ্ৰী জব্দ কৰে। প্ৰাসংগিক আইনী প্ৰক্ৰিয়া সম্পন্ন কৰি জুৱাৰী তিনিটাক আজি জে'ললৈ প্ৰেৰণ কৰে।

## চি চি কেমেৰাত বন্দী খীৰঁতী গাই চুৰিকাৰ্য

# টিহুত বিলাসী বাহন জব্দ আৰক্ষীৰ




**দৈনিক অসমৰ প্ৰতিনিধি**

**টিহু, ১৩ জুন ঃ** টিহু থানাৰ অন্তৰ্গত মথুৰাপুৰ হেলচাপাৰাৰ এটি পৰিয়ালৰ গোহালিৰপৰা হোৱা গৰু চুৰিত ব্যৱহাৰ কৰা এখন বিলাসী বাহন টিহু থানাৰ আৰক্ষীয়ে আজি জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, কালি পুৱতি নিশা টিহু থানাৰ অন্তৰ্গত মথুৰাপুৰ হেলচাপাৰাৰ কৃষক নগেন ৰয়ৰ গোহালিৰপৰা চোৰে ৰঙা বৰণৰ এটি খীৰঁতী গাই চুৰ কৰি নিয়ে। পুৱা পৰিয়ালৰ লোকে টোপনিৰপৰা উঠি গাইজনী গোহালিত নেদেখি হতভম্ব হৈ পৰে। পাছত চুবুৰীয়া পৰিয়ালত থকা চি চি কেমেৰাত গৰুটো চুৰি হোৱা সমগ্ৰ দৃশ্য উদ্ধাৰ কৰে। পৰিয়ালৰ লোকে এই সন্দৰ্ভত টিহু থানাত এক গোচৰ দিয়াত আৰক্ষীয়ে চি চি কেমেৰাৰ দৃশ্যক ভিত্তি কৰি ক্ষিপ্ৰ অনুসন্ধান আৰম্ভ কৰে। আৰক্ষীয়ে চি চি কেমেৰাত আবদ্ধ এ এছ ১৫ ইউ ৭৭৬৩ নম্বৰৰ বিলাসী বাহনখন বৰপেটা জিলাৰ সুবোধ ৰঞ্জন বিশ্বাসৰ নামত থকাটো নিশ্চিত কৰে। বাহনখন আজি জি পি এছৰ সহায়ত গুৱাহাটীৰ আমিনগাঁৱৰপৰা উদ্ধাৰ কৰি টিহু থানালৈ আনে আৰু জব্দ কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ২০/২০২৬ নম্বৰত এক গোচৰ ৰুজু কৰি ৩০৩ (২)/৩৩১( ২)/৩(৫) ধাৰা সন্নিৱিষ্ট কৰি এই সন্দৰ্ভত অধিক অনুসন্ধান অব্যাহত ৰাখিছে। ইপিনে, গৰু চুৰিকাৰ্য সংঘটিত কৰা গৰু চোৰকেইটাকো শীঘ্ৰে গ্ৰেপ্তাৰ কৰি উচিত শাস্তি দিবলৈ আৰক্ষীক ৰাইজে দাবী জনাইছে।

## 'ককাদেউতা নাতি আৰু হাতী-২'

# নলবাৰীত গীত মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**

**নলবাৰী, ১৩ জুন ঃ** নলবাৰী নাট্য মন্দিৰত আজি আয়োজিত এক অনুষ্ঠানত অসমীয়া ছবি 'ককাদেউতা নাতি আৰু হাতী-২'ৰ তিনিটা গীত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। গীতকেইটি মুকলি কৰাৰ পূৰ্বে জ্যেষ্ঠ সাংবাদিক জাৰিৰ হুছেইনে আদৰণী ভাষণ দিয়ে। আজি মুকলি কৰা গীতকেইটিৰ এটি জনপ্ৰিয় গীত হ'ল 'ৰুণজুন নূপুৰে মাতে'। অনুষ্ঠানত ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰা, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, যতীন বৰা, সংগীত শিল্পী তৰালি শৰ্মা, প্ৰীতি কংকণা, উৎপল দাস, শ্ৰেয়া আদি উপস্থিত থাকে।

# মাকুমৰ ৰাজগড় আলি চাহ বাগিচাত খাৰুৱা তেলভৰ্তি ট্ৰাক উদ্ধাৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**মাকুম, ১৩ জুন ঃ** তিনিচুকীয়া জিলাৰ মাকুম ৰাজগড় আলি আৰু বজালনী চাহ বাগিচাৰ মাজত আজি সন্দেহজনকভাৱে ক্ৰুড অইলভৰ্তি এখন অশোক লিলেণ্ড ট্ৰাক উদ্ধাৰ কৰা হয়। লাংকাচি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমেশ্বৰ শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ দলে জব্দ কৰা ট্ৰাকখনৰ নম্বৰ এ এছ ০১ এছ চি ৩৬৩৪ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ট্ৰাকখনত ২০০ লিটাৰ ক্ষমতাৰ ৫০টা ড্ৰামত ১০,০০০ লিটাৰ ক্ৰুড অইল মজুত আছিল। নিশাৰ আন্ধাৰত ক্ৰুড অইল সৰবৰাহ কৰাৰ চেষ্টা চলাই থকাৰ সময়তে বাহনখন আবদ্ধ হৈ পৰা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছিল যদিও পৰৱৰ্তী সময়ত উদ্ধাৰ হোৱা স্থলী পৰিদৰ্শন কৰি ক্ৰুড অইল পৰিবাহী পাইপ ট্ৰেপিং কৰি প্ৰায় আধা কিলোমিটাৰ দৈৰ্ঘ্যৰ পাইপ সংযোগ কৰি থোৱা অৱস্থাত পাইপ উদ্ধাৰ কৰে। লাংকাচি আৰক্ষী চকীৰ আৰক্ষীৰ দলটোৱে ট্ৰাকসহ পাইপসমূহ আৰক্ষী চকীলৈ লৈ যায়। ইপিনে, চুৰিকাণ্ডৰ সৈতে জড়িত ব্যক্তিসকলক চিনাক্ত কৰাৰ লগতে ক্ৰুড অইলখিনি ক'ৰপৰা সংগ্ৰহ কৰা হৈছিল, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে অঞ্চলটো তেল উৎপাদন আৰু পাইপলাইন সংলগ্ন এলেকা হিচাপে পৰিচিত আৰু পূৰ্বতেও এই অঞ্চলত অবৈধ খাৰুৱা তেল সৰবৰাহ আৰু চুৰিৰ ঘটনা পোহৰলৈ আহিছিল।

# বজালীৰ ডুবিত গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১৩ জুন ঃ** বজালী জিলাৰ সদৰ, পাঠশালাৰ সমীপৱৰ্তী দক্ষিণ প্ৰান্তৰ ডুবি চ'কত যোৱা নিশা গাঞ্জাসহ এজন বয়োজ্যেষ্ঠ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পাঠশালা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কল্পজ্যোতি ডেকাৰ নেতৃত্বত পাঠশালা আৰক্ষীৰ এটা দলে গোপন তথ্যৰ ভিত্তিত অভিযান চলাই ডুবি চ'ক নিৱাসী হোমেশ্বৰ মালাকৰৰ গৃহৰপৰা ৪.৮৬ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে হোমেশ্বৰ মালাকৰ (৬০)ক গ্ৰেপ্তাৰ কৰে। মন কৰিবলগীয়া যে তেওঁ দীৰ্ঘদিনৰপৰাই এই ব্যৱসায়ৰ লগত জড়িত আছিল বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে।

# অবৈধভাৱে বালি, মাটি খনন, পাঁচখন ডাম্পাৰ জব্দ



## পৰ্বতঝোৰাত বন বিভাগৰ অভিযান

**দৈনিক অসমৰ প্ৰতিনিধি**

**পৰ্বতঝোৰা, ১৩ জুন ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত খোৰাঘাট বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ বনকৰ্মীৰ দলে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা পাঁচখন বালি আৰু মাটিভৰ্তি ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে, খোৰাঘাট বনাঞ্চলিক বিষয়া সাহানুৰ আলমৰ নেতৃত্বত বন বিভাগৰ দলে আকস্মিক অভিযান চলাই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অবৈধভাৱে সৰবৰাহ কৰি থকা এইসমূহ অবৈধ বালি আৰু মাটিভৰ্তি ডাম্পাৰসহ বাহনসমূহ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে খোৰাঘাট বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ বনকৰ্মীৰ দলৰ এই আভিযানত তিনিখনকৈ বালিভৰ্তি ডাম্পাৰ, এখন বলেৰো পিকআপ আৰু এখন ৰঙা মাটিভৰ্তি ডাম্পাৰ জব্দ কৰে। জব্দকৃত বাহনসমূহ ক্ৰমে এন এল ০১ এ কে ৬৮৭০, এ এছ ২৬ চি ১৪৩৯, এ এছ ১৬ চি ৬৯৪৬, এ এছ ২৫ চি চি ৭৪৭৭, এ এছ ১৯ এ চি ১৯৯৬ বুলি বন বিভাগৰ সূত্ৰত জানিবলৈ দিয়ে। বন বিভাগে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## খটিয়ামাৰীত কৃতী শিক্ষাৰ্থীক সম্বৰ্দ্ধনাৰ অনুষ্ঠানত বিমল শৰ্মা

# অধ্যৱসায়েই হ'ল সফলতাৰ প্ৰথম খোজ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰামপুৰ, ১৩ জুন ঃ** 'প্ৰতিগৰাকী সফল শিক্ষাৰ্থীৰ আঁৰত থাকে কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু সময়ৰ সদ্ব্যৱহাৰ। এলাহ আৰু অমনোযোগিতাই ছাত্ৰ-ছাত্ৰীক অন্ধকাৰ ভৱিষ্যতৰ দিশে লৈ যায়।' দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীখটিয়ামাৰী সত্ৰ এলেকাৰ ৰাইজ গয়ৰহৰ উদ্যোগত আজি আয়োজিত কৃতী শিক্ষাৰ্থীৰ সম্বৰ্দ্ধনা সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই এনেদৰে মন্তব্য কৰে। খটিয়ামাৰী ৰাইজ গয়ৰহৰ সভাপতি বলেন্দ্ৰ কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ নম্বৰপ্ৰাপ্ত ছাত্ৰ প্ৰিয়ম গোস্বামী আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত সফলতাৰে উত্তীৰ্ণ সুবৰ্ণ গোস্বামীক ফুলাম গামোচা, অভিনন্দনপত্ৰ, গ্ৰন্থ, কলম আৰু নগদ ধনেৰে সম্বৰ্দ্ধনা জনোৱা হয়। সত্ৰৰ জ্যেষ্ঠ সেৱক ধনদেৱ গোস্বামীয়ে আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত সত্ৰৰ জ্যেষ্ঠ নাগৰিক গণেশ গোস্বামীয়ে সন্তান এজনৰ বাবে মাতৃয়ে শ্ৰেষ্ঠ আদালত বুলি মন্তব্য কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন গোস্বামী, বিশিষ্ট মহিলা শোভাৰাণী গোস্বামী, অজিত গোস্বামীকে ধৰি বহুকেইজন বক্তাই বক্তব্য আগবঢ়ায়। সভাত কৰুণাকান্ত গোস্বামীও উপস্থিত আছিল। একেখন সভাতে দুই কৃতী সন্তান অভিষেক গোস্বামী আৰু তন্ময় গোস্বামীকো সম্বৰ্দ্ধনা জনোৱা হয়।

# বৰগাঁওত ছাত্ৰীক অশ্লীল ইংগিত দি ৰঙাঘৰৰ আলহী দুই লম্পট

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰগাং, ১৩ জুন ঃ** বৰগাঁওত স্কুলীয়া ছাত্ৰীক অশ্লীল ইংগিত দি ৰঙাঘৰৰ আলহী হ'ল দুই লম্পট। লম্পট দুজন নিৰ্মাণ হৈ থকা এটা অট্টালিকাত শ্ৰমিক হিচাপে নিয়োজিত আছিল। অভিযোগ মতে, অট্টালিকাটোৰ ওপৰৰপৰা শ্ৰমিককেইজনে বৰগাং প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী এগৰাকীক উদ্দেশ্যি সদায় অশ্লীল ইংগিত দি ব্যতিব্যস্ত কৰি আহিছিল। আজি একেই ঘটনাৰ পুনৰাবৃত্তি হোৱাত ৰাইজে শ্ৰমিক দুজনক ধৰি বৰগাং আৰক্ষীক চমজাই দিয়ে। অভিযোগকাৰীয়ে জনোৱা মতে, লম্পট তিনিজন আছিল যদিও মূল অভিযুক্তজনে পলায়ন কৰাত ধৰিব পৰা নগ'ল। বৰগাঁওৰ ৰঘুপতি বসু নামৰ ব্যক্তিগৰাকীৰ নিৰ্মাণ হৈ থকা অট্টালিকাটোৰ কামত শ্ৰমিককেইজন নিয়োজিত আছিল। ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃয়ে দোষী ব্যক্তিসকলৰ উপযুক্ত শাস্তিৰ আশা কৰিছে, যাতে অন্য ছাত্ৰীৰ ক্ষেত্ৰতো এন ঘটনা সংঘটিত নহয়।

## বগুৰিহাটীত কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠানত ডঃ বুলজিৎ বুঢ়াগোহাঁই

# মাতৃভাষাৰ জ্ঞান ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ প্ৰথম চৰ্ত



**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ১৩ জুন ঃ** চামতাৰ বগুৰিহাটী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগনত আজি 'উত্তৰ পুৰুষৰ মঞ্চ' (উপুম)ৰ উদ্যোগত আৰু বগুৰিহাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত এক মননশীল কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান সম্পন্ন হয়। শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষক দ্বীপেন চৌধুৰীয়ে অনুষ্ঠানৰ আৰম্ভণিতে সৰগম সংগীত বিদ্যালয়ৰ সমন্বয়ক, বিশিষ্ট সমাজকৰ্মী নিৰেন চন্দ্ৰ বৈশ্য, সভাৰ সমল ব্যক্তি, বিশিষ্ট শিক্ষাবিদ, গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ডঃ যোগেন চন্দ্ৰ কলিতা, আন এগৰাকী সমল ব্যক্তি, শিক্ষাবিদ, অভিযন্তা, লেখক তথা জনপ্ৰিয় কেৰিয়াৰ পৰামৰ্শদাতা ডঃ বুলজিৎ বুঢ়াগোহাঁই, উপুমৰ উপ-সভাপতি, বিশিষ্ট কবি, লেখক পুলকেশ ৰায় বৰুৱা, 'উপুম'ৰ সম্পাদক, কবি, গল্পকাৰ, সমাজসেৱক হৰেকৃষ্ণ হালৈক একোখন ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। মাহেকীয়া আলোচনী 'জোনাক'ৰ মুখ্য সম্পাদক পুলকেশ ৰায় বৰুৱাই আঁতধৰা মনোজ্ঞ অনুষ্ঠানটোত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বগুৰিহাটী বিদ্যালয়ৰ পদমৰ্যাদাসহ প্ৰধান শিক্ষক তিলক দত্ত শৰ্মাই লোকগীত এটি পৰিৱেশন কৰা অনুষ্ঠানটোত ডঃ যোগেন চন্দ্ৰ কলিতাই সাৰুৱা ভাষণ প্ৰদান কৰে। আন এগৰাকী সমল ব্যক্তি ডঃ বুলজিৎ বুঢ়াগোহাঁয়ে কয় যে মাতৃভাষাৰ জ্ঞান উত্তৰণৰ প্ৰথম চৰ্ত। যি ছাত্ৰ-ছাত্ৰীয়ে য'তেই মন কৰে, তাতেই সফলতা বিদ্যমান। মানসিক আৰু শাৰীৰিক সুস্থতাই ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ সোপান। বগুৰিহাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলেও যোগদান কৰা অনুষ্ঠানটোত ডঃ বুঢ়াগোহাঁয়ে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ লগত অন্তৰংগতাৰে বহু প্ৰশ্নৰ মুখামুখিকৈ উত্তৰ প্ৰদান কৰি বৰ মনোগ্ৰাহী কৰি তোলে। নিৰেন চন্দ্ৰ বৈশ্যই চমু ভাষণ আৰু শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত 'উপুম'ৰ সদস্য চম্পা দাসকো আদৰণি জনোৱা হয়। অনুষ্ঠানটোত প্ৰধান শিক্ষক দ্বীপেন চৌধুৰীয়ে এক ৰসজ্ঞ আদৰণী ভাষণ প্ৰদান কৰে।

**RECRUITMENT NOTICE**

Assam State Disaster Management Authority

Assam Integrated River Basin Management Program (AIRBMP) World Bank

Applications are invited for the contractual engagement of a qualified professional as detailed below

| Position | No. of Posts | Type of Engagement |
|---|---|---|
| Project Management Supervisor | 1 (One) | Contractual Basis |

Last date of submission of application is **30th June, 2026, 5 PM**

The detailed advertisement, ToR and prescribed application form may be seen/downloaded from the ASDMA website **http://asdma.gov.in/** or https://asdma.assam.gov.in.

Application may be submitted at the below address:

**The Project Director, AIRBMP**
**Assam State Disaster Management Authority (ASDMA)**
**Ancillary Block-I (Opp. SBI Sectt. Branch), Janata Bhawan, Dispur, Guwahati- 781 006, Assam.**

**Sd/-**
**Project Director**
**Assam Integrated River Basin Management Program**
**Assam State Disaster Management Authority**

**DIPR/DF/DA/330/14-Jun-26**

# আজি যোৰহাটত জিলাভিত্তিক যোগ প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৩ জুন ঃ** অহা ২১ জুনত উদ্‌যাপন হ'বলগীয়া ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সংগতি ৰাখি যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, যোৰহাটৰ সহযোগত ১৪ জুনত জিলাভিত্তিক এক যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জিলাখনৰ জনসাধাৰণৰ মাজত স্বাস্থ্য, সুস্থতা আৰু যোগৰ চহকী পৰম্পৰাক প্ৰসাৰিত কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানটো উক্ত দিনা পুৱা ৮ বজাৰ পৰা যোৰহাট ষ্টেডিয়াম কমপ্লেক্সস্থিত জিলা যোগকেন্দ্ৰত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত সৰ্বাত্মক অংশগ্ৰহণ নিশ্চিত কৰা আৰু সঠিক মূল্যায়নৰ বাবে পুৰুষ আৰু মহিলা উভয়ৰে বাবে বয়স অনুসৰি ৪টা সুকীয়া শাখাত বিভক্ত কৰা হৈছে — প্ৰথম শাখা ঃ ১০ বছৰ বয়সলৈকে (ল'ৰা/ছোৱালী), দ্বিতীয় শাখা ঃ ১০ ৰ পৰা ১৮ বছৰ বয়সলৈকে (ল'ৰা/ছোৱালী), তৃতীয় শাখা ঃ ১৮ ৰ পৰা ৩৫ বছৰ বয়সলৈকে (পুৰুষ/মহিলা), চতুৰ্থ শাখা ৩৫ বছৰৰ ঊৰ্দ্ধৰ (পুৰুষ/মহিলা)। প্ৰতিযোগিতাৰ সবিশেষ তথ্য আৰু পঞ্জীয়নৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে পৰিচালনা সমিতিৰ মোবাইল নম্বৰ ঃ ৬৯০০৭১০১৫৭ অথবা ৯৩৬৫১৪২৫১৫-ত যোগাযোগ কৰিব পাৰিব।

জৰাজীৰ্ণ অৱস্থাক লৈ গোগামুখ আছুৰ ক্ষোভ ঃ পুনৰ নিৰ্মাণৰ আহ্বান

# দুষ্কাৰ্যৰ ঘাটিত পৰিণত গোগামুখৰ অতিথিশালা





**দৈনিক অসমৰ প্ৰতিনিধি**

**গোগামুখ, ১৩ জুন ঃ** ধেমাজি জিলাৰ ভিতৰতে একালত লেখত ল'বলগীয়াকৈ অৰ্থাৎ ১৯৯৫ চনত গোগামুখৰ ন-গাঁৱত প্ৰায় ১০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা অতিথিশালাটো বৰ্তমান জৰাজীৰ্ণ হৈ ভূত বাংলোলৈ পৰ্যৱসিত হোৱাৰ উপক্ৰম হৈছে। কেৱল ভূত বাংলোই নহয় শেহতীয়াকৈ অতিথিশালাটোত অসামাজিক কাৰ্যকলাপৰ কেন্দ্ৰস্থলীত পৰিণত হোৱাক লৈ গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সন্থাৰ সভাপতি প্ৰবাল চাংমায়ে ১১ জুনত 'দৈনিক অসম'লৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে তদানীন্তন ৰাজ্যপাল লোকনাথ মিশ্ৰৰ দ্বাৰা উদ্বোধন কৰা এই ঐতিহাসিক অতিথিশালাটো দীৰ্ঘদিন ধৰি অৱহেলিত হৈ আছে। তেওঁৰ মতে, সেই সময়ৰ পৰা বৰ্তমানলৈকে শাসনত থকা কংগ্ৰেছ আৰু বিজেপি চৰকাৰৰ উদাসীনতা আৰু চকু মুদা নীতিয়েই এই গুৰুত্বপূৰ্ণ সম্পদটোক ধ্বংসৰ মুখলৈ ঠেলি দিছে। চাংমায়ে লগতে আগন্তুক অসম চৰকাৰৰ বাজেট তথা বিত্তীয় অধিৱেশনত এই বিষয়টোক অগ্ৰাধিকাৰ ভিত্তিত স্থান দি অতিথিশালাটো পুনৰ সংস্কাৰ কৰি গোগামুখবাসীক উপহাৰ হিচাপে ঘূৰাই দিবলৈ স্থানীয় বিধায়ক তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুক আহ্বান জনায়। আনহাতে, গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নবীন বৰায়ো অতিথিশালাখনৰ বৰ্তমানৰ শোচনীয় অৱস্থাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰি শীঘ্ৰে চৰকাৰী হস্তক্ষেপৰ দাবী জনায়। সন্থাই চৰকাৰক অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰি গোগামুখৰ এই ঐতিহাসিক সম্পদ সংৰক্ষণ আৰু পুনৰুজ্জীৱিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ আহ্বান জনাইছে।

২০ জুনত অসম ভিত্তিত ৰাভা সংগীত প্ৰতিযোগিতা

# শিৱসাগৰত কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিৱসাগৰ, ১৩ জুন ঃ** শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভা আৰু একবিংশতিতম কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত শিৱসাগৰবাসীৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস অনুষ্ঠিত হ'ব। এই উপলক্ষে ২০ জুনত সদৌ অসম ভিত্তিত প্ৰাইজমানী বিষ্ণু ৰাভা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা পুথিভঁৰাল প্ৰাংগণত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা সংগীত প্ৰতিযোগিতাখনত ১৮ জুনৰ ভিতৰত প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক যোগদান নিশ্চিত কৰিবৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে। সেইদৰে প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখা— প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ। 'খ' শাখা— সপ্তম শ্ৰেণীৰ পৰা মুকলি থাকিব। গীতসমূহত ট্ৰেক ব্যৱহাৰ কৰিব পাৰিব। প্ৰয়োজনসাপেক্ষে বাদ্যযন্ত্ৰ নিজে বহন কৰিব লাগিব। প্ৰতিযোগীসকলৰ সুবিধাৰ বাবে নাম, ঠিকনা, হোৱাটছএপ ম'বাইল নম্বৰ, পিতৃ-মাতৃৰ নামসহ ৮৪৮৬৭০৯৫৫৫ এই নম্বৰৰ হোৱাটছএপত পঠিয়াব লাগিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে প্ৰশংসাপত্ৰ প্ৰদান কৰা হ'ব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰাসকলক বিশিষ্ট ব্যক্তিৰ সোঁৱৰণী আকৰ্ষণীয় স্মাৰক, মানপত্ৰ আৰু ক্ৰমে ৩০০০, ২০০০ আৰু ১০০০ টকা মানধনসহ প্ৰদান কৰা হ'ব। সবিশেষ জানিবৰ বাবে ৮৪৮৬৭০৯৫৫৫, ৯৩৬৫৯১১০৫৬, ৯১০১১৭৩০১৪ আৰু ৯৮৫৪৮৩৯৯৫২ এই নম্বৰত যোগাযোগ কৰিব পাৰিব। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল চাৰিশ টকা। জিপে'— ৯৪৩৫২০৪৯৩৬। দিৱসৰ অন্যান্য কাৰ্যসূচীসমূহ পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি, মুকলি সভা, স্মাৰক বক্তৃতা, সম্বৰ্দ্ধনা, স্মৃতিগ্ৰন্থ 'কলাগুৰু' উন্মোচনী, বঁটা-বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠান।

তিনি অশীতিপৰ বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা

# মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সভা



**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ১৩ জুন ঃ** মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বিশেষ সাধাৰণ সভাখন কালি কমলাবাৰীস্থিত জ্যেষ্ঠ নাগৰিক সন্মিলন ভৱনত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণেৰে আৰম্ভ হোৱা কাৰ্যসূচীত প্ৰথমে সন্মিলনৰ পতাকা উত্তোলন কৰে সভাপতি বিপিন হাজৰিকাই। স্মৃতি তৰ্পণ কৰি সন্মিলনৰ উপ-সভাপতি চন্দ্ৰ হাজৰিকাই অসম জ্যেষ্ঠ নাগৰিক সন্মিলন তথা মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠাকালৰ পৰা জড়িত থাকি পৃথিৱীৰ পৰা মেলানি মগাসকললৈ শ্ৰদ্ধা নিবেদন কৰে। পুৱা ৯.৪৫ বজাৰ পৰা শেষৰখন কাৰ্যকৰী সভা অনুষ্ঠিত হয় আৰু উক্ত সভাতে বাৰ্ষিক হিচাপ দাখিল কৰা হয়। দিনৰ ১১.৩০ বজাৰ পৰা সন্মিলনৰ সভাপতি বিপিন হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সাধাৰণ সভাত বাৰ্ষিক প্ৰতিবেদন হিচাপ দাখিল আদি সম্পন্ন হয় আৰু সভাই সৰ্বসন্মতভাৱে সমৰ্থন জনায়। উল্লেখ্য যে বিশেষ পৰিস্থিতিত মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনখন যোৱা এটা বছৰে তদৰ্থ ভিত্তিত চলি থকা হেতু বছৰৰ অন্তত নীতিগতভাৱে সমিতিখনৰ ঠাইত এখন নতুন সমিতি গঠন কৰে। ৰাজ্যিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ পৰ্যবেক্ষক তথা ৰাজ্যিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তিনি নং মণ্ডলৰ সম্পাদক যাদৱ চন্দ্ৰ নাথৰ উপস্থিতিত সাংবিধানিক নিয়ম অনুযায়ী গঠন কৰা পূৰ্ণাংগ সমিতিত কমল বৰাক সভাপতি আৰু গোপাল বৰাক সম্পাদক হিচাপে মনোনীত কৰে। মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱাই আঁত ধৰা সমগ্ৰ অনুষ্ঠানটিত মাজুলীৰ আটাইকেইখন আঞ্চলিক সমিতিৰ প্ৰতিনিধি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে মাজুলীৰ তিনিগৰাকী অশীতিপৰ বিশিষ্ট ব্যক্তিসহ চাৰিগৰাকী জ্যেষ্ঠক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠা কালৰ পৰা আঠ বছৰ ধৰি সভাপতিৰ পদ অলংকৃত কৰা ৮৪ বছৰীয়া ব্যক্তি উমাকান্ত ৰাজখোৱা, দীৰ্ঘদিনে সম্পাদকৰ পদ অলংকৃত কৰা চন্দ্ৰকান্ত নাথ, অশীতিপৰ সদস্য খগেন বৰা আৰু সংগঠনটিৰ হৈ সক্ৰিয়ভাৱে কাম কৰা দুৰ্গেশ্বৰ শইকীয়াক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়।

# মাকুম পৌৰ সভাৰ গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাকুম, ১৩ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মাকুম পৌৰ সভাৰ উদ্যোগত 'এক পেড় মা কে নাম' শীৰ্ষক যোৱা ৫ পৰা ১২ জুনলৈ সপ্তাহজোৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ কালি সম্পন্ন হয়। অন্তিম দিনা এই গছপুলি ৰোপণ কাৰ্যসূচী মাকুম গান্ধীনগৰস্থিত শিশু সাহিত্যিক প্ৰয়াত হৰেন্দ্ৰ নাথ বৰঠাকুৰ শিশু উদ্যানত শুভাৰম্ভ কৰে মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। তাৰ পাছতে মাকুম চহৰৰ কেইবাঠাইত বিধায়কগৰাকীৰ সৈতে মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈ, পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থৰাজ প্ৰসাদ, ৱাৰ্ড আয়ুক্তসকল প্ৰমুখ্যে কৰি উপস্থিত থকা ৰাইজে স্বচ্ছতা অভিযান চলায়। স্বচ্ছতা অভিযান চলাই থকাৰ মাজতে বিধায়ক সঞ্জয় কিষাণে যিসকল ব্যক্তি বা ব্যৱসায়ী স্বচ্ছতাৰ প্ৰতি দায়বদ্ধ নহয়, সেইসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে।

# ৰাষ্ট্ৰীয় খাদ্য তৈল-খেজুৰ অভিযানৰ সম্পৰ্কত কৃষকৰ মাজত সজাগতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**

**আঠখেলিয়া, ১৩ জুন ঃ** গোলাঘাট জিলা কৃষি ভৱনৰ অধীনত জামুগুৰি কৃষি চক্ৰৰ অন্তৰ্গত জামুগুৰি গাঁও পঞ্চায়তৰ কাৰ্যালয়ত ১০ কৃষকৰ মাজত ৯ জুনত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত 'ৰাষ্ট্ৰীয় খাদ্য তৈল অভিযান' আৰু গোটেই অসমজুৰি চলি থকা 'খেত বাচাও অভিযান'ৰ বিষয়ে কৃষক ৰাইজক অৱগত কৰে। সভাখনত কৃষি বিভাগৰ তৰফৰ পৰা জামুগুৰি গাঁও পঞ্চায়তৰ কৃষি সম্প্ৰসাৰণ সহায়ক দেবাশিস বৰা, জামুগুৰি কৃষি চক্ৰৰ অন্যান্য বিষয়াসকলৰ লগতে পঞ্চায়তৰ সচিব উপস্থিত থাকে। ৰাসায়নিক সাৰৰ ব্যৱহাৰ কম কৰা আৰু প্ৰাকৃতিক খেতিৰ বিষয়ে সভাখনত বিশেষভাৱে আলোচনা কৰা হয়। পতঞ্জলিৰ তৰফৰ পৰা উপস্থিত বিষয়াগৰাকীয়ে পাম অইলৰ বজাৰৰ দিশত পতঞ্জলিয়ে আগবঢ়োৱা সুবিধাবোৰৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। শেষত কৃষক ৰাইজৰ মাজত ইউৰিয়া আৰু এন পি কেৰ বটল বিতৰণ কৰা হয়। এইদৰেই বিভিন্ন কাৰ্যসূচীৰ মাজেৰে সভাখনৰ সফল সামৰণি হয়।

# গোলাঘাটত জিলা কৃষি বিভাগৰ উদ্যোগত খেতি বচাও অভিযান সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মহুৰামুখ, ১৩ জুন ঃ** গোলাঘাট জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা, গোলাঘাট জিলাৰ উদ্যোগত ১১ জুনত উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ কৃষকসকলক সামৰি বংকুৱাল বালিচাপৰি নাট্য মন্দিৰত সমগ্ৰ ভাৰতবৰ্ষত চলি থকা খেতি বচাও অভিযানৰ অংশ হিচাপে ৰাসায়নিক সাৰৰ সুষম প্ৰয়োগৰ সন্দৰ্ভত বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। বোকাখাত মহকুমা কৃষি বিষয়া মৃত্যুঞ্জয় শইকীয়াই আঁত ধৰা অনুষ্ঠানত কৃষি পথাৰত সাৰ আৰু কীটনাশক প্ৰয়োগৰ ওপৰত কৃষকসকলৰ আগত বিতং ব্যাখ্যা আগবঢ়ায় উদ্ভিদ বিজ্ঞানী তথা যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ মুৰব্বী




অধ্যাপক ডঃ পলাশ দেৱনাথে। তেওঁ ৰাসায়নিক দ্ৰব্য কম পৰিমাণে প্ৰয়োগ কৰিবলৈ কৃষকসকলক আহ্বান জনায়। কৃষি বিজ্ঞানী ডঃ শুভজিৎ কলিতাই ৰাসায়নিক সাৰৰ সলনি জৈৱিক সাৰ আৰু জৈৱিক কীটনাশক অথবা সাৰৰ প্ৰয়োগ কৰি কেনেদৰে উপকৃত হ'ব পাৰি সেই সম্পৰ্কে মন্তব্য আগবঢ়ায়। কেন্দ্ৰীয় সমন্বিত কীট পৰিচালনা সংস্থাৰ উদ্ভিদ সুৰক্ষা বিষয়া ৰামেশ্বৰ তেলেংগ্ৰে অত্যধিক ৰাসায়নিক সাৰৰ প্ৰয়োগে মানুৰ শৰীৰত কেনেধৰণৰ অপকাৰ কৰিব পাৰে এই সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। সভাত অৱসৰপ্ৰাপ্ত কৃষি সম্প্ৰসাৰণ বিষয়া ইক্ৰামুল হকে কৃষকসকলক কাঠফুলা খেতিৰ উপকাৰিতা, জৈৱিক সাৰ প্ৰস্তুত আদি সম্পৰ্কত বক্তব্য দিয়ে। সভাত ডঃ মিলন জ্যোতি কোঁৱৰ, বিদ্যুৎ বিকাশ দেউৰী, ভেংকটেশ এইচ এম বংকুৱাল আৰু অজিত দাৱ, প্ৰসন্ন বড়ি, ভৱেন টাইড, সমাজকৰ্মী ৰাকেশ লইং, মৰমী লইং, ছোনিয়া লইঙকে ধৰি শতাধিক লোক উপস্থিত থাকে।

# প্ৰণৱজ্যোতি শইকীয়ালৈ শ্ৰেষ্ঠ সংগঠকৰ সন্মান

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰঙি, ১৩ জুন ঃ** অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখাৰ সন্মানপ্ৰাপ্ত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদক, লেখক, প্ৰাক্তন সাংবাদিক প্ৰণৱজ্যোতি শইকীয়ালৈ অসম সাহিত্য সভাই ২০২৫-২০২৭ বৰ্ষৰ শ্ৰেষ্ঠ সাংগঠনিক সংগঠকৰ সন্মান আগবঢ়াইছে। গোলাঘাটত ৭ জুনত অনুষ্ঠিত পঞ্চম কাৰ্যনিৰ্বাহকৰ গোলাঘাট অধিৱেশনত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী আৰু উপ-সভাপতি পদুম ৰাজখোৱাই এই সন্মান প্ৰদান কৰে। উল্লেখ্য যে যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক,প্ৰকাশন সচিব আৰু বৰ্তমান ৰূপালী জয়ন্তী বৰ্ষ গৰকা নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই ২০২৫-২৬ বৰ্ষত শতাধিক আজীৱন সভ্য কৰাৰ লগতে বিভিন্ন কাৰ্যসূচীৰে অসম সাহিত্য সভাক জনমুখী কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। শাখাৰ সম্পাদকগৰাকীক এই সন্মান প্ৰদান কৰাৰ বাবে শাখাৰ কৰ্মকৰ্তাসকলে অসম সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰিছে।

# মৰাণৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দ্বিজেন গোহাঁইৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৩ জুন ঃ** মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ দ্বিজেন গোহাঁইৰ কালি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্ছিং হোমত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। যকৃতজনিত জটিল ৰোগত আক্ৰান্ত হৈ তেওঁ দিনৰ প্ৰায় ডেৰ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মৰাণৰ ঊষাপুৰ নিৱাসী গোহাঁয়ে শিক্ষা, সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে অঞ্চলবাসীৰ মাজত বিশেষ সন্মান লাভ কৰিছিল। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱাৰ উপৰি তেওঁ মৰাণ জনমংগল আদৰ্শ অন্ধ বিদ্যালয়ৰ অধ্যক্ষ হিচাপে এক দশক ধৰি দায়িত্ব পালন কৰি কৰিছিল। এগৰাকী সুদক্ষ সংগীত শিল্পী হিচাপেও তেওঁ অঞ্চলটোত সুপৰিচিত আছিল। দ্বিজেন গোহাঁইৰ মৃত্যুত মৰাণ প্ৰেছ ক্লাব, মৰাণহাট প্ৰেছ ক্লাব আৰু গ্ৰাম্য সাংবাদিক সন্থা, অসমৰ মৰাণ শাখাই গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনীকে ধৰি অসংখ্য গুণগ্ৰাহী, আত্মীয়-স্বজন আৰু শুভাকাংক্ষী এৰি থৈ যায়। তেওঁৰ পৈতৃক ঘৰ পাটসাকোঁ গোহাঁই গাঁৱত অৱস্থিত।



# 'আগন্তুক'ৰ উদ্যোগত নাজিৰাত দাৰা আহমেদৰ ওপজা দিন উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**নাজিৰা/লাকুৱা/শিমলুগুৰি, ১৩ জুন ঃ** নাজিৰাৰ এম চি ক্লাবৰ সভাগৃহত ১০ জুনত শিৱসাগৰৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'আগন্তুক'ৰ উদ্যোগত আৰু এম চি ক্লাবৰ সহযোগত ডঃ বেজবৰুৱা, ওপজা সোণৰ মাটি, চামেলী মেমচাহাব আদি চলচ্চিত্ৰৰ পৰিচালক নাজিৰাৰ সুসন্তান দাৰা আহমেদৰ ৮০ সংখ্যক ওপজা দিন উদ্‌যাপন কৰা হয়। বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জ্যেষ্ঠ নাগৰিক প্ৰভাত বৰঠাকুৰে। অনুষ্ঠানটি উদ্বোধন কৰে সমাজ কল্যাণ বিভাগ শিৱসাগৰৰ ক্ষেত্ৰ পৰ্যবেক্ষিকা নীলাক্ষী বৰুৱাই। আগন্তুকৰ সভাপতি যোগ গগৈৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটিত মূল বক্তা হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বৰাই। এম চি ক্লাবৰ সভাপতি জাকিৰুল হুছেইন বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষাবিদ দিলীপ ফুকন, আগন্তুকৰ সম্পাদক দিলীপ শইকীয়া, সত্যনাৰায়ণ কৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰভাত কোঁৱৰৰ পৰিচালনাৰে জ্যোতিস্মান ফুকন, আৰোহণ মিলি, তনুষা প্ৰিয়ম চেতিয়া, অৰ্কিড চেতিয়া, অন্বেষা চেতিয়া, ডেইজীপ্ৰিয়ম কোঁৱৰৰ লগতে বহুকেইগৰাকী শিশুশিল্পীয়ে দাৰা আহমেদৰ অসমীয়া বোলছবিৰ গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

# সামাজিক-প্ৰকৃতিপ্ৰেমী অনুষ্ঠান 'সেৱা'ৰ ৰূপালী জয়ন্তী

**দৈনিক অসমৰ প্ৰতিনিধি**

**নিমাতীঘাট, ১৩ জুন ঃ** ২০০২ চনত প্ৰতিষ্ঠা হোৱা যোৰহাটৰ অগ্ৰণী প্ৰকৃতিপ্ৰেমী আৰু সামাজিক অনুষ্ঠান সেৱাই চলিত বৰ্ষত ৰূপালী জয়ন্তী বৰ্ষত উপনীত হ'ব। অনুষ্ঠানটোৱে বিগত বৰ্ষসমূহত সমাজৰ আৰ্তসকললৈ বিভিন্ন অনুষ্ঠানৰ সহযোগত হুইল চেয়াৰ, ট্ৰাই চাইকেল, শ্ৰৱণ যন্ত্ৰ আদি প্ৰদানৰ লগতে শতাধিক লোকৰ বিনামূলীয়াকৈ চকু পৰীক্ষা, অস্ত্ৰোপচাৰ আদি কৰি দিছিল। তদুপৰি এছিয়াৰ ভিতৰতে প্ৰথমবাৰৰ বাবে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চলত পক্ষী মহোৎসৱ অনুষ্ঠিত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সমাজত সজাগতাৰ সৃষ্টি কৰি আহিছে। সমাজসেৱা আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নতুন দিশ আৰু চিন্তাৰ উন্মেষ ঘটাই সবল সামাজিক অনুষ্ঠান ৰূপে সমাজত পৰিচয় দিবলৈ সক্ষম হোৱা 'সামাজিক পাৰিপাৰ্শ্বিক আৰু স্বাস্থ্য কল্যাণকামী অনুষ্ঠান' (সেৱা)ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে সমিতি গঠন আৰু বৰ্ষজোৰা কাৰ্যসূচীৰ বিষয়ে ৰাইজৰ দিহা-পৰামৰ্শ বিচাৰি ১৪ জুনৰ দিনৰ ২ বজাৰ পৰা প্ৰতিষ্ঠা হোৱা স্থান বাহনা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছে।

যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগ

# সাৰৰ গুণগত মান নিয়ন্ত্ৰণ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পন্ন



**দৈনিক অসমৰ প্ৰতিনিধি**

**টীয়ক, ১৩ জুন ঃ** যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত আৰু ইণ্ডিয়ান পটাছ লিমিটেড চমুকৈ আই পি এলৰ সহযোগত 'সাৰৰ গুণগত মান নিয়ন্ত্ৰণ' সম্পৰ্কত অসম কৃষি বিশ্ববিদ্যালয়ৰ আই ডি এ ভৱনৰ সভাকক্ষত ১২ জুনত এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ অনুজ্ঞাপত্ৰপ্ৰাপ্ত সাৰৰ খুচুৰা আৰু পাইকাৰী বিক্ৰেতাসকলক বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। যোৰহাট জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া (সদৰ) উৎপল ভূঞাই আদৰণী ভাষণ দিয়া কাৰ্যসূচীত জিলা কৃষি বিষয়া ৰুবুল বৰগোহাঁয়ে প্ৰশিক্ষণৰ উদ্দেশ্য ব্যাখ্যা কৰে। ৰাজ্যিক নোডেল বিষয়া (সাৰ) মানবেন্দ্ৰ শৰ্মা, অসম কৃষি বিশ্ববিদ্যালয়ৰ চাহখেতি ব্যৱস্থাপনা আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধ্যাপক ডঃ গৌতম কুমাৰ শইকীয়া, অধ্যাপক ডঃ বিপুল ডেকাই বক্তৃতা প্ৰদান কৰা প্ৰশিক্ষণত সমল ব্যক্তিৰূপে উপস্থিত থাকি মূল প্ৰশিক্ষণ দিয়ে Regional Fertilizer Control Laboratory, BCKV, Kalayani, West Bengal-ৰ উপ-সঞ্চালক ডঃ ৰবীন্দ্ৰ যাদৱে। ডঃ যাদৱে প্ৰশিক্ষণ কালত সাৰৰ গুণগত মান নিয়ন্ত্ৰণ সম্পৰ্কে আলোচনা কৰাৰ লগতে সাৰৰ গুণগত মান বজাই ৰখাৰ পদ্ধতি সম্পৰ্কে অৱগত কৰে। তেওঁ সাৰ নিয়ন্ত্ৰণ সম্পৰ্কীয় বিভিন্ন প্ৰায়োগিক দিশ আৰু চৰকাৰী নিয়ম-নীতিৰ বিষয়ে আলোচনা কৰে। ভেজাল সাৰ চিনাক্তকৰণ আৰু সাৰ মজুতকৰণৰ সঠিক পদ্ধতিৰ বিষয়েও অংশগ্ৰহণকাৰীসকলক ডঃ যাদৱে প্ৰশিক্ষণ প্ৰদান কৰে।

# দেৰগাঁৱত আছুৰ কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱস পালন

স্মৰণিকা 'ৰক্তাভ' উন্মোচন, জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন




**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ১৩ জুন ঃ** 'অসমৰ জনগণ অৰ্থনৈতিক, সামাজিক সকলোধৰণেই সজাগ হোৱাটো জৰুৰী। ঘৰে ঘৰে উপাৰ্জন, অঞ্চলে অঞ্চলে উৎপাদন এই ধৰণে কাম কৰিলেহে অসমীয়া জাতি সমৃদ্ধিশালী হ'ব।' সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু ব্ৰহ্মপুত্ৰ অঞ্চলবাসীৰ সহযোগত ১০ জুনত দিনজোৰা কাৰ্যসূচীৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ ঐতিহাসিক চিৰিশটিকাত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱসৰ মুকলি সভাত এইদৰে কয় আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ভাষণ প্ৰসংগত তেওঁ বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ বান-খহনীয়াৰ স্থায়ী সমাধান, খিলঞ্জীয়া জনসাধাৰণক ভূমি পট্টা প্ৰদানৰ লগতে অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত ৰজাঘৰক পদক্ষেপ লোৱাৰ দাবী জনায়। উল্লেখ্য যে ১৯৭৪ চনৰ ঐতিহাসিক খাদ্য আন্দোলনৰ শ্বহীদ মৰিগাঁও ভূঁৰবন্ধাৰ শ্বহীদ পুতুল শইকীয়া আৰু গজেন ইংতিৰ স্মৃতিত প্ৰতি বছৰে সদৌ অসম ছাত্ৰ সন্থাই ১০ জুনত অনুষ্ঠিত কৰি আহিছে ছাত্ৰ সংহতি দিৱস। এই উপলক্ষে অনুষ্ঠিত প্ৰথম কাৰ্যসূচী অনুসৰি, আছুৰ পতাকা উত্তোলন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। সাধাৰণ সম্পাদক সমীৰণ ফুকনে শ্বহীদ তৰ্পণ কৰাৰ পাছত শ্বহীদ পুতুল শইকীয়া আৰু গজেন ইংতিৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ইয়াৰ পাছতে ব্ৰহ্মপুত্ৰ অঞ্চলৰ পাঁচ শতাধিক বয়োজ্যেষ্ঠ নাগৰিকে পাঁচশ গছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি হাজাৰোধিক মহিলাই পৰিৱেশন কৰে কালজয়ী গীত শ্বহীদ প্ৰণামো তোমাক। ইয়াৰ পাছতেই গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ বহুকেইখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে আছু নেতৃত্বক জনায় সাংস্কৃতিক অভিবাদন। বিশিষ্ট শিল্পী উৎপল ঠাকুৰৰ পৰিচালনাৰে কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে শুভাৰম্ভ হয় মুকলি সভা। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি তথা আদৰণী সমিতিৰ মুখ্য সম্পাদক অভিৱৰ্তন গোস্বামীয়ে আঁত ধৰা সভাৰ সভাপতিত্ব কৰে আছুৰ সভাপতি উৎপল শৰ্মাই। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দ্বীপেন দত্তই উদ্বোধন কৰা সভাত ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰে সাধাৰণ সম্পাদক সমীৰণ ফুকনে। মুকলি সভাত অবিভক্ত ব্ৰহ্মপুত্ৰ অঞ্চলৰ গ্ৰাম্য সংগঠনৰ এহেজাৰ মহিলাই পৰিৱেশন কৰে দিহানাম। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জ্যোতি প্ৰসাদ শইকীয়া আৰু বিশেষ অতিথি হিচাপে উপস্থিত থাকে নুমলীগড় শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক ডঃ কাজল শইকীয়া। সভাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি জগদীশ বৰাইক, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, সদৌ মিচিং ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চান পাংগিং, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ডীন ডঃ দেৱজিত ফুকন, আটাছুৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকা, অসম সেনাৰ মুখ্য আহ্বায়ক বিজয় শংকৰ বৰদলৈকে ধৰি আছু আৰু বহুকেইটা জাতীয় সংগঠনৰ কেন্দ্ৰীয় নেতৃবৰ্গ উপস্থিত থাকে। কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱস উপলক্ষে প্ৰশান্ত মাধৱ বৰাৰ সম্পাদনাত স্মৰণিকা 'ৰক্তাভ' উন্মোচন কৰে আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। মুকলি সভাৰ পাছতে জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শনৰ লগতে অবিভক্ত ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন প্ৰান্তৰ বহু শিল্পীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মাৰ গীতৰ শৰাইৰ জৰিয়তে অন্ত পৰে কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱসৰ অনুষ্ঠান।

### মিজিকাজান চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত শিক্ষা ব্যৱস্থাৰ পয়া লগা অৱস্থা

# দিন হাজিৰা পদ্ধতিত পাঁচটা শ্ৰেণীত পাঠদান এগৰাকী শিক্ষয়িত্ৰীৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰগাং, ১৩ জুন ঃ** বিহালী শিক্ষাখণ্ডৰ অন্তৰ্গত মিজিকাজান চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত মাত্ৰ এগৰাকী শিক্ষয়িত্ৰীয়ে পাঁচটাকৈ শ্ৰেণীত পাঠদান কৰি আহিছে। জানিব পৰা মতে, বিদ্যালয়খনত পূৰ্বৰে পৰা এজন শিক্ষকৰ দ্বাৰা চলাই থকা হৈছিল আৰু যোৱা বছৰ শিক্ষকগৰাকীয়ে অৱসৰগ্ৰহণ কৰাৰ পাছত বৰ্তমান বাগিচাৰে এগৰাকী স্নাতক ডিগ্ৰীধাৰী শিক্ষয়িত্ৰীক দিন হাজিৰা পদ্ধতিত অস্থায়ীভাৱে বিদ্যালয়খনত নিয়োজিত কৰা হয় আৰু তেওঁ অস্থায়ীভাৱে পাঠদান কৰি আহিছে। উল্লেখ্য যে চৰকাৰৰ ফালৰ পৰা বিনামূলীয়া সমসাজ, পাঠ্যপুথি, দুপৰীয়াৰ আহাৰ, বিদ্যালয় গৃহ, ৰান্ধনীশাল, পানী যোগান আদি চৰকাৰী সকলো সা-সুবিধা আগবঢ়োৱা বিদ্যালয়খনত বাগিচা কৰ্তৃপক্ষই শিক্ষাৰ উত্তৰণত কোনো গুৰুত্ব দিয়া নাই। আদিবাসী ছাত্ৰ সন্থা মিজিকাজান চাহ বাগিচা প্ৰাথমিক গোটে বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু বাগিচা কৰ্তৃপক্ষৰ চাহ শ্ৰমিকসকলৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কৰা চৰম অৱহেলা আৰু বাগিচাৰ ল'ৰা-ছোৱালী শিক্ষিত হোৱাতো বাগিচা কৰ্তৃপক্ষই নিবিচাৰে বুলি তীব্ৰ ভাষাৰে নিন্দা কৰি অনতিপলমে বিদ্যালয়খনত দুজন হ'লেও শিক্ষক নিযুক্তিৰ দাবী জনায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে চাহ বাগিচাসমূহত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়কে ধৰি উচ্চ প্ৰাথমিক বিদ্যালয় গৃহ নিৰ্মাণ কৰি চাহ বাগিচাত শিক্ষাৰ প্ৰসাৰ আৰু উত্তৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে যদিও মিজিকাজান চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত এজন শিক্ষকে পাঁচটাকৈ শ্ৰেণীত পাঠদান দি থকা ব্যৱস্থাই বাগিচাসমূহত শিক্ষাৰ এক ফোঁপোলাস্বৰূপহে প্ৰকাশ পাইছে বুলি পৰিগণিত হৈছে। বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে বিষয়টোত গুৰুত্ব দিলে বাগিচাখনৰ কৰ্তৃপক্ষৰ হয়তো কিছু গা লৰিব পাৰে বুলি ৰাইজে মত প্ৰকাশ কৰিছে।





■ বঙাইগাঁৱত ৰন্ধন গেছৰ ক'লা বেহা ■

## কীৰ্ত্তনপাৰাত ৬০টা চিলিণ্ডাৰ জব্দ কৰি ৰাইজে গতালে আৰক্ষীক

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাণিকপুৰ, ১৩ জুন ঃ** ৰন্ধন গেছৰ নাটনিৰ সুযোগ লৈ একাংশ দুৰ্বৃত্তই ক'লা বজাৰত অধিক মূল্যত ৰন্ধন গেছ বিক্ৰী আৰম্ভ কৰিছে। যোৱা ১১ জুনৰ নিশা চিৰাং জিলাৰ পৰা গেছ চিলিণ্ডাৰ ভৰ্তি গাড়ী অভয়াপুৰীলৈ গৈ থকাৰ সময়তে কীৰ্ত্তনপাৰাত ৰাইজে জব্দ কৰে। ৬০টাকৈ চিলিণ্ডাৰসহ গাড়ী জব্দ কৰে ৰাইজে। চিৰাং জিলাৰ পাণবাৰীৰ এম এছ ডি ডব্লিউ আই এইচ পি গ্ৰামীণ বিতৰক নামৰ এজেন্সীয়ে ৬০টাকৈ চিলিণ্ডাৰ ক'লা বজাৰত বিক্ৰী কৰাৰ সন্দেহ কৰি ৰাইজে জব্দ কৰে। গেছ এজেন্সীটোৰে নাম নথকা ২৫টা গেছৰ বহীৰ লগত ৬০টা চিলিণ্ডাৰ আব্দুছ ছালাম নামৰ লোকৰ ওচৰত বিক্ৰী কৰিবলৈ আহিছিল যদিও ৰাইজে জব্দ কৰি বৰঘোলা আৰক্ষীক গতাই দিয়ে। যি সময়ত ৰন্ধন গেছৰ বাবে ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে আৰু সেই সময়তে ৰন্ধন গেছসমূহ ক'লা বজাৰত বিক্ৰী কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা সংক্ৰান্তত উচিত তদন্ত কৰি গেছ এজেন্সীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইফালে, জব্দ কৰা ৰন্ধন গেছৰ চিলিণ্ডাৰ অবৈধ নহয় বুলি কয় গেছ এজেন্সী কৰ্তৃপক্ষই। ২৫টা চিলিণ্ডাৰ উজলা আঁচনিৰ আৰু বাকীখিনি ৰিফিলিং চিলিণ্ডাৰ বুলি জনায় যদিও গেছ এজেন্সীয়ে চিৰাং জিলাৰ পৰা অভয়াপুৰীলৈ গেছ প্ৰেৰণ কৰা কাৰ্যই ৰহস্যৰ সৃষ্টি কৰিছে।

## শুৱালকুছিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৩ জুন ঃ** অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান শুৱালকুছি সাংস্কৃতিক সন্মিলনৰ উদ্যোগত অহা ১৩ ছেপ্টেম্বৰত ৰাজ্যিক ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন ১৩ ছেপ্টেম্বৰত শুৱালকুছিৰ ঐতিহাসিক শ্ৰীমন্ত শংকৰ নাটঘৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ১৪ বছৰ বা উৰ্দ্ধৰ অসমৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা প্ৰতিযোগীসকলক বৃহৎ ধন আৰু বঁটাৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ৫০০০০ টকা, বঁটা আৰু মানপত্ৰ; দ্বিতীয় পুৰস্কাৰ ৩০০০০ টকা, বঁটা আৰু মানপত্ৰ; তৃতীয় পুৰস্কাৰ ২০০০০ টকা, বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। যোগাযোগৰ নম্বৰ— ৯৯৫৪৯-৯৩৬২১ আৰু ৯৪৩৫১-০৩৮০৯। প্ৰতিযোগীসকলৰ নাম পঞ্জীয়নৰ বাবে ১ জুলাইত প্ৰ-পত্ৰ আৰু নিয়মাৱলী প্ৰকাশ কৰা হ'ব। ইতিমধ্যে শুৱালকুছি সাংস্কৃতিক সন্মিলনে অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহলৈ প্ৰ-পত্ৰ আৰু নিয়মাৱলী প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। ডঃ ভূপেন হাজৰিকাৰ অপূৰ্ব কালজয়ী সৃষ্টিৰাজিক অসমৰ চুকে-কোণে থকা সকলো শিল্পীৰ মাজত বিলাই দিয়াৰ এই উদ্দেশ্যত সকলো প্ৰতিযোগীয়ে নিশ্চিতভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিবলৈ উদ্‌যাপন সমিতিৰ সভাপতি নিপুল দাসে আহ্বান জনাইছে।

## উন্নয়নৰ আঁচনিয়ে ঢুকি পোৱা নাই বজালীৰ কাহাৰপাৰা প্ৰাথমিক বিদ্যালয়ক






### জৰাজীৰ্ণ বিদ্যালয় গৃহত চলিছে প্ৰাথমিক শিক্ষা

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১৩ জুন ঃ** ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে শিক্ষাখণ্ডত ব্যাপক সংস্কাৰ আনিবলৈ অহৰহ প্ৰচেষ্টা চলাই থকাৰ সময়তে বজালী জিলাৰ এখন চৰকাৰী শিক্ষানুষ্ঠানৰ পয়ালগা অৱস্থাই শিক্ষাখণ্ডৰ আচল স্বৰূপ ওলাই পৰিছে। উল্লেখ্য যে বজালী শিক্ষাখণ্ডৰ অন্তৰ্গত কাহাৰপাৰা প্ৰাথমিক বিদ্যালয়খন ১৯৮২ চনতে স্থাপিত হৈছিল। আজি ৪৪ বছৰ উকলি যোৱাৰ পাছতো বিদ্যালয়খন জৰাজীৰ্ণ অৱস্থাৰ বাবে চকু কপালত উঠিছে বৌদ্ধিক সমাজৰ। আনহাতে, এই শিক্ষানুষ্ঠানখনত সম্প্ৰতি দুগৰাকী শিক্ষকে শিক্ষকতা কৰি আছে। মনকৰিবলগীয়া যে আজিও বাঁহেৰে নিৰ্মিত এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছে কাহাৰপাৰা গাঁৱৰ দুৰ্ভগীয়া ছাত্ৰ-ছাত্ৰীসকলে। বজালী তথা বৰপেটা জিলাৰ পৰা কেইবাজনো মন্ত্ৰী-বিধায়ক হ'ল যদিও এই শিক্ষানুষ্ঠানৰ উন্নয়নৰ কথা কোনেও চিন্তা কৰা নাই বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। একেদৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ নামত কোনোধৰণৰ অনুদান প্ৰদান নকৰা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। দীৰ্ঘদিন ধৰি বিদ্যালয়খন এনেদৰে জৰাজীৰ্ণ হৈ থকাৰ বাবে শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। চৰকাৰী উন্নয়নে ঢুকি নোপোৱা উক্ত প্ৰাথমিক বিদ্যালয়খনৰ শ্ৰেণীকোঠা আদি নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে চৰকাৰক আহ্বান জনাইছে।

### তামুলপুৰত জুৱা-ড্ৰাগ্‌ছ বন্ধৰ দাবী

## জ্যেষ্ঠ আৰক্ষী অধীক্ষকক স্মাৰকপত্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ১৩ জুন ঃ** তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বিগত কিছুদিন ধৰি সামাজিক ব্যাধিস্বৰূপ ড্ৰাগ্‌ছৰ লগতে আন নিচাসক্ত দ্ৰব্যৰ প্ৰচলন ব্যাপক হাৰত বৃদ্ধি পাইছে। সমান্তৰালভাৱে জিলাখনৰ পাৰ্শ্ববৰ্তী অঞ্চলত অবৈধ জুৱা খেলৰ ভয়াৱহ প্ৰকোপ বৃদ্ধি পাইছে। সমাজক কলুষিত কৰা জুৱা আৰু ড্ৰাগ্‌ছৰ প্ৰচলন বন্ধ কৰাৰ বাবে সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ 'এবিএমছু'ৰ তামুলপুৰ জিলা সমিতিয়ে জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি টাইচন হুছেইন সহিতে, সংগঠনটোৰ জিলা সভাপতি বদৰুদ্দিন খান আৰু সাধাৰণ সম্পাদক বুবুল আলীৰ নেতৃত্বত প্ৰদান কৰা এই স্মাৰকপত্ৰত উল্লেখ কৰা ধৰণে জিলাখনৰ ক্ৰমে দ্বাৰকুছি, বৰবিলা, খন্দিকৰ, বিহাপাৰা, কুমাৰীকাটা আৰু ভূটান সীমান্তৱৰ্তী দৰংগা অঞ্চলৰ মুকলি স্থানত দীৰ্ঘদিন ধৰি অবৈধ জুৱা খেল চলি থকাৰ ফলত সাধাৰণ পৰিয়ালসমূহ তীব্ৰ আৰ্থিক সংকটত পৰাৰ লগতে ঘৰুৱা অশান্তি তথা পাৰিবাৰিক সমস্যাই দেখা দিছে। ছাত্ৰ সংগঠনটোৱে অসম আৰক্ষীৰ ওপৰত আস্থা প্ৰকাশ কৰি এই জুৱাৰ ঘাটিসমূহ উৎখাত কৰিবলৈ কঠোৰ আইনী পদক্ষেপ গ্ৰহণ কৰিবলৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তীক আহ্বান জনাইছে।

## মৈজংগা চাহ বাগিচাত শিশু শ্ৰমবিৰোধী দিৱসৰ সজাগতা সভা



**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ১৩ জুন ঃ** বিশ্ব শিশু শ্ৰমবিৰোধী দিৱস উপলক্ষে ১২ জুনত গোৱালপাৰা জিলাৰ হাৰিমুৰাস্থিত মৈজংগা চাহ বাগিচাত এক সজাগতা সভা অনুষ্ঠিত হয়। জিলা আইন সেৱা প্ৰাধিকৰণ গোৱালপাৰাৰ উদ্যোগত আয়োজিত এই সভাৰ জৰিয়তে শিশু শ্ৰমৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ লগতে শিশুসকলৰ অধিকাৰ সুৰক্ষাত গুৰুত্ব আৰোপ কৰা হয়। উল্লেখ্য যে এই বছৰৰ বিশ্ব শিশু শ্ৰমবিৰোধী দিৱসৰ মূল প্ৰতিপাদ্যৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত সভাখনত শিশু শ্ৰম নিৰ্মূল, শিশুৰ শিক্ষা আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ ক্ষেত্ৰত সমাজৰ ভূমিকা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। অনুষ্ঠানত লিগেল এইড ডিফেন্স কাউন্সেলৰ অধিবক্তা চাহিদুৰ ৰহমান আৰু মঞ্জু পাটগিৰি, জিলা শিশু সুৰক্ষা বিষয়া মোস্তফা হুছেইন, শ্ৰম পৰিদৰ্শক তৃষ্ণা কলিতা, চাইল্ডলাইন গোৱালপাৰাৰ সমন্বয়ক তথা অন্যান্য বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত মৈজংগা চাহ বাগিচাৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ পৰিয়ালবৰ্গেও সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। উপস্থিত বিষয়াসকলে শ্ৰমিক পৰিয়ালসমূহৰ সৈতে শিশু শ্ৰম ৰোধ, শিশুসকলক বিদ্যালয়মুখী কৰি তোলা আৰু তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰাৰ বিভিন্ন দিশত মত বিনিময় কৰে।

## সুন্দৰীদিয়াত যক্ষ্মা নিৰ্মূলকৰণ অভিযানৰ শিবিৰ সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাউলী, ১৩ জুন ঃ** ১০০ দিনীয়া যক্ষ্মা নিৰ্মূলকৰণ অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অংশ হিচাপে, বৰপেটা জিলাৰ সুন্দৰীদিয়াত এখন 'নিক্ষয় শিবিৰ'ৰ আয়োজন কৰা হয়। এই শিবিৰত বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাসে অংশগ্ৰহণ কৰে আৰু যক্ষ্মা ৰোগ নিৰ্মূলকৰণ, প্ৰাৰম্ভিক ধৰা পেলোৱা, নিয়মীয়া চিকিৎসা গ্ৰহণ আৰু এক যক্ষ্মামুক্ত বৰপেটা গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাইজৰ অংশগ্ৰহণৰ গুৰুত্বৰ বিষয়ে নিজৰ মতামত ব্যক্ত কৰে। উক্ত শিবিৰটোত বৰপেটা জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক আৰু জিলা যক্ষ্মা বিষয়াও উপস্থিত থাকে। এই শিবিৰত স্বাস্থ্যকৰ্মী, স্থানীয় ৰাইজ তথা হিতাধিকাৰীসকলে অংশগ্ৰহণ কৰে।

## ছিপাঝাৰত খাদ্য-সামগ্ৰীৰ দাম বৃদ্ধিৰ অভিযোগ

### কেইবাটাও বিভাগৰ নিৰীক্ষণ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ছিপাঝাৰ, ১৩ জুন ঃ** অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ দাম বৃদ্ধি এচাম অসাধু ব্যৱসায়ীয়ে নীতিবহিৰ্ভূতভাৱে কৰি অহা বুলি অভিযোগ উত্থাপন হোৱাত ১২ জুনত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগতে অসম চৰকাৰৰ আন কেইবাটাও বিভাগৰ বিষয়াই যৌথভাৱে ছিপাঝাৰত অভিযান চলায়। এই অভিযানত ব্যৱসায়িক প্ৰতিষ্ঠান, বজাৰ আদিত খাদ্য-সামগ্ৰীৰ মূল্য তদাৰক কৰে বিভাগীয় লোকসকলে। ছিপাঝাৰ সমজিলাৰ সহঃ আয়ুক্ত ফামী মুছাহাৰী, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক মিনু দাস আৰু আন কেইবাটাও বিভাগৰ বিষয়াই ছিপাঝাৰৰ স্থায়ী দোকানসমূহৰ লগতে চহৰখনত বহা শুকুৰবৰীয়া বজাৰ, মাছৰ বজাৰ আদিত অভিযান চলাই তদাৰকী কৰে খাদ্য-সামগ্ৰীৰ দাম। উল্লেখ্য যে খাদ্য-সামগ্ৰীৰ মূল্য ৰোধ কৰাৰ বাবে ছিপাঝাৰ সমজিলাতো বিভিন্ন বিভাগৰ বিষয়াসকলক লৈ এক টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে।

## সৰভোগ পৌৰসভাৰ পদেন পাৰিষদ ৰঞ্জিৎ কুমাৰ দাসৰ শপতগ্ৰহণ

**দৈনিক অসমৰ প্ৰতিনিধি**


**সৰভোগ, ১৩ জুন ঃ** অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিৎ কুমাৰ দাসে কালি সৰভোগ পৌৰসভাৰ কাৰ্যালয়ত অনুষ্ঠিত বিশেষ শপতগ্ৰহণ সমাৰোহত উপস্থিত থাকি সৰভোগ পৌৰসভাৰ পদেন পাৰিষদ (কমিছনাৰ) হিচাপে শপতগ্ৰহণ কৰাৰ লগতে তথা কাৰ্যভাৰ গ্ৰহণ কৰে। ইয়াৰ লগতে ৪০ লাখ টকা ব্যায় সাপেক্ষে এটা বজাৰগৃহ নিৰ্মাণৰ শুভাৰম্ভ কৰে। তাৰ পাছতে ছয়খন বাহন পৌৰসভাই ৰাইজক উৎসৰ্গা কৰে। বিধানসভাৰ অধ্যক্ষ তথা বিধায়ক ৰঞ্জিৎ কুমাৰ দাসে বাহনকেইখন আনুষ্ঠানিকভাৱে মুকলি কৰে। পৌৰপতি মালৱিকা দাস, উপ-পৌৰপতি সম্পদ দাস, অতিৰিক্ত জিলা আয়ুক্ত (আৰ্বাণ) পল্লৱ কুমাৰ নাথ, সৰভোগ পৌৰসভাৰ কাৰ্যবাহী বিষয়া ধৰ্মিষ্ঠা দত্ত সহিতে পৌৰসভাৰ নিৰ্বাচিত ৱাৰ্ড কমিছনাৰ মণ্ডলী উপস্থিত থাকে।

## বিশ্বনাথত গণ্ডকী নদীৰ অবৈধ দেৱাল ভঙাৰ নিৰ্দেশ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বিশ্বনাথ চাৰিআলি, ১৩ জুন ঃ** বিশ্বনাথৰ ইষ্ট ইণ্ডিয়ান স্কুল কৰ্তৃপক্ষৰ দ্বাৰা গণ্ডকী নদীৰ গতিপথত এখন দেৱাল/কংক্ৰিটৰ গাঁথনি নিৰ্মাণ কৰা হৈছিল। এনে ঘটনাই নদীখনৰ পানীৰ প্ৰাকৃতিক প্ৰৱাহত বাধা দিয়াৰ সম্ভাৱনা আছে, নদীখনৰ বহন ক্ষমতা হ্ৰাস কৰিব, খহনীয়া আৰু পলস জমা হোৱাটো বৃদ্ধি কৰিব আৰু বাৰিষা কালত বানৰ আশংকা বৃদ্ধি কৰিব, যাৰ ফলত জনসাধাৰণৰ সুৰক্ষা, জীৱন আৰু সম্পত্তিৰ প্ৰতি ভাবুকি সৃষ্টি হ'ব পাৰে। দাঁতিকাষৰীয়া ৰাইজৰ সুৰক্ষাৰ কথা চিন্তা কৰি বিশ্বনাথৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষ লক্ষীনন্দন চহৰীয়াই দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ ধাৰা ৩০ (২) v, ধাৰা ৩০(২) (xviii) আৰু ধাৰা ৩৪ (এ) আৰু (এম)ৰ অধীনত বিশ্বনাথৰ ইষ্ট ইণ্ডিয়ান স্কুলৰ পৰিচালনা/কৰ্তৃপক্ষক তাৎক্ষণিকভাৱে উক্ত গাঁথনি ভাঙি পেলাবলৈ নিৰ্দেশনা জাৰি কৰিছে।

## শব্দৰ ধেমালি ঃ ২৫৩



**পথালিকৈ**

১। আহাৰ আদি লৈ খোৱা পাত্ৰ (৩)
৪। মনে বিচৰা ধৰণৰ অভিৰুচিপূৰ্ণ (৪)
৭। এবিধ শাক (২)
৯। বায়স, কাক (৩)
১০। খাদ্য, এটা মাহৰ নাম (৩)
১১। সন্মতি বা ইচ্ছা নথকা, অপ্ৰিয় (৫)
১৩। কুমাৰে চৰু-কলহ গঢ়া আলতীয়া মাটি (৩-২)
১৫। নৰম, ঢিলা (৩)
১৬। পীড়া, বিষ (৩)
১৭। বাদুলি-সঁচাৰ, মনৰ গুপ্ত কথা বা ভাৱ (২)
১৯। বগা, শুকুলা (৩)
২১। অট্টালিকা, ডাঙৰ ঘৰ (৪)
২২। শ্ৰীকৃষ্ণৰ সাৰথি এজনৰ নাম (৩)

**থিয়কৈ**

১। মেঘ, পয়োধৰ (৩)
২। আঙুলিৰ আগত থকা অংগ এটা (২)
৩। ক্ৰোড়-পত্ৰ (২+৩)
৪। কাকতী, লিখা-পঢ়া কাম কৰা বিষয়া (৩)
৫। পৰিপাটি, পৰিষ্কাৰ (৪)
৮। এটা মাহৰ নাম (৩)
১০। প্ৰশংসা, সন্মানেৰে কৰা চেনেহ (৩)
১২। নোদোকা, গধুৰ, পুষ্ট (৩)
১৩। ধেমালিৰ গুমগুমনি বা শব্দ (৫)
১৪। হাতী চলোৱা ব্যক্তি (৩)
১৫। এজনে আন এজনক কথা কোৱা কাৰ্য (২-২)
১৬। যিটো আহিব, অহা (৩)
১৮। লাজ কৰা, লজ্জাশীল (৩)
২০। চপৰা, দলিৰ দৰে এক খণ্ড (২)

**শব্দৰ ধেমালি ঃ ২৫২ৰ উত্তৰ**



ঐশানুব্ৰত

## প্ৰেৰণা পুথিভঁৰালৰ উদ্যোগত বিষ্ণু ৰাভা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ১৩ জুন ঃ** চামতাৰ বিহামপুৰত অৱস্থিত প্ৰেৰণা পুথিভঁৰালত ১৪, ২০ আৰু ২১ জুনত তিনিদিনীয়াকৈ আয়োজন কৰা হৈছে পুথিভঁৰালৰ ১৯ সংখ্যক বিষ্ণু ৰাভা দিৱস। কাৰ্যসূচী অনুসৰি, ১৪ জুনৰ পুৱা ১০ বজাত বিষ্ণু ৰাভাই লিখা বা বিষ্ণু ৰাভাৰ বিষয়ে আন কবিয়ে লিখা কবিতা আবৃত্তি প্ৰতিযোগিতা, ১১ বজাত তিনিটা শাখাত বিষ্ণু ৰাভা বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা আৰু দিনৰ ১২ বজাত তিনিটা শাখাত বিষ্ণু ৰাভা বিষয়ক কুইজ প্ৰতিযোগিতা। ৩.৩০ বজাত বক্তৃতা প্ৰতিযোগিতা। বিষয়— 'সমন্বয়ৰ কাণ্ডাৰী বিষ্ণু ৰাভা' অথবা 'শিল্প, শিল্পী আৰু বিপ্লৱ ঃ প্ৰসংগ বিষ্ণু ৰাভা'। প্ৰতিযোগীসকলে ইয়াৰে যিকোনো এটা বিষয়ত বক্তৃতা দিব পাৰিব। আবেলি ৪.৩০ বজাত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা আৰু ৫.৩০ বজাত বিষ্ণু ৰাভাৰ গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা। প্ৰতিযোগিতাত কোনো ভৰ্তি মাচুল নাই। বিজয়ীসকলক নগদ ধন আৰু কিতাপৰ টোপোলা পুৰস্কাৰ দিয়া হ'ব। ইফালে, ২০ জুনৰ পুৱা ৯ বজাত পুথিভঁৰালৰ পতাকা উত্তোলন। উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ভূপেন কুমাৰ দাসে। ৯.৩০ বজাত বিষ্ণু ৰাভা আৰু তেওঁৰ প্ৰয়াত সংগ্ৰামী সতীৰ্থলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পৰিচালনা কৰিব উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয় মৃগাংশু মেধি আৰু ধৃতিস্মিতা হালৈয়ে। আবেলি ৫ বজাত বিষ্ণু ৰাভাৰ গীতৰ অনুষ্ঠান। ৰূপায়ণ কৰিব পুথিভঁৰালৰ কোৰাচ গ্ৰুপে। ২১ জুনৰ ১১ বজাত উদ্‌যাপন সমিতিৰ সভা। ৩ বজাত সমৱেত কণ্ঠত বিষ্ণু ৰাভাৰ 'ব'ল, ব'ল, ব'ল, ব'ল কৃষক শক্তি দল', 'মোৰ কবিতাৰ ছন্দ লাগি', 'হে বিপ্লৱী বীৰ অধিনায়ক হে', 'কাৰখানাৰে চিটি' আৰু 'এয়ে মোৰ শেষ গান' পৰিৱেশনেৰে আলোচনা সভা আৰম্ভ। আলোচনাৰ বিষয়— 'সমন্বয়ৰ কাণ্ডাৰী বিষ্ণু ৰাভা' আৰু 'শিল্প, শিল্পী আৰু বিপ্লৱ ঃ প্ৰসংগ বিষ্ণু ৰাভা'। নিবন্ধকাৰ খগেন বৰ্মনে সভাপতিত্ব কৰিবলগীয়া আলোচনা সভাত মুখ্য অতিথি তথা আলোচক হিচাপে অংশগ্ৰহণ কৰিব ইছমাইল হোছেইন আৰু উৎপলা দাসে। বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব মীন বিষয়া ডঃ ধ্ৰুৱজ্যোতি শৰ্মা। অনুষ্ঠানত 'অন্বেষণ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিব উপস্থিত বিশিষ্ট ব্যক্তিসকলে।

### ভইচ অব ৰহা ফ'ৰাম গঠন

## শতাধিক শিল্পীৰ অংশগ্ৰহণেৰে সভা



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰহা, ১৩ জুন ঃ** ৰহাৰ শিল্পী, সাহিত্যিক, সাংস্কৃতিক কৰ্মী, সমাজ সংগঠক আৰু কলা-সংস্কৃতি অনুৰাগীৰ সমূহীয়া অনুষ্ঠান 'ভইচ অব ৰহা ফ'ৰাম' ৭ জুনত শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰাংগণত আয়োজিত এক অনুষ্ঠানত গঠন কৰা হয়। ফ'ৰামৰ অন্যতম আহ্বায়ক ৰাজেন গাঁওখোৱাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান উদ্বোধন কৰে। ইয়াৰ পাছতে ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ শিল্পী প্ৰবীণ বৰদলৈ আৰু বৰবায়ন তথা নামাচাৰ্য শুভছিং দাসে। আৰম্ভণিতে দেববাদ্যৰে মংগলাচৰণ পৰিৱেশন কৰে বায়ন ক্ষিতিশ হাজৰিকা আৰু গায়ন লক্ষীধৰ নাথে। ইয়াৰ পাছতে শিল্পী মনোৰমা কোঁৱৰে বৰগীত পৰিৱেশন কৰি অনুষ্ঠানৰ পৰিৱেশ আধ্যাত্মিক কৰি তোলে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন্দ্ৰ নাথক সভাপতি নিৰ্বাচন কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি ফ'ৰামৰ আহ্বায়ক যতীন জোনাক শইকীয়াই 'ভইচ অব ৰহা ফ'ৰাম'ৰ লক্ষ্য আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে আলোকপাত কৰে। দিব্যজ্যোতি মেধিয়ে সভাৰ সামগ্ৰিক দৃষ্টিভংগী আৰু সংগঠনটোৰ সম্ভাৱনাসমূহ ব্যাখ্যা কৰে। সভাত 'ভইচ অব ৰহা ফ'ৰাম'ৰ মুখ্য লক্ষ্যসমূহ ঘোষণা কৰা হয়। ইয়াৰ ভিতৰত শিল্পী আৰু শিল্পসম্পদৰ তথ্য সংগ্ৰহ, আধ্যাত্মিক-সামাজিক-সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলা, জ্যেষ্ঠ আৰু কনিষ্ঠ প্ৰতিভাক সন্মান জনোৱা, নৱপ্ৰজন্মৰ শিল্পীসকলৰ উত্তৰণ অন্যতম। সভাৰ প্ৰস্তাৱ অনুসৰি 'ৰহা মহাসংস্কৃতি মহোৎসৱ' আয়োজন আৰু শিল্পীসকলৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাটো অন্যতম। সত্ৰাধিকাৰ ডঃ সুনীল কুমাৰ গোস্বামী, বাঁহীবাদক দিলীপ হীৰা, লক্ষেশ্বৰ ডেকা, সন্তৰাম দাস, প্ৰহ্লাদ মচৰং, বিমান গাঁওখোৱা, সাবিত্ৰী শইকীয়া দাস, শুভছিং দাস, চম্পক বৰদলৈ, নৱজ্যোতি বৰা, দিলীপ শইকীয়া, তৰুণ শইকীয়া, পংকজ কুমাৰ পাৰৈ, থগিত চন্দ্ৰ নাথ, মান্না ৰাজা, যতীন দাস, বসন্ত কুমাৰ নাথ আদিয়ে পৰামৰ্শ আগবঢ়ায়।

### বিশিষ্ট কলা নিৰ্দেশক নুৰুদ্দিন আহমেদলৈ ২০২৬ বৰ্ষৰ অচ্যুত লহকৰ স্মাৰক বঁটা

## ডিমুত মৃত্যুবাৰ্ষিকীত অচ্যুত লহকৰক শ্ৰদ্ধাঞ্জলি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ১৩ জুন ঃ** ৰাজ্যখনৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক প্ৰয়াত অচ্যুত লহকৰৰ দশম মৃত্যুবাৰ্ষিকী উপলক্ষে কালি ৰঙিয়াৰ ডিমুত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'মঞ্চ' আৰু অচ্যুত লহকৰ স্মাৰক বঁটা প্ৰদান সমিতিৰ যুটীয়া উদ্যোগত আয়োজিত অনুষ্ঠানত প্ৰয়াত অচ্যুত লহকৰৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ সভাপতি তথা বিশিষ্ট সাংবাদিক তৰণী চৰণ কলিতাই। সাংবাদিকগৰাকীয়ে অসমৰ নাট্য জগতৰ মহীৰুহগৰাকীৰ সৃষ্টিৰাজি সংৰক্ষণ কৰাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰিবলৈ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'মঞ্চ'ৰ উদ্যোক্তাসকলক আহ্বান জনায়। 'মঞ্চ'ৰ সভাপতি দিগন্ত দাসে আঁত ধৰা অনুষ্ঠানত অসম নাট্য সন্মিলনৰ ডিমু-ডোবক শাখাৰ সভাপতি কনক কৃষ্ণ ভট্টাচাৰ্য, 'মঞ্চ'ৰ সম্পাদক নন্দেশ্বৰ দাস, ঋতুমণি কাৰ্জী, দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ সম্পাদক অজন্ত চৌধুৰীকে ধৰি ভালেকেইজন ব্যক্তিয়ে অচ্যুত লহকৰৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে মঞ্চ প্ৰভাকৰ অচ্যুত লহকৰৰ মৃত্যুৰ পৰৱৰ্তী বছৰৰ পৰাই ৰঙিয়াৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'মঞ্চ'ই নাট্যাভিনয়ৰ সৈতে জড়িত প্ৰথিতযশা ব্যক্তিক অচ্যুত লহকৰ স্মাৰক বঁটা প্ৰদান কৰি আহিছে। এইবেলি এই বঁটা প্ৰদান কৰা হ'ব ভ্ৰাম্যমাণ নাটকৰ লগতে ৰাজ্যৰ কলা জগতৰ বিশিষ্ট কলা নিৰ্দেশক পদ্মশ্ৰী নুৰুদ্দিন আহমেদক। জুলাইত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য এক অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত নুৰুদ্দিন আহমেদক এই সন্মানীয় বঁটা প্ৰদান কৰা হ'ব বুলি অচ্যুত লহকৰ স্মাৰক বঁটা প্ৰদান সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক হেমন্ত ভট্টাচাৰ্য আৰু সম্পাদক ডঃ নীলোৎপল শৰ্মাই সদৰি কৰে। অসমৰ ভ্ৰাম্যমাণ নাট্য জগতৰ ৪৫০খনৰো অধিক নাটকত কলা নিৰ্দেশকৰূপে অনৱদ্য সেৱা আগবঢ়াই দৰ্শক-ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হোৱা নুৰুদ্দিন আহমেদক অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা তেওঁৰ বৰ্ণিল অৱদানৰ স্বীকৃতিস্বৰূপে এই বঁটা আগবঢ়োৱা হৈছে।

নলা-নৰ্দমা নথকাত পথৰ দুৰৱস্থা, যাতায়াতত দুৰ্ভোগ

# এজাক বৰষুণতে বুৰিল চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখৰ পথ

**দৈনিক অসমৰ প্ৰতিনিধি**
**চামতা, ১৩ জুন ঃ** বাৰিষা আহিলেই ত্ৰাহি মধুসূদন সুঁৰৰিব লগা হয় পশ্চিম নলবাৰী চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু চামতা আৰক্ষী চকীলৈ অহা-যোৱা কৰা পথছোৱাৰ পথচাৰী। উল্লেখ্য যে কিছুদিন ধৰি হোৱা বৰষুণৰ ফলত নলবাৰী-সৰ্থেবাৰী-পল্লা পথ সংলগ্ন পশ্চিম নলবাৰী চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু চামতা আৰক্ষী চকীলৈ অহা-যোৱা কৰা পথছোৱা পানীত বুৰ গৈ থকাত কাৰ্যালয়, আৰক্ষী,স্কুল-কলেজলৈ অহা-যোৱা কৰা বাবে অতি কষ্ট ভোগ কৰিবলগীয়া হৈছে পথচাৰীসকল। পথৰ কাষৰ নলা-নৰ্দমা নথকাত অঞ্চলটোৰ পানী ওলাই যাব নোৱাৰাত উক্ত পথছোৱা বছৰৰ বাৰ মাহে পানীত বুৰ গৈ নৈসদৃশ পৰিৱেশৰ সৃষ্টি হয়। অতি ব্যস্ত আৰু গুৰুত্বপূৰ্ণ পথছোৱাৰে পশ্চিম নলবাৰী চক্ৰ বিষয়াৰ কাৰ্যালয়, চামতা আৰক্ষী চকীলৈ অহা-যোৱা কৰাৰ উপৰি কৈঠালকুছি, পূৰ্ণি, সাহপুৰ আদিৰ ছাত্ৰ-ছাত্ৰীসকলে চামতাস্থিত কামৰূপ কলেজ, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ইডেন ভেলী একাডেমী, সূত্ৰধাৰ একাডেমী, চামতা সামুহিক স্বাস্থ্যকেন্দ্ৰলৈ আহিবলৈ উক্ত বিধ্বস্ত পথৰ বিকল্প হিচাপে বহু ঠাই ঘূৰি আহিব লগা হোৱাত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্দ্ধাৰিত সময়ত আহি নাপায়। ইপিনে বিগত দুবছৰমান আগতে পানীৰে পূৰ্ণ পথটোৰে বানৰ চৰকাৰী সাহায্যৰ বাবে অনা খাদ্যৰ গাড়ীসমূহ পশ্চিম নলবাৰী চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ আনিব নোৱাৰাত পল্লা পথতে নমাই থ'ব লগা পৰিস্থিতি হৈছিল। সাময়িকভাৱে পৰিস্থিতি চম্ভালাৰ বাবে সেই সময়ৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মাই বিভাগীয়ভাৱে উক্ত পথছোৱাৰ কিছু অংশ চিচি ব্লকৰ দ্বাৰা নিৰ্মাণ কৰি যদিও ৰাস্তাটোৰ কিছু অংশৰ কাম নকৰাত ৰাইজে যন্ত্ৰণা ভোগ কৰিব লগা হৈছে। ১১ জুনৰ নিশা অহা ধাৰাসাৰ বৰষুণৰ ফলত কালি কাৰ্যালয়ৰ সন্মুখ নৈ সদৃশ পৰিৱেশৰ সৃষ্টি হয়। পানীৰ বাবে পথত অধিক যান-জঁটৰ সৃষ্টি হয়। স্থানীয় সচেতন ৰাইজ তথা অভিভাৱকসকলে আগন্তুক দিনত চক্ৰ বিষয়াৰ সন্মুখভাগ বিজ্ঞানসন্মতভাৱে পানী ওলাই যোৱাৰ বাবে নলা নিৰ্মাণ কৰিবলৈ পঞ্চায়ত আৰু চৰকাৰৰ ওচৰত আহ্বান জনাইছে।






# কোকৰাঝাৰৰ ডায়েট কেন্দ্ৰত অভিলাসী প্ৰকল্পৰ আধাৰশিলা

**দৈনিক অসমৰ প্ৰতিনিধি**
**কোকৰাঝাৰ, ১৩ জুন ঃ** কোকৰাঝাৰ চহৰৰ গৌৰাং নগৰৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ কেন্দ্ৰ চমুকৈ ডায়েটত বিটিচিৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে ধাৰ্য কৰা প্ৰায় ১০ কোটি ৯১ লাখ ৫৭ হাজাৰ টকাৰ অভিলাসী প্ৰকল্প এটাৰ কালি আধাৰশিলা স্থাপন কৰা হয়। এই উপলক্ষে ডায়েটৰ চৌহদত প্ৰকল্পটোৰ আনুষ্ঠানিক আধাৰশিলা স্থাপন কৰে বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীয়ে। তেওঁ কোকৰাঝাৰ ডায়েট কেন্দ্ৰক শিক্ষাৰ এক উৎকৰ্ষ কেন্দ্ৰ হিচাপে গঢ় দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে আৰু কোকৰাঝাৰ ডায়েট কেন্দ্ৰই মানৱ সম্পদ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা অৱলম্বন কৰি অহা বুলি প্ৰশংসা কৰে। ডায়েটৰ আধাৰশিলা স্থাপন অনুষ্ঠানত স্থানীয় বিধায়ক ৰূপম চন্দ্ৰ ৰায়, বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাছাৎ বসুমতাৰী, পাৰিষদ খাম্পা বৰগয়াৰী, যুৱিৰাজ বসুমতাৰী, লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা জগমোহন বসুমতাৰী, ডায়েট অধ্যক্ষ কমল গয়াৰীকে ধৰি বহু শিক্ষাবিদ আৰু শিক্ষাৰ্থীসকলো উপস্থিত আছিল।

তামুলপুৰত জিলা উন্নয়ন সমিতিৰ সভা সম্পন্ন

# বিভাগসমূহৰ নিজা কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে চক্ৰ বিষয়াক খৰতকীয়া ব্যৱস্থা ল'বলৈ নিৰ্দেশ

**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ১৩ জুন ঃ** তামুলপুৰ জিলাৰ জুন মাহৰ জিলা উন্নয়ন সমিতিৰ সভাখন কালি জিলা গ্ৰাম্য অভিকৰণ প্ৰকল্প সঞ্চালকৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হয়। বিটিচিৰ সচিব অনছুলা বসুমতাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত সচিবগৰাকীক সহযোগিতা আগবঢ়ায় প্ৰকল্প সঞ্চালক গোৱিন্দ ৰাভাই। সভাত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ উন্নয়নমূলক কাম-কাজ, চলি থকা আঁচনি, প্ৰকল্পসমূহৰ অগ্ৰগতি তথা সমস্যা আদি সম্পৰ্কে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। আঁচনিসমূহ সময়মতে আৰু সুচাৰুৰূপে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰা হয়। সভাত উপস্থিত বিষয়াসকলে নিজ নিজ বিভাগৰ অধীনত চলি থকা প্ৰকল্পসমূহৰ বৰ্তমান অৱস্থা, সমস্যা আৰু ভৱিষ্যৎ কৰণীয় সম্পৰ্কে মতামত আগবঢ়ায়। সচিবগৰাকীয়ে বিশুদ্ধ খোৱাপানী, মেলেৰিয়া নিৰ্মূল; বৰো ধান, সৰিয়হ, এৰী খেতি; গাহৰি পালন আদিত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। তদুপৰি যিবোৰ চৰকাৰী কাৰ্যালয়ে নিজাকৈ কাৰ্যালয় গৃহ নিৰ্মাণ কৰিব বিচাৰে, তেওঁলোকক ৰাজহ চক্ৰ বিষয়াক লগ ধৰিবলৈ আহ্বান জনোৱাৰ লগতে ৰাজহ চক্ৰ বিষয়াগৰাকীকো কামখিনি খৰতকীয়াকৈ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত জিলাখনৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, লোকনিৰ্মাণ, বন, স্বাস্থ্য, জলসম্পদ, যোগান, হস্ততাঁত, জলসিঞ্চন, কৃষি, সমাজকল্যাণ, শিক্ষা, ভূমি সংৰক্ষণ, মীন, অসম গ্ৰামীণ জীৱিকা অভিযান, পৰিবহন আদি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত আছিল।

# লংকা যোগ নিকেতনৰ নতুন সমিতি গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**
**লংকা, ১৩ জুন ঃ** সমগ্ৰ হোজাই জিলাৰ ভিতৰত আনুষ্ঠানিক। স্বীকৃতিপ্ৰাপ্ত লংকা যোগ নিকেতনত নতুন সমিতি গঠন কৰা হয়। ১১ জুনত লংকাৰ নেতাজী ষ্টেচুৰ সমীপৰ পানী টেংকি কলনিত অৱস্থিত লংকা যোগ নিকেতন কেন্দ্ৰত পুৰণি সমিতিখন ভংগ কৰি এই নতুন সমিতি গঠন কৰা হয়। এই উদ্দেশ্যে যোগ নিকেতন কেন্দ্ৰৰ নিজা কাৰ্যালয়ত এখন সাধাৰণ সভাৰ আয়োজন কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে জয়ন্ত শইকীয়াক সভাপতি, বীৰেন্দৰ সিং আৰু বিজয়কৃষ্ণ শীলক উপ-সভাপতি, সজল বিশ্বাসক সম্পাদক, ৰাহুল শৰ্মা আৰু সুমন দাসক সহঃ সম্পাদক, মনোজ পাল আৰু ৰবীন দেৱক কোষাধ্যক্ষ হিচাপে নিৰ্বাচন কৰা হয়।

# ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্বৰ্দ্ধনা অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**
**ওৰাং, ১৩ জুন ঃ** ওদালগুৰি জিলা কোচ ৰাজবংশী মূল আৰু মহিলা সন্মিলনীৰ উদ্যোগত, ভৈৰৱকুণ্ড আঞ্চলিক মূল আৰু মহিলা সন্মিলনীৰ সহযোগত কচুৱাবাৰী মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগনত কাইলৈ ২০২৬ বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ স্বজ্ঞাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱাৰ নিমিত্তে এখন সভা অনুষ্ঠিত হ'ব। ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি মহেশ্বৰ দাসৰ সঞ্চালনাত হ'বলগীয়া সম্বৰ্দ্ধনা সভাখন উদ্বোধন কৰিব ধনশ্ৰীঘাটৰ ২ নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীনেশ্বৰ বৰুৱাই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক ৰিহণ দৈমাৰীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বেটিবাৰী চাহ বাগিচাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ প্ৰিয়ম বৰা। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে ৰাইজৰ উপস্থিতি, সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে আয়োজক মণ্ডলীয়ে।

# মৃত্যু তিথিতো উপেক্ষিত হৈ ৰ'ল ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মদাতা অচ্যুত লহকৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ১৩ জুন ঃ** অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মদাতা মঞ্চ প্ৰভাকৰ অচ্যুত লহকৰৰ কালি আছিল দশম মৃত্যুবাৰ্ষিকী। ২০১৬ চনত কালিৰ দিনটোতে বিয়োগ ঘটিছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ পিতৃ অচ্যুত লহকৰে। ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দি বিৰল কৃতিত্ব অৰ্জন কৰা প্ৰয়াত অচ্যুত লহকৰক তেওঁৰ দশম মৃত্যুতিথিত স্মৰণ কৰিবলৈ আহৰি নহ'ল দল-সংগঠন কিম্বা চৰকাৰী কৰ্তৃপক্ষৰ। উল্লেখ্য যে ১৯৬৩ চনৰ দুই অক্টোবৰত গান্ধী জয়ন্তীৰ দিনা পাঠশালাৰ হৰিমন্দিৰ প্ৰাংগনত নটৰাজ থিয়েটাৰযোগে আধুনিক ভ্ৰাম্যমাণ নাট্যযাত্ৰাৰ এটি সেন্দূৰী আলি নিৰ্মাণ কৰিছিল এইগৰাকী বৰেণ্য ব্যক্তিয়ে। নটৰাজ থিয়েটাৰ প্ৰয়োজক অচ্যুত লহকৰে জন্ম দিয়া এই নাট্য ধাৰাটোৰ এতিয়া অসমৰ চুকে-কোণে শতাধিক ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীৰ জন্ম হৈছে, যাৰ বাবে অসমৰ শিল্পী, কলা-কুশলীসকলে জীৱিকা নিৰ্বাহৰ এটি সুন্দৰ সুবিধাও লাভ কৰি আহিছে। এইগৰাকী বৰেণ্যক কিন্তু পাহৰি পেলালে ভ্ৰাম্যমাণ থিয়েটাৰ জগত, বিভিন্ন দল-সংগঠন, জিলা প্ৰশাসন কিম্বা চৰকাৰে। একাংশ দল-সংগঠনৰ নেতৃত্ব তথা ব্যক্তিয়ে কেৱল সামাজিক মাধ্যমতে লহকৰৰ স্মৃতিচাৰণ কৰি দায় সামৰিছে। আনকি তেওঁৰ সমাধিক্ষেত্ৰত এপাহ ফুল নাইবা এগছি বন্তি জ্বলাবলৈয়ো কাৰোৱেই আহৰি নহ'ল। আনহাতে, চৰকাৰে অচ্যুত লহকৰৰ সৃষ্টিৰাজি সংৰক্ষণ কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰাটোও দুৰ্ভাগ্যজনক কথা বুলি আজি তেওঁৰ মৃত্যুতিথিত বিবেচিত হৈছে। অসমৰ নাট্যক্ষেত্ৰৰ বৰপথাৰখনৰ বাবে বহুত কৰিলে যদিও ৰাজ্য চৰকাৰে এইগৰাকী মহীৰূহক মৃত্যুৰ দহ বছৰ পাছতো উচিত সন্মান দিয়া পৰিলক্ষিত নহ'ল। বিশেষকৈ বজালী জিলা প্ৰশাসনে যেন সম্পূৰ্ণৰূপে উপেক্ষিত কৰিলে এইগৰাকী পুৰোধাক। বজালীৰ ৰাইজে তেওঁৰ স্মৃতি যুগমীয়া কৰাৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী উত্থাপন কৰি আহিছে যদিও যেন তালৈ কোনো ভ্ৰূক্ষেপ নাই চৰকাৰৰ। আনহাতে, প্ৰয়াত লহকৰৰ স্মৃতিত বজালী জিলা আয়ুক্ত কাৰ্যালয়ৰ পিছপিনে নিৰ্মাণৰত সাংস্কৃতিক প্ৰকল্পটো বিগত নটা বছৰেও সম্পূৰ্ণ নোহোৱাৰ পৰিপ্ৰেক্ষিত বজালীৰ সচেতন মহলে খেদ প্ৰকাশ কৰি এই ক্ষেত্ৰত জিলা প্ৰশাসনক তৎপৰতা দেখুৱাবলৈ আহ্বান জনায়।



কৃষি আঁচনিসমূহ কৃষকৰ কাষলৈ নিয়াৰ আহ্বান বিধায়ক দাসৰ

# হালোৱা গাঁৱত কৃষক সজাগতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাজো, ১৩ জুন ঃ** কৃষিখণ্ডৰ সামগ্ৰিক বিকাশ আৰু গ্ৰাম্য অৰ্থনীতিক অধিক গতিশীল কৰাৰ লক্ষ্যৰে কালি বামুন্দী হাইস্কুলৰ সতীৰ্থ সন্মিলনৰ এক প্ৰশংসনীয় উদ্যোগত এখন কৃষক সজাগতা সভা অনুষ্ঠিত হৈ যায়। হালোৱাগাঁওস্থিত অভয়চৰণ চৌধাৰী ষ্টেডিয়ামত আয়োজিত এই সভাত পশ্চিম বংশৰ মৌজাৰ শতাধিক কৃষকে অংশগ্ৰহণ কৰে। চৰকাৰী বিভিন্ন কল্যাণমুখী আঁচনি, আধুনিক কৃষি পদ্ধতিৰ প্ৰয়োগ আৰু কৃষকসকলক সৰ্বতোপ্ৰকাৰে উৎসাহিত কৰাৰ উদ্দেশ্যে এই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। এই সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস। ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে গ্ৰাম্য অৰ্থনীতিৰ প্ৰাণস্বৰূপ কৃষকসকলৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উপস্থিত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক স্পষ্ট নিৰ্দেশ দি কয় যে চৰকাৰৰ প্ৰতিটো অভিলাষী আঁচনিৰ সুফল যাতে প্ৰতিগৰাকী প্ৰকৃত কৃষকে লাভ কৰিব পাৰে, তাক বিভাগীয়ভাৱে নিশ্চিত কৰিব লাগিব। কোনো এজন যোগ্য কৃষক যাতে চৰকাৰী সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ বাবে কৃষি বিষয়াসকলক তৎপৰ হ'বলৈ তেওঁ আহ্বান জনায়। অঞ্চলটোৰ কৃষক সমাজক সঠিক দিশদৰ্শন দিয়াৰ লক্ষ্যৰে অনুষ্ঠিত এই বিশেষ কাৰ্যসূচীত জিলা কৃষি বিষয়াৰ লগতে কৃষি বিভাগৰ কৰ্মচাৰীবৃন্দ উপস্থিত থাকি বিভিন্ন আধুনিক কৌশলৰ বিষয়ে আলোকপাত কৰে। তদুপৰি সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম প্ৰান্তৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাস, অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট সমাজসেৱী তথা স্থানীয় গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।



# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জ্যোতিষ ভাগৱতীক বিদায় সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰামপুৰ, ১৩ জুন ঃ** ২৮ ফেব্ৰুৱাৰীত ৫৩ নং ৰাজাপুখুৰী প্ৰাথমিক বিদ্যালয়ৰপৰা প্ৰধান শিক্ষক হিচাপে অৱসৰগ্ৰহণ কৰা জ্যোতিষ ভাগৱতীক কালি ৰামপুৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ ফালৰপৰা আনুষ্ঠানিকভাৱে বিদায় জনোৱা হয়। এই উপলক্ষে ৫৩ নং ৰাজাপুখুৰী প্ৰাথমিক বিদ্যালয়তে বিদায় সভাখন আয়োজন কৰা হয়। সভাখনত সভাপতিত্ব কৰে ৰামপুৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সভাপতি বিমল চন্দ্ৰ কলিতাই। সুদীৰ্ঘ ৩৮ বছৰ শিক্ষকতা বৃত্তিৰ সৈতে জড়িত হৈ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰা ভাগৱতীৰ বহুমুখী প্ৰতিভা সন্দৰ্ভত জগদীশ কলিতা, মৃগেন্দ্ৰ কলিতা, গীতা বসুমতাৰীকে ধৰি কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰীয়ে বক্তব্য ৰাখে। সভাপতি বিমল চন্দ্ৰ কলিতাই জ্যোতিষ ভাগৱতীৰ অৱদান সমকালীন ছাত্ৰ-ছাত্ৰী আৰু সমাজত স্মৰণীয় হৈ থাকিব বুলিও কয়। অৱসৰপ্ৰাপ্ত শিক্ষক ভাগৱতীক ফুলাম গামোচা, শৰাই, অভিনন্দনপত্ৰ, গ্ৰন্থকে ধৰি বিভিন্ন সামগ্ৰীৰে সম্বৰ্দ্ধনা জনোৱা হয়। সভাখনত ৰাজাপুখুৰী প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জনাৰ্দন কলিতাও উপস্থিত আছিল। সভাখনৰ অন্তত নহিৰাস্থিত বাসগৃহলৈ তেওঁক আগবঢ়াই থৈ অহা হয়। নিজ গৃহ গাঁৱতো ভাগৱতীক নহিৰা গুঁইমাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধীৰেন কুমাৰ, নহিৰা ৰাইজ গয়ৰহৰ সভাপতি প্ৰবীণ গোস্বামী, সাহিত্য সংগঠক হোমেন মেধিকে ধৰি বহু লোকে আৰু নহিৰা লাচিত সংঘ, নহিৰা জিৰণি সংঘৰ লগতে মহিলা সমিতিয়েও সম্বৰ্দ্ধনা জনায়। তদুপৰি, অৱসৰপ্ৰাপ্ত শিক্ষক জ্যোতিষ ভাগৱতীৰ বিদায় পৰ্বত জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাকে ধৰি অঞ্চলটোৰ বহুসংখ্যক শিক্ষা-সমাজৰ সৈতে জড়িত লোক উপস্থিত আছিল।



# ৰঙিয়াৰ বিশিষ্ট সমাজকৰ্মী ননী শৰ্মাৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ১৩ জুন ঃ** ৰঙিয়াৰ মূৰাবা নিৱাসী বিশিষ্ট সমাজকৰ্মী তথা ভাৰতীয় সৈন্যবাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া ননী শৰ্মাৰ কালি চিকিৎসাধীন অৱস্থাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ । তেওঁ কৰ্মসূত্ৰে ভাৰতৰ বিভিন্ন ঠাইলৈ বদলি হৈ নিষ্ঠাৰে সেৱা আগবঢ়াই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ স্বামী আৰু দুই পুত্ৰ-কন্যাক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত ৰঙিয়াত গভীৰ শোকৰ ছাঁ পৰে।

# নলবাৰী জিলা উন্নয়ন সমিতিৰ সভা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পশ্চিম নলবাৰী, ১৩ জুন ঃ** নলবাৰী জিলা উন্নয়ন সমিতিৰ জুন মাহৰ সভাখন কালি নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত পাটোৱাৰীয়ে বিধানসভা সমষ্টি উন্নয়ন পুঁজি আৰু সংসদীয় সমষ্টি উন্নয়ন পুঁজিৰ অধীনত চলি থকা আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। এইক্ষেত্ৰত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে বাকী থকা পুঁজিৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ শীঘ্ৰে দিবলৈ সংশ্লিষ্ট বিষয়াসকলক কয়। লগতে চলি থকা আঁচনিৰ কামসমূহ যথাসম্ভৱ সোনকালে সম্পূৰ্ণ কৰাৰ আহ্বান দিয়ে জিলা আয়ুক্তগৰাকীয়ে। আনহাতে, ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ অভিযন্তা আৰু নলবাৰী পৌৰসভাক নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ ওচৰৰ পথখিনিত উপযুক্ত নলাৰ ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি অধিক বৰষুণ হ'লে যাতে ক'তো পানী জমা নহয় তাৰ বাবে যিসকল লোকে পথৰ কাষৰ নলাবিলাক বন্ধ কৰি ৰাখিছে সেইবিলাক মুকলি কৰাৰ ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্ত পাটোৱাৰীয়ে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়াক নিৰ্দেশ দিয়ে। তদুপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ মহিলাসকলক পি এম এফ এম ই আঁচনিৰ অধীনত ক্ষুদ্ৰ উদ্যোগৰ বাবে আত্মসহায়ক গোটৰ মহিলাসকলক ঋণ দিয়াৰ বাবে ব্যৱস্থা কৰাৰ ক্ষেত্ৰত জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ মহাপ্ৰবন্ধকক নিৰ্দেশ দিয়ে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে।

# ছিপাঝাৰত ড্ৰাগ্‌ছৰ বিৰুদ্ধে সজাগতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**ছিপাঝাৰ, ১৩ জুন ঃ** যুৱপ্ৰজন্মৰ মাজত ক্ৰমবৰ্দ্ধমান হাৰত ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ছিপাঝাৰ সমজিলা প্ৰশাসনৰ উদ্যোগত ১১ জুনত সমজিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত ড্ৰাগছৰ বিৰুদ্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। ছিপাঝাৰ সমজিলা আয়ুক্ত পাপৰি দাসে আয়োজন কৰা এই সজাগতা সভাত স্বাস্থ্য-শিক্ষা বিভাগৰ বিষয়া, ছিপাঝাৰৰ ভালেসংখ্যক ব্যক্তি, গাঁওপ্ৰধানসকল আৰু আত্মসহায়ক গোটৰ মহিলাসকল উপস্থিত থাকে। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে চিকিৎসক ইফটিকাৰ হুছেইন। সভাত ছিপাঝাৰ সমজিলা আয়ুক্তগৰাকীয়ে তেওঁৰ বক্তব্যত কয়— 'সম্প্ৰতি আমাৰ সমাজত যুৱপ্ৰজন্ম ড্ৰাগছ, নিচাযুক্ত দ্ৰব্যৰ প্ৰতি বাৰুকৈয়ে আসক্ত হোৱা পৰিলক্ষিত হৈছে। আমাৰ সমাজত ইয়াৰ বিৰুদ্ধে যদি কোনো সজাগতা সৃষ্টি কৰা নহয় যুৱপ্ৰজন্ম ধ্বংস হ'ব। ড্ৰাগছৰ বেহা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত গাঁওপ্ৰধানসকলৰ যথেষ্ট দায়িত্ব থাকে। তেওঁলোকে ড্ৰাগছৰ বেহা প্ৰতিৰোধ কৰি যুৱপ্ৰজন্মৰ ড্ৰাগছৰ প্ৰতি আসক্তি নোহোৱা কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব।' তেওঁ আত্মসহায়ক গোটৰ মহিলাসকলক উদ্দেশ্যি পৰিয়ালৰ মাতৃগৰাকী সজাগ-সচেতন হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।



# কবি জগদীশ পাঠকলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰ্থেবাৰী, ১৩ জুন ঃ** কাৱাকুছি গাঁও নিৱাসী সদ্যপ্ৰয়াত কবি, ঘোষানামৰ পাঠক, সুনিপুণ বাঢ়ৈ জগদীশ পাঠকক অসম সাহিত্য সভাৰ সৰ্থেবাৰী শতদল শাখা ভাৰতী অধ্যয়ন চক্ৰৰ উদ্যোগত আৰু কাৱাকুছি সমাজ কল্যাণ সমিতিৰ সহযোগত কাৱাকুছি গাঁৱৰ শ্ৰীশ্ৰী মাধৱদেৰ পুথিভঁৰাল প্ৰাংগনত কালি অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভাত গভীৰ শ্ৰদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জগদীশ পাঠকৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যয়ন চক্ৰৰ সভাপতি নিখিলেশ ডেকাই আৰু স্মৃতি তৰ্পণ কৰে জগদীশ পাঠকৰ পৰিয়ালৰ হৈ মলয়া পাঠক, লাৱণ্য পাঠকসহ সদস্যবৰ্গই। চক্ৰৰ সম্পাদক সত্যনাথ ভূএগ্ৰাই আঁত ধৰা আৰু সভাপতি নিখিলেশ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উপদেষ্টা খগেন্দ্ৰ নাথ ভূএগ্ৰা, প্ৰাক্তন সম্পাদক গুণজিত চৌধুৰী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ পদ্মা মেধি, জ্যেষ্ঠ সাংবাদিক চক্ৰেশ্বৰ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেকৃষ্ণ তালুকদাৰ, কবি প্ৰীতিমণি ডেকা ভূএগ্ৰা, অধিবক্তা অভয় বৰ্মন, বিষয় শিক্ষয়িত্ৰী দীপ্তিৰাণী ডেকা, শিক্ষক মণ্টু তালুকদাৰ আদিয়ে কবি, ঘোষানামৰ পাঠক জগদীশ পাঠকৰ জীৱন আৰু সাহিত্য কৰ্মৰ আলোকপাত কৰি স্মৃতিচাৰণ কৰে। অনুষ্ঠানত নিখিলেশ ডেকা, ৰমেন তালুকদাৰ, বিজয় ডেকা, জিতেন্দ্ৰ চৌধুৰী আৰু বীণাপাণি ডেকাই স্বৰচিত কবিতা পাঠ কৰি প্ৰয়াত কবিগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত ভাৰতী অধ্যয়ন চক্ৰ আৰু অসম সাংস্কৃতিক মহাসভাৰ সৰ্থেবাৰী আঞ্চলিক সমিতিয়ে আনুষ্ঠানিকভাৱে শোকসন্তপ্ত পৰিয়ালক শোক প্ৰস্তাৱ প্ৰদান কৰে। অনুষ্ঠানত নামতী মধুমতী ডেকাই এটি আধ্যাত্মিক গীত পৰিৱেশন কৰে। পৰিয়ালৰ তৰফৰ পৰা অৰুণ চন্দ্ৰ পাঠকে বক্তব্য আগবঢ়ায়।



# মৰিগাঁৱত পলিঅ' প্ৰতিষেধক-এইচ পি ভি টিকাকৰণ অভিযান

**দৈনিক অসমৰ প্ৰতিনিধি।**
**মৰিগাঁও, ১৩ জুন ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে মৰিগাঁও জিলাতো ২৮ জুনত ৫ বছৰ বয়সৰ তলৰ শিশুসকলক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱাৰ বাবে মৰিগাঁও জিলা স্বাস্থ্য বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। কালি এই সন্দৰ্ভত অনুষ্ঠিত বৈঠকত বিশ্ব স্বাস্থ্য সংস্থাৰ ৰাজ্যিক স্বাস্থ্য বিষয়া ডাঃ নগেন শৰ্মাই পাৱাৰপইণ্ট প্ৰেজেণ্টেচনৰ সহায়ত পলিঅ' প্ৰতিষেধক প্ৰদান অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত বিতংভাৱে অৱগত কৰায়। তেওঁ কয় যে নৱজাতকৰ পৰা ৫ বছৰ বয়সলৈকে মৰিগাঁও জিলাত মুঠ ১,৪১,৩৪৫টি শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হ'ব। ২৮ জুনত জিলাখনৰ মুঠ ৯১৪টা বুথত প্ৰতিষেধক প্ৰদান কৰা হ'ব। ২৯ জুনত তিনি হাজাৰৰো অধিক স্বাস্থ্যকৰ্মীয়ে ঘৰে ঘৰে গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব। আনহাতে ২৮ৰ পৰা ৩০ জুনলৈকে তিনি দিন বিভিন্ন বাছ আস্থান, ৰে'লৰে ষ্টেচন আদিত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। সভাত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই প্ৰতিটো যোগ্য শিশুৰে প্ৰতিষেধক লাভ কৰাটো সুনিশ্চিত কৰাৰ বাবে সকলোকে দায়বদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনোৱাৰ লগতে এইচ পি ভি টিকাকৰণ কাৰ্যসূচী সন্দৰ্ভতো আলোচনা কৰা হয়। এই টিকাকৰণক লৈ সমাজত থকা বিভিন্ন ভ্ৰান্ত ধাৰণা আৰু ভুল তথ্য, বিশেষকৈ টিকা গ্ৰহণে আন স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে বুলি চলি থকা অপপ্ৰচাৰ দূৰ কৰাত গুৰুত্ব আৰোপ কৰে। অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ সকলো স্তৰৰ মাজত অধিক সচেতনতা সৃষ্টিৰ জৰিয়তে অধিক সংখ্যকৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বিষয়ে সভাত বিস্তৃত আলোচনা হয়। বৈঠকত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাই এই প্ৰতিষেধক প্ৰদান অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ সহায়-সহযোগিতা কামনা কৰে। তেওঁ কয় যে ২০১৪ চনত ভাৰতক পলিঅ'মুক্ত হিচাপে ঘোষণা কৰা হৈছে যদিও মৰিগাঁও জিলাৰ লাহৰীঘাটত শেষবাৰৰ বাবে ২০০৮ চনত পলিঅ'ত আক্ৰান্ত হোৱা এজন লোক চিনাক্ত কৰা হৈছিল। সেয়েহে এই ৰোগ সম্পূৰ্ণৰূপে নাইকিয়া কৰাৰ বাবে ঐক্যবদ্ধ প্ৰয়াস কৰিব লাগিব বুলি উল্লেখ কৰে। সভাত জিলা টিকাকৰণ বিষয়া ডাঃ নিৰঞ্জন কোঁৱৰ আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, চিকিৎসক আৰু স্বাস্থ্যকৰ্মী উপস্থিত থাকে।

১,৪১,৩৪৫ শিশুক দিয়া হ'ব পলিঅ' প্ৰতিষেধক

## আৱৰ্জনা ব্যৱস্থাপনাত ব্যৰ্থতাৰ অভিযোগেৰে মুখ্য সচিবলৈ পত্ৰ আৰ টি আই কৰ্মীৰ

# বোকাখাত পৌৰসভাৰ ১০ বছৰীয়া পুঁজিৰ তদন্ত দাবী

### দীৰ্ঘদিন ধৰি আৱৰ্জনা-আবদ্ধ নলাও পৰিষ্কাৰ নকৰাৰ অভিযোগ

**দৈনিক অসমৰ প্ৰতিনিধি**
**নুমলীগড়, ১৩ জুন ঃ** বোকাখাত পৌৰসভা এলেকাৰ কেইবাবছৰীয়া আবদ্ধ নলা-নৰ্দমাৰ সমস্যা আৰু পৰ্যাপ্ত ডাষ্টবিনৰ অভাৱে চহৰখনত ভয়াৱহ অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। বোকাখাত পৌৰসভা ব'ৰ্ডৰ এই চৰম অৱহেলা আৰু মন্থৰ দৃষ্টিভংগীৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি বোকাখাতৰ আৰ টি আই কৰ্মী ৰোহিত চৌধুৰীয়ে ৰাজ্যৰ মুখ্য সচিবলৈ ১১ জুনত এখন গুৰুত্বপূৰ্ণ পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰৰ প্ৰতিলিপি তেওঁ অসমৰ মুখ্যমন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীৰ লগতে কেইবাটাও বিভাগৰ উচ্চপদস্থ বিষয়ালৈয়ো প্ৰেৰণ কৰিছে। আৰ টি আই কৰ্মী চৌধুৰীয়ে অভিযোগ উত্থাপন কৰিছে যে অসম চৰকাৰে পৌৰসভা ব'ৰ্ডসমূহলৈ নিয়মীয়াকৈ পুঁজি আবণ্টন দি আহিছে যদিও বোকাখাত পৌৰসভা ব'ৰ্ডে চহৰখনৰ চাফ-চিকুণতা আৰু অনাময় ব্যৱস্থাৰ প্ৰতি সম্পূৰ্ণ পিঠি দিছে, যাৰ ফলত সমগ্ৰ এলেকাটোত 'স্বচ্ছ ভাৰত অভিযান' স্থবিৰ হৈ পৰিছে। পৰ্যাপ্ত ডাষ্টবিন নথকাৰ বাবে জনসাধাৰণে বাধ্য হৈ মুকলি নলাত কঠিন আৱৰ্জনা পেলাবলগীয়া হৈছে। তদুপৰি আধাতকৈয়ো অধিক নলা ঢাকনিবিহীন হৈ থকাৰ বাবে বাৰিষা কালত নলাৰ পানী উপচি পৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে চহৰখনৰ বিভিন্ন স্থান বুৰাই পেলাই দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি কৰে।

বোকাখাত চহৰৰ মূল কেন্দ্ৰবিন্দু হিচাপে পৰিচিত ডাকঘৰ, দূৰসংযোগ কাৰ্যালয়, থানা আৰু নৱনিৰ্মিত পৰিদৰ্শন বঙলাৰ সন্মুখত থকা নলাটো বহু বছৰ ধৰি পৰিষ্কাৰ বা পলসমুক্ত নকৰাটোৱে পৌৰসভাৰ চৰম উদাসীনতাকে প্ৰমাণ কৰে বুলি চৌধুৰীয়ে ক্ষোভ প্ৰকাশ কৰে। তেওঁ লগতে আঙুলিয়াই দিয়ে যে বোকাখাত পৌৰসভা ব'ৰ্ডে 'কঠিন আৱৰ্জনা ব্যৱস্থাপনা নিয়ম, ২০১৬' আৰু শেহতীয়া 'কঠিন আৱৰ্জনা ব্যৱস্থাপনা নিয়ম, ২০২৬' কাৰ্যকৰী কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ ২০২৬ চনৰ ১ মে'ৰ জাননী অনুসৰি আৱৰ্জনা ব্যৱস্থাপনাত গাফিলতি কৰিলে সংশ্লিষ্ট বিষয়া তথা নগৰীয়া স্থানীয় নিকায়ৰ বিৰুদ্ধে তিনিটা স্তৰৰ কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ স্পষ্ট নিৰ্দেশনা আছে। তদুপৰি, ১৯ মে'ত মুখ্য সচিবৰ পৌৰোহিত্যত কঠিন আৱৰ্জনা ব্যৱস্থাপনাৰ পৰ্যালোচনাৰ বাবে অনুষ্ঠিত ভিডিঅ' কনফাৰেন্সৰ পাছতে, অৰ্থাৎ ২০ মে'ত আৰ টি আই কৰ্মীগৰাকীয়ে টুইটযোগে মুখ্য সচিব আৰু গোলাঘাটৰ জিলা আয়ুক্তৰ দৃষ্টি আকৰ্ষণ কৰিছিল যদিও এতিয়ালৈকে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। এই সমগ্ৰ বিষয়টোক গুৰুত্বসহকাৰে লৈ আৰ টি আই কৰ্মী চৌধুৰীয়ে মুখ্য সচিবক বোকাখাত পৌৰসভা এলেকাৰ নলা-নৰ্দমাসমূহ তাৎক্ষণিকভাৱে চাফ-চিকুণ কৰাৰ নিৰ্দেশ দিবলৈ অনুৰোধ জনাইছে। যোৱা ১০ বছৰত নলা পৰিষ্কাৰ কৰাৰ নামত বোকাখাত পৌৰসভা ব'ৰ্ডলৈ অহা চৰকাৰী পুঁজিৰ সঠিক ব্যৱহাৰ হৈছে নে নাই, সেই সন্দৰ্ভত উচ্চস্তৰীয় তদন্তৰ দাবী তেওঁ উত্থাপন কৰিছে। উল্লেখ্য যে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি আছে বোকাখাত নগৰ। ৰাষ্ট্ৰীয় উদ্যানখন দৰ্শনৰ বাবে অহা দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে বোকাখাতলৈয়ো। যাৰ বাবে বোকাখাত নগৰক এক পৰ্যটন নগৰী হিচাপে গঢ় দিয়াৰো বহু সময়ত প্ৰতিশ্ৰুতি দিয়া দেখা গৈছিল শাসকীয় চৰকাৰৰ জনপ্ৰতিনিধিক। কিন্তু কাৰ্যতঃ সকলো যেন ফুটুকাৰ ফেন হ'ল। ভাষণৰ ফুলজাৰিতে সীমাবদ্ধ থাকিল জনপ্ৰতিনিধিৰ প্ৰতিশ্ৰুতি। অপৰিষ্কাৰ আৰু উন্মুক্ত নলা-নৰ্দমা, পৌৰসভাৰ সুপৰিকল্পনাৰ অভাৱ আৰু অমনোযোগিতাই যেন বাৰে বাৰে প্ৰতিফলিত কৰিছে পৰ্যটন নগৰী হিচাপে গঢ়িব বিচৰা বোকাখাতৰ বাস্তৱ ছবিখন।



## আঠখেলীয়াত এয়াৰটেল সেৱা ব্যাহত

### ক্ষুব্ধ গ্ৰাহক

**দৈনিক অসমৰ প্ৰতিনিধি**
**আঠখেলীয়া, ১৩ জুন ঃ** আঠখেলীয়া অঞ্চলত কিছুদিন ধৰি এয়াৰটেল নেটৱৰ্ক সমস্যাৰ বাবে স্থানীয় লোকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। বহু ঠাইত মোবাইলত সম্পূৰ্ণ নেটৱৰ্কবিহীন হৈ পৰিছে, ক'ল আৰু ইণ্টাৰনেট সেৱাও বিঘ্নিত হৈছে। স্থানীয় বাসিন্দাসকলে কয় যে নেটৱৰ্কৰ এই দুৰৱস্থাৰ বাবে অনলাইন কাম-কাজ, ডিজিটেল পেমেণ্ট, শিক্ষা আৰু জৰুৰী যোগাযোগত যথেষ্ট অসুবিধা হৈছে। তেওঁলোকে এয়াৰটেল কৰ্তৃপক্ষক শীঘ্ৰে সমস্যাটো সমাধান কৰি অঞ্চলটোত উন্নত নেটৱৰ্কৰ সুবিধা প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

## মাজুলীত পাৰ্থেনিয়ামক লৈ কৃষি বিজ্ঞানী-কৃষকৰ মত বিনিময়

# কৃষি, জৈৱ-বৈচিত্ৰ্য, মানৱ স্বাস্থ্যলৈ আনিছে ভাবুকি

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ১৩ জুন ঃ** মাজুলী জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ উদ্যোগত তথা অসম কৃষি বিশ্ববিদ্যালয় আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত কালি কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত বনগাঁও গাঁও পঞ্চায়তত পাৰ্থেনিয়াম অপতৃণ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। গাঁও পঞ্চায়তৰ সভানেত্ৰী পাৰুল দাসৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাই। দুই শতাধিক কৃষক উপস্থিত থকা সভাখনত মূলতঃ অপতৃণ পাৰ্থেনিয়ামৰ পৰা হ'ব পৰা ভয়াৱহতা সন্দৰ্ভত কৃষি বিজ্ঞানীসকলে বিস্তৃত ৰূপত ব্যাখ্যা কৰে। সভাখনত অসম কৃষি বিশ্ববিদ্যালয় আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী ক্ৰমে ডঃ অঞ্জন কৃষ্ণ শৰ্মা, ডঃ সমীৰণ ভট্টাচাৰ্য আৰু ডঃ মিলনজ্যোতি কোঁৱৰে এই বিষাক্ত উদ্ভিদবিধৰ পৰা খেতিৰ লগতে জীৱ-জন্তুৰ বাবে হ'ব পৰা ক্ষতি সম্পৰ্কে বুজাই দিয়ে। লগতে এই অনিষ্টকাৰী বনবিধ কেনেকৈ কৃষিপথাৰত নিয়ন্ত্ৰণ কৰিব পৰা যাব তাৰ উপায়সমূহ আৰু ল'বলগীয়া সাৱধানতা সন্দৰ্ভতো বিশদভাৱে অৱগত কৰে। উল্লেখ্য যে পাৰ্থেনিয়াম অপতৃণ হৈছে কৃষি, জৈৱ-বৈচিত্ৰ্য আৰু মানৱ স্বাস্থ্যৰ বাবে এক আক্ৰমণাত্মক ভাবুকি সৃষ্টি কৰিব পৰা প্ৰজাতিৰ এক অনিষ্টকাৰী বন। ই সূৰ্যমুখী ফুলৰ উপ-প্ৰজাতি। বগা বগা ফুল ফুলা এই বনবিধৰ জীৱনকাল তিনি-চাৰি মাহ। এই সময়ছোৱাত বনবিধে তিনি-চাৰিবাৰকৈ ফুল ফুলি বীজ উৎপাদন কৰি দ্ৰুত ৰূপত বংশ বৃদ্ধি কৰে। ই সমগ্ৰ বিশ্বতে ৰোগৰ কাৰক হ'বলৈ ধৰিছে। পাৰ্থেনিয়ামত টক্সিন বা বিষ থকা বাবে মানুহ আৰু জীৱ-জন্তুৰ বাবে অতি ক্ষতিকাৰক। যাৰ ফলত জন্তুৰ শৰীৰ ফুলি উঠে, বদ হজম হয় আৰু নানা উপসৰ্গই দেখা দিয়ে। ই মানুহৰ শৰীৰত লাগিলে ছাল ৰঙা পৰি খজুৱতি হয়। সময়ত ই ছালৰ কেন্সাৰ ৰোগৰো কাৰক হ'ব পাৰে। উশাহত ই শৰীৰত প্ৰৱেশ কৰিলে এলাৰ্জী, হাঁপানি, জ্বৰ উঠা, অসহ্য মূৰৰ বিষ আদি হ'ব পাৰে। অৱশ্যে অতি সহজেই এই বন তথা উদ্ভিদবিধ ধ্বংস কৰিব পাৰি। এক ফলপ্ৰসূ পৰম্পৰাগত, যান্ত্ৰিক, জৈৱিক আৰু ৰাসায়নিক নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰে এই অপতৃণ ৰোধ তথা নিয়ন্ত্ৰণ কৰিব পৰা যায়। এই বনবিধ উভলাৰ পাছত শুকাই গলে তাক জ্বলাই দিলেও ইয়াৰ বীজবোৰ সম্পূৰ্ণৰূপে ধ্বংস হৈ যায়। এই কাৰ্যসূচীত সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, অনুৰাগ প্ৰীতম বৰবৰা, উপ-আৰক্ষী অধীক্ষক ৰাজীৱ শইকীয়া, জিলা পশুপালন বিষয়া ডাঃ থানেশ্বৰ মুদৈ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক, জলসম্পদ বিভাগৰ অভিযন্তা, সহকাৰী খণ্ড উন্নয়ন বিষয়া, বিভাগৰ বিষয়া-কৰ্মচাৰী, সমাজকৰ্মী তথা কৃষক ৰাইজ উপস্থিত থাকে।




# তিনিচুকীয়াত নাৰ্কো সমন্বয় কেন্দ্ৰৰ অধীনত জিলা পৰ্যায়ৰ বৈঠক

**দৈনিক অসমৰ প্ৰতিনিধি**
**তিনিচুকীয়া, ১৩ জুন ঃ** নাৰ্কো সমন্বয় কেন্দ্ৰ প্ৰণালীৰ অধীনত জিলা পৰ্যায়ৰ সমিতিৰ বৈঠক তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ অধ্যক্ষতাত কালি অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেন্স কক্ষত অনুষ্ঠিত এই বৈঠকত জিলাখনত ড্ৰাগ্‌ছ, সুৰা তথা আন নিচাজাতীয় সামগ্ৰীৰ ব্যৱসায় তথা সৰবৰাহ ৰোধ কৰিবৰ বাবে ল'ব পৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হয়। জিলা প্ৰশাসন আৰু আৰক্ষীয়ে জিৰ' টলাৰেন্স নীতিৰে ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ বিৰুদ্ধে লোৱা কঠোৰ ব্যৱস্থা সন্দৰ্ভত সভাত আলোচনা কৰা হয়। উল্লেখযোগ্য যে এন ডি পি এছ আইনৰ অধীনত জিলাখনত ড্ৰাগ্‌ছৰ সৰবৰাহ আৰু বিতৰণ বন্ধ কৰিবলৈ নিৰন্তৰ অভিযান চলাই থকা হৈছে। নিচামুক্ত ভাৰত অভিযানৰ অংশৰূপে জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয় তথা মহাবিদ্যালয় পৰ্যায়ত যুৱপ্ৰজন্মৰ মাজত ড্ৰাগ্‌ছ তথা অন্যান্য নিচাজাতীয় সামগ্ৰীৰ কু-প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে বিভিন্নধৰণৰ কাৰ্যসূচী হাতত লোৱাৰ লগতে জিলাখনৰ অন্যান্য স্থানতো সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰে। তদুপৰি শিক্ষানুষ্ঠানসমূহত ড্ৰাগ্‌ছবিৰোধী শপতগ্ৰহণ কাৰ্যসূচী আয়োজনৰো জিলা আয়ুক্তই পোষকতা কৰে। জিলাখনত নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহ তথা বিক্ৰী ৰোধৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহক অধিক চোকা দৃষ্টি ৰাখিবলৈয়ো জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। ড্ৰাগ্‌ছৰ বিৰুদ্ধে যুঁজত সমাজৰ সহযোগিতা অপৰিহাৰ্য বুলি উল্লেখ কৰি জিলাবাসীক ড্ৰাগ্‌ছ সম্পৰ্কীয় যিকোনো তথ্য তাৎক্ষণিকভাৱে আৰক্ষীক জনাবলৈ আহ্বান জনায়। বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ, শদিয়া আৰক্ষী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আঞ্চল চৌহান, অতিৰিক্ত জিলা আয়ুক্ত পংকজ কুমাৰ নাগবংশী, অতিৰিক্ত জিলা আয়ুক্ত ডঃ মন্দিৰা বৰুৱা প্ৰমুখ্যে শিক্ষা, স্বাস্থ্য, সমাজ কল্যাণ, বন আদি সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।




## বিশিষ্ট ফুটবল খেলুৱৈ বীৰেন দুৱৰাৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**জাঁজী, ১৩ জুন ঃ** শিৱসাগৰ জিলাৰ জাঁজী ফুলপানীছিগা চাংমাই গাঁও নিবাসী, সুদক্ষ ফুটবল খেলুৱৈ বীৰেন দুৱৰা (৭২)ৰ কালি মৃত্যু হয়। জাঁজী হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ বীৰেন দুৱৰাৰ পঢ়ি থকা সময়ৰ পৰাই ফুটবল খেলৰ প্ৰতি দুৰ্বাৰ হেঁপাহ আছিল। পৰৱৰ্তী সময়ত তেওঁ জাঁজী ক্ৰীড়া সন্থাৰ হৈ জিলাখনৰ লগতে অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি জাঁজী অঞ্চললৈ সুনাম কঢ়িয়াই আনিছিল। জাঁজী ক্ৰীড়া সন্থাৰ ডিফেন্স হিচাপে খেলা দুৱৰা বিপক্ষৰ দলৰ কাৰণে মূৰৰ কামোৰণি আছিল। সুদক্ষ খেলুৱৈগৰাকীৰ বিয়োগত বৃহত্তৰ ফুলপানীছিগা অঞ্চলত গভীৰ শোকৰ ছাঁ বিৰাজ কৰিছে। তেওঁৰ মৃত্যুত ফুলপানীছিগা চাংমাই গাঁও নামঘৰ সমাজ, ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱ বৰ নামঘৰ আৰু কলা-কৃষ্টি কেন্দ্ৰ, জাঁজী প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন জ্যেষ্ঠ ভাতৃ, দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, এগৰাকী বিবাহিতা জী-জোঁৱাই, নাতি-নাতিনীসহ অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।



# গোলাঘাটত দুগৰাকী শিক্ষকক বিদায় সম্বৰ্দ্ধনা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**গোলাঘাট, ১৩ জুন ঃ** গোলাঘাট সদৰৰ ফণীধৰ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত কালি বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক প্ৰদীপ শৰ্মা তামুলী আৰু শাৰীৰিক নিৰ্দেশক দীপেন বৰতামুলীক বিদ্যালয় পৰিয়ালৰ তৰফৰপৰা বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সংগীত শিক্ষক কিশোৰ কুমাৰ গগৈৰ ব্যৱস্থাপনা আৰু ৰূপজ্যোতি ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা, লোপামুদ্ৰা ভট্টাচাৰ্যই আঁত ধৰা সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি প্ৰদীপ সোণাৰে সভাপতিৰ আসন অলংকৃত কৰে। দশম শ্ৰেণীৰ ছাত্ৰী পৰিণীতা তাঁতীয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ 'পৰজনমৰ শুভ লগনত' শীৰ্ষক কালজয়ী গীত পৰিৱেশন কৰি সভাৰ কাম আৰম্ভ কৰে। বিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা সঁফুৰা, জাপি, গামোচা, অংগবস্ত্ৰ আদিৰে দুয়োগৰাকীকে বিদায় সম্ভাষণ জনোৱাৰ উপৰি বহুগৰাকীয়ে ব্যক্তিগতভাৱেও উপহাৰ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক দুগৰাকী সম্পৰ্কে বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি মাধুৰ্য বৰা, বিদ্যালয়ৰ শিক্ষয়িত্ৰী প্ৰণামিতা বৰা, দশম শ্ৰেণীৰ ছাত্ৰী এঞ্জেলিনা বৰুৱাই সান্নিধ্য ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। শিক্ষয়িত্ৰী বৰ্ণালী চৌধুৰীয়ে এটি গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। দশম শ্ৰেণীৰ ছাত্ৰী মৰমী দত্তয়ো এটি গীত পৰিৱেশন কৰে। দুয়োগৰাকী সম্বৰ্দ্ধিত শিক্ষকে তেওঁলোকৰ স্মৃতি ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। সভাত বিদায়ী শাৰীৰিক নিৰ্দেশক দীপেন বৰতামুলীয়ে বিদ্যালয়ৰ উন্নয়নৰ বাবে নগদ ধন দি বদান্যতা প্ৰকাশ কৰে।



## স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**
**আমগুৰি, ১৩ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ সমীপৰ চামগুৰি হাইস্কুলৰ অন্যতম মুখ্য প্ৰাণ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত শিক্ষক নগেন গগৈৰ স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলিছে। বৃহত্তৰ চামগুৰি অঞ্চলৰ উচ্চ শিক্ষাৰ বাটকটীয়া প্ৰয়াত নগেন গগৈৰ জীৱন পৰিক্ৰমাৰে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ মানসেৰে তেওঁৰ গুণমুগ্ধসকলৰ পৰা তথ্য, লেখা আৰু সহায়-সহযোগ বিচাৰিছে। ইচ্ছুক ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে ১৫ জুনৰ আগত লেখাসমূহ দিবলৈ অনুৰোধ জনাইছে। ইচ্ছুক ব্যক্তিয়ে ৭০০২২-০১৪৮৯, ৯১০১০-৪১০৩৪, ৯৭০৭৩-৪৫২৩১ আৰু ৭০০২৯- ৮১৪৭৮ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

## গণিত শিক্ষাবিষয়ক কৰ্মশালা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**দুলীয়াজান, ১৩ জুন ঃ** ৰটাৰী ক্লাব অব ডিব্ৰুগড়ৰ উদ্যোগত দুলীয়াজানৰ সাহিত্যৰথী জাতীয় বিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'গণিত সেতু' শীৰ্ষক এক গণিত শিক্ষা কৰ্মশালা অনুষ্ঠিত হৈ যায়। ৰটাৰী ফাউণ্ডেচন অব ৰটাৰী ইণ্টাৰনেচনেলৰ গ্ল'বেল গ্ৰেণ্ট প্ৰজেক্ট -২৩৫২৮৭৪ অন্তৰ্গত এক বিশেষ পদক্ষেপ হিচাপে অনুষ্ঠিত এই কৰ্মশালাখনৰ মূল উদ্দেশ্য আছিল গণিত শিক্ষণ-শিকনৰ নতুন কৌশল, পদ্ধতি আৰু উদ্ভাৱনীমূলক ধাৰণাসমূহ শিক্ষকসকলৰ মাজত প্ৰচাৰ কৰা। ডিব্ৰুগড় জিলাৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। কালি সামৰণি পৰা এই অনুষ্ঠানত অভিজ্ঞ সমল ব্যক্তিসকলে গণিত শিক্ষাক অধিক সহজ, আনন্দদায়ক আৰু ফলপ্ৰসূ কৰি তোলাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰা হয়। দুদিনীয়া এই কৰ্মশালাত অংশগ্ৰহণকাৰী শিক্ষকসকলে বিভিন্ন কাৰ্যকলাপ, আলোচনা আৰু প্ৰায়োগিক অধিৱেশনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি লাভান্বিত হয়। কৰ্মশালাখনে শিক্ষকসকলৰ পেছাদাৰী দক্ষতা বৃদ্ধিৰ লগতে বিদ্যালয়সমূহত গণিত শিক্ষাৰ মান উন্নয়নত বিশেষ ভূমিকা পালন কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে।

## খ'ৰা উচ্চতৰ মাধ্যমিকত নৱাগত আদৰণী সভা




**দৈনিক অসমৰ প্ৰতিনিধি**
**নাৰায়ণপুৰ, ১৩ জুন ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া আৰু নাওবৈছা বিধানসভা সমষ্টিৰ সীমামূৰীয়া অঞ্চলত অৱস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণী সভা কালি অনুষ্ঠিত হয়। সভাৰ প্ৰাক্ মুহূৰ্তত ৰাজীৱ কুমাৰ বৰাই আঁত ধৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিভিন্ন প্ৰতিভা প্ৰদৰ্শন কৰে। দুপৰীয়া বিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক চন্দ্ৰপ্ৰসাদ দেউৰীয়ে আঁত ধৰা নৱাগত আদৰণী সভাৰ মূল সভাখনত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নবীন হাজৰিকাই। সভাখন শুভ উদ্বোধন কৰে সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেন বৰাই। বিদ্যালয়ৰ অধ্যক্ষ সত্য কুমাৰ ভূঞা, ছাত্ৰ একতা সভাৰ সভাপতি দেৱানন্দ শইকীয়া আৰু সাধাৰণ সম্পাদক সাৰংগ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। লখিমপুৰ জিলাৰ প্ৰাথমিক বিদ্যালয়সমূহৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক কনকেশ্বৰ ৰাজকোঁৱৰ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক কোনোদিনেই হতাশ নহৈ নিজৰ নিজৰ কৰ্তব্যত নিয়োজিত হ'বলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে লখিমপুৰ স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মৃদুল শইকীয়াই।

## বিষ্ণু ৰাভা দিৱসৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**নিমাতীঘাট, ১৩ জুন ঃ** ভাৰতীয় গণনাট্য সংঘৰ বালিগাঁও শাখাৰ উদ্যোগত ২০ জুনত দিনজোৰা কাৰ্যসূচীৰে যোৰহাটৰ নিজবালিগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱৰ সাংস্কৃতিক প্ৰকল্পত বিপ্লৱী শিল্পী বিষ্ণু ৰাভা দিৱসৰ আয়োজন কৰিছে। সিদিনা ভাৰতীয় গণনাট্য সংঘৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বিষ্ণু ৰাভা, ডঃ ভূপেন হাজৰিকা, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কৰা হ'ব। বিয়লি অঞ্চলটোৰ শিক্ষানুষ্ঠানৰ পৰা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলে বৰ্ণালী অনুষ্ঠানত গীত, নৃত্য, কবিতা, বক্তৃতা আদি পৰিৱেশন কৰিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। বৃহত্তৰ বালিগাঁও অঞ্চলৰ বহুকেইগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে লেখক দীপেন কাকতিৰ কথাৰে আৰু সঞ্জীৱ পৰাশৰৰ পৰিচালনাত সংগীতালেখ্য 'বিষ্ণু ৰাভাৰ অমৃত আভা' প্ৰদৰ্শন কৰিব।

## ডিব্ৰুগড়-নকছাৰিত বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱস উপলক্ষে সজাগতা সভা

# শিশু শ্ৰমমুক্ত সমাজ গঢ়াৰ আহ্বান

**দৈনিক অসমৰ প্ৰতিনিধি,**
**মৰাণ, ১৩ জুন ঃ** 'শিশুৰ হাতত কলম হওক, শ্ৰমৰ বোজা নহয়'— এই মূল বাৰ্তা সন্মুখত ৰাখি বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱস উপলক্ষে কালি ডিব্ৰুগড় জিলাত বিভিন্ন সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনস্থ জিলা সংকল্প ঃ মহিলা সবলীকৰণ কেন্দ্ৰৰ উদ্যোগত আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এ এছ আৰ এল এম), জিলা শিশু সুৰক্ষা গোট, চাইল্ড লাইন তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ বিভিন্ন চাহ বাগিচা অঞ্চলত এই সজাগতা অভিযান অনুষ্ঠিত হয়। এই বছৰৰ বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱসৰ মূল প্ৰতিপাদ্য আছিল— 'প্ৰতিশ্ৰুতিৰ পৰা কাৰ্যলৈ ঃ শিশু শ্ৰমৰ অন্ত পেলাওঁ'। এই উদ্দেশ্য আগত ৰাখি আয়োজিত সভাসমূহত কিশোৰ-কিশোৰী, অভিভাৱক আৰু স্থানীয় লোকসকলৰ মাজত শিশুশ্ৰমৰ কুফল, শিশু অধিকাৰ আৰু শিক্ষাৰ গুৰুত্বৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। সজাগতা সভাত উপস্থিত সমল ব্যক্তিসকলে কয় যে শিশু শ্ৰম কেৱল এটা সামাজিক ব্যাধিয়েই নহয়, ই শিশুৰ মৌলিক অধিকাৰ হৰণ কৰাৰ এক নিষ্ঠুৰ প্ৰক্ৰিয়া। অতি কম বয়সতে শ্ৰমত নিয়োজিত হোৱা শিশুসকলে শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ লগতে শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰতো বিভিন্ন সমস্যাৰ সন্মুখীন হয়। সেয়েহে প্ৰতিজন শিশুক বিদ্যালয়মুখী কৰি তোলা আৰু শ্ৰমৰ পৰিৱৰ্তে শিক্ষাৰ সুযোগ নিশ্চিত কৰাটো সমাজৰ সকলো স্তৰৰ দায়িত্ব বুলি বক্তাসকলে মত প্ৰকাশ কৰে। সভাসমূহত শিশুশ্ৰম (নিষিদ্ধকৰণ আৰু নিয়ন্ত্ৰণ) সম্পৰ্কীয় আইনী ব্যৱস্থা, শিশু সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰী নীতি-নিয়ম, শোষণ বা বিপদত পৰা শিশুসকলক উদ্ধাৰৰ বাবে থকা ব্যৱস্থা আৰু সংশ্লিষ্ট বিভাগসমূহৰ ভূমিকা সম্পৰ্কেও বিশদ তথ্য প্ৰদান কৰা হয়। লগতে সন্দেহজনক বা শিশু অধিকাৰ উলংঘনৰ ঘটনা প্ৰত্যক্ষ কৰিলে কেনেদৰে সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰিব লাগে সেই বিষয়েও উপস্থিত লোকসকলক সজাগ কৰা হয়। কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক শিশু সুৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰি তোলাৰ লগতে শিশু শ্ৰমমুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণৰ আহ্বান জনোৱা হয়। বিশেষকৈ অভিভাৱকসকলক সন্তানৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাক সৰ্বাধিক গুৰুত্ব দিয়াৰ বাবে অনুৰোধ জনোৱা হয়। আয়োজকসকলে আশা প্ৰকাশ কৰে যে এনে সজাগতা কাৰ্যসূচীয়ে সমাজত শিশু শ্ৰমৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ লগতে প্ৰতিজন শিশুৰ বাবে এক সুৰক্ষিত, সুস্থ আৰু উজ্জ্বল ভৱিষ্যৎ নিশ্চিত কৰাত সহায়ক হ'ব। বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱসৰ এই তাৎপৰ্যপূৰ্ণ কাৰ্যসূচীৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তলৈ এক সুস্পষ্ট বাৰ্তা প্ৰেৰণ কৰা হয়— 'শিশুৰ স্থান বিদ্যালয়ত, কৰ্মক্ষেত্ৰত নহয় ঃ শিশুৰ অধিকাৰ সুৰক্ষিত কৰাটো আমাৰ সকলোৰে সামূহিক দায়িত্ব।'



**নকছাৰিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণ আৰু শ্ৰম আয়ুক্ত কাৰ্যালয়ৰ উদ্যোগত, জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰ সহযোগত নকছাৰিৰ কাকজান চাহ বাগিচাত কালি বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱস পালন কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱিকা মুন্নী বেগমে সঞ্চালনা কৰা সভাত যোৰহাট জিলা শ্ৰম আয়ুক্ত ৰূপালী পেগু, জিলা শিশু সুৰক্ষা বিষয়া ৰিজুৱানা তাচমিন হাজৰিকা, শ্ৰম পৰিদৰ্শক দীক্ষিতা মজুমদাৰ, আইন সেৱা অধিবক্তা ৰাজশ্ৰী দোলাকাষৰীয়া, কাকজন চাহ বাগিচাৰ মুখ্য পৰিচালক ইমদাদুল হক, জনকল্যাণ বিষয়া ফ্ৰেংকি ৰৰং, মায়াশ্ৰী হাজৰিকা, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা শান্তা শইকীয়া, ডেইজী বৰা, জিলা শিশু সুৰক্ষা গোটৰ প্ৰাঞ্জল বৰা উপস্থিত হৈ শিশুসকলক সুৰক্ষিত কৰি ৰাখি তেওঁলোকৰ শৈক্ষিক, শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত কেনেকৈ সহায় কৰিব পাৰি লগতে শিশুসকলক কোনোবাই শ্ৰমিক হিচাপে ব্যৱহাৰ কৰিলে কেনেধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেই বিষয়ে সকলোৱে বিতংভাৱে মন্তব্য আগবঢ়ায়। সভাত গাঁওৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক, আটছাৰ কাকজন আঞ্চলিক সভাপতি উত্তম কালন্দী, ২৫ নং গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য শংকৰ ৰাজোৱাৰ,মণ্ডল সভাপতি মণ্টু কুৰ্মী,অসম চাহ মজদুৰ সংঘ যোৰহাট শাখাৰ সাংগঠনিক সম্পাদক ডেভিদ কালন্দী, স্থানীয় আশা কৰ্মী, স্বাস্থ্য বিভাগৰ বিষয়ববীয়া,স্থানীয় ৰাইজ উপস্থিত থাকে।



### শিক্ষাৰ্থীৰ স্বাৰ্থত বৃহৎ পৰিৱৰ্তন এন টি এৰ

# নীট পৰীক্ষাৰ সময় ১৫ মিনিট বৃদ্ধিৰ সিদ্ধান্ত



**নতুন দিল্লী, ১৩ জুন ঃ** দীৰ্ঘ বিতৰ্কৰ পাছত নীট-ইউ জি ২০২৬ৰ পুনৰ পৰীক্ষা অনুষ্ঠিত হ'ব ২১ জুনত। তাৰ পূৰ্বে আজি পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে এটি নতুন বিবৃতি প্ৰকাশ কৰিলে নেচনেল টেষ্টিং এজেন্সী, নীট-ইউ জি পৰীক্ষাৰ আয়োজক সংস্থাই। জানিব পৰা মতে, পৰীক্ষা পদ্ধতিত যথেষ্ট পৰিৱৰ্তন ঘটোৱা হৈছে। ইয়াৰ ভিতৰত অন্যতম হ'ল পৰীক্ষাৰ সময়সীমা ১৫ মিনিট বৃদ্ধি কৰাটো। অৰ্থাৎ এতিয়া মুঠ সময় হ'ব ৩ ঘণ্টা ১৫ মিনিট। অহা ২১ জুনত নীট পৰীক্ষা দুপৰীয়া ২ বজাত আৰম্ভ হ'ব আৰু শেষ হ'ব বিয়লি ৫.১৫ বজাত। তদুপৰি 'ৰাফ ৱৰ্ক' কৰাৰ বাবে পৰীক্ষাৰ্থীসকলক এতিয়া পূৰ্বৰ দুটা পৃষ্ঠাৰ পৰিৱৰ্তে মুঠ চাৰিটা পৃষ্ঠা দিয়া হ'ব। তৃতীয়তে বুকলেটৰ নক্সাতো কিছু পৰিৱৰ্তন অনা হৈছে। ইয়াৰ ফলত বাঁওহতীয়া পৰীক্ষাৰ্থীসকলে অধিক সুবিধা লাভ কৰিব। পূৰ্বতে 'ৰাফ ৱৰ্ক' কৰাৰ বাবে যি পৃষ্ঠা দিয়া হৈছিল, সেয়া বুকলেটৰ একেবাৰে শেষত আছিল। কিন্তু এইবাৰৰ পৰা বুকলেটৰ আৰম্ভণিতে দুটা পৃষ্ঠা থাকিব আৰু শেষত থাকিব আন দুটা পৃষ্ঠা। এই নক্সা ইংৰাজী আৰু সকলো ধৰণৰ আঞ্চলিক ভাষাৰ প্ৰশ্ন পত্ৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। চতুৰ্থতে বিশেষভাৱে সক্ষম পৰীক্ষাৰ্থীসকলৰ বাবে এন টি এৰ তৰফৰ পৰা প্ৰৱৰ্তন কৰা হ'ব ৰাইটাৰ আবেদনৰ প'ৰ্টেল। এই প'ৰ্টেলৰ জৰিয়তে প্ৰাৰ্থীসকলে তেওঁলোকৰ পৰীক্ষাত সাহায্যকাৰী ৰাইটাৰৰ প্ৰয়োজনীয় নথি-পত্ৰ আৰু বিৱৰণ জমা দিব পাৰিব। পঞ্জীয়ন কৰোঁতে নীটৰ ৱেবছাইট চাব লাগিব পৰীক্ষাৰ্থীসকলে। এন টি এ জনাইছে যে পৰীক্ষা পদ্ধতিত স্বচ্ছতা আৰু নিৰাপেক্ষতা বজাই ৰাখিবলৈ এই সকলো পৰিৱৰ্তন অনা হৈছে।

## দেশৰ পৰৱৰ্তী সেনাপ্ৰধানৰ পদত লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠ

### ৩০ জুনত গ্ৰহণ কৰিব দায়িত্ব



**নতুন দিল্লী, ১৩ জুন ঃ** দেশৰ পৰৱৰ্তী স্থলসেনাৰ মুৰব্বীৰূপে দায়িত্ব ল'ব লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠে। এই কথা আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে কেন্দ্ৰীয় চৰকাৰে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে জাৰি কৰা এক বিবৃতিত প্ৰকাশ পোৱা মতে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠক ভাৰতীয় স্থলসেনাৰ মুৰব্বী পদত নিযুক্তিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। অহা ৩০ জুনত বৰ্তমানৰ সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰপৰা কাৰ্যভাৰ গ্ৰহণ কৰিব। সেইদিনাই জেনেৰেল দ্বিবেদীয়ে অৱসৰ গ্ৰহণ কৰিব। ২০২৮ চনৰ ৩১ আগষ্টলৈ দেশৰ সেনাপ্ৰধানৰূপে কাৰ্যভাৰ চম্ভালিব লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠে। সেনা বিষয়াগৰাকীয়ে ১৯৮৬ চনত ভাৰতীয় সেনাৰ আৰ্মড কোৰ্পছত যোগদান কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ মৰু অঞ্চলত আৰ্মাড ৰেজিমেণ্ট, আমাৰ্ড ব্ৰিগেড আৰু জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ প্ৰতিৰোধী বাহিনীৰ নেতৃত্ব লয়। লেফটেনেণ্ট জেনেৰেল পদলৈ পদোন্নতি লাভৰ পাছত তেওঁ সুদৰ্শন চক্ৰ কোৰৰ নেতৃত্বত লয়। পাছত দিল্লীত জেনেৰেল অফিচাৰ কমাণ্ডিং পদত নিযুক্তি দিয়া হয়। সেই দায়িত্বত থাকি লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠে কেইবাটাও গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অভিযান তদাৰক কৰে। তেওঁ দক্ষিণ চুডানত ৰাষ্ট্ৰসংঘৰ অভিযানতো সেৱা আগবঢ়াইছিল।

### পূৰ্বৰ চৰকাৰৰ কেলেংকাৰীক লৈ সক্ৰিয় তদন্তকাৰী সংস্থা, প্ৰাক্তন মন্ত্ৰীৰ বিৰুদ্ধে অভিযান

# বিজেপি চৰকাৰৰ আইনী চক্ৰবেহুত তৃণমূলৰ নেতা



**কলকাতা, ১৩ জুন ঃ** পশ্চিমবংগত মমতা বেনাৰ্জীৰ নেতৃত্বাধীন পূৰ্বৰ চৰকাৰখনৰ আমোলত উত্থাপিত হোৱা কেলেংকাৰীৰ অভিযোগক লৈ এক আইনী চক্ৰবেঁহুত সোমাই পৰিছে তৃণমূল কংগ্ৰেছ। ৰাজ্যখনত ক্ষমতা হেৰুৱাৰ পাছৰেপৰা বিসম্বাদত জৰ্জৰিত হোৱা দলটোৰ নেতা-কৰ্মীৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহক লৈ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে নৱগঠিত বিজেপি চৰকাৰখনে। চৰকাৰৰ নিৰ্দেশত আৰক্ষী আৰু তদন্তকাৰী সংস্থাসমূহে পূৰ্বৰ চৰকাৰৰ কেলেংকাৰীৰ অভিযোগৰ ফাইল খুলি তৃণমূলৰ নেতাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। কাজেই সংকট বাঢ়িছে বিৰোধী শিবিৰৰ আগশাৰীৰ নেত্ৰী মমতা বেনাৰ্জীৰ। আজি পুৱাই কেন্দ্ৰীয় অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখা চমুকৈ ই ডিৰ বৃহৎ দলে তৃণমূল কংগ্ৰেছৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী মদন মিশ্ৰৰ কেইবাটাও স্থানত তালাচী অভিযান চলায়। ই ডিৰ কলকাতা শাখাই মমতা বেনাৰ্জীৰ চৰকাৰৰ আমোলত পৌৰ নিগমত হোৱা নিযুক্তি কেলেংকাৰীৰ গোচৰত এই অভিযান চলোৱা বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি মদন মিশ্ৰই কামৰ হাটী পৌৰ নিগমসহ কেইবাখনো নগৰপালিকাৰ বিভিন্ন পদত অযোগ্য লোকক নিযুক্তিৰ বিনিময়ত উৎকোচৰূপে নগদ ধন আৰু সোণ সংগ্ৰহ কৰিছিল। নেতাগৰাকীয়ে অবৈধভাৱে ১২৫ টা পদত নিযুক্তি দিয়াৰ তথ্য লাভ কৰা বুলি প্ৰকাশ কৰিছে তদন্তকাৰী সংস্থাটোৱে। ইডিয়ে দক্ষিণেশ্বৰত থকা মদন মিশ্ৰৰ বাসগৃহত তালাচী চলায়। তালাচীত ইডিৰ দলে লাভ কৰিছে কিছু নগদ ধন আৰু তথ্য-পাতি। সমান্তৰালকৈ বেংকৰ ৬টা একাউণ্টৰ তথ্যও লাভ কৰা বুলি জানিব পৰা গৈছে। তথ্য অনুসৰি মদন মিশ্ৰৰ নামত থকা ৭টা সম্পত্তিত অভিযান চলাইছে ই ডিৰ দলটোৱে। যোৱা মাহত ই ডিয়ে নগৰ পালিকাৰ নিযুক্তি কেলেংকাৰী আৰু হাৱালা গোচৰত তৃণমূল কংগ্ৰেছৰ নেতা সুজিত বসুক গ্ৰেপ্তাৰ কৰিছিল। লগতে ৰণিন দাস নামৰ আন এজনক সোধাপোছা কৰিছিল। কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে চিবিআয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত এই তদন্তপ্ৰক্ৰিয়া আৰম্ভ কৰিছিল ইডিয়ে। অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাই পশ্চিমবংগৰ বিভিন্ন নগৰপালিকাৰ বহু পদত নিযুক্তিত হোৱা অনিয়মৰ তদন্তত গুৰুত্বপূৰ্ণ তথ্য লাভ কৰা বুলি ইতিমধ্যে লিখিতভাৱে কলকাতা উচ্চ ন্যায়ালয়ক অৱগত কৰিছে। ইয়াৰ পূৰ্বে ৰাজ্যখনত শিক্ষক নিযুক্তি কেলেংকাৰীৰ তদন্ত কৰি আছিল ইডিয়ে। ইডিৰ তদন্তত পোহৰলৈ আহিছে যে কেইবাখনো নগৰ নিগম আৰু নগৰ পালিকাৰ নিযুক্তি প্ৰক্ৰিয়াৰ কাম এ বি এছ ইনফজ'ন প্ৰাইভেট লিমিটেড নামৰ এটা কোম্পানীক দিয়া হৈছিল। ইডিয়ে অভিযোগ কৰিছে যে কোম্পানীটোৰ সঞ্চালক আয়ান শীলে একাংশ চৰকাৰী বিষয় আৰু ৰাজনৈতিক নেতাৰে মিলি কেলেংকাৰীৰ ষড়যন্ত্ৰ ৰচিছিল। অনুসন্ধানকাৰী সংস্থাটোৱে ইতিমধ্যে আয়ান শীলৰ বিৰুদ্ধে কলকাতাৰ পি এম এল ই আদালতত অভিযোগনামা দাখিল কৰিছে।




## মমতাৰ উপস্থিতিত চলিল তালাচী অভিযান অভিষেক বেনাৰ্জীৰ আৱাসত নিশা আৰক্ষীৰ দল

**কলকাতা, ১৩ জুন ঃ** বিসম্বাদে তৃণমূল কংগ্ৰেছক অস্থিৰ কৰি ৰখাৰ সময়তে শনিবাৰে গভীৰ নিশা দলটোৰ সাংসদ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ আৱাসত উপস্থিত হয় আৰক্ষীৰ দল। জানিব পৰা মতে পশ্চিম মেদিনীপুৰ আৰক্ষীয়ে অভিষেক বেনাৰ্জীৰ ব্যক্তিগত সচিব সুমিত ৰায়ৰ বিৰুদ্ধে বলপূৰ্বক ধন সংগ্ৰহৰ এটা গোচৰ ৰুজু কৰিছে। সেই গোচৰ সংক্ৰান্ততে সাংসদগৰাকীৰ আৱাসত আৰক্ষী উপস্থিত হয়। গোচৰৰ খবৰ আগতীয়া লাভ কৰি পূৰ্বেই ভতিজা অভিষেক বেনাৰ্জীৰ বাসগৃহত হাজিৰ হৈছিল প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী। গতিকে মমতা বেনাৰ্জীৰ উপস্থিতিতে আৰক্ষীৰ দলটোৱে আৱাসটোত তালাচী চলায়। সেই সময়ত অভিষেক বেনাৰ্জীও নিজ আৱাসতে আছিল। প্ৰাপ্ত খবৰ অনুসৰি নিশা প্ৰায় ২.৩০ বজাত পশ্চিম মেদিনীপুৰ জিলাৰ আৰক্ষী কালীঘাটত থকা অভিষেক বেনাৰ্জীৰ আৱাসত উপস্থিত হয়। আৰক্ষীয়ে তলা ভাঙি ঘৰটোৰ তালাচী চলায়। তালাচীৰ সময়ত আৰক্ষীৰ লগত আছিল কেন্দ্ৰীয় সুৰক্ষা বাহিনীৰ জোৱান। অভিযোগ অনুসৰি অভিষেক বেনাৰ্জীৰ ব্যক্তিগত সচিব সুমিত ৰায়ে পশ্চিমবংগৰ শালবনীত দলীয় টিকট দিয়া আৰু চৰকাৰী বিদ্যালয়ত চাকৰি প্ৰদানৰ নামত অবৈধভাৱে ধন সংগ্ৰহ কৰিছিল। সম্প্ৰতি সুদীপ ৰায়ৰ সন্ধানত অভিযান চলাই আছে মেদিনীপুৰ আৰক্ষীয়ে। চি আই ডিয়েও স্বাক্ষৰ জালিয়াতিৰ এটা গোচৰত অভিষেক বেনাৰ্জীৰ বিৰুদ্ধে তদন্ত চলাই আছে। অলপতে চিবিআই-চি আই ডিৰ দলে সাংসদগৰাকীক নিজ আৱাসতে সেই গোচৰ সন্দৰ্ভত জেৰা কৰিছিল।

### তৃণমূলৰ আন এজন সাংসদৰ বিদ্ৰোহ

## বিজেপি নেতা ভূপেন্দ্ৰ যাদৱক সাক্ষাৎ সুদীপ বন্দোপাধ্যায়ৰ



**নতুন দিল্লী, ১৩ জুন ঃ** বিপৰ্যয়ে লগ নেৰা হৈছে তৃণমূল কংগ্ৰেছক। ক্ষমতা যোৱাৰ লগে লগে মমতা বেনাৰ্জীৰ সংগ এৰিবলৈ লৈছে সতীৰ্থসকলে। ইতিমধ্যে তৃণমূল কংগ্ৰেছৰ ১৯গৰাকী লোকসভাৰ সাংসদে মমতা বেনাৰ্জীৰ বিৰুদ্ধে বিদ্ৰোহ কৰি বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। আনহাতে, সুস্মিতা দেৱসহ ৰাজ্যসভাৰ তিনিগৰাকী সাংসদেও পদত্যাগ কৰিছে। ইফালে, ৰাজ্যখনত তৃণমূল কংগ্ৰেছৰ অৰ্দ্ধশতাধিক বিধায়কে বিসম্বাদ কৰি মমতা বেনাৰ্জীক শ'লঠেকত পেলাইছে। ইয়াৰ পাছত আজি পুনৰ বিসম্বাদী কাৰ্যকলাপত লিপ্ত হৈছে দলটোৰ আন এগৰাকী লোকসভাৰ সাংসদ। সাংসদ সুদীপ বন্দোপাধ্যায়ে দিল্লীত বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱক সাক্ষাৎ কৰি অস্বস্তিত পেলাইছে মমতা বেনাৰ্জীৰ শিবিৰক। কিয়নো এন ডি এৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে তৃণমূলৰ ১৯গৰাকী সাংসদেও ভূপেন্দ্ৰ যাদৱক সাক্ষাৎ কৰিছিল। এতিয়া সুদীপ বন্দোপাধ্যায়ে বিজেপি নেতাগৰাকীক সাক্ষাৎ কৰাৰ পাছত তেওঁ শিবিৰ সলনি কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে। কলকাতা উত্তৰৰ সাংসদ সুদীপ বন্দোপাধ্যায়ক তৃণমূল কংগ্ৰেছৰ অগ্ৰগণ্য নেতাৰ শাৰীত ৰখা হয়। তেওঁ ছবাৰ সাংসদ হিচাপে নিৰ্বাচিত হৈছে। গতিকে নেতাগৰাকীয়ে শিবিৰ সলালে সেয়া মমতা বেনাৰ্জীৰ ওপৰত আন এক মোক্ষম আঘাত ৰূপে বিবেচিত হ'ব।



## আৰম্ভ হোৱাৰ দুসপ্তাহৰ ভিতৰতে বন্ধ হ'ল বিহাৰৰ সেতু ২৬ কোটি টকাৰ প্ৰকল্পত আৰম্ভণিতে বিপত্তি

**পাটনা, ১৩ জুন ঃ** প্ৰায় ১২ বছৰ ধৰি এখন সেতুৰ বাবে অপেক্ষা কৰিছিল বক্সাৰবাসীয়ে। অৱশেষত মুকলিও কৰা হয় দুসপ্তাহ পূৰ্বে। কিন্তু ২৬ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা ৰে'ল অভাৰ ব্ৰীজৰ এটি পিলাৰত ফাঁট মেলা পৰিলক্ষিত হয়। বিষয়টো দৃষ্টিগোচৰ হোৱাৰ লগে লগে দলঙৰ ওপৰেৰে যান-বাহন চলাচল সম্পূৰ্ণ বন্ধ কৰি দিয়া হৈছে। আৰম্ভ হৈছে তদন্ত। নিম্নমানৰ সামগ্ৰীৰে কাম কৰাৰ অভিযোগত গোচৰ ৰুজু হৈছে ঠিকাদাৰৰ বিৰুদ্ধে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি যোৱা ৩১ মে'ত এই দলংখন মুকলি কৰা হয়। তাৰ পাছত আজি দলংখন পুনৰ বন্ধ কৰি দিয়া হৈছে। প্ৰথমে বৃহৎ ওজনৰ গাড়ী চলাচল বন্ধ ৰখা হৈছিল। পৰৱৰ্তী সময়ত সৰু গাড়ীৰ চলাচলো নিষিদ্ধ কৰি দিয়া হৈছে। অৱশ্যে এই সেতুৰ দায়িত্বত থকা বিহাৰ ৰাজ্য পুল নিৰ্মাণ নিগমৰ দাবী অনুসৰি দলংখন এতিয়াও আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হোৱা নাই। তাত এতিয়াও নিৰ্মাণ কাৰ্য চলাই থকা হৈছে।

### ফ্ৰান্স-শ্লোভাকিয়াত ব্যস্ততাপূৰ্ণ কাৰ্যসূচী

## সপ্তাহজোৰা ভ্ৰমণসূচীৰে বিদেশলৈ প্ৰধানমন্ত্ৰী মোডী




**নতুন দিল্লী, ১৩ জুন ঃ** প্ৰায় এসপ্তাহৰ চৰকাৰী ভ্ৰমণসূচী লৈ আজি বিদেশলৈ ৰাওনা হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে জনোৱা মতে প্ৰথমে ফ্ৰান্সত উপস্থিত হ'ব। কাইলৈ আৰু সোমবাৰে তেওঁ দেশখনৰ নীছ চহৰ ভ্ৰমণ কৰিব। ১৬ৰ পৰা ১৯ জুনলৈ ফ্ৰান্সৰ এভিয়ন আৰু পেৰিছ চহৰত থাকিব প্ৰধানমন্ত্ৰী। ইয়াৰ মাজতে তেওঁ অহা ১৬ আৰু ১৭ জুনত এভিয়নত আয়োজন কৰা জি-৭ শীৰ্ষক সন্মিলনখনত অংশ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে লগতে জনোৱা মতে ফ্ৰান্স ভ্ৰমণৰ মাজতে অহা ১৪ জুনত দিনজোৰা কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী মোডী শ্লোভাকিয়ালৈ যাব। ১৬ জুনত ফ্ৰান্সলৈ উভতি আহিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়তে ভাৰত আৰু ফ্ৰান্সৰ মাজত ৰাফেলক লৈ গুৰুত্বপূৰ্ণ চুক্তি সম্পাদনৰ সম্ভাৱনা আছে। জানিব পৰা মতে, ফ্ৰান্সে মেক ইন ইণ্ডিয়াৰ অধীনত মাল্টি ৰুল ফাইটাৰ এয়াৰক্ৰাফ্ট প্ৰকল্পত কাম আগবঢ়োৱাৰ কথা বিবেচনা কৰি আছে। ইয়াৰ অধীনত ফ্ৰান্সৰ আগশাৰীৰ কোম্পানী ওছাল্ট এভিএছনে ১৮খন ৰাফেল যুঁজাৰু বিমান ভাৰতলৈ যোগান ধৰিব। বাকী ৰাফেল বিমান ভাৰতত নিৰ্মাণ হ'ব। তাত দুয়োখন দেশৰ প্ৰায় ৫০ শতাংশলৈ অংশদাৰিত্ব থাকিব। ২০১৫ চনত মোডী চৰকাৰে ফ্ৰান্সৰ পৰা ৩৬খন ৰাফেল ক্ৰয় কৰাৰ সিদ্ধান্ত লৈছিল। যোৱা বৰ্ষত ভাৰতীয় নৌসেনাই ৰাফেল যুঁজাৰু বিমানৰ ২৬খন মেৰীন ভেৰিয়েণ্ট ক্ৰয় কৰাৰ বাবে ফ্ৰান্সৰ সৈতে ৬৪ হেজাৰ কোটি টকাৰ চুক্তি কৰিছিল। ফ্ৰান্সত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত অন্য কেইবাখনো গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে দিয়া তথ্য অনুসৰি ১৪ জুনত প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সত ৰাষ্ট্ৰপতি ইমেনুৱেল মেক্ৰৰ সৈতে নীছত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তাতেই দুয়োগৰাকী নেতাই 'ভাৰত ইনোভেটছ' শীৰ্ষক এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী উদ্বোধন কৰিব। ১৯৯৩ চনত স্বতন্ত্ৰতা লাভৰ পাছত শ্লোভাকিয়া ভ্ৰমণ কৰা প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীৰূপে ১৪ জুনত নৰেন্দ্ৰ মোডী দেশখনত উপস্থিত হ'ব। সেই ভ্ৰমণকালত ভাৰত আৰু শ্লোভাকিয়াৰ মাজত বাণিজ্য, বিনিয়োগকে ধৰি বিভিন্ন বিষয়ত আলোচনা আৰু চুক্তি সম্পাদন হ'ব পাৰে। ১৬ আৰু ১৭ জুনত জি-৭ শীৰ্ষক সন্মিলনত অংশ লোৱাৰ লগতে প্ৰধানমন্ত্ৰী মোডীয়ে কেইবাগৰাকীও বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব বুলি জানিব পৰা গৈছে।

## ২৪ ঘণ্টাৰ ভিতৰত অৱসান ঘটিব আমেৰিকা-ইৰান যুদ্ধৰ


### ৯ জুলাইত সমাধিস্থ কৰা হ'ব খামেনেইক

**ইছলামাবাদ, ১৩ জুন ঃ** ২৪ ঘণ্টাৰ ভিতৰত আমেৰিকা আৰু ইৰানৰ মাজত অব্যাহত থকা মধ্যপ্ৰাচৰ যুদ্ধৰ অৱসানৰ ইংগিত দিছে পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে। পাক প্ৰধানমন্ত্ৰীগৰাকীয়ে শনিবাৰে ব্যক্ত কৰা মতে, যুদ্ধবাজ আমেৰিকা আৰু ইৰানে অব্যাহত ৰখা যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে শান্তি চুক্তি সম্পাদনৰ সম্ভাৱনা প্ৰকট হৈছে। দুয়োখন দেশে যুদ্ধৰ শান্তিপূৰ্ণ সমাধানৰ বাবে অনলাইন চুক্তিত মিলিত হোৱাৰ পাছত পৰৱৰ্তী কাৰ্যব্যৱস্থা প্ৰস্তুত কৰা হ'ব। কেইবা মাহজোৰা মধ্যপ্ৰাচ্যৰ সংঘাত অৱসান ঘটোৱাৰ বাবে অনলাইন মাধ্যমত চুক্তিত মিলিত হোৱাৰ পাছতে দুয়োপক্ষই অহা সপ্তাহৰ পৰা শান্তিৰ বাবে পৰৱৰ্তী আলোচনাৰ কাৰ্যব্যৱস্থা আগবঢ়াই নিয়াৰ কথাও সদৰি কৰে শ্বৰীফে। ছ'চিয়েল মিডিয়াৰ প্লেটফৰ্ম এক্সত পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে ২৪ ঘণ্টাৰ ভিতৰত যুদ্ধ অৱসানৰ ইংগিত দিয়াৰ পাছতে মধ্যপ্ৰাচ্যৰ পৰিস্থিতি উত্তপ্ত কৰি ৰখা উত্তেজনা অৱসানৰ সম্ভাৱনা দেখা গৈছে। উল্লেখ্য যে শেহতীয়াভাৱে পাকিস্তানে আমেৰিকা-ইৰান সংঘাত অৱসানৰ বাবে মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। এই প্ৰক্ৰিয়াত পূৰ্বৰ তুলনাত অধিক আশাপ্ৰদ অগ্ৰগতি লাভ কৰাৰ তথ্য সদৰি কৰিছে পাক প্ৰধানমন্ত্ৰীগৰাকীয়ে। ২৪ ঘণ্টাৰ ভিতৰত চুক্তিৰ সম্ভাৱনা চূড়ান্ত হ'লে পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু হোৱাৰ কথাও সদৰি কৰে প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে। ইফালে, ইৰানৰ পূৰ্বৰ সৰ্বোচ্চ ধৰ্মীয় নেতা আলী খামেনেইক অহা ৯ জুলাইত সমাধিস্থ কৰা হ'ব বুলি ইৰানৰ দেশীয় টেলিভিছনে বাতৰি সম্প্ৰচাৰ কৰিছে। ৩৭ বছৰ ধৰি দেশখনক নেতৃত্ব দিয়া নেতাগৰাকীৰ যোৱা ২৮ ফেব্ৰুৱাৰীত ইজৰাইল আৰু আমেৰিকাই চলোৱা আক্ৰমণত মৃত্যু ঘটিছিল। প্ৰয়াত নেতাগৰাকীক অহা ৯ জুলাইত তেওঁৰ গৃহ চহৰ মাশ্বাদত সমাধিস্থ কৰাৰ কথা। যোৱা মাৰ্চ মাহত নেতাগৰাকীক সমাধিস্থৰ পৰিকল্পনা আছিল যদিও যুদ্ধৰ পৰিপ্ৰেক্ষিতত এই কাৰ্যসূচী বাতিল কৰা হয়। অহা ৪ জুলাইৰ পৰা তেহৰানত তিনিদিনীয়া ৰাষ্ট্ৰীয় শোক আৰু কিউমত ৭ জুলাইৰ পৰা ৰাষ্ট্ৰীয় শোক পালন কৰাৰ পাছতে নেতাগৰাকীক সমাধিস্থ কৰা হ'ব। ইতিমধ্যে নেতাগৰাকীৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ মোস্তাফা খামেনেই ইৰানৰ সৰ্বোচ্চ ধৰ্মীয় নেতা হিচাপে দায়িত্ব লাভ কৰিছে। উত্তৰাধিকাৰী মোস্তাফাও পিতৃৰ মৃত্যু ঘটা আক্ৰমণত আহত হোৱাৰ তথ্য প্ৰকাশ পাইছিল।



### ভেনিজুৱেলাত মাৰ্কিন সেনাৰ অভিযান

## কুখ্যাত ড্ৰাগ্‌ছ মাফিয়া গুৱেৰেৰো নিহত



**নিউয়ৰ্ক, ১৩ জুন ঃ** সম্প্ৰতি ইৰানত শান্তি বিৰাজ কৰিলেও ভেনিজুৱেলাত সক্ৰিয় হৈ পৰিছে মাৰ্কিন সেনা। সামৰিক অভিযানত ভেনিজুৱেলাত মৃত্যু হৈছে উগ্ৰপন্থী নেতা আৰু ড্ৰাগ্‌ছ মাফিয়া নিনো গুৱেৰেৰো। সামাজিক মাধ্যমত এই সামৰিক অভিযানৰ কথা উল্লেখ কৰি তাৰ ভিডিঅ' ফুটেজো প্ৰকাশ কৰিছে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। শুকুৰবাৰে গোপনে এই উগ্ৰবাদী নেতাজনৰ ঘাটীত অভিযান চলাই মাৰ্কিন বাহিনীয়ে খুব কম সময়ৰ অভিযানত ড্ৰাগ্‌ছ মাফিয়া তথা উগ্ৰপন্থীজনক হত্যা কৰা হৈছে বুলি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে জনাইছে। তেওঁ এই উগ্ৰপন্থী নেতাজনক ৰক্তপিপাসু বুলিও উল্লেখ কৰিছে। উল্লেখ্য যে গুৱেৰেৰো আছিল ট্ৰেন দ্য আৰাগুৱা নামৰ এটি উগ্ৰপন্থী সংগঠনৰ প্ৰধান। আমেৰিকাই এই অপৰাধ চক্ৰ আৰু নেতাজনক ব্লেকলিষ্টেড কৰিছিল। নিউয়ৰ্কৰ আদালতে গুৱেৰেৰোৰ বিৰুদ্ধে হত্যা, অপহৰণ, মাদক দ্ৰব্য সৰবৰাহ আৰু আমেৰিকাত উগ্ৰবাদী কাৰ্যকলাপত সহযোগিতা আগবঢ়োৱাসহ কেইবাটাও অভিযোগত গোচৰ ৰুজু কৰিছিল। মাৰ্কিন প্ৰতিৰক্ষা বিভাগে গুৱেৰেৰোৰ মূৰৰ দাম ঘোষণা কৰিছিল ৪৭ কোটি টকা। উত্তৰ, দক্ষিণ আমেৰিকা আৰু ইউৰোপতো বহু হত্যা, হিংসা, প্ৰৱঞ্চনা, মাদক দ্ৰব্য সৰবৰাহ আৰু উগ্ৰবাদী কাৰ্যকলাপত জড়িত হৈ পৰিছিল গুৱেৰেৰো। কেইদিনমান পূৰ্বে ট্ৰাম্পে ঘোষণা কৰিছিল যে আত্মগোপন কৰিও ৰক্ষা নাপাব উগ্ৰপন্থী নেতা গুৱেৰেৰো।

## ইলন মাস্ক বিশ্বৰ প্ৰথম ট্ৰিলিয়নাৰ

### ধনী ব্যক্তিৰ তালিকাত ভাৰতৰ কেইবাগৰাকী ব্যক্তি



**নিউয়ৰ্ক, ১৩ জুন ঃ** বিগত কেইবাবছৰ ধৰি বিশ্বৰ ধনাঢ্য ব্যক্তি হিচাপে তালিকাৰ শীৰ্ষত আছিল তেওঁ। অৱশ্যে ইমান দিনে এলন মাস্ক আছিল বিলিয়নাৰ। এইবাৰ তেওঁ ট্ৰিলিয়নাৰ তথা লক্ষ কোটিপতি হিচাপে পৰিগণিত হৈছে। অৰ্থাৎ তেওঁ একক সম্পত্তিৰ পৰিমাণ এক লাখ কোটি টকা। ইয়াৰ পূৰ্বে বিশ্বৰ কোনো ব্যক্তিৰ এনে নজিৰ নাই। মাস্কৰ ১.০৫ ট্ৰিলিয়ন ডলাৰৰ মুঠ সম্পদ কেইবাখনো দেশৰ বাৰ্ষিক উৎপাদনৰ সমান। এলনৰ পাছতে বিশ্বৰ দ্বিতীয় ধনী ব্যক্তি লেৰি পেজ। তেওঁৰ সম্পত্তিৰ পৰিমাণ ২৯,৪০০ কোটি ডলাৰ। তাৰ পাছতে আছে ক্ৰমে ছাৰ্জে ব্ৰীন (২৭,১০০ কোটি ডলাৰ), জেফ বেজছ (২৪,৮০০ কোটি ডলাৰ) আৰু লেৰী এলিচন (২৩,১০০ কোটি ডলাৰ)। বিশ্বৰ ধনী ব্যক্তিসকলৰ তালিকাত ভাৰতৰ কেইবাজনো বিত্তশালীয়ে স্থান লাভ কৰিছে। অৱশ্যে এলনৰ তুলনাত তেওঁলোক একেবাৰে দুখীয়া। উদাহৰণ স্বৰূপে ফৰ্বছৰ তালিকাত ভাৰতৰ ধনীতম ব্যক্তি মুকেশ আম্বানী আছে ১৬ নম্বৰত। তেওঁৰ সম্পদৰ পৰিমাণ এতিয়া ৭,৮০০ কোটি ডলাৰ। গৌতম আদানিৰ ৯,২০০ কোটি টকাৰ সম্পত্তি আছে। দেশৰ অন্যতম ধনী পৰিয়াল জিন্দালৰ আছে ৩,৮০০ কোটি, মিট্ৰাল পৰিয়ালৰ সম্পদ ৩,৪০০ কোটি, শিৱ নদৰৰ সম্পদ ২,৫০০ কোটি ডলাৰ। টাটা গোষ্ঠীৰ মুঠ সম্পদ ৩০,০০০ কোটি ডলাৰ, কুমাৰ মংগলম বিৰলাৰ সম্পদ ২,৭০০ কোটি ডলাৰ। এওঁলোকৰ সকলোৰে সম্পদ লগ কৰিলেও স্পেচ এক্সৰ মালিক এলন মাস্কৰ ওচৰ চাপিব নোৱাৰিব।

# পাৰাগুৱেক হৰুৱালে আমেৰিকাই



**ৱাশ্বিংটন, ১৩ জুন ঃ** ফিফা ফুটবল বিশ্বকাপত আজি ৯৬ বছৰীয়া ইতিহাসৰ পুনৰাবৃত্তি দেখা গ'ল। আয়োজক আমেৰিকাই গ্ৰুপ 'ডি'ৰ মেচত পাৰাগুৱেক ৪-১ গ'লত পৰাস্ত কৰে। প্ৰথম বৰ্ষৰ বিশ্বকাপতো পাৰাগুৱেক আমেৰিকাই একপক্ষীয় মেচত ৩-০ গ'লত হৰুৱাইছিল। সেই মেচখনতে আমেৰিকাৰ বাৰ্ট পাটেনউডে টুৰ্নামেণ্টৰ ইতিহাসৰ প্ৰথমটো হেটট্ৰিক অৰ্জন কৰিছিল। উল্লেখ্য যে ৩২ বছৰ পাছত ঘৰৰ মাটিত এইবাৰ বিশ্বকাপ খেলিছে আমেৰিকাই। দলটোৱে দুৰন্ত আৰম্ভণি কৰিলে এইবাৰৰ টুৰ্নামেণ্টত। আক্ৰমণাত্মক খেলেৰে পাৰাগুৱেক আজি ব্যতিব্যস্ত কৰি তোলে। প্ৰথমটো গ'ল আত্মঘাতী আছিল যদিও বাকী তিনিটা দৰ্শনীয় গ'ল কৰে ক্ৰমে ফ'লাৰিন বালোগুন আৰু গিয়োভান্নি ৰেয়ানাই। ৩১ মিনিট আৰু ৪৫ মিনিটত দুটা গ'ল কৰে ফ'লাৰিনে। ইনজুৰী টাইমত আনটো গ'ল কৰে ৰেয়ানাই। আত্মঘাতী গ'লটো পাৰাগুৱেৰ হৈ দিয়ে ডেমিয়ান ব'বাডিলাই। আনহাতে, পাৰাগুৱেৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে ৭৩ মিনিটত ম'ৰিচিঅ'ৱে। প্ৰথমবাৰৰ বাবে আমেৰিকাই চাৰি গ'লেৰে বিশ্বকাপৰ মেচত জয়ী হয়। আজিৰ জয়েৰে গ্ৰুপ 'ডি'ৰ শীৰ্ষস্থান দখল কৰে আমেৰিকাই। চতুৰ্থ স্থানত থাকে পাৰাগুৱে। আমেৰিকাৰ হৈ আজি দুটা গ'ল কৰা ২৪ বছৰীয়া ফ'লাৰিনে বিশ্বকাপৰ অভিষেকতে দুটাকৈ গ'ল কৰি নতুন অভিলেখ গঢ়ে। ১৯৩০ চনৰ পাছত বিশ্বকাপৰ এখন মেচত দুটা গ'ল কৰা তেওঁ দ্বিতীয়জন মাৰ্কিন খেলুৱৈৰূপে পৰিগণিত হয়। উল্লেখ্য যে আমেৰিকা আৰু পাৰাগুৱেই বিশ্বকাপত দুবাৰেই মুখামুখি হৈছে আৰু দুয়োবাৰেই সহজ জয় সাব্যস্ত কৰে আমেৰিকাই। ২০ জুনত অষ্ট্ৰেলিয়া আৰু ২৬ জুনত তুৰস্কৰ বিৰুদ্ধে আমেৰিকাই গ্ৰুপৰ আন মেচ দুখন খেলিব।

## বৈভৱৰ ভাতৃৰ চমক




**নতুন দিল্লী, ১৩ জুন ঃ** বৈভৱ সূৰ্যবংশীয়ে ক্ৰিকেট বিশ্বত ধুমুহাৰ সৃষ্টি কৰাৰ সময়তে তেওঁৰ কনিষ্ঠ ভাতৃ আশীৰ্বাদো শতকীয় ইনিংছেৰে চৰ্চালৈ আহিছে। ক্ৰিকেট একাডেমী অব তাজপুৰৰ হৈ বিহাৰৰ এখন স্থানীয় মেচত আশীৰ্বাদ সূৰ্যবংশীয়ে ৮৭টা বলত ১০৩ ৰানৰ ইনিংছেৰে সকলোৰে সৃষ্টি আকৰ্ষণ কৰে। ২০টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰেৰে তেওঁ এই ইনিংছটো সজায়। ১০ বছৰীয়া আশীৰ্বাদৰ এয়া প্ৰথমটো শতক। উল্লেখ্য যে বৈভৱৰ ককায়েক উজ্জ্বলে আশীৰ্বাদৰ ভিডিঅ' আৰু স্ক'ৰকাৰ্ড ছ'চিয়েল মিডিয়াত প্ৰচাৰ কৰিছে।




## প্ৰথম এদিনীয়াত ভাৰতৰ জয়লাভ

**ধৰমশালা, ১৩ জুন ঃ** ছিৰিজৰ প্ৰথমখন এদিনীয়া মেচত আজি আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰে ভাৰতে। বৰ্ষাবিঘ্নিত মেচখন ২৫ অভাৰলৈ হ্ৰাস কৰা হয়। প্ৰথমে বেটিং কৰি আফগানিস্তান ১৯৪ ৰানত অল আউট হয়। উইকেটকীপাৰ বেটাৰ ৰহমতুল্লা গুৰবাজে ৫১টা বলত ১০২ ৰানৰ বিস্ফোৰক ইনিংছ খেলে। ভাৰতৰ হৈ আজি অভিষেক ঘটোৱা গুৰণুৰ ব্ৰাৰ আৰু হৰ্ষ ডুবেই সৰ্বাধিক তিনিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত অধিনায়ক শুভমন গীলৰ অপৰাজিত ৮৪ ৰানৰ সহায়ত ভাৰতে সহজেই জয়ৰ লক্ষ্যত উপনীত হয়। ঈষাণ কিষাণে ৩৪, কে এল ৰাহুলে ৩৯ ৰান কৰে। তিনিটা উইকেট হেৰুৱাই ভাৰত ২২.৫ অভাৰত জয়ৰ লক্ষ্যত উপনীত হয়।


গুৰণুৰ ব্ৰাৰ

**বিশ্বকাপত প্ৰথম পইণ্ট অৰ্জন সহ-আয়োজক দেশখনৰ**

## বছনিয়াৰ বিৰুদ্ধে ড্ৰ খেলিলে কানাডাই



**টৰণ্টো, ১৩ জুন ঃ** ফিফা বিশ্বকাপৰ এইবাৰৰ সহ-আয়োজক কানাডাই গ্ৰুপ 'বি'ৰ এখন মেচত বছনিয়া আৰু হাৰ্জেগোভিনাৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ খেলে। ভাৰতীয় সময় মতে কালি মাজনিশা অনুষ্ঠিত মেচখনত কানাডা ৭৭ মিনিটলৈ ০-১ ব্যৱধানত পিছপৰি আছিল। মেচৰ ২১ মিনিটতে বছনিয়াৰ হৈ গ'ল দিয়ে জ'ভ' লুকিচে। ৭৬ মিনিটত খেলপথাৰলৈ অহা চাইল লাৰিনে দুই মিনিটৰ ভিতৰতে গ'ল কৰি মেচখনত সমতা স্থাপন কৰে। উল্লেখ্য যে বিশ্বকাপ ফুটবলৰ ইতিহাসত এয়া হৈছে কানাডাৰ দ্বিতীয়টো গ'ল। ১৯৮৬ চনত তিনিওখন মেচতে দলটো পৰাস্ত হৈছিল। ২০২২ চনতো গ্ৰুপ পৰ্যায়ৰপৰা আগুৱাব পৰা নাছিল। ২০২২ চনৰ বিশ্বকাপত ক্ৰ'ৱেচিয়াৰ বিৰুদ্ধে কানাডাৰ হৈ প্ৰথমটো গ'ল দিছিল এলফনছো ডেভিছে। এইবাৰ পৰৱৰ্তী দুখন মেচ কাটাৰ আৰু ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলিব কানাডাই। ড্ৰ কৰাৰ সূত্ৰে বিশ্বকাপৰ ইতিহাসৰ প্ৰথম পইণ্টো লাভ কৰে দেশখনে।

FIFA WORLD CUP 2026

**ফিফা বিশ্বকাপত আজিৰ খেল**

| |
|---|
| হাইটি বনাম স্কটলেণ্ড<br>পুৱা ৬.৩০ বজাত |
| অষ্ট্ৰেলিয়া বনাম তুৰস্ক<br>পুৱা ৯.৩০ বজাত |
| জাৰ্মানী বনাম কুৰাচাও<br>নিশা ১০.৩০ বজাত |
| নেদাৰলেণ্ডছ বনাম জাপান<br>নিশা ১.৩০ বজাত |

**মহিলাৰ টী-২০ বিশ্বকাপত আজি ভাৰত-পাকিস্তান**

## জয়েৰে অভিযান আৰম্ভ ইংলেণ্ডৰ

**লণ্ডন, ১৩ জুন ঃ** মহিলাৰ টী-২০ বিশ্বকাপত জয়েৰে অভিযান আৰম্ভ কৰিছে ইংলেণ্ডে। কালিৰ উদ্বোধনী মেচত শ্ৰীলংকাক ৮৭ ৰানত হৰুৱায় দলটোৱে। শ্ৰীলংকাই টছত জয়ী হৈ প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। নিৰ্দ্ধাৰিত ২০ অভাৰত ইংলেণ্ডে ১ উইকেটত ২১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকা ১৩২ ৰানত অল আউট হয়। ইংলেণ্ডৰ হৈ টী-২০ বিশ্বকাপত অভিষেক ঘটোৱা ফ্ৰেয়া কেম্পে চাৰিটা উইকেট দখল কৰে। আনহাতে, বেটিঙত দলটোৰ অ'পেনাৰ ডানি ৱায়াট-হজে ৬২টা বলত ১০৫ ৰানৰ সংহাৰী ইনিংছ খেলে। অধিনায়ক নাট স্কিভাৰ ব্ৰাণ্টে ৪৬ ৰান কৰে। শ্ৰীলংকাৰ হৈ নীলাক্ষি ডি ছিলভাই সৰ্বাধিক ৩৯ ৰান কৰে। ইফালে কাইলৈ টী-২০ বিশ্বকাপত অভিযান আৰম্ভ কৰিব হৰমনপ্ৰীত কৌৰ বাহিনীয়ে। এজবাষ্টনত পাকিস্তানৰ বিৰুদ্ধে খেলিব ভাৰতে। সন্ধিয়া ৭ বজাৰপৰা মেচখন আৰম্ভ হ'ব। উল্লেখ্য যে টী-২০ ক্ৰিকেটত এই পৰ্যন্ত ভাৰত-পাকিস্তান মহিলা দলৰ মাজত অনুষ্ঠিত ১৬খন মেচৰ ভিতৰত ১৩খনতে ভাৰত জয়ী হৈছে। কাইলৈও ভাৰতেই 'ফেভাৰিট' হিচাপে খেলপথাৰত নামিব।

## ফাইনেলত মাছখোৱা-নৰোদয়

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৩ জুন ঃ** ১৯সংখ্যক ধন সেনা সিন্‌হা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হৈছে মাছখোৱা ক্ৰিকেট ক'চিং চেণ্টাৰ আৰু নৰোদয় ক্ৰিকেট একাডেমী। প্ৰাইজমানি আন্তঃস্কুল-ক'চিং ক্ৰিকেট টুৰ্নামেণ্টখনৰ ছেমি ফাইনেলত আজি নৰোদয়ে ডি পি এছ গুৱাহাটীক ১১ ৰানত আৰু আনাক মাছখোৱাই ৯ ৰানত পৰাস্ত কৰে। লতাশিল খেলপথাৰত অনুষ্ঠিত মেচখনত নৰোদয়ে টছত জয়ী হৈ ২০ অভাৰত ৮ উইকেটত ১৩০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ সুজয় সৰকাৰে ৭৩ ৰানৰ দৰ্শনীয় ইনিংছ খেলে। প্ৰত্যুত্তৰত ডি পি এছে ২০ অভাৰত ৯ উইকেটত ১১৯ ৰান কৰে। সুজয় সৰকাৰে প্লেয়াৰ অব দি মেচ বঁটা লাভ কৰে। আনখন মেচত মাছখোৱাই প্ৰথমে বেটিং কৰি নিৰ্দ্ধাৰিত ১৮ অভাৰত ৬ উইকেটত ৯৩ ৰান কৰে। প্ৰত্যুত্তৰত আনাই ১৮ অভাৰত ৮ উইকেটত ৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।




দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচনছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ



# লুচাইলৰ নিঃসংগ নায়কজন





সৌৰভ শইকীয়া

তিনিটা।
ধুমুহাৰ দৰেই হৈ গ'ল সৰ্বমুঠ তিনিটা গ'ল। তাকো হ'ল মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে, এক বিশ্বকাপ ফুটবলৰ ফাইনেলত। আৰু পৰাজয়।
কি আচৰিত! ইমান নিষ্ঠুৰ বাস্তৱ, ইমান নিষ্ঠুৰ নিয়তি। ১৮ ডিচেম্বৰ, ২০২২। কাটাৰৰ লুচাইল ষ্টেডিয়ামত সেইদিনা এই কথা ইতিমধ্যে দিনৰ পোহৰৰ দৰে পৰিষ্কাৰ হৈ গৈছিল। কিলিয়ান হাৰিছে। ফৰাচী জাতিয়ে এতিয়া আন্ধাৰত বিচাৰি ফুৰিছে নিজৰে হৃদপিণ্ড।

দুৰ্দান্ত প্ৰদৰ্শন কৰিছিল কিলিয়ানে সেইদিনা। প্ৰায় অকলে এককভাৱে ফ্ৰান্সক বোকোচাত তুলি লৈছিল। ইতিহাসৰ পাতত সেয়া সোণৰ আখৰেৰে লিখি থ'বৰ যোগ্য। কিন্তু পৰাজয়, এই যে পৰাজয়— ই এনে এটি ক্ষত, যি সহজে নুশুকায়। গভীৰ বেদনা দিয়ে এই ঘা ডোখৰে
বুকুত। যন্ত্ৰণা। হিচাপ কৰিব নোৱাৰা যন্ত্ৰণা।

মেচৰ প্ৰথমাৰ্ধ আছিল ফ্ৰান্সৰ কাৰণে এটি দুঃস্বপ্নৰ দৰেই। আৰ্জেণ্টিনাই যেন খেলা নাছিল, উৰিছিলহে। লিওনেল মেছিয়ে এটা পেনাল্টী কিকেৰে স্ক'ৰবোৰ্ড খুলি দিলে। তাৰ পাছত দি মাৰিয়াৰ সেই অবিশ্বাস্য গ'ল। চিপ শ্বট বিশ্বকাপ ফাইনেলত। যেন কোনো এম এফ হুছেইনৰ চূড়ান্ত স্পৰ্শ তুলিকাত। দুই গ'লত আগবাঢ়ি আছে আৰ্জেণ্টিনা। ষ্টেডিয়ামৰ আলোকসজ্জাত নীলা-বগা ৰং দুটিয়ে তেতিয়া আকাশ চেৰাই গৈছে। ফৰাচী সমৰ্থকগণ নীৰৱ। অবাক, বিধ্বস্ত। ডাগআউটত দিদিয়েৰ দেশম মূৰে-কপালে হাত দি বহি আছে। সামান্য পৰিৱৰ্তন কৰিছে। কিন্তু কৰিব কি?
যেন গোটেই দলটোৰ ভৰিবিলাকৰ পৰা শক্তি শুহি নিছে কিহবাই।

থৰ লাগি ৰৈ গ'ল এমবাপে। মূৰ তল কৰি নহয়, তথাপি অসহায় কোনোবাখিনিত। এমবাপেৰ চৌদিশে আৰ্জেণ্টিনাৰ উৎসৱ। নীলা-বগা ৰঙৰ প্লাৱন। অকলশৰীয়া তেওঁ। নীল-শুভ্ৰ সমুদ্ৰৰ মাজত ৰঙা-নীলা এটি দ্বীপ। দ্বীপটো নিঃসংগ। হাজাৰ বছৰৰ নিঃসংগতা।

আৰু এমবাপে? খেলপথাৰতে আছিল তেওঁ। কিন্তু অদৃশ্য। আৰ্জেণ্টিনাৰ ৰক্ষণ সেনানীয়ে তেওঁক চুকলৈ ঠেলি দিছিল বাৰে বাৰে। নিকোলাছ ওটামেণ্ডি ক্ৰিষ্টিয়ান ৰোমেৰো এই দৈত্য দুটা যেন তেওঁৰ ভৰি দুটাৰ লগত আঠাৰ দৰে লাগি আছে। ৮০ মিনিট পৰ্যন্ত মেচখনত আছিল আৰ্জেণ্টিনাৰ একছত্ৰী আধিপত্য।

তাৰ পাছত পৃথিৱী থমকি গ'ল।


৮০ মিনিট। কালো মুৱানিক পেনাল্টী বক্সত ফাউল কৰা হ'ল। কোনো সন্দেহ নাই, পৰিষ্কাৰ পেনাল্টী।

আগুৱাই আহিল এমবাপে। বল থ'লে স্পটত। এমিলিয়ানো মাৰ্টিনেজৰ দিশে চাই পঠিয়ালে চকুহালে। নিমখৰ সেই চাৱনিত কোনো ভয়-দৰ নাছিল। নাছিল জৰাগ্ৰস্ততা। এমবাপে! ঠিক এনে এক গ'লগেটাৰৰ চাৱনি, যি জানে তেওঁ কি কৰিব পাৰে।


বল সোমাই গ'ল জালত।

ফ্ৰান্সৰ সমৰ্থকসকলে পোহৰ দেখিবলৈ আৰম্ভ কৰিলে। আশাৰ পোহৰ। কিন্তু তেতিয়া মানে ৮০ মিনিট শেষ হৈ গৈছে। মাত্ৰ দহ মিনিট খেল বাকী। দুই গোলৰ ব্যৱধান কমাই একলৈ আনিলে এমবাপে। কিন্তু আনটো গোল কেতিয়া হ'ব? কেতিয়া হ'ব??

হ'ব। যি হ'ব লগা আছে সেইটোৱে হ'ব। ২ পৃষ্ঠাত চাওক




## অৰূপ মান্নাৰ সমৰ্পণ




## পিতৃতান্ত্ৰিকতাৰ বিপৰীতে এগৰাকী নাৰীৰ অব্যক্ত প্ৰতিবাদ



পাৰ্থজিৎ বৰুৱা

অসমীয়া চিনেমাৰ ইতিহাসত এনে বহুত পৰিচালক আছে, যিসকলে চিনেমাক কেৱল কাহিনী কোৱা বা বিনোদন প্ৰদান কৰাতেই নিজকে সীমাবদ্ধ নাৰাখি, সমাজ, মানুহ আৰু সময়ৰ বহুমাত্ৰিক বাস্তৱৰক উপস্থাপন কৰাৰ শৈল্পিক মাধ্যম হিচাপে ব্যৱহাৰ কৰে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত অৰূপ মান্নাক সেই শ্ৰেণীৰ এজন উল্লেখযোগ্য পৰিচালক বুলিব পাৰি। আইদেউ (২০০৪), জীৱন তৃষ্ণা (২০০৫), কেক্টাছ (২০১৬) আৰু আমৃত্যু (২০১৮)ৰ দৰে চিনেমাৰ জৰিয়তে তেওঁ অসমীয়া চিনেমাক এক স্বতন্ত্ৰ নান্দনিকতা আৰু সামাজিক বোধেৰে সমৃদ্ধ কৰিছে। এই সুদীৰ্ঘ শিল্প-যাত্ৰাৰ স্বীকৃতি স্বৰূপে তেওঁ ২০২৫ বৰ্ষৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়া বঁটাৰে সন্মানিত হৈছে। তেওঁৰ শেহতীয়া চিনেমা সমৰ্পণ (২০২৪) এই যাত্ৰাৰেই এক শিল্পসমৃদ্ধ অধ্যায়।

ত্ৰিনয়ন মিডিয়া ফাউণ্ডেচনৰ বেনাৰত নৱনীতা বৰঠাকুৰে প্ৰযোজনা কৰা আৰু বিশিষ্ট গল্পকাৰ



মোৰ দৃষ্টিত মান্নাৰ সমৰ্পণ কেৱল এখন চিনেমা নহয়; ই মন আৰু মগজুত খুন্দিয়াই যোৱা এক সামাজিক দলিল।

শিৱানন্দ কাকতিৰ উপন্যাস কুশণ্ডী (২০০৯)-ৰ আধাৰত নিৰ্মিত সমৰ্পণ প্ৰথম দৃষ্টিত এগৰাকী গাঁৱলীয়া বিধৱা মহিলাৰ জীৱন সংগ্ৰামৰ কাহিনী যেন লাগিব পাৰে। কিন্তু চিনেমাখনে মাত্ৰ এগৰাকী নাৰীৰ ব্যক্তিগত বেদনাৰ কাহিনী কোৱা নাই; ৩ পৃষ্ঠাত চাওক



## স্মৃতিৰ গৰ্ভত অসমীয়া ফল-মূল



ডঃ সুনীল কুমাৰ শইকীয়া

কিছুদিন আগতে শ্বিলং আৰু ইয়াৰ আশে-পাশে কেইখনমান ঠাইলৈ যাব লগা হৈছিল। গুৱাহাটীৰ পৰা শ্বিলঙলৈ যোৱাৰ পথত ৰাস্তাৰ কাষে কাষে বহুতো ঠাইত পকা পকা প্লাম, আনাৰস, কল, কঁঠাল আদি ফলমূল বিক্ৰী কৰা দোকান কিছুমান দেখাৰ লগতে ঘূৰি আহোঁতে সেই ধৰণৰ ফল-মূলবোৰ শ্বিলং আৰু ৰাস্তাৰ কাষৰ পৰা গাড়ী ভৰাই বজাৰ কৰি আনিছিলোঁ। লগতে টাট্‌কা চাই শাক-পাচলি কিছুমানো আনিছিলোঁ। এই ধৰণে গুৱাহাটীৰ পৰা বাহিৰলৈ গ'লেই নতুন ঠাইত বজাৰ কৰা এটা অভ্যাস বহুদিনৰ পৰাই আছে। কেতিয়াবা দেওবাৰ বা বন্ধৰ দিনত বিশেষ কোনো





কাম নাথাকিলে পৰিবাৰ অকণ্টিৰ সৈতে নতুবা কোনো দুই-এক বন্ধুৰ সৈতে গুৱাহাটীৰ আশে-পাশে থকা কিছুমান বজাৰ বা হাটলৈ যেনে— বেলতলা, কাছাৰী বজাৰ, তেঁতেলীয়া, সোণাপুৰ, ক্ষেত্ৰী, শিঙিমাৰী, আজাৰা, নাৰেংগী, চন্দ্ৰপুৰ, নংপো আদিলৈ যাওঁ। সতেজ কিছুমান ফলমূল আৰু শাক-পাচলি আনিবলৈ। এইবোৰৰ ভিতৰত কিছুমান বিশেষ ফলমূল, শাক-পাচলি, যেনে— সেন্দূৰী আম, টিলিকি আম, মাটি আম, বালীয়া আম, পাত-কঁঠাল, পৰশমণি জাতৰ কল, ভীমকল, লেটেকু, পনিয়ল, নাচপতি, গোলাপী জামু, নগা টেঙা, কৰ্দৈ, ৰহদৈ, বাঙি, ছিঁৰাল, আতলচ, ডালিম, অমৰা, জলফাই, বেল, পকা অমিতা আদি। ইয়াৰ লগতে তৰি-তৰকাৰি, শাক-পাচলি, বিশেষকৈ স্থানীয়ভাৱে পোৱা জালি কোমোৰা, এপহীয়া নহৰু, কেঁচা জালুক, পাহাৰীয়া তিয়ঁহ, জহা ভোল, জহা কোমোৰা, পাহাৰীয়া কলডিল, ওলকচু, থেকেৰা আৰু কিছুমান সাধাৰণতে বজাৰত নোপোৱা শাক-পাত, যেনে— পুনৰ্ণৱা, মধুসোলেং, ব্ৰাহ্মী, মাটি-কাঁদুৰি, ভেদাইলতা, মছন্দৰী, শুকলতি, হেলচী, পচতীয়া, চাঙেৰী টেঙা, সিদ্ধিলতা, শতমূল আদি বিচাৰি-খোঁচাৰি বজাৰ কৰি আনো।

ওপৰত উল্লেখ কৰা ফলমূল, শাক-পাচলিবোৰ এতিয়া দিনে দিনে পাবলৈ দুৰ্লভ হৈ আহিছে। আমি সৰু হৈ থাকোঁতে, অৰ্থাৎ আজিৰ পৰা ৪০-৪৫ বছৰৰ আগতে এই ধৰণৰ ফলমূল, শাক-পাচলি আদি অসমীয়া মানুহৰ ঘৰে ঘৰে বা বনৰীয়াকৈ ডাল ভৰি ভৰি লাগিছিল। অৰ্থাৎ আমি নিজে সেইবোৰ দেখিছিলোঁ। তদুপৰি সেই সময়ত অসমৰ প্ৰায়বোৰ গাঁৱত সোমালেই ৰাস্তাৰ দাঁতিত, পথাৰৰ মাজত, সমজুৱা পুখুৰীৰ পাৰত ডাঙৰ ডাঙৰ আমগছ, নিমগছ, ডিমৰু, আঁহত, বহঁত, তেঁতেলী, জামু, ২ পৃষ্ঠাত চাওক



## গানে গানে কিমান যে কাহিনী



ল'ৰাটোৰ বয়স তেতিয়া মাত্ৰ ১৩ বছৰ। অৰ্থাৎ যৌৱনৰ প্ৰত্যুষ দেখিবলৈ আৰু ৫ বছৰ মানেই বাকী আছে। কিন্তু ১৩ বছৰতে অৰ্থাৎ কৈশোৰতে নিজ দেশ এৰি পলায়ন কৰিবলগীয়া হৈছিল ল'ৰাটোৱে। কাৰণ তাৰ জন্মভূমি ছোমালিয়াত তেতিয়া গৃহযুদ্ধৰ দাবানল। সেই কিশোৰ পলাই আহি পাইছিল কানাডা। যিখন দেশ এই বছৰৰ ফুটবল বিশ্বকাপৰ তিনি আয়োজক দেশৰ অন্যতম। ল'ৰাটো তেনেকৈ নিজ জন্মভূমি, আপোন মানুহবোৰৰ পৰা বিচ্ছিন্ন হৈ পলাই আহিছিল যদিও মনটো সহজে বিচলিত হৈ পৰা বিধৰ নাছিল তাৰ। চিন্তা-চৰ্চাবোৰো আছিল অতিকে ব্যতিক্ৰমী। কিবা এটা কৰাৰ হাবিয়াস, সপোনে অনবৰতে কুটকুটাই থাকে মগজুত। তাতে আকৌ সি গীটাৰ বজাব জানিছিল। কানাডাৰ শৰণাৰ্থী শিবিৰতে পাৰ হৈছিল কঠিন সময়বোৰ। আৰু বয়স বাঢ়ি অহাৰ লগে লগে সি গীত ৰচনা কৰি সুৰ দিবলৈও লৈছিল। সেই গীতবোৰত প্ৰতিফলন ঘটিছিল স্বদেশ, স্বজাতিৰ সংগ্ৰামৰ কথা, দাসত্বৰ বান্ধোনৰ পৰা মানুহৰ মুক্তিৰ কথা। ছোমালিয়াৰ গৃহযুদ্ধ আৰু শৰণাৰ্থীৰ জীৱন সংগ্ৰামক উপজীৱ্যৰূপে লৈ ৰচনা কৰা তেনে এটা গীতৰ



সেই ফ্লপ এলবামৰ পাছৰ পৰাই তেওঁ সংগীতৰ পৰা আঁতৰি টেলিভিছন, চিনেমা উদ্যোগৰ লগতে হাৰ্ভাৰ্ডত বিশ্বৰ শৰণাৰ্থী সমস্যাক লৈ গৱেষণাৰ কামতে ব্যস্ত হৈ আছিল। সেই ব্যস্ততা আজিও আছে। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্তৰ লগতো জড়িত হৈ আছে কে নান। যেন সন্ধান কৰিছে নিজৰেই শিপা আৰু মূলৰ।

আৰম্ভণি এনেদৰে— গিভ মি ফ্ৰীডম, গিভ মি ফায়াৰ, গিভ মি ৰিজন, টেক মি হায়াৰ...।

এতিয়া আপোনাৰ নিশ্চয় মনত পৰিছে সেই গীত আৰু গায়কজনৰ কথা। মাত্ৰ ১৬ বছৰ হৈছে গীতটোৰ বয়স। গীতটোৰ শিৰোনাম Wavin Flag অৰ্থাৎ পতাকাখন ওপৰলৈ তুলি লৈ জোকাৰি দিয়া। ২০১০ চনত ২ পৃষ্ঠাত চাওক



সঞ্জীৱ প্ৰকাশ

## গিভ মি ফ্ৰীডম, গিভ মি ফায়াৰ

# দেশান্তৰিত শিল্পীৰ গান আৰু ফুটবল বিশ্বকাপ



# লুচাইলৰ নিঃসংগ নায়কজন

১ পৃষ্ঠাৰপৰা
৯৭ ছেকেণ্ড পাৰ হৈছে। আক্ষৰিক অৰ্থত পৰৱৰ্তী মিনিটতেই। মাৰ্কাছ থুৰামে এটা নিৰ্দোষ ক্ৰছ পঠিয়ালে বাঁও দিশৰ পৰা। বক্সৰ ভিতৰত এমবাপে। বল পাই গ'ল। বাঁও ভৰি তুলিলে। এটা ভলী। যিটো ভলী কেৱল ক'লা বৰণীয়া সেই গোলমোল খেলুৱৈজনেহে মাৰিব পাৰে। যাৰ ভৰিত প্ৰকৃতিয়ে অকৃপণে কিবা অলপ বেছিকৈ ঢালি দিছে।

২-২।

এক ছেকেণ্ড।
লুচাইল ষ্টেডিয়াম পাথৰ হৈ গ'ল। স্তব্ধ। তাৰ পাছত ফাটি পৰিল উন্মাদনাত।

যি মেচ মৃত বুলি ভবা গৈছিল, সিয়েই হঠাৎ লাফ মাৰি উঠিল। থিয় হ'ল। মূৰ জোকাৰি ভৰি পোনালে। নব্বৈ মিনিট। সমতা। অতিৰিক্ত সময়।

কিছু সময়ৰ আগতেও যিখন ষ্টেডিয়ামত আৰ্জেণ্টিনাৰ বিজয় উৎসৱ আৰম্ভ হৈ গৈছিল, তাত নামি আহিল হঠাৎ শ্মশানৰ নীৰৱতা। ৰঙা-নীলা ফৰাচী সমৰ্থকসকলে ঢোলে-দগৰে হট্টগোল আৰম্ভ কৰি দিলে। আৰু আৰ্জেণ্টিনাৰ চকুত কিবা বিভীষিকাৰ ছায়া। পায়ো হেৰুৱাব খুজিছে সৰগৰ মুকুতা।

এনে এজন গ'লগেটাৰ। এক গ'ল মেচিন, মাত্ৰ দুটা মিনিটতে ইতিহাসৰ চেহেৰা সলনি কৰি দিলে।

অতিৰিক্ত সময়, হঠাৎ লীড ল'লে আৰ্জেণ্টিনাই। আকৌ এবাৰ সন্মুখলৈ আহিল। মেছিৰ গ'ল, ৩-২। ভাব হৈছিল এইবাৰ আৰু উভতিবৰ পথ নাই। ফুটবল নিয়তিয়ে সৰ্বশেষ সিদ্ধান্ত জনাই দিছে।

কিন্তু এমবাপে যেন হাৰ মানিবলৈ ৰাজী নহয়।

ফৰাচী আক্ৰমণ। শ্বট, ডিফেণ্ডাৰৰ হাতত বল লাগিল। আকৌ পেনাল্টী।

ষ্টেডিয়াম নিস্তব্ধ।

এমবাপে আকৌ আগুৱাই আহিল। স্পটত বল থ'লে।
আকৌ সেই চকু। সেই নিস্পৃহ চাৱনি। ভংগিমা।

৩-৩।

হেটট্ৰিক।

বিশ্বকাপ ফাইনেলৰ হেটট্ৰিক। ফুটবলৰ আটাইতকৈ ওখ মঞ্চত, আটাইতকৈ বেছি উত্তেজনাময় মুহূৰ্তত। নাটক।

ইতিহাসৰ পাতত এই ধৰণৰ ঘটনা বিৰল। ১৯৬৬ বৰ্ষত জিওফ হাৰ্ষ্টৰ পাছত আৰু কোনেও কৰা নাই। এমবাপে অকল কৰিয়েই নেৰিলে। তেওঁ এনে ধৰণে কৰি দেখুৱালে যেন অকলে কান্ধত লৈ গোটেই জাতিটোৰ সপোন বহন কৰিলে।

অথচ পৰিহাস আছিল ভয়াৱহ।

পেনাল্টী শ্বুট আউট।

ফুটবলৰ আটাইতকৈ নিষ্ঠুৰ বিচাৰ পদ্ধতি। দহ গজ দূৰত ৰৈ এজন প্লেয়াৰ অকলে। গ'লকীপাৰজনো অকলে। আৰু বাকী বিছ কোটি দৰ্শক উশাহ বন্ধ কৰি বহি আছে।

এমিলিয়ানো সেইদিনা অলৌকিক আছিল। অলৌকিক শ্বেভ কৰিছিল। কিঙ্গলে কোমানৰ শ্বট প্ৰতিহত। আউৰেলিয়া চুৱামেনিৰ শ্বট পোষ্টত লাগি বাহিৰত। আৰ্জেণ্টিনা বিজয়ী ৪-২ পেনাল্টীত।

মেছি মাটিতে শুই দিলে। তেওঁৰ চকুত পানী। ৩৫ বছৰৰ দীৰ্ঘ অপেক্ষাৰ অন্তত স্বৰ্গ বিচাৰি পালে মেছিয়ে।

থৰ লাগি ৰৈ গ'ল এমবাপে। মূৰ তল কৰি নহয়, তথাপি অসহায় কোনোবাখিনিত। এমবাপেৰ চৌদিশে আৰ্জেণ্টিনাৰ উৎসৱ। নীলা-বগা ৰঙৰ প্লাৱন। অকলশৰীয়া তেওঁ। নীল-শুভ্ৰ সমুদ্ৰৰ মাজত ৰঙা-নীলা এটি দ্বীপ। দ্বীপটো নিঃসংগ।
হাজাৰ বছৰৰ নিঃসংগতা।

তিনিটা গ'ল কৰিছে কিলিয়ানে। বিশ্বকাপ ফাইনেলত।
তথাপি তেওঁৰ হাতত কাপ নাই।

এই যন্ত্ৰণাৰ কোনো নাম নাই।

ক্ৰীড়া ইতিহাসত এই ধৰণৰ মুহূৰ্ত বিৰল। য'ত এজন প্লেয়াৰে অসাধাৰণ প্ৰদৰ্শন কৰে কিন্তু জিকিবলৈ সেয়া যথেষ্ট নহয়। এমবাপেৰ নিশাটো আছিল ঠিক সেই ধৰণৰ এটা নিশা। ফুটবল এইখিনিতে নিষ্ঠুৰ।

মেচৰ অন্তত মেছিক ঘেৰি ধৰিলে হাজাৰ হাজাৰ মানুহে। সেই ছবি সমগ্ৰ শ্বিৰ সুখৰ স্মাৰক চিহ্ন হৈ গ'ল। আৰু এমবাপে? পোনে পোনে লকাৰ ৰুমলৈ ঘূৰি গ'ল। উভতিও নাচালে। কেমেৰাত ধৰা পৰা তেওঁৰ শেষ মুহূৰ্তৰ ছবিখনত দেখা গৈছিল— ট্ৰফী বিতৰণ মঞ্চত উঠিছে, ৰানাৰ্ছ আপ মেডেল পিন্ধিলে, লগে লগে খুলি পেলালে সেইটো। মেডেল ডিঙিত পিন্ধি থাকিব আৰু নোৱাৰিলে।

এই এটা মুহূৰ্তই ঘোষণা কৰি দিলে সকলো। এটা মুহূৰ্তই যথেষ্ট। এমবাপেৰ মনৰ গোপন যন্ত্ৰণাৰ কথা এই ছবিখনৰ জৰিয়তে কোৱা হৈ গ'ল।

ৰূপালী মেডেল সেই বিশেষ দিনটোৰ বিশেষ ক্ষণত এমবাপেৰ কাৰণে হয়তো অপমানজনক হৈ উঠিছিল। ফাইনেলত তিনি গ'ল কৰিও যেতিয়া ট্ৰফী নুঠে হাতত, তেতিয়া তুচ্ছ এটি মেডেল প্ৰাপ্তিতনো কি আনন্দ থাকে? ■

# দেশান্তৰিত শিল্পীৰ গান আৰু ফুটবল

১ পৃষ্ঠাৰপৰা দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ফিফা ফুটবল বিশ্বকাপৰ বহুল প্ৰচাৰত এইটো গীতেই বাজিছিল দেশে দেশে। তাৰ পৰৱৰ্তী সময়তহে সেই ফুটবল বিশ্বকাপত ছাকিৰাই গোৱা 'ৱাকা ৱাকা' শীৰ্ষক থিম ছংটো মুকলি কৰা হয় আৰু গানটোৱে বিশ্বজুৰি উন্মাদনাৰ সৃষ্টি কৰে। তাৰ পাছৰ পৰাই ফুটবলৰ গান বুলিলেই ছাকিৰাৰ কথাই প্ৰথমে মনলৈ আহে সৰ্বসাধাৰণৰ। এইবাৰৰ বিশ্বকাপকে ধৰি ছাকিৰাই তিনিখনকৈ ফুটবল বিশ্বকাপৰ থিম ছং গাইছে। কিন্তু আফ্ৰিকা আৰু আমেৰিকাত আজিও এনে বহু সংগীত আৰু ফুটবল অনুৰাগী আছে, যিসকলৰ বাবে ছোমালিয়াৰ পৰা কৈশোৰকালতে পলাই আহি বৰ্তমান কানাডাত বাস কৰা সেই কৃষ্ণাংগ গায়কজনৰ ৱেভিং ফ্লেগ শীৰ্ষক গীতটোহে ফুটবলৰ আচল এন্থেম। গানটোৰ আন এটা শাৰীৰ কথাংশ মন কৰক— See the champions, Take the field now, Unify us, make us feel now...। বিশ্ব ফুটবলৰ সৰ্বোচ্চ সংস্থা ফিফাৰ মূলমন্ত্ৰও এনেকুৱাই নহয় জানো? ফুটবলে ঐক্যবদ্ধ কৰে সমগ্ৰ পৃথিৱীক। সেইবাবেই যদিওবা ২০১০ চনৰ দক্ষিণ আফ্ৰিকা ফুটবল বিশ্বকাপত ছাকিৰাৰ 'ৱাকা ৱাকা'ই আছিল অফিচিয়েল থিম ছং, কোকাকোলাই স্পনছ'ৰ কৰা সেই বিশ্বকাপৰ বিশ্বজুৰি চলা প্ৰচাৰ, দেশে দেশে ট্ৰফীৰ পৰিভ্ৰমণ আদি কাৰ্যসূচীবোৰত কিন্তু সৰ্বাধিক বাজিছিল সেই গীতটোৱেই— গিভ মি ফ্ৰীডম, গিভ মি ফায়াৰ... ৱেভিঙ ফ্লেগ। অৱশ্যে এইটো গীতেই ২০১০ ৰ দক্ষিণ আফ্ৰিকা বিশ্বকাপৰ থিম ছং বুলি বহুতেই ভবাৰ আন এটা কাৰণো আছে। সেয়া হৈছে ব্ৰিটেইনৰ সংগীত সম্পৰ্কীয় পত্ৰিকা (এতিয়া অৱশ্যে ডিজিটেল মাধ্যম হৈ পৰিছে) নিউ মিউজিকেল এক্সপ্ৰেছ আৰু ব্ৰিটেইনৰে সৰ্ববৃহৎ বাণিজ্যিক ৰেডিঅ' নেটৱৰ্ক কেপিটেল এফ এমৰ বাতৰিত ৱেভিং ফ্লেগ গীতটোৱেই সেই ফুটবল বিশ্বকাপৰ অফিচিয়েল ছং বুলি প্ৰচাৰ হৈছিল। অৱশ্যে পৰৱৰ্তী সময়ত সংশ্লিষ্ট দুয়োটা প্ৰতিষ্ঠানেই সেই ভুল তথ্য তথা বাতৰিক লৈ স্পষ্টীকৰণ প্ৰকাশ কৰিবলগীয়াও হৈছিল।

যি কি নহওক এনে ভুল বাতৰি আৰু বিভ্ৰান্তিকৰ প্ৰচাৰেই পৃথিৱীত ব্যাপক চিনাকি আৰু জনপ্ৰিয়তা দিয়া গীতটোৰ গীতিকাৰ তথা গায়ক জনৰ নাম কে নান। সম্পূৰ্ণ নাম কেইনান আব্দি ৱাৰ্ছেম। ইংৰাজীত তেওঁ নিজৰ নামটো লিখে K 'naan - এনেদৰে। কে নানৰ যিটো গীতৰ বিষয়ে এই আলোচনা সেইটো হৈছে হিপহপ/ৰেগে-ফিউজন শ্ৰেণীৰ গীত। ২০০৯ চনত মুক্তি পোৱা ট্ৰৌবাডোৰ (Troubadour) নামৰ এটা এলবামৰ গীত আছিল ৱেভিঙ ফ্লেগ। ট্ৰৌবাডোৰ এটা ফৰাছী শব্দ। প্ৰাচীন কালত ফ্ৰান্স, স্পেইন আৰু ইটালীত যাযাবৰ প্ৰকৃতিৰ এক শ্ৰেণীৰ লোক আছিল। তেওঁলোক আছিল স্বভাৱ শিল্পী। গীত ৰচনা কৰি সেই গীত ৰাজ দৰবাৰৰ পৰা সাধাৰণ জনতাৰ গাঁও, চুবুৰিপৰ্যন্ত সকলোতে গাই ফুৰিছিল। সেই স্বভাৱ শিল্পীসকলকে ট্ৰৌবাডোৰ বুলি কোৱা হয় ফৰাছী ভাষাত। একাদশ-দ্বাদশ শতিকাৰ ইউৰোপৰ বুৰঞ্জীত এইসকল ট্ৰৌবাডোৰৰ বিষয়ে সবিশেষ তথ্য পোৱা যায়। কে নানেও নিজকে ট্ৰৌবাডোৰ বুলিয়েই ভাবিছিল। তেওঁ গানৰ মাধ্যমেৰে কাহিনী ক'ব খুজিছিল। তেওঁৰ শৈশৱৰ প্ৰেয়সীৰ নাম আছিল ফাতিমা। কিন্তু ছোমালিয়াৰ গৃহযুদ্ধৰ সময়ত ফাতিমাক অপহৰণ কৰি নিয়ে সৈনিকৰ দলে। পৰৱৰ্তী সময়ত আৰু কেতিয়াও দুয়োৰে দেখা-সাক্ষাৎ নহ'ল। কে নানৰ মনত সেই ঘটনাই গভীৰ বিষাদৰ সৃষ্টি কৰে। আৰু ৱেভিং ফ্লেগ যিটো মূল গীত আছিল (পাছত শব্দ-বাক্যৰ সালসলনি ঘটোৱা হয়), সেই গীতটোত কে নানে শৈশৱতে জন্মভূমিত পোৱা প্ৰথম প্ৰেম, বিষাদ আৰু গৃহযুদ্ধৰ বিভীষিকাৰ অভিজ্ঞতাখিনিৰেই ঘটিছিল প্ৰকাশ। কিন্তু কোকাকোলাই যেতিয়া তেওঁৰ গীতটো ২০১০ চনৰ দক্ষিণ আফ্ৰিকা ফুটবল বিশ্বকাপৰ প্ৰচাৰৰ বাবে নিৰ্বাচিত কৰে, তেতিয়া সৃষ্টি হ'ল Wavin Flag - Celebration mix শীৰ্ষক এক নতুন সংস্কৰণৰ। ঠিক ৰি মে'ক গীতৰ দৰে। আৰু মুঠ ১৮খন দেশৰ স্থানীয় ভাষাত স্থানীয় শিল্পীৰ দ্বাৰা কোকাকোলাই গীতটোৰ বাণীবদ্ধ কৰাই মুক্তি দিয়ে। কিন্তু সুৰ একেই থাকিল যদিও চেলিব্ৰেচন মিক্স সংস্কৰণটোত মূল গীতটোৰ কথা আৰু ভাবাৰ্থ সম্পূৰ্ণ সলনি হৈ পৰে। ছোমালিয়াৰ গৃহযুদ্ধ আৰু শৰণাৰ্থীৰ মুক্তিৰ স্বপ্নৰ আধাৰত ৰচিত গীতটোৰ বিষয়বস্তু হৈ পৰে সম্পূৰ্ণৰূপে ফুটবল উদ্‌যাপন আৰু বিশ্বকাপ ফুটবলে দিয়া বিশ্ব মৈত্ৰীৰ বাৰ্তা। এই প্ৰসংগটোৱে কে নানৰ সাংগীতিক কেৰিয়াৰত পেলাইছিল অতিকে নেতিবাচক প্ৰভাৱ। কাৰণ ২০১২ চনত তেওঁৰ Country, God or Girl শীৰ্ষক যিটো এলবাম ওলাইছিল



সেইটো চূড়ান্তভাৱে ফ্লপ হ'ল। তাৰ পাছত তেওঁ নিউয়ৰ্ক টাইমছ কাকতত 'ৱেভিং ফ্লেগ'ৰ শব্দ গাঁথনি সলনি কৰাৰ বাবে ৰাজহুৱাকৈ ক্ষমা খুজিবলগীয়া হৈছিল। অকপটে স্বীকাৰ কৰিছিল যে যশ, খ্যাতি আৰু সাময়িক জনপ্ৰিয়তাক প্ৰাধান্য দি তেওঁ স্বকীয়তাৰ পৰা কক্ষচ্যুত হৈছিল।

যি কি নহওক, ২০১০ চনৰ ৭ মে'ৰ দিনা মুক্তি পায় এপিক ৰেকৰ্ডছৰ বেনাৰত ছাকিৰাৰ 'ৱাকা ৱাকা' শীৰ্ষক সেই বছৰৰ ফুটবল বিশ্বকাপৰ থিম ছংটো। গীতটো একেলগে ইংৰাজী আৰু স্পেনিছ ভাষাতো মুক্তি দিয়া হৈছিল। কিন্তু খোদ আফ্ৰিকাতে সেই গীতটোৰ বিৰোধিতা কৰিছিল একাংশই। সেইসকলৰ মতে, ছাকিৰা যিহেতু কলম্বিয়াৰ, তেনেস্থলত আফ্ৰিকাত হোৱা ফুটবল বিশ্বকাপক এগৰাকী কলম্বিয়ান অৰ্থাৎ বিদেশী গায়িকাই কিদৰে প্ৰতিনিধিত্ব কৰিব? সেইবাবেই বহু আফ্ৰিকানে কে নানৰ গীতটোকে আপোন কৰি লৈছিল আৰু যিমান পাৰে বজাইছিল। কিন্তু এই যি বিতৰ্ক হ'ল সেই বিতৰ্কই ছাকিৰাৰ গীতটোকো সমানেই দিলে নেতিবাচক প্ৰচাৰ আৰু তাতেই ভেটি নিৰ্মাণ হ'ল।

'ৱাকা ৱাকা' গীতটোৰ ব্যাপক জনপ্ৰিয়তা। তাতে কে নান তেনেই অখ্যাত হোৱাৰ বিপৰীতে ছাকিৰাৰ ইতিমধ্যে আছিল বিশ্বত চিনাকি আৰু জনপ্ৰিয়তা। কেতিয়াবা অভিনেতা, কেতিয়াবা ৰাষ্ট্ৰপতিৰ পুত্ৰ, কেতিয়াবা ফুটবল তাৰকাৰ লগত প্ৰেম, বিবাহ আৰু বিচ্ছেদৰ গুজৱ বাতৰিৰে ছাকিৰা সদায়েই চৰ্চাত থাকে। এইবোৰ কথায়ো তেওঁ গোৱা গীতটোক প্ৰচাৰ দিছিল বিশেষ। তাৰ পাছত ২০১৪ চনৰ ব্ৰাজিল বিশ্বকাপত 'লা লা লা' আৰু চলিত ২০২৬ বৰ্ষত কানাডা, মেক্সিকো, আমেৰিকাই যুটীয়াভাৱে আয়োজন কৰা ফিফা ফুটবল বিশ্বকাপৰ 'দাই দাই' শীৰ্ষক থিম ছংটোও ছাকিৰাই গাইছে। গতিকে এতিয়া ফুটবলৰ গান মানেই ছাকিৰা।

বিপৰীতে বহু সংগীতপ্ৰেমীয়েই আজি পাহৰি পেলাইছে কে নান নামৰ সেই কৃষ্ণাংগ শিল্পীজন আৰু তেওঁ গোৱা গীতটোক। অথচ ২০১০ চনত 'ৱেভিং ফ্লেগ' গীতটো বিশ্বৰ বহু দেশত ব্যাপক জনপ্ৰিয় হৈছিল। মেক্সিকো, অষ্ট্ৰিয়া, ছুইজাৰলেণ্ড, জাৰ্মানী, কানাডা, লক্সেমবাৰ্গ আনকি চীনতো কে নানৰ গীতটোৱে টপ টেনত স্থান দখল কৰি ৰাখিছিল দীৰ্ঘ সময়। মুঠ ১৫০খন দেশে এই গীতটোকে কোকাকোলাৰ ফুটবল বিশ্বকাপৰ কেম্পেইন গীতৰূপে গ্ৰহণ কৰে। ২০১০ৰ সেই দক্ষিণ আফ্ৰিকা ফুটবল বিশ্বকাপৰ প্ৰতিখন খেলৰ আৰম্ভণি আৰু মধ্যাহ্ন বিৰতিত গানটোৰ আৰম্ভণিৰ কোৰাচ অংশটো ষ্টেডিয়ামত বজোৱা হৈছিল। সেই একে বছৰতে হাইটিত ভূমিকম্প হৈছিল আৰু ইয়ং আৰ্টিষ্টছ ফৰ হাইটি নামৰ এটা গোটে গানটো পুনৰ ৰেকৰ্ড কৰিছিল। আৰু সেই বছৰটোৰ শেষত গানটোৱে বছৰটোৰ শ্ৰেষ্ঠ গীতিকাৰ শিতানত জুনো (Juno Award) সন্মান লাভ কৰে। যিটো বঁটা কানাডাৰ গ্ৰেমীৰূপে বিখ্যাত।

যোৱা বছৰ অৰ্থাৎ ২০২৫ বৰ্ষত 'ৰিফিউজী' শীৰ্ষক এটা গীতেৰে বহু বছৰৰ মূৰত সংগীত ক্ষেত্ৰলৈ প্ৰত্যাৱৰ্তন ঘটিছে কে নানৰ। তাৰ মাজৰছোৱা সময় অৰ্থাৎ ২০১২ চনৰ সেই ফ্লপ এলবামৰ পাছৰ পৰাই তেওঁ সংগীতৰ পৰা আঁতৰি টেলিভিছন, চিনেমা উদ্যোগৰ লগতে হাৰ্ভাৰ্ডত বিশ্বৰ শৰণাৰ্থী সমস্যাক লৈ গৱেষণাৰ কামতে ব্যস্ত হৈ আছিল। সেই ব্যস্ততা আজিও আছে। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্ত (UNHCR) ৰ লগতো জড়িত হৈ আছে কে নান। যেন সন্ধান কৰিছে নিজৰেই শিপা আৰু মূলৰ। ১৯৭৮ চনত জন্ম এইজন কৃষ্ণাংগ সংগ্ৰামী শিল্পীৰ। বয়স মাত্ৰ ৪৮। জীৱনৰ বাটত বহু যাবলৈ আছে, পৃথিৱীক দিবলৈও আছে। ■

# কিতাপৰ বেটুপাত যোগাযোগৰ শিল্প



কুইন জি তালুকদাৰ

একোখন কিতাপ পঢ়াৰ হাবিয়াস আমাৰ সকলোৰে আছে। কিতাপ একোখনৰ প্ৰতি আকৰ্ষিত হোৱা প্ৰথম কথাকেইটাই হ'ল কিতাপখনৰ বিষয় বা নাম, লেখক আৰু বেটুপাত। একেলগে এই কথাখিনিয়ে আমাক কাষ চপাই নিয়ে একোখন ধুনীয়া কিতাপৰ প্ৰতি। য'ত যেনেকৈয়ে নহওক কিতাপৰ বেটুপাতখনেই প্ৰথমে মন-মগজুত সৃষ্টি কৰে কিতাপখন তুলি লোৱাৰ, জানিব খোজাৰ ক্ৰিয়া। একোখন কিতাপৰ বেটুপাত কেৱল কাগজৰ আৱৰণ নহয়; ই হৈছে কিতাপখনৰ প্ৰথম মাত, প্ৰথম চাৱনি। ইয়াৰ পৰাই আৰম্ভ হয় আকৰ্ষণৰ আমন্ত্ৰণ। এখন কিতাপে নীৰৱে পাঠকৰ চকু আকৰ্ষিত কৰি মনৰ মাজত এক প্ৰশ্ন জগাই তোলে। হঠাতে পাঠকে য'তেই নাথাকক, কিতাপখনৰ ওচৰ চাপি তাক হাতত তুলি লয়। এই সকলো নিৰ্ধাৰণ কৰে কিতাপখনৰ বেটুপাতত, য'ত এক নীৰৱ প্ৰশ্নই মনতে উত্তৰ বিচাৰে— কিতাপখন উলিয়াই চাব নে আঁতৰাই থ'ব?

এখন বেটুপাতেই প্ৰথমে দৃষ্টি আকৰ্ষণ কৰি পাঠকৰ মনত কৌতূহলৰ সঞ্চাৰ কৰে। ইয়াতেই প্ৰকাশ পায় কিতাপখনৰ বিষয়বস্তুৰ প্ৰথম পৰিচয়। এখন শক্তিশালী বেটুপাতে মানুহৰ দৃষ্টি নিবদ্ধ কৰি কিতাপখন খুলি চাবলৈ বাধ্য কৰে। বেটুপাত মানেই হৈছে প্ৰথম মুখনি, যাৰ দ্বাৰা কিতাপখনৰ ভিতৰত থকা চিন্তা আৰু ভাবৰ আভাস পোৱা যায়। যেনেকৈ মানুহ এজনৰ প্ৰথম দৃষ্টিতেই তেওঁৰ ব্যক্তিত্বৰ আভাস পোৱা যায়, ঠিক তেনেকৈ বেটুপাততেই কিতাপখনৰ আত্মাৰ প্ৰথম প্ৰকাশ ঘটে।



বেটুপাতত ব্যৱহৃত ছবি, ৰং, আখৰ আৰু কিতাপখনৰ নাম— এই সকলো উপাদানে মিলি কিতাপখনৰ অন্তৰ্জগতৰ আভাস দিয়ে। সেয়ে বেটুপাতৰ গুৰুত্ব অপৰিসীম। তথাপি কেতিয়াবা দেখা যায়, কিছুমান কিতাপত বহু লেখক, সম্পাদক, প্ৰকাশকে বেটুপাতক গুৰুত্ব নিদি যিকোনো এখন ছবি বা কিতাপখনৰ লগত ছবিখনৰ গভীৰতা বা মিল নথকা ছবিক বেটুপাত হিচাপে সংযোজন কৰি কিতাপখন প্ৰকাশ কৰে। ফলত কিতাপখন প্ৰথম আকৰ্ষণতে হ্ৰাস পায় আৰু পাঠকৰ মনত তাক খুলি চোৱাৰ আগ্ৰহ কমি যায়। আনহাতে, কিতাপখনৰ বিষয়ৰ সৈতে সংযোগ ৰাখি সৃষ্টিশীলভাৱে নিৰ্মিত বেটুপাতৰ সাহসী প্ৰকাশে প্ৰথম চকুতেই কিতাপখনৰ মান শক্তিশালী কৰি তোলে আৰু পাঠকৰ মনত কৌতূহল জগাই তোলে।

এখন সৃষ্টিশীল বেটুপাতে কেৱল প্ৰথম চাৱনিতেই দৃষ্টি আকৰ্ষণ নকৰে; ই এক শক্তিশালী যোগাযোগ শিল্প। বেটুপাতে পাঠকক কিতাপখনৰ গভীৰতাৰ এক চমু আভাস দিয়ে। আলোচনী, স্বৰচিত গ্ৰন্থ, উপন্যাস অথবা কবিতাৰ কিতাপ— প্ৰতিখন কিতাপৰ বেটুপাতত এক বিশেষ ভাবধাৰা থাকে। সেই ভাবধাৰা সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰে একোজন সংবেদনশীল চিত্ৰশিল্পীয়েহে। তাতেই বেটুপাত শিল্পী, পাঠক আৰু লেখক, প্ৰকাশক, সম্পাদকৰ মাজত এক নীৰৱ ভাব-যোগাযোগ স্থাপন হয়। এই নীৰৱ সংযোগেই হৈছে যোগাযোগ শিল্প। এজন বেটুপাত শিল্পীয়ে লেখক বা সম্পাদকৰ কিতাপখনৰ মূল বিষয়বস্তুক দৃশ্যমান ৰূপ দিয়ে। এই কাম কেৱল এজন শিল্পীয়েহে সুচাৰুৰূপে সম্পন্ন কৰিব পাৰে। সৰুৰে পৰা যেতিয়াই এখন কিতাপ হাতত লওঁ, প্ৰথমে বেটুপাত আৰু তাৰ পাছতে কিতাপখনৰ নামেই মনত আকৰ্ষণৰ সঞ্চাৰ কৰে। অসংখ্য কিতাপৰ মাজত পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ বেটুপাতৰ জৰিয়তে যোগাযোগ শিল্পক প্ৰাধান্য দিয়াটো অতি প্ৰয়োজনীয়। নহ'লে পাঠকৰ মনোযোগ ধৰি ৰখাটো এক প্ৰত্যাহ্বান।

বহু সময়ত কিতাপখনৰ বেটুপাতেই পাঠকক সূচীপত্ৰ উলিয়াই চাবলৈ বাধ্য কৰে, লগতে বেটুপাত শিল্পীগৰাকীৰ নাম জানিবলৈও উৎসুক কৰি তোলে। কাৰণ প্ৰতিটো সৃষ্টিশীল কামতেই শিল্পীৰ ভাব প্ৰকাশৰ প্ৰতিফলন ঘটে। বিপৰীতে, যদি বেটুপাতে ভাবৰ গভীৰতা প্ৰকাশ কৰিব নোৱাৰে, তেন্তে সেয়া কিতাপখনৰ সামগ্ৰিক মান হ্ৰাস কৰে। ফলত কিতাপখন খুলি চোৱাৰ হাবিয়াস কমে।

এগৰাকী বেটুপাত শিল্পী হিচাপেও এই দিশটো বহুবাৰ লক্ষ্য কৰি আহিছোঁ। বহু লেখকে বেটুপাতক গুৰুত্ব নিদিয়াৰ ফলত কিতাপখনে প্ৰথমেই আকৰ্ষণ হেৰুৱাই পেলায়। সেয়ে, এখন কিতাপৰ বেটুপাতৰ গুৰুত্ব অসীম। ই হৈছে কিতাপখনৰ বিষয়বস্তুৰ দুৱাৰ, সৃষ্টিৰ প্ৰথম স্পৰ্শ আৰু পাঠকৰ সৈতে লেখকৰ প্ৰথম সাক্ষাৎ। একোখন বেটুপাতৰ ছবিয়ে পাঠকক হাবিয়াস কৰি তোলে। এখন উৎকৃষ্ট বেটুপাত মানে কেৱল সুন্দৰ আৱৰণ নহয়; ই হৈছে কিতাপখনৰ আত্মাৰ এক নীৰৱ প্ৰতিচ্ছবি। ■

ফোন ঃ ৮৭২৪০২৭০৬০

# অসমীয়া ফল-মূল



১ পৃষ্ঠাৰপৰা সোণাৰু, কঁঠাল, বেল, মধুৰিআম, বগৰী, অমৰা, আমলখি, শিলিখা, ৰবাব টেঙা, জৰা টেঙা, ঔ টেঙা আদি গছেৰে ভৰি আছিল আৰু ইয়াৰ ফলবোৰ (বেছিভাগৰে) গাঁৱৰ মানুহে হেঁপাহ পলুৱাই খাইছিল।

আমি সৰু থাকোঁতে জেঠ-আহাৰ মাহত পকা পকা টিলিকি আম, সেন্দূৰীয়া আম, বালীয়া আম পাৰি খোৱা বা টেঙা আমকে বাঁহৰ চোঁচেৰে চকলিয়াই কলপাতত নিমখ, তেল, কেঁচা জলকীয়া আদি মিহলাই খোৱা কথাবোৰ ভাবিলে এতিয়াও জিভাৰ পানীহে পৰে। তদুপৰি ডাঙৰ ডাঙৰ তেঁতেলী গছত লোমালোমে লাগি থকা পকা তেঁতেলীবোৰ? সেই ধৰণৰ পকা তেঁতেলীবোৰ (কেতিয়াবা কেঁচা তেঁতেলীও) একোটা ফৰ্মুটিতে থল থলকৈ সৰি পৰিছিল। সেই তেঁতেলীৰ শুকান বাকলিবোৰ এৰুৱাই খোৱা কথাবোৰ ভাবিলে এতিয়াও ক'ব নোৱাৰাকৈয়ে টপ টপকৈ জিভাৰ পানী ওলাই আহে। কি যে সোৱাদ আছিল সেই পকা তেঁতেলীবোৰৰ! চুপি থাকিলেও যেন শেষেই নহয়। তেঁতেলীবোৰৰ সেই মিঠা মিঠা গোন্ধটো, এতিয়া ভাবিলে নাকতে লাগি থকাৰ দৰে লাগে।

সৰুতে খোৱা আন এবিধ ফল হৈছে নুনি। আমি সৰুতে ডাঙৰ-দীঘল হোৱা চক্ৰাই চাহ বাগিচাৰ আমাৰ ঘৰৰ পিছফালে এজোপা বৰ ডাঙৰ, ধুনীয়া সোৱাদ ভৰা নুনিগছ আছিল। দেখাত একোটা নোদোকা বিছাৰ সমান নোমাল এই ফল পকিলে গাঢ় কজলা ৰঙৰ হয় আৰু মুখত দিলেই পমি যায়। আমি গছত উঠি এবাৰতে ৫০-৬০টাকৈ নুনি খোৱা মনত আছে। নুনিগছজোপাৰ কাষতে বৰ ধুনীয়া আতলচ গছ এজোপাও আছিল। আতলচবোৰ পূৰঠ হ'লে চাউলৰ ডাঙৰ টিনত বা চাউলৰ বস্তাত ভৰাই পকিবলৈ দি সেইমতে খাইছিলোঁ। সেই বালীয়া আৰু বৰ ধুনীয়া গোন্ধ এটা থকা আতলচবোৰ বৰ সোৱাদ ভৰা আছিল। এতিয়াহে কাগজে-পত্ৰে দেখি গম পাইছোঁ যে সেই ধৰণৰ আতলচৰ বহুকেইটা ঔষধি গুণো আছে।

সৰুতে দেখা আন এবিধ ফল হৈছে থেৰেজু টেঙা, দেখাত জলফাই গছৰ দৰে ব'হাগ বিহুৰ প্ৰায় আগে-পিছে পকা এই ফলবোৰ পকিলে দেখাত প্ৰায় জামুৰ দৰেই হয়। এতিয়া ক'তনো হেৰাল জানো এই ফলবিধ! বহুদিন দেখিবলৈ পোৱা নাই। ব'হাগ মাহতে পকা আন এবিধ ফল হৈছে নগা টেঙা। দেখিবলৈ ডাঙৰ বাটলু গুটিটোৰ দৰে। কেঁচাতে ডাঠ সেউজীয়া আৰু পকিলে পাতল হালধীয়া ৰঙৰ হোৱাৰ লগতে সামান্য ৰঙা ৰং এটাও পৰা দেখা যায়। এই টেঙা সৰুতে বাঁহৰ সৰু সৰু খাণ্ডত ভৰাই বিক্ৰী কৰা দেখিছিলোঁ। এই টেঙাৰে অতি জুতি লগা আচাৰো তৈয়াৰ কৰা হৈছিল।

জেঠ-আহাৰ মাহত পকা আন এবিধ সুস্বাদু ফল হৈছে কঁঠাল। কঁঠাল যদিও পূৰামাত্ৰাই অসমীয়া ফল নহয়, ই পৃথিৱীৰ বহুতো দেশতে পোৱা যায়। তথাপি অসমত হোৱা মিঠা পাত-কঁঠালৰ সোৱাদেই যেন বেলেগ। ইয়াৰ কুমলীয়া মুচিও ৰান্ধি খাবলৈ বৰ ভাল লাগে। একেবাৰে মাংস খোৱা সোৱাদ যেনেই লাগে। বিশ বছৰমান আগতে, বেংককলৈ প্ৰথমবাৰ যাওঁতে তাত খোৱা পকা কঁঠালৰ সোৱাদৰ কথাও পাহৰিব নোৱাৰি। তাত টিনত ভৰোৱা (টেমাত ভৰোৱা) পকা কঁঠালো কিনিবলৈ পোৱা যায়। মালয়ছিয়াৰ ৰাজধানী কুৱালালামপুৰলৈ যাওঁতে আকৌ তাত পোৱা কঁঠালৰ আইচক্ৰীম খায়ো বৰ তৃপ্তি পাইছিলোঁ। সেই ধৰণৰ আইচক্ৰীম আন ঠাইত মই খোৱা বা দেখা পোৱা নাই।

কঁঠালৰ দৰে প্ৰায় একে সময়তে পকা আন এবিধ ফল হৈছে জামু। জামু আকৌ কেইবাবিধো আছে। যেনে— বগী জামু, ক'লী জামু, পানী জামু আৰু গোলাপী জামু। বগী জামু বগা আৰু কলী জামু ক'লা বৰণৰ হয় বাবে সম্ভৱতঃ ইয়াৰ নাম বগী জামু আৰু ক'লী জামু বুলি কোৱা হয়। সেইদৰে গোলাপী জামুৰ ৰংটো গুলপীয়া হোৱাৰ লগতে পকিলে গোলাপ ফুলৰ দৰে মিঠা মিঠা গোন্ধ এটাও থাকে। খাবলৈও অতি সুস্বাদু।

অসমৰ কেইবিধমান লুপ্তপ্ৰায় বগৰীৰ কথাও এইখিনিতে মনত পৰিছে। এইকেইবিধ বগৰী হৈছে নৰা বগৰী, আহোম বগৰী আৰু বঙালী বগৰী। জেঠ-আহাৰ মাহত পকা এইকেইবিধ বগৰীৰ কথা প্ৰায় পাহৰাৰ দৰেই হৈছে। এই ধৰণৰ নৰা বগৰী প্ৰায় একোটা মধুৰিআমৰ সমানেই হয়। ইয়াৰ পাতবোৰ দীঘল আৰু ঠেক হোৱাৰ লগতে ফলটোৰ গাত মুগা ৰঙৰ পাতল মিহি শুং কিছুমান আৰু মাজতে ফলটো জোৱা লগাৰ দৰে একোটা চিন থাকে। ফলটো পকিলে মাজৰ জোৱা লগা ঠাইতে ফাটি যায় আৰু ঠাইখিনি সেন্দূৰৰ দৰে ৰঙা হয়। এই বগৰীৰ বহুতো ঔষধি গুণো আছে। নৰা বগৰীৰ দৰে আহোম বগৰী আৰু বঙালী বগৰীও প্ৰায় দেখিবলৈ নাইকিয়াৰ দৰে হ'ল। এই দুবিধ বগৰীক, যাক ইংৰাজীত প্লাম বুলি কোৱা হয়, আজিকালি শ্বিলঙৰ ফালৰ পৰাহে অসমলৈ বেছিকৈ আহে। আহোম বগৰী পকিলে হালধীয়া ৰংচুৱা ৰং ধৰাৰ দৰে, বঙালী বগৰী পকিলে প্লামৰ দৰে কজলা ৰঙৰ হয়। অসমত পোৱা আহোম বগৰী পকিলে মিঠা সোৱাদৰ লগতে টেঙী টেঙী ভাব এটাও থাকে। অলপতে ইটালীলৈ যাওঁতে তাৰ ইটালিয়ান চাহাব এজনৰ ঘৰত তেওঁলোকৰ বাৰীৰ গছত লোমালোমে লাগি থকা আহোম বগৰী জাতীয় হালধীনা ৰঙৰ প্লাম কিছুমান নিজে গছৰ পৰা পাৰি খোৱাৰ সৌভাগ্য হৈছিল। প্লামবোৰক তেওঁলোকে (ইটালিয়ান ভাষাত) 'প্লামে' বুলি কয়। ফলবোৰ খাবলৈ অতি সুমিষ্ট আছিল। ফ্ৰান্সলৈ যাওঁতেও পেৰিছত তেনে প্লাম খোৱাৰ কথা মনত পৰে।

নৰা বগৰী, আহোম বগৰীৰ দৰে অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে আৰু বিশেষকৈ নৈৰ চাপৰিত বা বালীয়া মাটিত শীতকালি লাগি থকা সাধাৰণ সৰু সৰু বগৰীবোৰো এসময়ত অতি পৰিচিত ফল আছিল যদিও আজিকালি সেইবোৰ গছো বহুত কমকৈহে দেখা যায়। বিজ্ঞানীসকলে আম, নেমু, কল (বিশেষকৈ ভীমকল, চেনিচম্পা, সোন্দাকল) আদিৰ দৰে এইবিধ বগৰীৰ আদিম উৎপত্তিস্থল অসমেই বুলি ঠাৱৰ কৰিছে। সৰু থাকোঁতে চোলাৰ খোঁচনিত, পেণ্টৰ জেপত লুকুৱাই আনি খোৱা নতুবা কেঁচা বাঁহৰ চুঙাত খুন্দি নিমখ-জলকীয়াৰ সৈতে খোৱা সেই বগৰীৰ সোৱাদেই যেন বেলেগ আছিল! তদুপৰি মায়ে সৰুতে গোৱা সেই নিচুকনি গীতটি— 'আমাৰে মইনা শুব এ/বাৰীতে বগৰী ৰুব এ/বাৰীৰে বগৰী পকি সৰিব/মইনাই বুটলি খাব' —এতিয়াও ক'ৰবাত শুনিলে ল'ৰালি কাললৈ উভতি গৈ মাৰ কোলাত তেনেদৰে এবাৰ শুবলৈ বৰ মন যায়।

সৰু থাকোঁতে গৰম বন্ধৰ সময়ত গছৰ পৰা পাৰি খোৱা আন কেইবিধমান ফল— লেতেকু, পনিয়ল, অমৰা, বেল, জলফাই, সোণাৰু, বকুল, শিলিখা, বহঁত, কুঁজী থেকেৰা, বৰথেকেৰা, কৰ্দৈ, লিচু, ৰূপহী থেকেৰা, জৰা টেঙা আদিলৈও মাজে-সময়ে মনত পৰে। ইয়াৰে দুই-এবিধ ফল এতিয়া দেখিলেও বেছিভাগেই প্ৰায় নেদেখাৰ দৰেই হ'ল।

আমাৰ আন এবিধ পুৰণি ফল কব্‌জা টেঙা খাইছেনে বাৰু কেতিয়াবা? আজিকালি এই ধৰণৰ ফলবোৰৰ কথা ক'লে বহুতে নামটোকে শুনা নাই বুলি কয়। এইবিধ গছ বৰ এটা ওখ নহয়। ফলবোৰ প্ৰথমে সেউজীয়া আৰু পকিলে টিক্-টিক্কৈ ৰঙা হয়। দেখাত আজিকালি বজাৰত পোৱা সাইলাখ চেৰী ফলটোৰ দৰে। কব্‌জা টেঙাও ডাল ভৰি ভৰি লাগে বাবে পকিলে গছজোপা দেখিবলৈ অতি সুন্দৰ হয়।

শাওণ মাহত পক ধৰা আন এবিধ অসমীয়া ফল হৈছে— মৌ-ডিমৰু। এই ফলটো পূৰঠ হ'লে, অৰ্থাৎ পকিলে ইয়াৰ ভিতৰত মৌৰ দৰে মিঠা এবিধ ডাঠ ৰস বাহিৰ হয় বা ইয়াক জেলীৰ দৰে খাব পাৰি। আজিকলি এইবিধ ফলো লুপ্তপ্ৰায় হ'ল।

ওপৰত উল্লেখ কৰা এই ধৰণৰ ফলবোৰ আমি বিভিন্ন সময়ত আৰু বিভিন্ন ঠাইত খাবলৈ পাইছিলোঁ। ইয়াৰে দুই-চাৰিবিধ এতিয়াও খাবলৈ পাওঁ যদিও আমি অসমতে থাকি কিছুমান ফলৰ নাম সৰুৰে পৰা অ'ত-ত'ত শুনিলোঁহে, খাই হ'লে নাপালোঁ। সেইবোৰ হৈছে— আমখিচ, বনপিঠা, পকমৌ, কাথবেল, লেটাগুটি, চাম কঁঠাল, বিলম্বী টেঙা আদি।

সি যি কি নহওক, অসমৰ এই থলুৱা ফলমূল, শাক-পাতবিলাকক আমি যি ধৰণে গুৰুত্ব দি ইয়াক সংৰক্ষণ কৰিব লাগিছিল বা বিকাশ কৰিব লাগিছিল সেইবোৰ বন বিভাগ, সামাজিক বনানীকৰণকে আদি কৰি ইমানবোৰ চৰকাৰী বিভাগ, দপ্তৰ, কৰ্প'ৰেচন, এন জি অ' আদি থাকোঁতেও বা ব্যক্তিগতভাৱেও বিকাশ বা সংৰক্ষণ কৰিব নোৱাৰাটো আমাৰ সকলোৰে বাবে অতি পৰিতাপৰ কথা হৈছে। অৱশ্যে আজি কিছুদিনৰ পৰা দুই-চাৰিটা চৰকাৰী বিভাগ, সংস্থা, ক্লাব, এন জি অ' আদিয়ে এইবোৰ ৰক্ষণাবেক্ষণ দিবলৈ কিছু যত্ন কৰিছে যদিও আমাৰ সাধাৰণ মানুহখিনিৰ এই ধৰণৰ কথাবোৰৰ ওপৰত বিশেষ কোনো সজাগতা অহা নাই বুলিয়েই ক'ব পাৰি। আহক তেনেহ'লে, আজিৰে পৰা এই ধৰণৰ কথাবোৰ আমি অলপ দ-কৈ চিন্তা-চৰ্চা কৰোঁ। এইবোৰ নতুন ৰোপণেৰে পুনৰুদ্ধাৰ কৰিব পাৰিলে আমাৰ ৰাজ্য বা জাতিটোৰ নিজা এটা পৰিচয় আনৰ আগত দেখুৱাব পৰাৰ লগতে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰতো বহুখিনি অৰিহণা যোগাব পৰা যাব। ■

ফোন ঃ ৯৮৫৪০-৫৮৮০০



# ইতিহাসৰ বৃহত্তম ফুটবল মহোৎসৱ আৰু জাৰ্ছিবিহীন ১৪০ কোটি দৰ্শক



মনস্বিনী ৰুণুমী মহন্ত

সমগ্ৰ বিশ্ব এতিয়া ফুটবলৰ জ্বৰত আক্ৰান্ত। উত্তৰ আমেৰিকাৰ মাটিত ১১ জুনৰ পৰা ইতিহাসৰ সৰ্ববৃহৎ ফুটবল মহাৰণ 'ফিফা বিশ্বকাপ ২০২৬' আৰম্ভ হৈছে। এইবাৰৰ বিশ্বকাপ কেইবাটাও কাৰণত ঐতিহাসিক। ফিফাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৩২টা দলৰ পৰিৱৰ্তে ৪৮টা দলে বিশ্বকাপৰ মূল পৰ্বত অংশগ্ৰহণ কৰিছে। আনকি এছিয়া মহাদেশৰ (এছিয়ান ফুটবল কনফেডাৰেচন— AFC) বাবেও দলৰ সংখ্যা বৃদ্ধি কৰি ৮টা পোনপটীয়া আৰু ১টা আন্তঃমহাদেশীয় প্লে-অফৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু এই অভূতপূৰ্ব সুযোগৰ পাছতো প্ৰায় ১৪০ কোটি জনসম্পদেৰে ভৰপূৰ আমাৰ দেশে বিশ্বকাপত অংশগ্ৰহণ কৰাৰ পৰা বহু দূৰৈত অৱস্থান কৰি নিজৰ বৃহৎ জনসম্পদক কেৱল এটা 'গ্ৰাহক সমূহ' হিচাপে প্ৰতীয়মান কৰি দৰ্শকৰ ভূমিকাত অধিষ্ঠিত হৈছে। মহাদেশীয় কোটা বৃদ্ধি পোৱাৰ পাছতো ভাৰতীয় পুৰুষ ফুটবল দলৰ বিশ্বকাপৰ মূল পৰ্বলৈ যোগ্যতা অৰ্জনত এই ব্যৰ্থতা নিতান্তই হতাশাজনক।

উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰণ চাবলৈ দেশজোৰা বৃহৎ দৰ্শক-গ্ৰাহক সংখ্যাৰে এজন হৈ বহোঁতে টিভিৰ পৰ্দাত বিশ্লেষক হিচাপে অংশগ্ৰহণ কৰা কিংবদন্তি ভাৰতীয় ফুটবলাৰ বাইচুং ভূটীয়াৰ উপস্থিতিয়ে এই সামূহিক ব্যৰ্থতাক যেন আমাৰ দৃষ্টিত অধিক দুখজনক ৰূপত স্পষ্ট কৰি তুলিলে। গুণী খেলুৱৈ হোৱাৰ পাছতো দলীয় (দেশীয়) যোগ্যতাৰ অভাৱত এখনো বিশ্বকাপ খেলিবলৈ নোপোৱাটো বোধকৰোঁ বাইচুং ভূটীয়া অথবা তেওঁৰ উত্তৰসূৰী— চতুৰ্থ সৰ্বোচ্চ আন্তঃৰাষ্ট্ৰীয় গ'ল দিওঁতাৰ অভিলেখেৰে খ্যাত সুনীল ছেত্ৰীৰ জীৱনৰ আটাইতকৈ ডাঙৰ ব্যৰ্থতাৰ অনুভৱ লগতে শোকৰো কাৰণ।

কাটাৰ, কুৱেইট, জৰ্ডান, উজবেকিস্তানৰ দৰে ক্ষুদ্ৰতৰ দেশে চলিত বৰ্ষত এছিয়া মহাদেশৰ পৰা বিশ্বকাপত অংশগ্ৰহণ কৰাৰ সময়ত ভাৰতে মহাদেশীয় যোগ্যতা নিৰূপক শৃংখলাৰ দ্বিতীয় ঢাপতে প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হোৱাটো নিঃসন্দেহে সামগ্ৰিকভাৱে দুখজনক। ১৯৫০ চনত অলিম্পিকক অগ্ৰাধিকাৰ দি নিজাববীয়াকৈ নেখেলাৰ সিদ্ধান্ত লোৱা ব্ৰাজিল বিশ্বকাপৰ বাদে, ভাৰতীয় ফুটবল দলটোৱে কাহানিও ফুটবল বিশ্বকাপৰ মূল পৰ্বলৈ যোগ্যতা অৰ্জন কৰা নাই যদিও এইবাৰৰ ব্যৰ্থতা যেন অধিক শোচনীয়। শেহতীয়া খেলসমূহত ভাৰতে আফগানিস্তান, ছিংগাপুৰ আৰু বাংলাদেশৰ দৰে দলৰ বিৰুদ্ধেও পইণ্ট হেৰুৱাবলগীয়া হোৱাটো তাৎপৰ্যপূৰ্ণ। ফিফা ৰেংকিঙত বৰ্তমান ১৩৯ নম্বৰ স্থানত থকা পুৰুষ দলটোৱে যেন তাৰকা খেলুৱৈ সুনীল ছেত্ৰীৰ অৱসৰৰ পাছত আৰু অধিক অৱসাদগ্ৰস্ত হৈ গভীৰ সংকটত পৰিছে। আমাৰ দেশত ফুটবল কেৱল গতিহীন স্থিৰিৰতাত আবদ্ধ হৈ থকা নাই, বৰঞ্চ দিনক দিনে পশ্চাৎগামীহে হৈ পৰিছে।

ভাৰতৰ দৰে এক বিশাল মানৱ সম্পদ থকা দেশ এখনৰ এই ব্যৰ্থতাৰ কাৰণসমূহ বিচাৰ কৰিলে কিছুমান কাৰণ চৰ্বিত চৰ্বণ আৰু সুস্পষ্ট। ছাফ (SAFF)ৰ দৰে দক্ষিণ এছিয়াৰ আঞ্চলিক প্ৰতিযোগিতাত ভাল প্ৰদৰ্শনৰ আত্মসন্তুষ্টিয়ে ভাৰতীয় দলটোক বাৰুকৈয়ে ক্ষতি কৰিছে। দক্ষিণ এছিয়াত আধিপত্য বিস্তাৰ আৰু বিশ্বকাপলৈ যোগ্যতা অৰ্জনৰ মাজত যে আকাশ-পাতাল পাৰ্থক্য, সেয়া সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে বুজিও নুবুজে। ইউৰোপ বা লেটিন আমেৰিকাৰ ফুটবলকেন্দ্ৰিক দেশসমূহত একোজন ফুটবলাৰে ৮-১০ বছৰ বয়সৰ পৰাই বিশ্বমানৰ একাডেমীত পেছাদাৰী প্ৰশিক্ষণ লাভ কৰাৰ বিপৰীতে ভাৰতত ক্ৰীড়া আন্তঃগাঁথনি কেৱল কেইখনমান মহানগৰীতে আবদ্ধ হৈ থকাৰ কাৰণটোৰ বিষয়ে সুকীয়াকৈ দোহৰাৰ চাগৈ প্ৰয়োজন নাই। আনহে নালাগে ভাৰতত আটাইতকৈ জনপ্ৰিয় খেল ক্ৰিকেটত প্ৰতিভা চিনাক্তকৰণৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে গাঁও-ভূঁইলৈকে বিস্তৃত, যি এক বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰিছে, অনুৰূপ এটা প্ৰক্ৰিয়া ফুটবল ফেডাৰেচনে গ্ৰহণ কৰিব পৰা নাই বা গঢ়িও তুলিব পৰা নাই।

পুৰুষ বা মহিলা নিৰ্বিশেষে দেশত ক্ৰিকেট নামৰ খেলবিধৰ সামগ্ৰিক বিকাশ সাধনৰ বাবে ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে সমান মেচ ফীজ অথবা বিস্তৃত সম্প্ৰচাৰণ পৰিকল্পনাৰে ডব্লিউ পি এলৰ আয়োজনৰ দৰে যি 'কৰ্প'ৰেট দূৰদৰ্শিতা' প্ৰদৰ্শন কৰিলে, তেনে দূৰদৰ্শী সামগ্ৰিক ক্ৰীড়া-সংস্কৃতি সৃষ্টিকাৰী কোনো প্ৰক্ৰিয়া বা আয়োজন ফুটবল ফেডাৰেচনে হাতত লোৱা দেখা পোৱা যোৱা নাই। ডব্লিউ পি এলৰ অনুৰূপ ইণ্ডিয়ান ৱ'মেনছ লীগ-আই ডব্লিউ এল, স্পনছ'ৰ আৰু সম্প্ৰচাৰকৰ অভাৱত কাৰ্যতঃ এটা ভেঁকো-ভাওনাৰ বাদে একোৱেই নহয়। অথচ ভাৰতীয় ৰাষ্ট্ৰীয় মহিলা ফুটবল দলটোৱে শেহতীয়াকৈ অভিলেখসংখ্যক ষষ্ঠবাৰৰ কাৰণে ছাফ কাপ জিকি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। দলটোৰ ফিফা ৰেংকিঙো (৬৯) পুৰুষ দলটোতকৈ বহু ওপৰত। কিন্তু তাৰ পাছতো মহিলা ফুটবলৰ বাবে আবণ্টিত বাজেট আৰু সা-সুবিধা পুৰুষ দল বা মহিলা ক্ৰিকেটৰ তুলনাত তেনেই নগণ্য। এই লিংগভিত্তিক বিনিয়োগ বৈষম্যৰ জৰিয়তে বহুতো দৰমহাপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীয়ে কেৱল চাকৰিৰ দায়তে চাকৰি কৰি থকাৰ মানসিকতাৰ সমযোত্ৰৰ মানসিকতাকে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে বহুলাংশে প্ৰতীয়মান কৰিছে। খেলবিধৰ প্ৰতি ভালপোৱা আৰু সেই বিশেষ ক্ষেত্ৰখনৰ উৎকৰ্ষ সাধনৰ বাবে দূৰদৰ্শী কোনো পৰিকল্পনা লোৱাতকৈ যেনেকৈ চলি আছে, তেনেকৈ চলি থকাতে যেন তেওঁলোকে অধিক গুৰুত্ব দিছে। ফলত উত্তৰ-পূৰ্বাঞ্চল, বংগ, গোৱা অথবা কেৰালাৰ দৰে আঞ্চলিক পৰিসৰ বাদ দিলে ভাৰতত ফুটবল এটা ক্ৰীড়া সংস্কৃতি হিচাপে গঢ় লৈ উঠিব পৰা নাই। অথচ ফুটবল হৈছে মানৱ ইতিহাসৰ একেবাৰে প্ৰাথমিক আৰু প্ৰাৰম্ভিক ক্ৰীড়াসমূহৰে এটা। ভৰিত লাগি থকা শিলগুটি এটা লথিয়াই যোৱাৰ স্বাভাৱিক প্ৰবৃত্তিতে যাৰ আৰম্ভণি। সেই আৰম্ভণিক যথোপযুক্ত পৰিকল্পনা আৰু বিনিয়োগৰ জৰিয়তে সম্পদত পৰিণত কৰাত ভাৰতীয় ফুটবল ফেডাৰেচন নিঃসন্দেহে ব্যৰ্থ হৈছে।

> হিন্দীত সুকীয়াকৈ সম্প্ৰচাৰৰ ব্যৱস্থা কৰিবলগীয়াকৈ দৰ্শক থকা এখন দেশত পৰ্তুগাল, আৰ্জেণ্টিনা বা ব্ৰাজিলৰ জাৰ্ছি পিন্ধি খেল চাবলগীয়া অৱস্থাতকৈ শোকৰ কথা কি থাকিব পাৰে, সেয়া বোধকৰো ফুটবলৰ প্ৰতি স্বভাৱজাত আকৰ্ষণ থকা উত্তৰ-পূবৰ ক্ৰীড়াপ্ৰেমীয়ে বাৰুকৈয়ে বুজি পায়।

তৃণমূল পৰ্যায়ৰ পৰা অনূৰ্দ্ধ-১৯ প্ৰতিযোগিতা আৰু ক্ৰীড়া একাডেমীসমূহৰ জৰিয়তে ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে সম্পদ সৃষ্টি আৰু উৎকৰ্ষ সাধনৰ বাবে যি এক শক্তিশালী নেটৱৰ্ক গঢ়ি তুলিছে, তাৰ সমকক্ষ নেটৱৰ্ক ফুটবলৰ পৰিসৰত গঢ় লৈ উঠা নাই। ছাফ কাপৰ পাছত ভাৰতীয় জাতীয় দলৰ শিবিৰসমূহ সৰীসৃপৰ শীতনিদ্ৰাৰ অনুৰূপ স্তব্ধতালৈ গুচি যোৱা যেনেই অনুভৱ হয়।

খেলুৱৈৰ দক্ষতা বৃদ্ধিৰ বাবেও বিশেষ বিনিয়োগ প্ৰচেষ্টা ফুটবল ফেডাৰেচনে লোৱা যেন চকুত নপৰে। ভাৰতীয় ফুটবলৰ মেৰুদণ্ডস্বৰূপ উত্তৰ-পূৰ্বাঞ্চলৰ খেলুৱৈসকলে আজিও নিজৰ একক প্ৰচেষ্টাৰেই ৰাষ্ট্ৰীয় দলত স্থান পাই আহিছে। অসম বা মণিপুৰত উন্নত ফুটবল একাডেমী, আধুনিক প্ৰশিক্ষণ কেন্দ্ৰ আৰু বিশ্বমানৰ ক্ৰীড়া বিজ্ঞানৰ (Sports Science) প্ৰয়োগৰ অভাৱ আজিৰ তাৰিখতো বাৰুকৈয়ে স্পষ্ট। সঠিক সুযোগৰ অভাৱত স্থানীয় প্ৰতিভাৰ আকৰসমূহ থলুৱা প্ৰতিযোগিতাতে আবদ্ধ হৈ শেষ হৈ যোৱাৰ উদাহৰণ ফুটবলত অতি সুলভ।

১৪০ কোটি জনসংখ্যাৰ দেশখনে যেতিয়া ৪৮টা দল থকা ইতিহাসৰ সৰ্ববৃহৎ বিশ্বকাপত এটা জাৰ্ছি আহৰণৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰে, তেতিয়া আঞ্চলিক আৰু ঘৰুৱা পৰিসৰৰ কেইটামান ট্ৰফীৰ বিজয়েই যে শেষ কথা নহয় সেয়া সুনিশ্চিত হৈ পৰে। বৰঞ্চ ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ বাবে এয়া এক প্ৰতাৰণাস্বৰূপ নিচুকণি মাত্ৰ। এই নিচুকণিক যদি সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে এতিয়াই চৰম সতৰ্কবাণী হিচাপে গ্ৰহণ কৰি, তৃণমূল পৰ্যায়ৰ ফুটবলৰ সংস্কাৰ সাধনত ৰত নহয়, তেন্তে ২০৩০ বা ২০৩৪ চনৰ বিশ্বকাপো ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ বাবে জাৰ্ছিবিহীন নিষ্ক্ৰিয় গ্ৰাহক দৰ্শক হিচাপে টেলিভিছনৰ পৰ্দাতে সীমাবদ্ধ হৈ ৰ'ব। হিন্দীত সুকীয়াকৈ সম্প্ৰচাৰৰ ব্যৱস্থা কৰিবলগীয়াকৈ দৰ্শক থকা এখন দেশত পৰ্তুগাল, আৰ্জেণ্টিনা বা ব্ৰাজিলৰ জাৰ্ছি পিন্ধি খেল চাবলগীয়া অৱস্থাতকৈ শোকৰ কথা কি থাকিব পাৰে, সেয়া বোধকৰো ফুটবলৰ প্ৰতি স্বভাৱজাত আকৰ্ষণ থকা উত্তৰ-পূবৰ ক্ৰীড়াপ্ৰেমীয়ে বাৰুকৈয়ে বুজি পায়।

মিথালী ৰাজ বা ঝুলন গোস্বামীক বিশ্বকাপ উপহাৰ দিব পৰাকৈ সমৰ্থ এটা মহিলা ক্ৰিকেটৰ দল গঢ়ি তোলা ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ আদৰ্শ আৰু কুশলী, দূৰদৰ্শী পৰিকল্পনাৰে আগবাঢ়ি সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ পৃষ্ঠপোষকতা গঢ় লৈ উঠা এটা দক্ষ, সক্ষম আৰু সমৰ্থ ভাৰতীয় ফুটবল দলে এদিন সুনীল ছেত্ৰী আৰু বাইচুং ভূটীয়াৰ হাতত ফুটবল বিশ্বকাপৰ ট্ৰফী তুলি দিবহি, এই সপোন পূৰণৰ ছবিখন আমি অদূৰ ভৱিষ্যতে দেখা পামনে বাৰু? নে ২০২৬তো জাৰ্ছিবিহীন দৰ্শক হিচাপে এই সপোন অকণমান বাওনাৰ চন্দ্ৰ যেন ধৃষ্টতা হৈছে। ■

ফোন ঃ ৬৯০১০৮৫৪৯৫

## প্ৰসংগ প্ৰাসংগিক

# আলোকা



মানস প্ৰতিম ডেকা

ঘৰলৈ আহিছে আলোকা বা সহজ অসমীয়া ভাষাত আলোক। শান্তিৰ দূতৰূপী কুকুৰটো। কলকাতাৰ পদপথৰ পৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰা এটি মৰমলগা কুকুৰ। আলোকক এতিয়া বিশ্বই গ্ল'বেল পীচ এম্বেছাডৰ বুলিও জানে। বহুতেই হয়তো আলোকক জানে, চিনি পায় বা আলোকৰ বিষয়ে পঢ়িছে। যিসকলে নাজানে তেওঁলোকৰ বাবে কওঁ, আলোকে যি কৰিছে সেয়া বহু মানুহেই কৰিব নোৱাৰে। সেয়া হৈছে আলোকৰ আধ্যাত্মিক যাত্ৰা।

আলোক নামটো কুকুৰটোক দিছিল বৌদ্ধ ভিক্ষুসকলে। আলোকৰ কাহিনী আৰম্ভ হৈছিল ডিচেম্বৰ, ২০২২ত। যেতিয়া সুদূৰ আমেৰিকাৰ পৰা বৌদ্ধ ভিক্ষুৰ এটা দলে ১১২ দিনৰ এটা শান্তি যাত্ৰাৰ অংশ হিচাপে উপস্থিত হৈছিল ভাৰতত। এই শান্তিৰ যাত্ৰাৰ সময়তে বৌদ্ধ ভিক্ষুসকলে কলকাতাৰ ৰাজপথত লগ পালে আঢ়ৈ বছৰীয়া আলোকক। সহজ ভাষাত অঘৰী আলোক পৰি আছিল কলকাতাৰ পদপথত। কিন্তু আচৰিত ধৰণে বৌদ্ধ ভিক্ষুৰ দলটো দেখাৰ লগে লগে যেন আলোকে নিজৰ আপোন মানুহকহে বিচাৰি পালে। আৰু সিদিনাখনৰ পৰাই বৌদ্ধ ভিক্ষুকসকলৰ সেই পদব্ৰজী যাত্ৰাৰ অংশ হৈ পৰিল আলোক। কোনো আগ-পিছ নোচোৱাকৈ আলোক ওলাই পৰিল এক অনিৰ্দিষ্ট যাত্ৰাৰ দিশে।

বৌদ্ধ ভিক্ষুৰ দলটোৱে বহুবাৰ চেষ্টা কৰিলে আলোকক বাধা দিবলৈ। আলোকক সুৰক্ষিত স্থানত থ'বলৈও চেষ্টা কৰিলে। কিন্তু আলোক ক'তো নৰ'ল। সি গৈ থাকিল। আৰু ভিক্ষুসকলৰ লগতে আলোকে একাধিক পৱিত্ৰ বৌদ্ধ স্থান ভ্ৰমণ কৰিলে। এই যাত্ৰাকালত বহু প্ৰত্যাহ্বানৰো সন্মুখীন হৈছিল আলোক। দুৰ্ঘটনা, অন্য কুকুৰৰ আক্ৰমণ আনকি বেমাৰতো পৰিছিল আলোক। কিন্তু আলোকৰ যাত্ৰা স্তব্ধ নহ'ল, আলোক গৈ থাকিল। কোনো ক্ষণতে এই ভিক্ষুসকলৰ সংগ নেৰিলে আলোকে।

ভিক্ষুসকলৰ দাবী— আলোক পূৰ্ব জন্মত কোনো বৌদ্ধ ভিক্ষুৱেই আছিল। সেয়ে আলোকৰ মাজত আছে অসীম ধৈৰ্য আৰু সহনশীলতা। আৰু এনেকৈয়ে ভাৰতৰ ভৌগোলিক সীমা পাৰ কৰি আলোক হৈ পৰিল বৌদ্ধ ভিক্ষুসকলৰ এই শান্তি যাত্ৰাৰ এম্বেছাডৰ। আলোক পালেগৈ আমেৰিকা। তাতো বৌদ্ধ ভিক্ষুসকলৰ সৈতে একেলগে খোজ কাঢ়িলে আলোকে। এই ভিক্ষুসকলে আলোকৰ সকলোধৰণৰ চোৱা-চিতাৰ দায়িত্ব ল'লে। আনকি আলোকৰ এটা ছ'চিয়েল মিডিয়া একাউণ্টো খুলি দিলে। য'ত ফলৱাৰ্ছৰ সংখ্যা ১ লাখতকৈ অধিক। আমেৰিকাতো টেক্সাছৰ পৰা হোৱাইট হাউছলৈ প্ৰায় চাৰে তিনি হাজাৰ কিলোমিটাৰ পদব্ৰজে যাত্ৰা কৰিলে আলোকে। আমেৰিকাৰ হাড় কঁপোৱা জাৰতো গোটেইদিন আলোকে খোজ কাঢ়ে আৰু নিশা ভিক্ষুসকলৰ সৈতে শুই পৰে।

আলোক এক নিদৰ্শন হৈ পৰিল। বিশ্বৰ ভিন্ন প্ৰান্তৰ লোকৰ কৌতূহলৰ বিষয় হৈ পৰিল আলোক। যি এটা সময়ত পদপথত পৰি ৰৈছিল, হয়তো বহুতেই লেই লেই ছেই ছেই কৰিছিল, সেই আলোক আজি গ্ল'বেল আইকণ। আজি আলোকক সকলোৱে জানে 'ৱৰ্ল্ড পীচ ডগ' বুলি। এনেদৰে যাত্ৰা কৰি কৰিয়েই আলোক চাৰি বছৰীয়া হ'ল। সম্প্ৰতি আমেৰিকাৰ টেক্সাছতে এগৰাকী বৌদ্ধ ভিক্ষুৰ নিৰীক্ষণত থাকে আলোক। আমেৰিকা, নেপাল, শ্ৰীলংকা, থাইলেণ্ডৰ দৰে বহু দেশত এনে বহু শান্তিৰ যাত্ৰাত অংশ লৈছে আলোকে।

সম্প্ৰতি আলোক ভাৰতলৈ আহিছে। বৌদ্ধ ভিক্ষুৰ এটা দলৰ সৈতে বিমানেৰে দিল্লীত অৱতৰণ কৰিছে আলোকে। আৰু সকলোৰে আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে এসময়ত কলকাতাৰ পদপথত পৰি ৰোৱা কুকুৰটো। আনকি আলোকক লগ পাবলৈ মানেকা গান্ধীৰ দৰে ৰাজনৈতিক নেত্ৰীও উপস্থিত হৈছেগৈ। আলোক ভাৰতলৈ আহিছে কিছু দিনৰ বাবেহে। পুনৰ ঘূৰি যাব টেক্সাছলৈ। কিন্তু লগত লৈ যাব পুৰণি দিনৰ কিছুমান স্মৃতি। আৰু আগবঢ়াই লৈ যাব শান্তিৰ এই অসাধাৰণ যাত্ৰাক। ■





## কবিতা

### গল্পবোৰ

উৰ্মি জুলী শইকীয়া

মাছৰ জীৱনৰ দৰে
মানুহৰ গল্পবোৰ

মানুহবোৰে ভাবে তেওঁলোকে মাছ ধৰে
মাছ ভাজে
মাছ ৰান্ধে, মাছ খায়

আচলতে নিজকে ভাজে নিজকে ৰান্ধে
নিজৰ জীৱনটোকে খায়

পথাৰৰ পৰা সাগৰলৈকে মাছবোৰ
পথাৰৰ পৰা সাগৰলৈকে মানুহবোৰ
দুয়োৰো বুকুত ঢৌ
বতাহ বিজুলী বজ্ৰপাত শিলাবৃষ্টি

মাছৰ বজাৰত
মানুহবোৰে সোধে কি মাছ কি দাম?
তেতিয়া মাছবোৰেও পঢ়ে মানুহক

দুয়োৰো একেই গল্প ...!

ফোন ঃ ৭৫৭৭৮২২৯২৯



### ফাগুন হৈ আহিবা

উপাসনা দত্ত

পাৰিলে ফাগুন হৈ আহিবাচোন
দিবলৈ সাহস দুটি নয়নক
ধূলিৰ মাজতো সপোন দেখিবলৈ,
শিমলু হৈ ফুলি লঠঙা মনত
সিঁচি দিয়াহি আশা সেউজী সুদূৰৰ।
পাৰিবানে মোৰ ফাগুন হ'ব?

পাৰিলে ফাগুন হৈ আহিবাচোন
সুৰ হৈ বিয়পি ঐনিতমৰ
বিলোৱা সুগন্ধি আচিন আয়াঙৰ,
শেঁতা দুগালত সানি ফল্গুৰ ৰহণ
আঁকি দিয়া জোনাক
মোৰ এন্ধাৰ জীৱনত।
পাৰিবানে মোৰ ফাগুন হ'ব?

ফোন ঃ ৮৭৬১০-৮৮৭০৭

### কবিতা

ৰীতা বৰুৱা

১)
নাৰিকল পাতৰ ছিৰিলিৰে
বেলিটোৱে জুমি চাইছে
নিজৰে অতীত

২)
আচলতে
মই অটল হৈ আছোঁ
নিজৰ ঠাইতে
আঁতৰি গ'লা তুমিহে
গতিশীল পৃথিৱীৰ স'তে

৩)
সময়ে
যি হাতেৰে এদিন
ৰং সানে
সেই হাতেৰেই আন এদিন
ৰং কাঢ়ে।



# অৰূপ মান্নাৰ সমৰ্পণ



১ পৃষ্ঠাৰপৰা ই পিতৃতান্ত্ৰিক সমাজৰ ক্ষমতা-ৰাজনীতি, নাৰীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সংকীৰ্ণ সামাজিক দৃষ্টিভংগীকো চিত্ৰায়িত কৰিছে। চিনেমাখনৰ কেন্দ্ৰীয় চৰিত্ৰ তৰু। স্বামীৰ অকাল মৃত্যুৰ পাছত তেওঁ এনে এখন সমাজৰ সন্মুখীন হয়, য'ত সহানুভূতি আৰু শোষণৰ মাজৰ সীমাৰেখাডাল অত্যন্ত ক্ষীণ। সহায়ৰ হাত আগবঢ়োৱা অধিকাংশ পুৰুষৰ অন্তৰত লুকাই থাকে ভোগৰ আকাংক্ষা। সমাজে তেওঁক এগৰাকী ব্যক্তি হিচাপে নহয়, বৰং এক ভোগৰ সামগ্ৰী হিচাপে চাব বিচাৰে। এইখিনিতেই সমৰ্পণৰ মূল ৰাজনৈতিক বক্তব্য নিহিত হৈ আছে। তৰুৰ জীৱনসংগ্ৰাম আচলতে ব্যক্তিগত নহয়; ই নাৰীয়ে সমগ্ৰ সমাজৰ নৈতিক অৱক্ষয়ৰ বিৰুদ্ধে কৰা এক সংগ্ৰাম।

স্বামীৰ মৃত্যুৰ পাছত তৰুৰ ঘৰলৈ খবৰ ল'বলৈ অহা গাঁৱৰ বায়নজনে যেতিয়া কয়— 'মই আছোঁ নহয়, তই কিয় চিন্তা কৰিছ'— তেতিয়া বাহ্যিক সহমৰ্মিতাৰ অন্তৰালত লুকাই থকা পুৰুষতান্ত্ৰিকতা আৰু সংকীৰ্ণতাক দৰ্শকে সহজেই অনুধাৱন কৰে। অৰূপ মান্নাৰ শক্তি ইয়াতেই যে তেওঁ চৰিত্ৰসমূহক কেতিয়াও একমাত্ৰিক ৰূপত নিৰ্মাণ নকৰে; তেওঁলোকৰ আচৰণৰ মাজেৰেই সমাজ জীৱনৰ ভিন্ন ছবি উন্মোচিত কৰে। এই অন্ধকাৰ বাস্তৱৰ মাজত তৰুৰ জীৱনলৈ আহে বলি নামৰ এজন যুৱক। বলিৰ চৰিত্ৰটোক প্ৰচলিত অৰ্থত নায়ক বুলিব নোৱাৰি। মদৰ নিচাত ডুবি থকা এই যুৱকজনৰ মাজত আছে এক সৰল মন। তৰুৰ যৌৱন, সৌন্দৰ্য বা দেহৰ প্ৰতি তেওঁৰ কোনো লালসা নাই, বৰং সমাজৰ লোলুপ চকুৰ পৰা তৰুক ৰক্ষা কৰাৰ এক নীৰৱ দায়িত্ববোধহে তেওঁৰ আচৰণৰত দেখা যায়। এই সম্পৰ্কৰ ভিতৰত কোনো ৰোমাণ্টিকতাও নাই, আছে নিঃসংগতাৰ মাজত জন্ম লোৱা এক অদ্ভুত সহাৱস্থান।

প্ৰথমাৱস্থাত বলিয়ে দুৱাৰ বলপূৰ্বকভাৱে তৰুৰ ঘৰত প্ৰৱেশ কৰিছিল; কিন্তু পিছলৈ তৰুৱে তেওঁৰ উপস্থিতিক সহজভাৱে গ্ৰহণ কৰি দুৱাৰ ডাং নলগোৱাকৈয়ে ৰাখিবলৈ ধৰে। আচলতে, দুৱাৰৰ ডাংডালক পৰিচালকে এক শক্তিশালী প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। স্বামীৰ মৃত্যুৰ পাছত সমাজৰ কুদৃষ্টি, অশুভ অভিপ্ৰায় আৰু অসুৰক্ষাৰ অনুভূতিৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ তৰুয়ে সদায় হাতত এখন দা লৈ দুৱাৰত ডাং মাৰি ৰাখে। এই ডাংডাল কেৱল ঘৰখনৰ সুৰক্ষাৰ ব্যৱস্থা নহয়; ই তৰুৰ মনোজগতৰ ভয়, অনিশ্চয়তা আৰু সমাজৰ প্ৰতি থকা অবিশ্বাসৰো প্ৰতীক। কিন্তু বলিৰ সৈতে সম্পৰ্ক গভীৰ হোৱাৰ লগে লগে তৰুৰ মনত তেওঁৰ প্ৰতি বিশ্বাস আৰু আস্থা জন্ম লয়। ফলত দুৱাৰৰ ডাংডাল আঁতৰাই ৰখাৰ ঘটনাই তৰুৰ অন্তৰ্জগতত সংঘটিত হোৱা পৰিৱৰ্তনক সূচায়। ই কেৱল এজন মানুহক ঘৰত প্ৰৱেশৰ অনুমতি দিয়াই নহয়, বৰং নিজৰ হৃদয়ৰ দুৱাৰো তেওঁৰ বাবে মুকলি কৰি দিয়াৰ এক সাংকেতিক ইংগিত।

চিনেমাখনৰ শেষৰ দৃশ্যত আমি দেখা পাওঁ যে তৰুৰ ঘৰৰ শোৱাপাটীতেই বলিৰ মৃত্যু হয়। তাৰ পাছত সংঘটিত ঘটনাসমূহে কাহিনীক এক ভয়ংকৰ নৈতিক সংকটৰ মুখলৈ লৈ যায়। বলিৰ মৃতদেহ সৎকাৰ কৰিবলৈ বাধ্য হৈ তৰুৱে যেতিয়া এজন বিহাৰী লোকৰ কাষ চাপিবলগীয়া হয়, তেতিয়া সমাজৰ নিষ্ঠুৰ বাস্তৱে পুনৰ মূৰ তুলি উঠে। সেই লোকজনে তৰুক কয়— 'এফালে চিতাত জুই জ্বলিব, আনফালে তই কাপোৰ খুলিব লাগিব।' এই সংলাপটো কেৱল এজন ব্যক্তিৰ বিকৃত মনস্তত্ত্বই নহয়; ই নাৰীৰ শৰীৰৰ ওপৰত সমাজে জাপি দিয়া ক্ষমতাৰ এক নগ্ন স্বৰূপ। বলিৰ দেহ চিতাত জ্বলি থকাৰ সময়তে তৰুৱে নিজৰ দেহৰ কাপোৰবোৰ এপদ এপদকৈ খুলিবলৈ আৰম্ভ কৰে। লম্পট লোকজনে তাইক লোলুপ দৃষ্টিৰে চাই থাকে। আৰু ঠিক এই মুহূৰ্ততে তৰুৱে সম্পূৰ্ণ উলংগ অৱস্থাত অগ্নিত জঁপিয়াই পৰে। এই দৃশ্যটোৱে চিনেমাখনক ব্যক্তিগত বেদনাৰ সীমা অতিক্ৰম কৰি এক অস্তিত্ববাদী স্তৰলৈ লৈ যায়। এই দৃশ্যটোৰ বহু ঠাইত শৈল্পিক উপস্থাপনৰ থল আছিল বুলি আমাৰ ভাৱ হয়। কিন্তু সমৰ্পণৰ প্ৰকৃত শক্তি ইয়াৰ কাহিনীত নহয়; ইয়াৰ চিনেমাভাষাই চিনেমাখনক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। অৰূপ মান্নাই এই চিনেমাত সংলাপতকৈ দৃশ্য, শব্দ, নীৰৱতা আৰু প্ৰতীকমূলক চিত্ৰকল্পতেই মূল শক্তি লুকাই আছে।

চিনেমাখনৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল ক'লা-বগা ফ্ৰেমৰ ব্যৱহাৰ। সমগ্ৰ চিনেমাখন প্ৰায় সম্পূৰ্ণৰূপে ব্লেক এণ্ড হোৱাইটত নিৰ্মাণ কৰা হৈছে। এই সিদ্ধান্ত কোনো নষ্টালজিক প্ৰয়াস নহয়; বৰং বাস্তৱৰ নিৰ্মমতা আৰু তৰুৰ অস্তিত্বগত নিঃসংগতাক দৃশ্যগত ৰূপ দিয়াৰ এক সচেতন শিল্পকৌশল। ক'লা-বগা ফ্ৰেমে গাঁৱৰ পথ, তৰুৰ ঘৰ, নিশাৰ অন্ধকাৰ আৰু মানুহৰ চৰিত্ৰত লুকাই থকা কপটতাক এক নতুন তাৎপৰ্য সৃষ্টি কৰিছে। কিন্তু এই অন্ধকাৰ জগতৰ মাজতেই পৰিচালক অৰূপ মান্নাই সযত্নে ৰঙৰ ব্যৱহাৰ কৰিছে। তৰুৱে যেতিয়া নতুন জীৱনৰ সপোন দেখে, যেতিয়া বাস্তৱৰ সীমা অতিক্ৰম কৰি মনোজগতত এক সম্ভাব্য সুখৰ কল্পনা কৰে, তেতিয়াই চিনেমাৰ দৃশ্যসমূহ ৰঙীণ হৈ উঠে। বিশেষকৈ বলিক কেন্দ্ৰ কৰি তৰুৱে দেখা সপোনৰ দৃশ্যসমূহত ৰঙৰ ব্যৱহাৰে চিনেমাখনক এক কাব্যিক স্তৰলৈ লৈ যায়। ক'লা-বগা আৰু ৰঙৰ এই দ্বন্দ্ব আচলতে বাস্তৱ আৰু আকাংক্ষাৰ দ্বন্দ্ব। দৰ্শকে ইয়াক কেৱল দৃশ্যগত পৰিৱৰ্তন হিচাপে চোৱা নাই; বৰং তৰুৰ অন্তৰ্জগতৰ দ্বন্দ্ব হিচাপে অনুধাৱন কৰিব পাৰিছে। এইখিনিতেই সমৰ্পণ এক সাৰ্থক দৃশ্যকাব্যত পৰিণত হয়। ক'লা-বগা বাস্তৱৰ মাজত ৰঙীণ সপোনৰ ক্ষণিক দীপ্তিয়ে জীৱনৰ এক গভীৰ আৰু চিৰন্তন সত্যক আমাৰ মনত জগাই তোলে।

নূপুৰ মান্নাৰ সংগীত আৰু প্ৰাঞ্জল বৰাৰ বাঁহীবাদন কেৱল আৱহ সংগীত নহয়; ই চিনেমাখনৰ আবেগিক ভাষা হোৱাৰ স্থল আছিল, কিন্তু চিনেমাখনৰ চৰিত্ৰ, কাহিনী, পৰিস্থিতিৰ মনস্তাত্ত্বিক আৰু শৈল্পিক সংযোগৰ সম্ভাৱনা থকা সত্ত্বেও যথেষ্ট সুৰুঙা থাকি গ'ল। চিনেমাখনৰ এটা দৃশ্যত আমি দেখো যে তৰুৱে চেনিৰ বৈয়ামত থকা পৰুৱাটোক নিজৰ গাত বগাবলৈ দিয়ে। দৃশ্যটো নিসন্দেহে প্ৰতীকধৰ্মী। তৰুৰ অবদমিত কামনা আৰু সামাজিক নিয়ন্ত্ৰণৰ মাজত বন্দী হৈ থকা অস্তিত্বক পৰিচালকে কোনো প্ৰত্যক্ষ বক্তব্য নিদিয়াকৈ এক অথৰহ দৃশ্য প্ৰতীকৰ জৰিয়তে ৰূপায়িত কৰিছে।

তৰুৰ ভূমিকাত শিখা হাজৰিকাই এক পৰিণত আৰু মাৰ্জিত অভিনয় কৰিছে। মুখৰ ভাষাতকৈ চকু-মুখৰ অভিব্যক্তি আৰু নীৰৱ মুহূৰ্তবোৰতেই তেওঁ চৰিত্ৰটোৰ অব্যক্ত বেদনাক বলিষ্ঠভাৱে প্ৰকাশ কৰিছে। অশোক সিঙৰ বলি আৰু সপোনটি বৰদলৈৰ বিহাৰী চৰিত্ৰ দুয়োটাই সাৱলীল অভিনয়ৰ জৰিয়তে দৰ্শকৰ হৃদয় চুবলৈ সক্ষম হৈছে।

অৱশ্যে শিৱানন্দ কাকতিৰ মূল উপন্যাসখন চিনেমা ৰূপত অভিযোজনা কৰোঁতে কিছুমান সূক্ষ্ম বিষয়ৰ ওপৰত আৰু অধিক গুৰুত্ব আৰোপ কৰিব পৰা গ'লহেঁতেন। বিশেষকৈ তৰুৰ স্বামী, বলি বা আন কিছুমান চৰিত্ৰৰ পাৰিবাৰিক পটভূমি আৰু সামাজিক অৱস্থান বিস্তৃতভাৱে দেখুৱাব পাৰিলে বা আভাস দিয়া হ'লে দৰ্শকে চৰিত্ৰসমূহৰ মনস্তত্ত্ব অনুধাৱন কৰাৰ সুযোগ লাভ কৰিলেহেঁতেন।

চিনেমাখনৰ আৰম্ভণিত পৰিচালকে টাইটেল কাৰ্ড প্ৰদৰ্শনৰ পূৰ্বে কেইটামান বিস্তৃত আৰু সুসংগঠিত দৃশ্যৰ সংযোজন কৰিব পাৰিলেহেঁতেন; বিশেষকৈ তৰুৰ গিৰীয়েক গছৰ পৰা পৰি মৃত্যুবৰণ কৰাৰ ঘটনাটো কেৱল তথ্যগতভাৱে উল্লেখ নকৰি কিছু অধিক সময় আৰু গুৰুত্বেৰে চিত্ৰায়িত কৰা হ'লে দৰ্শকে চৰিত্ৰটোৰ সৈতে আৱেগিকভাৱে সংযোগ স্থাপন কৰাৰ সুযোগ লাভ কৰিলেহেঁতেন। স্বামীৰ আকস্মিক মৃত্যুৱে তৰুৰ জীৱনত কঢ়িয়াই অনা শূন্যতা, অনিশ্চয়তা আৰু অসহায় অৱস্থাৰ বীজ এই ঘটনাটোৰ মাজতেই নিহিত হৈ আছে। সেয়েহে, ঘটনাটোৰ প্ৰভাৱক কেইটামান দৃশ্যৰ সংমিশ্ৰণৰ জৰিয়তে উপস্থাপন কৰা হ'লে চিনেমাখনৰ আৱেগিক ভিত্তি অধিক শক্তিশালী হ'লহেঁতেন আৰু পৰৱৰ্তী কাহিনীক্ৰমৰ সৈতে দৰ্শকৰ একাত্মতা বৃদ্ধি পালেহেঁতেন।

মোৰ দৃষ্টিত মান্নাৰ সমৰ্পণ কেৱল এখন চিনেমা নহয়; ই মন আৰু মগজুত খুন্দিয়াই যোৱা এক সামাজিক দলিল। সমকালীন অসমীয়া চিনেমাত য'ত বিষয়বস্তু আৰু নান্দনিকতাৰ সুষম সমন্বয় খুব কমেই দেখা যায়, তেনে ক্ষেত্ৰত অৰূপ মান্নাৰ সমৰ্পণ এক ব্যতিক্ৰমী সংযোজন। দৃশ্য, নীৰৱতা আৰু সংলাপৰ মাজত অৰূপ মান্নাই সৃষ্টি কৰা সামঞ্জস্যই কাহিনীক অধিক হৃদয়গ্ৰাহী কৰি তোলে, যাৰ প্ৰভাৱ দৰ্শকৰ মনত দীঘলীয়া সময় ধৰি অনুৰণিত হৈ থাকে। আইদেউৰ পৰা আমৃত্যুলৈকে যি শিল্প-অনুসন্ধান মান্নাই অব্যাহত ৰাখিছে, সমৰ্পণ চিনেমাখন সেই যাত্ৰাৰ এক মননশীল আৰু স্মৰণীয় মাইলৰ খুঁটি। ■

ফোন ঃ ৮১৩৩০ ৬৯৬২৯

# দ্য ছাইলেঞ্চ অব দ্য লেম্বছ

## শাস্ত্ৰীয়তাৰ পঁইত্ৰিছ বছৰ



ডঃ দীপশিখা ভাগৱতী

‘Have the lambs stopped screaming yet?’
– **Dr. Hannibal Lecter**
‘Maybe you’re afraid, too.’
– **Clarice Starling**

**স**মতলীয় কাহিনী কথনৰ উৰ্ধ্বত বহু চলচ্চিত্ৰই মানুহৰ মনোজগতৰ গভীৰতম স্তৰৰ খিৰিকী খুলি এক স্থায়ী ছাপ এৰি যায়। জনাথন ডেমিৰ মনস্তাত্ত্বিক হৰৰ-থ্ৰিলাৰ দ্য ছাইলেঞ্চ অব দ্য লেম্বছ (১৯৯১) এক বিৰল শ্ৰেণীৰ চলচ্চিত্ৰৰ অন্তৰ্গত, যি মাথোঁ এখন থ্ৰিলাৰ নহয়, এখন অপৰাধ-কাহিনীমূলক ছবিও নহয়, ই মানুহৰ মনস্তত্ত্ব, শংকা, স্মৃতি, ক্ষমতা আৰু নিঃসংগতাৰ এক গভীৰ অন্বেষণ।

১৯৯১ চনত মুক্তিপ্ৰাপ্ত এই ছবিখনে অকাডেমি বঁটাৰ পাঁচটা মুখ্য শাখা— শ্ৰেষ্ঠ ছবি, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ অভিনেত্ৰী আৰু শ্ৰেষ্ঠ অভিযোজিত চিত্ৰনাট্য জয় কৰি চলচ্চিত্ৰ ইতিহাসত এক অনন্য স্থান অধিকাৰ কৰে। শৈলীগতভাৱে এখন হৰৰ ছবিয়ে প্ৰথমবাৰৰ বাবে লাভ কৰা এই সাফল্য কোনো আচৰিত পৰিঘটনা নাছিল, ই আছিল এক অসাধাৰণ শিল্পকৃতিৰ স্বাভাৱিক স্বীকৃতি। ছবিখনৰ কাহিনীৰ কেন্দ্ৰবিন্দুত আছে ক্লেৰিছ ষ্টাৰ্লিং (জুদী ফ'ষ্টাৰ)-ফেডাৰেল ব্যুৰ' অব ইনভেষ্টিগেচনৰ এগৰাকী নৱীন প্ৰশিক্ষণাৰ্থী। তীক্ষ্ণ বুদ্ধি আৰু অদম্য অধ্যৱসায়ৰ অধিকাৰী ক্লেৰিছক এটা জটিল অনুসন্ধানৰ দায়িত্ব দিয়া হয়। ‘বাফেল’; বিল’ (টেড লেভিন) নামৰ এজন ধাৰাবাহিক নৰঘাতকে এটাৰ পাছত এটাকৈ মহিলা অপহৰণ আৰু হত্যা সংঘটিত কৰি সমগ্ৰ দেশক আতংকিত কৰি তুলিছে। তদন্ত আগবঢ়াবলৈ এফ বি আয়ে ক্লেৰিছক পঠিয়ায় ডঃ হেনিবেল লেক্টাৰৰ (এন্থনী হপকিন্স)ৰ ওচৰলৈ— যি এগৰাকী প্ৰাক্তন মনোচিকিৎসক, অতি মেধাৱী, কিন্তু অতি ভয়ংকৰ এজন বন্দী। মানসিকভাৱে অসুস্থ অপৰাধী হোৱাৰ হেতুকে তেওঁ বাল্টিমোৰ ষ্টেট হাস্পতালত বন্দী হৈ আছে ঃ

‘A census taker once tried to test me. I ate his liver with some fava beans and a nice chianti.’

এইখিনিতে ছবিখনে এক সাধাৰণ অপৰাধ-থ্ৰিলাৰৰ সীমা অতিক্ৰম কৰিছে। কাহিনীৰ মূল নাটকীয়তা ‘বাফেল’; বিল’; ধৰা পৰাত নহয়, বৰং ক্লেৰিছ আৰু লেক্টাৰৰ মাজত গঢ় লৈ উঠা সেই অদ্ভুত মনস্তাত্ত্বিক সম্পৰ্কত নিহিত হৈ আছে। তেওঁলোকৰ প্ৰতিটো সাক্ষাৎ যেন শব্দক অস্ত্ৰ আৰু স্মৃতিক যুদ্ধক্ষেত্ৰলৈ পৰ্যবসিত কৰা এক মৌখিক দ্বন্দ্বযুদ্ধ। হেনিবেল লেক্টাৰ আধুনিক চলচ্চিত্ৰ ইতিহাসৰ অন্যতম স্মৰণীয় চৰিত্ৰ। তেওঁ এজন নৰঘাতক, এজন নৰভোজী, কিন্তু একে সময়তে অসাধাৰণ সাংস্কৃতিক পৰিশীলন আৰু বৌদ্ধিক সূক্ষ্মতাৰে সমৃদ্ধ। তেওঁৰ ভিতৰত নিষ্ঠুৰতা আৰু সৌন্দৰ্যবোধ, হিংস্ৰতা আৰু শিষ্টাচাৰ— এই বিপৰীত শক্তিসমূহ একেলগে সহাৱস্থান কৰে, আৰু এই দ্বৈত সত্তাই তেওঁক অধিক আবেদনশীল তথা ভয়ংকৰ কৰি তোলে। ছাৰ এন্থনী হপকিন্সৰ অভিনয়ে এই চৰিত্ৰটোক প্ৰায় পৌৰাণিক উচ্চতালৈ লৈ যায়। আশ্চৰ্যজনকভাৱে তেওঁ ছবিখনত তুলনামূলকভাৱে কম সময়ৰ বাবেহে উপস্থিত থাকে, কিন্তু শাৰীৰিক অৱস্থিতিৰ তুলনাত তেওঁৰ শক্তিশালী মানসিক উপস্থিতিৰ প্ৰভাৱ ছবিখনৰ আৰম্ভণিৰ পৰা অন্তিম মুহূৰ্তলৈ অনুভৱ কৰা যায়— তেওঁৰ স্থিৰ দৃষ্টি, নিয়ন্ত্ৰিত কণ্ঠস্বৰ আৰু সূক্ষ্ম অভিব্যক্তিৰ মাজত এক অস্বস্তিকৰ আকৰ্ষণ আছে, দৰ্শকে আতংকত ত্ৰস্তমান হ'বলৈ তেওঁ চিঞৰি উঠিব নালাগে; নীৰৱতাই তেওঁৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ।

ক্লেৰিছ ষ্টাৰ্লিঙৰ চৰিত্ৰত জুডি ফ'ষ্টাৰ এই ছবিখনৰ হৃদয়। চলচ্চিত্ৰত নাৰী চৰিত্ৰৰ উপস্থাপনৰ ইতিহাসত ক্লেৰিছ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। তেওঁ কোনো অলৌকিক নায়িকা নহয়, কোনো অজেয় যোদ্ধাও নহয়। তেওঁ ভয় কৰে, সংশয়ত ভোগে, নিজৰ অতীতৰ আঘাত বহন কৰে, কিন্তু এই সকলোবোৰৰ মাজতো নিৰ্ভয় হৈ আগবাঢ়ি যায়। তেওঁৰ সাহস কোনো আৰ্জিত বা আৰোপিত শক্তিৰ পৰা নহয়, দুৰ্বলতাৰ সন্মুখীন হোৱাৰ ক্ষমতাৰ পৰা জন্ম লয় ঃ ‘I thought, I thought if I could save just one, but... he was so heavy. So heavy.’ ফ'ষ্টাৰে এই জটিল মানসিক স্তৰবোৰ অতিশয় সংযম আৰু সূক্ষ্মতাৰে ৰূপায়ণ কৰিছে। অভিনয়ত একাধাৰে দৃঢ়তা আৰু ভংগুৰতা, পেছাদাৰী একাগ্ৰতা আৰু ব্যক্তিগত বেদনাৰ সহাৱস্থানৰ ফলত ক্লেৰিছ মাত্ৰ এখন ছবিৰ চৰিত্ৰ হৈ নাথাকে, তেওঁ এক জীৱন্ত মানৱিক উপস্থিতিত পৰিণত হয়।

জনাথন ডেমিয়ে ছবিত আতংকৰ সৃষ্টিৰ বাবে সাধাৰণ থ্ৰিলাৰৰ পৰিচিত কৌশলসমূহৰ ওপৰত নিৰ্ভৰ নকৰে। ইয়াৰ পৰিৱৰ্তে তেওঁ দৰ্শকক চৰিত্ৰসমূহৰ মনোজগতৰ ওচৰলৈ পোনপটীয়াকৈ লৈ যায়। বিশেষকৈ ক্লোজ-আপ শ্বটৰ ব্যৱহাৰ ছবিখনত অসাধাৰণ। বহু দৃশ্যত চৰিত্ৰসমূহে পোনপটীয়াকৈ কেমেৰাৰ ফালে চায়, যেন দৰ্শকৰ চকুত চকু থৈ কথা পাতিছে— ফলত পৰ্দাৰ চৰিত্ৰ আৰু দৰ্শকৰ মাজৰ দূৰত্ব কমি আহে আৰু এক গভীৰ মানসিক অস্বস্তিৰ সৃষ্টি হয়। দ্য ছাইলেঞ্চ অব দ্য লেম্বছৰ চলচ্চিত্ৰগ্ৰহণ আধুনিক আমেৰিকান চলচ্চিত্ৰৰ এক অনন্য কৃতি। টাক ফুজিমোটোৰ কেমেৰাই এই ছবিখনত চৰিত্ৰসমূহৰ মানসিক অৱস্থা আৰু অন্তৰ্জগতৰ অন্ধকাৰক দৃশ্যমান ৰূপ দিছে। ছবিখনৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ সাহসী ক্লোজ-আপ শ্বটৰ ব্যৱহাৰ। বহু দৃশ্যত চৰিত্ৰসমূহে প্ৰায় পোনপটীয়াকৈ কেমেৰাৰ ফালে চাই কথা কয়, বিশেষকৈ হেনিবাল লেক্টাৰৰ দৃষ্টিয়ে যেন পৰ্দা ভেদি দৰ্শকৰ অন্তৰজগতত প্ৰৱেশ কৰে! আলোকসম্পাতৰ ব্যৱস্থায়ো ছবিখনৰ মনস্তাত্ত্বিক আৱহ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অন্ধকাৰ কৰিড'ৰ, কাৰাগাৰৰ শীতল কোঠা আৰু ছাঁ-আন্ধাৰৰ সূক্ষ্ম ব্যৱহাৰে এক অনিশ্চয়তা আৰু আতংকৰ অনুভূতি জগাই তোলে। কেমেৰাৰ সংযত গতি আৰু নিখুঁত ফ্ৰেম-সংগঠনে ছবিখনৰ উত্তেজনাক কেতিয়াও অতিৰঞ্জিত হ'ব নিদিয়ে, নীৰৱতা আৰু অপেক্ষাৰ মাজেদি গভীৰতৰ হৈ আতংকৰ উন্মাদনাই দৰ্শকক চুম্বকৰ লেখীয়াকৈ ধৰি ৰাখে। কেমেৰা ইয়াত কেৱল কাহিনী বৰ্ণনাৰ মাধ্যম নহয়, ই নিজেই এক সক্ৰিয় চৰিত্ৰ। সেয়েহে দ্য ছাইলেঞ্চ অব দ্য লেম্বছৰ চলচ্চিত্ৰগ্ৰহণ আজিও বিশ্ব চলচ্চিত্ৰৰ পাঠ্যস্বৰূপ এক অনুপম শিল্প সাফল্য হিচাপে বিবেচিত হয়।


আলোক-ব্যৱস্থাৰ সমান্তৰালকৈ সম্পাদনা আৰু শব্দ-সজ্জায়ো ছবিখনৰ মনস্তাত্ত্বিক পৰিৱেশ গঢ়ি তোলাত তাৎপৰ্যপূৰ্ণ ভূমিকা লৈছে। হাওৱাৰ্ড শোৰৰ সংগীত কেতিয়াও অত্যধিক হৈ নুঠে— ই দৃশ্যসমূহৰ অন্তৰ্নিহিত উত্তেজনাক নীৰৱভাৱে বহন কৰে। ছবিখনৰ বহু স্মৰণীয় মুহূৰ্ত আচলতে সংগীতৰ বাবে নহয়, সংগীতৰ অনুপস্থিতিৰ বাবেহে অধিক শক্তিশালী হৈ উঠে। টেড টেলিৰ অভিযোজিত চিত্ৰনাট্যও বিশেষভাৱে উল্লেখযোগ্য। থমাছ হেৰিছৰ আধাৰ উপন্যাসৰ মূল সত্তা অক্ষুণ্ণ ৰাখি টেলিয়ে এক সংহত আৰু গভীৰ চলচ্চিত্ৰভাষা নিৰ্মাণ কৰিছে। সংলাপসমূহ কেতিয়াও অতিৰিক্ত ব্যাখ্যামূলক নহয়; প্ৰতিটো বাক্যৰ অন্তৰত লুকাই থাকে বহুমাত্ৰিক অৰ্থ।

ছবিখনৰ অন্যতম শক্তিশালী দিশ হৈছে ইয়াৰ বিষয়বস্তুগত গভীৰতা। প্ৰথম দৃষ্টিত ই অপৰাধ আৰু অনুসন্ধানৰ কাহিনী যেন লাগিব পাৰে, কিন্তু ইয়াৰ আঁৰত বহুস্তৰীয় মানৱিক আৰু সামাজিক প্ৰশ্ন নিহিত হৈ আছে। ক্লেৰিছৰ অভিজ্ঞতাৰ মাজেৰে ছবিখনে পুৰুষপ্ৰধান প্ৰতিষ্ঠানসমূহত এগৰাকী মহিলাৰ অৱস্থানক ব্যাখ্যা কৰে। তদন্তৰ প্ৰতিটো স্তৰত তেওঁ পুৰুষৰ বিভিন্ন প্ৰাবল্যৰ দৃষ্টি, সংশয় আৰু অৱমূল্যায়নৰ সন্মুখীন হয়, তথাপিও তেওঁ নিজৰ মেধা আৰু দৃঢ়তাৰ জৰিয়তে সেই বাধাসমূহ অতিক্ৰম কৰে। ছবিখনে আহত স্মৃতি আৰু মানসিক বিকৃতিৰ প্ৰশ্নও উত্থাপন কৰে। ক্লেৰিছৰ শৈশৱৰ স্মৃতি, লেক্টাৰৰ জটিল মনস্তত্ত্ব আৰু বাফেল’; বিলৰ বিকৃত আত্মপৰিচয়— এই সকলোবোৰে দেখুৱায় যে মানুহৰ আচৰণৰ আঁৰত প্ৰায়েই গভীৰ মানসিক ইতিহাস লুকাই থাকে।


ছবিখনৰ শিৰোনামটোৱেই ইয়াৰ দাৰ্শনিক কেন্দ্ৰবিন্দু। পিতৃৰ মৃত্যুৰ পাছত, মণ্টানাত খুৰাকৰ ঘৰত আশ্ৰয় লোৱা শৈশৱৰ সময়ছোৱাত, ক্লেৰিছে শুনা মৃত্যুমুখী অসহায় ভেড়াবোৰৰ (slaughtered lambs) আৰ্তনাদৰ স্মৃতি তেওঁৰ অৱচেতন মনত এক স্থায়ী ক্ষত হিচাপে ৰৈ যায়। সেই নিৰীহ ভেড়াবোৰক বচাব নোৱাৰাৰ অসহায় অনুভূতিয়েই তেওঁক জীৱনৰ পথ নিৰ্ধাৰণ কৰিবলৈ বাধ্য কৰিছিল। সেই অৰ্থত দ্য ছাইলেঞ্চ অব দ্য লেম্বছ কোনো বাস্তৱ শব্দৰ অনুপস্থিতি নহয়, ই এক মানসিক শান্তিৰ সন্ধান, এক অন্তহীন মুক্তিৰ আকাংক্ষা।

মুক্তিৰ তিনিটা দশকৰো অধিক সময় পাছতো দ্য ছাইলেঞ্চ অব দ্য লেম্বছ সমান্যভাৱে প্ৰাসংগিক আৰু শক্তিশালী। ইয়াৰ প্ৰভাৱ পৰৱৰ্তী অসংখ্য থ্ৰিলাৰ আৰু মনস্তাত্ত্বিক অপৰাধ-চলচ্চিত্ৰত স্পষ্ট (হেন্নিবেল, ৰেড ড্ৰেগন...), কিন্তু অনুকৰণকাৰীৰ ভিৰৰ মাজতো ইয়াৰ স্বাতন্ত্ৰ্য অক্ষুণ্ণ আছে, কাৰণ ই ভয়ক মানুহৰ অন্তৰ্জগতৰ অভিজ্ঞতা হিচাপে উপস্থাপন কৰে। জনপ্ৰিয় বিনোদন আৰু উচ্চ শিল্পৰ মাজত এক দুৰ্লভ সমন্বয় সাধন কৰি ছবিখন এক অসাধাৰণ; ইয়াত আছে উত্তেজনা, ৰহস্য, ভয় আৰু নাটকীয়তা, কিন্তু এই সকলোবোৰৰ উৰ্ধ্বত আছে মানুহৰ মন আৰু অস্তিত্বৰ এক গভীৰ উন্মীলন। এন্থনী হপকিন্স, জুডি ফ'ষ্টাৰ, জনাথন ডেমি আৰু সমগ্ৰ সৃষ্টিশীল দলটোৱে মিলি এনে এখন চলচ্চিত্ৰ সৃষ্টি কৰিছে, যাক সময়ৰ সোঁতে দীৰ্ঘদিন মনত ৰাখিব। ছবিখনে দৰ্শকৰ মনত নতুন নতুন প্ৰশ্ন, অনুভূতি আৰু ব্যাখ্যাৰ দুৱাৰ সৰ্বদা মুকলি কৰি দিয়ে আৰু সেয়েহে দ্য ছাইলেঞ্চ অব দ্য লেম্বছ ই আধুনিক চলচ্চিত্ৰ শিল্পৰ এক চিৰস্থায়ী মহাকৃতি। ২০১১ চনত দ্য ছাইলেঞ্চ অব দ্য লেম্বছ নেচনেল ফিল্ম ৰেজিষ্ট্ৰীত সংৰক্ষণৰ বাবে নিৰ্বাচিত হয়। ■







# হতাশাৰ হেমলক!



হৰ্ষজিৎ কলিতা

> জীৱন আৰু মৃত্যুৰ কথাৰে এখন উপভোগ্য ডাৰ্ক কমেডি ছবি। **আত্মহত্যাৰ বিৰুদ্ধে, ক্ৰমবৰ্দ্ধমান হতাশাৰ** প্ৰৱণতা হ্ৰাসৰ বাবে ছবিখনে এটা জাগৰণ অনাৰ পোষকতা কৰিছে; **জীৱনক জয়কাৰ কৰি মৃত্যুৰ তুচ্ছাতিতুচ্ছ প্ৰাত্যহিকতাৰ বিৰুদ্ধে নতুন অৰ্থ উন্মেষণৰ পোষকতা** কৰিছে। আপাতঃদৃষ্টিত এটা অসাধাৰণ বিষয়ক লৈ এখন চিনেমা!

**কৈ**শোৰৰ আলিদোমোজাৰ কোনোবা এটা ভাটিবেলাত বাৰাণ্ডাত বহি হেনৰী লংফেলোৰ এটা কবিতাত পঢ়া মনত পৰে ‘Every man has his secret sorrows which the world knows not, and often times we call a man cold when he is only sad.’ অৰ্থাৎ প্ৰত্যেক মানুহৰে বুকুৰ মাজত কিছুমান গোপন দুখানুভূতি থাকে যিবোৰ পৃথিৱীয়ে নাজানে আৰু যিবোৰে এজন মানুহ এজনৰ জীৱন দুখৰ কৰি তোলে’। এই গোপন দুখানুভূতি গভীৰ হৈ পৰি সৃষ্টি হোৱা হতাশা বা ডিপ্ৰেচন জাতীয় সমস্যাটো আজিৰ বৰ্তমানটোত একেবাৰে সাধাৰণ বিষয়ৰ ৰূপত আহি পৰিছে। সমগ্ৰ বিশ্বৰ প্ৰায় ১৩০ কোটি লোক বৰ্তমান দীৰ্ঘম্যাদী হতাশাৰ চিকাৰ আৰু হ্ৰস্বম্যাদী হতাশা? সেয়া হিচাপৰ বাহিৰত! আকৌ আমাৰ দেশ ভাৰতবৰ্ষৰ প্ৰায় ৩৬ শতাংশ লোক হতাশাৰ চিকাৰ। অৰ্থাৎ বৰ্তমান আমাৰ মাজৰ প্ৰতি তিনিজন ব্যক্তিৰ মাজৰ এজনেই হতাশা বা ডিপ্ৰেচনৰ চিকাৰ।

বৰ্ণনা নিষ্প্ৰয়োজন যে প্ৰতিজন মানুহেই জীৱনৰ কোনোবা নহয় কোনোবা এটা সময়ত শোক-হতাশাৰ ঠেলা-হেঁচাত দুখৰ অথাই সাগৰত কক্‌বকাবলৈ ধৰে। কোনো কোনোৰ বাবে এই হতাশা ইমানেই বেছি গভীৰ হ'বলৈ লয় যে ইয়াৰ ফলত মানুহজন কেতিয়াবা আত্মহত্যাৰ দৰে এটা চৰম পৰিণতিৰ ফালে যাবলৈ ইচ্ছুক হৈ পৰে। নিজক শেষ কৰি দিয়াৰ ফেণ্টাছি এটা কঢ়িয়াই লৈ ফুৰে বুকুত। কিন্তু হঠাৎ এই বিশাল আকাশখনলৈ চাই, কোনোবা প্ৰিয়জনৰ মুখৰ দীপ্তিমান লাৱণ্যলৈ চাই হয়তো সেই ফেণ্টাচী পৰিত্যাগ কৰে; সহজ জীৱনত আত্মনিয়োগ কৰে। কিন্তু সকলোৰে বাবে উজু নহয় এই যাত্ৰাপথ। এনেকুৱা অনেক থাকে যাৰ ওচৰত মনৰ নিভৃত কোণৰ বতৰা ক'ব পৰাকৈ নাথাকে কোনো সুহৃদ। যাৰ বাবে এওঁলোকে হতাশাৰ মুখামুখি হৈ ভাবিবলৈ লয় যে সমগ্ৰ পৃথিৱীখনেই আমাৰ বাবে একো একোটা অৰ্থহীন ফন্দী। এই লোকসকলে জীৱনক ভালপায়ো মৃত্যুক আঁকোৱালি লোৱাৰ অদ্ভুত ফেণ্টাচী এটাত ঘূৰি ফুৰে। অনেকেই নিজক শেষ কৰাৰ চিন্তা নকৰে যদিও তেওঁলোকে বাস্তৱিকতে মৃতপ্ৰায় হৈ ঘূৰি ফুৰে। দিন-ৰাতিৰ মায়াসনা পোহাৰ, এই জগতৰ সকলো বিনন্দীয়া উপচাৰেৰে সমৃদ্ধ হৈ থকা অপূৰ্ব সম্ভাৰ তেওঁলোকৰ বাবে হৈ পৰে অনৰ্থক আৱাহন। পোৱা-নোপোৱাৰ কোনো এক বাঙ্ময় মুহূৰ্তত আশা-হুতাশৰ অথৰ্ব গলিৰ মাজেৰে উদয়াস্ত তেওঁলোকে নিজক কঢ়িয়াই লৈ ফুৰে। এই মানসিক মৃত্যু যিয়ে অনুভৱ কৰিছে সিয়েই কেৱল ইয়াৰ ভয়াৱহতাক উপলব্ধি কৰিব পাৰে। একো-একোযুৰি বিষণ্ণ চকুৰে এই মানুহজাক আমাৰ মাজৰ একো-একোটা সুলভ চৰিত্ৰ।

খুব সহজভাৱেই অনুভৱ কৰিব পাৰোঁ যে আমাৰ সমস্যাটো হ'ল আমাৰ ওচৰত কথা ক'বলৈ মানুহৰ অভাৱ। প্ৰতিজন মানুহেই কিজানি জীৱনত কেইজনমান নিৰ্ভেজাল শ্ৰোতাৰ সন্ধানত থাকে। অথচ প্ৰতিনিয়ত সময়ে আমাক নিৰ্মাণ কৰি তুলিছে একো একোজন নিৰ্বান্ধৱ হিচাপে! সলনিত শ্ৰোতাৰ সমস্যাটো সমগ্ৰ পৃথিৱীজুৰি ক্ৰমাৎ এটা গুৰুতৰ সমস্যা হিচাপে আত্মপ্ৰকাশ কৰিছে। আমি আনৰ কথা শুনিব ইচ্ছুক নহয়, আমি মাথোঁ আনৰ কথা শেষ হ'লে আমাৰখিনি আৰম্ভ কৰিবলৈকেহে উদগ্ৰীৱ। অথচ আমাক প্ৰত্যেককে লাগে একোজন শ্ৰোতা, যিয়ে আমাৰ বেদনাখিনিক ঠিক আমাৰ দৰেই অনুভৱ কৰিব পাৰে। জীৱনৰ অনিন্দ্যসুন্দৰ হাতবাউলি আৰু ভৱিষ্যতৰ ৰঙীণ স্বপ্নৰ স'তে চিনাকি কৰাই দিব পাৰে অহৰহ।

বহুদিন আগতে জীৱন-মৃত্যু আৰু হতাশা বিষয়ক কোনোবা এটা ছিৰিয়াছ আড্ডাত অগ্ৰজ লেখক, কবি প্ৰাঞ্জল তালুকদাৰে এখন বাংলা ছবিৰ কথা উনুকিয়াইছিল। ছবিখনৰ নাম ‘হেমলক ছ'চাইটী’। প্ৰাঞ্জলদাই কোৱাৰ লগে লগেই ছবিখন চালোঁ। জীৱন আৰু মৃত্যুৰ কথাৰে এখন উপভোগ্য ডাৰ্ক কমেডি ছবি। আত্মহত্যাৰ বিৰুদ্ধে, ক্ৰমবৰ্দ্ধমান হতাশাৰ প্ৰৱণতা হ্ৰাসৰ বাবে ছবিখনে এটা জাগৰণ অনাৰ পোষকতা কৰিছে; জীৱনক জয়কাৰ কৰি মৃত্যুৰ তুচ্ছাতিতুচ্ছ প্ৰাত্যহিকতাৰ বিৰুদ্ধে নতুন অৰ্থ উন্মেষণৰ পোষকতা কৰিছে। আপাতঃদৃষ্টিত এটা অসাধাৰণ বিষয়ক লৈ এখন চিনেমা! কিন্তু মৃত্যুৰ আৱাহনৰ বিৰুদ্ধে সেই অৰ্থ উন্মোচনৰ বাবে আমাৰ প্ৰত্যেকৰে লগত থাকেনে সুযোগ; একো একোজন সুহৃদ, যাৰ ওচৰত মুকলিকৈ বেকত কৰিব পাৰোঁ প্ৰতিটো কথা; যাৰ সাহসেৰে আমি উমাল কৰিব পাৰোঁ আমাৰ বৰ্তমান। আধুনিক জনজীৱনে আমাক এটা খোলাৰ ভিতৰত ইমান পয়ালগাকৈ বন্দী কৰিছে যে তাৰ পৰা নিবৃত্তি লভাটো আমাৰ বাবে অসম্ভৱ হৈ পৰিছে। তাৰ পৰা নিবৃত্তিৰ বাবে আমি হাতত তুলি লৈছোঁ ম'বাইল নামৰ যন্ত্ৰবিধে আগবঢ়োৱা কিছুমান খন্তেকীয়া বিলাসক। এই বিলাসে পুনৰ আমাক এটা নিৰ্বান্ধৱ খোলালৈ কুৰুকি কুৰুকি লৈ গৈছে। এই হতাশা আৰু বন্ধুহীনতাই এটা সময়ত এনেকুৱা এটা পৰ্যায়ত পৰিগ্ৰহ কৰিছে যে বহুতৰ বাবে মনোচিকিৎসকৰ পৰামৰ্শ নল'লে ইয়াৰ পৰা নিবৃত্তি পোৱাটো অসম্ভৱ হৈ পৰে। কিন্তু এইখিনিতে আহি পৰে অনেক সমস্যা। আজিৰ বৰ্তমানটোত আমাৰ মাজত মানসিক স্বাস্থ্য, ডিপ্ৰেচন বা হতাশা জাতীয় বিষয়ক লৈ সুস্থ চিন্তাৰ পৰিৱেশ এটা বৰ্তি থকা নাই। পেটৰ বেমাৰ বা ভৰিৰ বিষত আমাৰ চৌপাশৰ মানুহবোৰে যিদৰে আমাক চিকিৎসকৰ ওচৰলৈ যোৱাৰ বাবে উৎসাহিত কৰিব সেই একেই কথাটো সেই মানুহবোৰে মনোচিকিৎসকৰ ওচৰলৈ যোৱাৰ ক্ষেত্ৰত তুচ্ছ-তাচ্ছিল্যৰে উৰুৱাইহে দিব। কিয়নো এই বিষয়ক লৈ প্ৰয়োজনীয় সচেতনতাৰে আমি আজিকোপতি ঋদ্ধ হোৱা নাই। এনে পৰিৱেশত আমি বেছিভাগেই এই কথাবোৰক লুকুৱাবলৈ যাওঁ আৰু নিৰ্জনতাৰ খোলা এটাত নিজক সামৰি ৰাখি আমাৰ অমূল্য বৰ্তমানটোক নিষ্ফল কৰাৰ বাবেও কুণ্ঠাবোধ নকৰোঁ। এই পৰিক্ৰমাৰ পৰা আমাৰ আৰু আমাৰ চৌপাশৰ মানুহবোৰক উলিয়াই অনাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ বাবে অনানুষ্ঠানিক বা আনুষ্ঠানিকভাৱে মানসিক স্বাস্থ্যৰ ওপৰত কৰ্মশালা আদিৰ উপৰি হাতে-কামে এই লোকসকলক চিনাক্ত কৰি বা ইচ্ছুক লোকসকলৰ স'তে কথা-বতৰা পাতি তেওঁলোকৰ সমস্যাৰাজিক বুজা আৰু পাৰ্যমানে সমাধানৰ প্ৰয়াস কৰা আদি কামো কৰিব পাৰোঁ। নিজে প্ৰত্যক্ষভাৱে সমাধান দিব নোৱাৰিলেও এই বিষয়ৰ লগত জড়িত সমাধান যেনে— যোগাভ্যাগ, নিজকে সমূহৰ পৰা পৃথক নকৰি খোলাৰ বাহিৰলৈ ওলোৱাৰ উপদেশ, চিকিৎসকৰ পৰামৰ্শ আদি উপায়ৰ বিষয়েও আমি আমাৰ চৌপাশৰ এই সমস্যাত আক্ৰান্ত ব্যক্তিসকলক জনাব পাৰোঁ।

শেষত এটাই আহ্বান, এই লেখাত উল্লেখ কৰা হেমলক ছ'চাইটীৰ দৰে আমিও নিজৰ পৰিসৰত একো একোটা অনানুষ্ঠানিক সংস্থা গঢ়ি তুলিব নোৱাৰিনে? বেছি দূৰলৈ নগৈ আমি আমাৰ বৰ্তমানটোত আমাৰ চৌপাশৰ বন্ধু-সুহৃদৰ মাজৰ পৰাই এই কামটো আৰম্ভ কৰিব পাৰোঁ। ঠিকমতে আগবাঢ়িব পাৰিলে এই পৰিকল্পনাই এক বৃহৎ শতাংশ লোকৰ মাজত ফলপ্ৰসূ হ'ব বুলি আমাৰ বদ্ধমূল বিশ্বাস আছে। আকৌ যদি এইখিনিও আমাৰ বাবে কঠিন তেনেহ'লে আহক অন্ততঃ একো একোজন ভাল শ্ৰোতাই হওঁ... ■

ফোন ঃ ৯১০১৫৪৫২৯৫





# মন ভালে থাকিলে উশাহত বেলি ফুল ফুলে



দেৱপ্ৰসাদ তালুকদাৰ

**ম**নটো কিবা এটা ভাল লাগি আছে। কোনে বাৰু নিবিচাৰে মনটো সদায় ভালে থকাতো। মন ভালে থাকিলে চকুৰ আগত চকুৰ আঁৰত দেখি থকাবোৰ ভাল লাগে, আপোন আপোন লাগে। আপোনাকো ভাল দেখিছোঁ। গোটেই পৰিৱেশটো দেখোন আপোন আপোন লাগিছে। বিচৰা পোহৰকণ কেনেবাকৈ হ'লেও আহি মোৰ গালে-মুখে পৰি মোক নিৰাশ কৰা নাই। নিৰাশ কৰাৰ কথাটো নাহে, কিয়নো মোৰ মন-প্ৰাণ পুলকিত হৈ আছে। কিবা এটা অজানা ভাল লগা। এনেকুৱা ভাল লগা পাৰ্থিৱ সুখৰ পৰা নাহে। কোলাত কেঁচুৱাটোৰ গভীৰ টোপনি, মুখত ফুটি উঠিছে সুখৰ কোমল হাঁহি এপাহি। কি এক চিকুণ সিঁচৰতি পোহৰ। খিৰিকীৰে অদূৰত দেখিছোঁ চেউৰীজনীয়ে মাকৰ গাখীৰ চুপি আছে, কোৱাৰিৰে ফেন ওলাই আছে। মাকজনীৰ দুচকুত দেখিছোঁ সন্তুষ্টিৰ মিঠা চাৱনি।

মাকৰ পিছে পিছে হাঁহ পোৱালিকেইটাই কিবা এটা বুজাব নোৱাৰা আকুলতাত লৰা-ঢপৰা কৰিছে। ক'ব নোৱাৰা ভাল লগাই খেদি লৈ ফুৰিছে মনৰ চোতাল ঘৰ। মই মোক চাই থাকোঁ নিচেই ওচৰৰ পৰা। মোৰ দৰে আপোনালোকৰ হয় নেকি কেতিয়াবা এনেকুৱা। মই ভাবোঁ নিশ্চয় হয়।

একেই উৰণীয়া মন এটা কম-বেছি পৰিমাণে আমাৰ ভিতৰত দুপদুপাই থাকে। যিহেতু তেজ-মঙহৰ শৰীৰ। দুখ যিদৰে লাগে, সুখ সেইদৰে আহে। দুখতকৈ পিছে সুখ খন্তেকীয়া। সেই এধানিমান সুখৰ বাবে, ভাল লগাৰ বাবে কিমান কষ্ট, সাধনা কৰি বাধাৰ পথ মুকলি কৰিব লাগে। আমি সকলোৱে কম-বেছি পৰিমাণে বুজি পাওঁ। মনটো ভালে ৰাখিব পৰাটো পিছে বহুত ডাঙৰ কথা। ভাল মন এটা পাবলৈ হ'লে আমি কৰা কামবোৰৰ নিৰ্বাচন চাই-চিতি কৰিব লাগিব বুলি মই ভাবোঁ। কিবোৰ কাম কৰিলে আনৰ অসুবিধা নহয়। কি কথা ক'লে শুনোতাজনে আঘাত নাপায়। চাব সকলোৱে কম-বেছি পৰিমাণে আপোনাৰ-মোৰ কাম-কাজত দৃষ্টি ৰাখে। মনটো ভালে ৰাখিবলৈ মনটো যিমান পাৰি পৰিষ্কাৰ কৰি ৰাখিবলৈ চেষ্টা কৰোঁ, লাগে ব্যক্তিগত লাভালাভত অলপ লোকচানে হওক। এটা কথা ঠিক যে জীৱনৰ প্ৰতিটো খোজতে কম-বেছি পৰিমাণে আৰ্থিক দিশটো জড়িত হৈ থাকে, তাক যিমানেই প্ৰাধান্য দিব সিমানেই মনৰ চাপ বাঢ়ি গৈ থাকে। প্ৰয়োজন পূৰণ হ'লে সামৰিব পাৰিলে শান্তিৰ পথাৰখনত উমলিব ভাল। অৱশ্যেই সেয়া নিজৰ নিজৰ কথা। মন ভাল লগাৰ বিভিন্ন ৰং আছে। আমাৰ মনবোৰ একে নহয়। কাৰ ক'ত কেনেকুৱাত ভাল লগা সোমাই থাকে বহিঃপ্ৰকাশ হ'লে বুজা যায়।

উচিত কথা এটাও অতি বিনম্ৰতাৰে আমি উপস্থাপন কৰিব পাৰোঁ। প্ৰয়োজনীয় কথাৰ সৈতে আমি জড়িত হৈ থকাটো দৰকাৰ বুলি ভাবোঁ। নিজৰ কথা যে সদায় শুদ্ধ হ'ব ভাবিব নালাগে। ভুল বুলি বিবেচিত হ'লে ভুলটো মানি ল'ব লাগে। অকপতে স্বীকাৰ কৰিলে সকলোৱে প্ৰিয়ভাজন হ'ব পাৰি। তেতিয়া চাব নিজৰ মনটো কঁব নোৱাৰাকৈয়ে পৰিষ্কাৰ পৰিষ্কাৰ লাগে। বেছি জটিলতাত পৰাপক্ষত যাব নালাগে। সহজভাৱে সমস্যাবোৰ সমাধান কৰিব লাগে। এই দুদিনীয়া জীৱনৰ বাবে ইমানবোৰ বিচাৰি কি লাভ। পোৱাখিনিতে সন্তুষ্ট থাকিব পাৰিলে অতি উত্তম। শান্তিত থাকিব পাৰিলে মনটো ভালে থাকে। শান্তি বাহিৰৰ পৰা নাহে, নিজৰ ভিতৰৰ পৰা আনিব লাগিব। ভিতৰত চলি থকা পোৱা-নোপোৱাৰ যুদ্ধখন সামৰিব লাগিব। বহু কষ্ট হ'ব, সহজ নহয়। বাহিৰৰ পৰিৱেশৰ লগত মিলাই চলা সহজ নহয়। তথাপি ধৈৰ্য ধৰিলে লাহে লাহে সকলো স্বাভাৱিক হয়। সময় লাগে। এই যে মই পোনতে ক'লোঁ মন ভাল লগা কথা। সাধাৰণতে মন ভাল লগা কাৰণ সকলোৰে বেলেগ ধৰণৰ হয়। কিছুমান ভাল লগা সাৰ্বজনীন; যেনে শৰীৰ ভালে আছে, মনত বহুত চিন্তা থাকিলেও মনটো ভাগি নপৰে, আগলৈ চোৱাৰ সাহসকণ থাকে। ঘৰৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়া সকলোবোৰ ভালে থাকিলে সাধাৰণতে ভাল লাগে। পৰিৱেশে ভাল লগা বেয়া লগাত বহুতখিনি প্ৰভাৱ পেলায়। আজিকালি মানুহৰ, নাজানো যুগৰ পৰিৱৰ্তন নে অতি পাত পোৱাৰ তাড়নাত থকাৰ বাবে, খঙটো উঠিয়েই থাকে। সেয়ে ওলাই মেলি ফুৰোঁতে অলপ উনৈশ-বিশ হ'লে ভাল লাগি থকা মনটো সাউতকৈ চেঁচা পৰি যায়, কাৰোবাৰ ব্যৱহাৰত। ৰাস্তা-ঘাটে, বজাৰে-সমাৰে সৰু কথাতে, অলপতে মানুহ অসন্তুষ্ট হৈ উঠে। সৰু কথাতে কাজিয়া আৰম্ভ কৰে। কেনেবাকৈ গাড়ীত গাড়ী লাগিলে খঙৰ কোবত ক'ব নোৱাৰা হয়। মাৰপিট কৰিবলৈ কুণ্ঠাবোধ নকৰে। মৃত্যুপৰ্যন্ত হয়। এইক্ষেত্ৰত মই ভাবোঁ যিমান পাৰি এই বিপদৰ পৰা এৰাই চলিব লাগে। কথাত কথা বাঢ়ি যায়। নিজকে সংযত কৰি নিজৰ ভুল নহ'লেও মনটো ভাল কৰি হাঁহিমুখে ক্ষমা খুজি দিলে লেঠা খতম। ভৰণি ভৰিবলগীয়া হ'লেও ভৰাটোৱেই উচিত, জটিলতাত যোৱাতকৈ। এয়া আচলতে দুৰ্বলতা নহয়, সৰলতা। সৰু হোৱাও নুবুজায়। মনটো ভালে ৰখাৰ স্বাৰ্থত। ওপৰৰ পৰা এজনে চাই আছে; সময়ত সঁচা-মিছাৰ বিচাৰ হ'ব, মোৰ বিশ্বাস। অসহায়জনক আলিবাটটো পাৰ কৰাই দিছে। প্ৰয়োজন থকাজনক চিটী বাছত নিজে বহা ছীটটো এৰি দিছে, দেখিব মনে কিমান সুখ অনুভৱ কৰে— ভাষা নাথাকে বুজাবলৈ। তেতিয়া সেই সৰু হৈ দিয়া কথাবোৰ বহুত তললৈ গুচি যায়। তেওঁ কি ধৰণে থাকি মন ভাল লগাব বিচাৰিছিল। আমি সকলোৱে জানো। অসাধাৰণ কথা এটা সাধাৰণভাৱে কৈছিল। ইচ্ছা কৰা হ'লে সুখৰ বাবে সুৰক্ষিত মহল, সন্দেহৰ ডাৱৰ আঁতৰাই নিৰাপদৰ সুচল পথ ল'বলৈ অকণো অসুবিধা নহ'লহেঁতেন। কিন্তু তেওঁ আছিল ব্যতিক্ৰম। মন ভাল লগা ক'ত গা কৰি উঠে সময়ে তেওঁক সজাগ কৰি দিয়ে, সাধাৰণভাৱে ফুটপাথত খাটিখোৱা কোনোবাজনৰ লগত ইমান সৰলভাৱে মিলামিছা কৰিছিল। শুনিলে মন ভাল লাগি যায়। দুখৰ চোতালখনত মনে-প্ৰাণে সাৰে থাকি, কিবা এটা কৰিব বিচৰা মন এটা লৈ উচপিচাই আছিল। সেইদিন আজি সোঁৱৰণী হ'ল। ভাল মন এটা লৈ ভালে থাকোঁ আহক এই দুদিনীয়া জীৱনত। ■

ফোন ঃ ৭০৮৬২৯৬৭২৪

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচনছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ